# প্ৰান্তিক


৫ম বছৰ ১৭শ সংখ্যা ১—১৫ আগষ্ট '৮৬

আধুনিকতাৰ বাৰ্তাবাহী
জনদিয়েক অসমীয়া
চিত্ৰকৰ






শাস্ত্ৰত বিজ্ঞান ঃ শিখণ্ডী বৃহন্নলা




## ৰাষ্ট্ৰীয় শিক্ষানীতি ১৯৮৬



## অসমত খনিজসম্পদৰ ভিত্তিত সম্ভাব্য উদ্যোগ

OKDISCD




'মৰমৰ' উপহাৰ ক্ৰমবৃদ্ধিমান উপহাৰ

চিলড্ৰেনচ গিফ্ট গ্ৰোথ ফাণ্ড ১৯৮৬ এই বিনিয়োগ

১২ গুণলৈ বৃদ্ধি হয়–লগতে প্ৰতি ৫ বছৰত বোনাচ লভ্যাংশ

এইটোৱেই সেই বিনিয়োগ যাৰ বাবে আপুনি অপেক্ষাকৃত।

লৰা ছোৱালীৰ বাবে ১৯৮৬-ৰ ক্ৰমবৃদ্ধি উপহাৰ এটা তেনে ধৰণৰেই আৰ্চনি যি প্ৰকৃততে প্ৰকাশ কৰে আপোনাৰ অতি মৰমৰ লৰা ছোৱালীক কিমান মৰম কৰে আৰু সিহঁতৰ বাবে আপুনি কিমান উদ্বিগ্ন।

এই আচনিত শতকৰা ১২.৫ ভাগ লভ্যাংশ নিশ্চিত, যি প্ৰত্যেক বছৰে আকৌ নিজে নিজেই পুনঃ জমা হৈ যায়। আৰু প্ৰত্যেক পাচ বছৰৰ শেষত এটা বিশেষ ওপৰঞ্চি লভ্যাংশ পাব। যাৰ অৰ্থ এয়ে যে–আপোনাৰ উপহাৰ ৬ বছৰত দুগুণ আৰু ২১ বছৰত ১২ গুণ হয়গৈ।

আন গঠনসমূহঃ
যি কোনো বয়সস্থ–মাকদেউতাক, কুটুম্ব বা শুভাকাঙ্ক্ষী–১৫ বছৰৰ সৰু যি কোনো সন্তানৰ বাবে এই উপহাৰ প্ৰয়োগ কৰিব পাৰে। বয়সৰ সত্যতা প্ৰমাণ কৰাৰ একো প্ৰয়োজনেই নাই।

সন্তানৰ ২১ বছৰ বয়সত এই উপহাৰ পৰিপক্ক হয়। ১৮ বছৰ বয়সত উঠাই লোৱাৰ এটা ইচ্ছাধীন দিয়া হয়। তেতিয়ালৈ কোনেও মুলধন বা লভ্যাংশৰ টকাত হাত দিব নোৱাৰে।

১৯৮৬ চনৰ বিত্ত আইনমতে উপহাৰ কৰৰ ৰেহাইৰ মাত্ৰা ২০,০০০ টকালৈকে বঢ়োৱা হৈছে।

UNIT TRUST OF INDIA

ইউনিট ট্ৰাষ্ট অব ইণ্ডিয়া

(এটা পাবলিক চেক্টৰ অৰ্থ সংস্থা)

আঞ্চলিক অফিচ
২ এণ্ড 8, ফেয়াৰলি প্লেচ, কলিকাতা–৭০০ ০০১
ফোনঃ ২৩-৯৩৯১, ২৩-১৬৩৮

শাখা অফিচ
আশা নিভাচ, ২৪৬ লোউইচ ৰোড, ভুবনেশ্বৰ ৭৫১ ০১৪
ফোনঃ ৫৬১৪১
পি ডি চলিহা ৰোড, শিলপুখুৰী, গুৱাহাটি–৭৮১ ০০৩
ফোনঃ ২৩১৩১
জীৱন দীপ বিল্ডিং, একজিবিচন ৰোড, পাটনা ৮০৩ ০০১
ফোনঃ ২২৪৭০

Sista's-UTI-056 ASM



# প্ৰান্তিক

৫ম বছৰ ১৭শ সংখ্যা ১—১৫ আগষ্ট '৮৬ | মূল্য চাৰি টকা

যোগাযোগৰ ঠিকনা ঃ পোঃ শিলপুখুৰী, গুৱাহাটী-৭৮১০০৩


## অহা সংখ্যাত

অসমৰ স্কুলৰ ল'ৰা-ছোৱালীয়ে পঢ়ে—অসম প্ৰাকৃতিক সম্পদত চহকী ৰাজ্য। অৰুণাচলৰ ল'ৰা-ছোৱালীয়েও পঢ়ে—অৰুণাচল প্ৰাকৃতিক সম্পদত চহকী ৰাজ্য। ডাঙৰসকলে থিয়ৰি ৰচনা কৰে, আলোচনা চক্ৰ পাতে। এইবোৰ কৰি থাকোঁতেই দশকৰ পাছত দশক পাৰ হৈ যায়। শেষ পৰ্যন্ত অসম আৰু অৰুণাচল উভয় ৰাজ্যৰে উন্নতিৰ বাবে ৩০৬৮ কোটি টকাৰ সোৱণশিৰী প্ৰকল্পৰ আঁচনি প্ৰস্তুত কৰা হৈছে। আঁচনিখন কৰোঁতেই খৰচ হৈছে দহ কোটি টকা। কিন্তু এই আঁচনি কাৰ্যকৰী কৰা হ'বনে? ইয়াৰপৰা লাভ কিমান হ'ব? লোকচানো হবনে কি?

**সোৱণশিৰী বান্ধ প্ৰকল্প সম্পৰ্কে দিলীপ কুমাৰ মহন্তৰ তথ্যসমৃদ্ধ প্ৰবন্ধ**

"আমাৰ বোধেৰে নবোদয় বিদ্যালয় পতাৰ আগেয়ে আমাৰ প্ৰাক-প্ৰাথমিক আৰু প্ৰাথমিক পৰ্যায়ৰ বিদ্যালয় বিলাকত সূৰ্যোদয় হওক।" **প্ৰাক প্ৰাথমিক বিদ্যালয় সম্পৰ্কে বীৰেন বৰকটকীৰ বক্তব্য**

ব্ৰহ্মপুত্ৰ উপত্যকাৰ মানুহখিনিৰ বিপৰীতে খোজ দিয়াটো কাছাৰবাসীৰ "অভ্যাস"ত পৰিণত হৈছে। অসমৰ পৰিকল্পনা, উন্নয়নৰ সুফল কাছাৰবাসীয়েও পাইছে, তথাপি তেওঁলোক সদা অসন্তুষ্ট। গণ্ডগোলটো ক'ত? ভাষাত?

**ভুবন বৰুৱাৰ পৰ্যালোচনাঃ ব্ৰহ্মপুত্ৰ বনাম বৰাক**

অসমীয়া ভাষাৰ আখৰবোৰৰ কোনটো কিমান সঘনে ব্যৱহৃত হয়? এই হিচাপটো ভালকৈ কৰি ললেহে এই ভাষাৰ টাইপ ৰাইটাৰ, কম্পিউটাৰ, ফটো টাইপ ছে'টাৰ বা ৰ্ৰড প্ৰচেছৰৰ কি-ব'ৰ্ডখন নিৰ্মাণ কৰাত সুবিধা হয়। **ডঃ দীনেশ চন্দ্ৰ গোস্বামীয়ে** গৱেষণা আৰু অধ্যয়নৰ ভেটিত যুগুত কৰা পথ প্ৰদৰ্শক প্ৰবন্ধ **অসমীয়া বৰ্ণৰ ব্যৱহাৰৰ বাৰংবাৰতা**

## এই সংখ্যাত

দশম এছিয়াড আৰু ২৪ তম অলিম্পিকৰ থলী দক্ষিণ কোৰিয়াত সমান্তৰালভাৱে আন এক প্ৰস্তুতিও চলিছে। সেয়া হৈছে ১৯৮৮ চনত বৰ্তমানে চলি থকা সামৰিক গণতন্ত্ৰৰ অৱসানৰ মাজেদি দেশখনৰ বিৰোধীপক্ষৰ ভালেদিনীয়া দাবী প্ৰকৃত গণতন্ত্ৰ স্থাপনৰ প্ৰস্তুতি। কিন্তু ৪০ নিযুত দক্ষিণ কোৰিয়াবাসীৰ সন্মুখত উত্থাপিত প্ৰশ্নটো হ'ল তেওঁলোকে ব্যক্তি স্বাধীনতাৰ বিনিময়ত বৰ্তমানে ভোগ কৰি থকা প্ৰাচুৰ্যখিনি ত্যাগ কৰিবনে?


বিশ্বপৰিক্ৰমাত **ডঃ সুনীল পবন বৰুৱাৰ** প্ৰবন্ধ ঃ **দক্ষিণ কোৰিয়াৰ ৰাজনীতি—প্ৰাচুৰ্য নে স্বাধীনতা** ।১২।


এখন দেশৰ সামাজিক, ৰাজনৈতিক অৰ্থনৈতিক প্ৰগতি আৰু পৰিবৰ্তন সাধন কৰাৰ বলিষ্ঠতম আহিলা হ'ল শিক্ষা। সুচিন্তিত শিক্ষা ব্যৱস্থাৰ জৰিয়তে জনসাধাৰণক এক নিৰ্দিষ্ট লক্ষ্যত উপনীত কৰাব পাৰি।


নতুন ৰাষ্ট্ৰীয় শিক্ষানীতি সম্পৰ্কত **ড. কুলেন্দু পাঠক** আৰু **বিনীতা দত্তৰ** দুটা বিশ্লেষণমূলক প্ৰবন্ধ ।১৫।


এই শতিকাৰ তৃতীয় দশকতে আধুনিক অসমীয়া চিত্ৰকলাৰ সূত্ৰপাত হয়। ... তৃতীয়, চতুৰ্থ দশকত আত্মপ্ৰকাশ কৰা চিত্ৰকৰসকলেই প্ৰকৃতাৰ্থত অসমীয়া চিত্ৰকলালৈ আধুনিকতাৰ বাৰ্তা বহন কৰি আনে।


কলা-সংস্কৃতি শিতানত **নীলমণি ফুকনৰ** প্ৰবন্ধ ঃ **আধুনিকতাৰ বাৰ্তাবাহক জনদিয়েক অসমীয়া চিত্ৰকৰ** ।৫০।

পত্ৰালাপ ।৪। ধ্বনি-প্ৰতিধ্বনি ।৭। ঘটনা-প্ৰবাহ ।৮। কুলদীপ নায়াৰৰ প্ৰবন্ধ ।১০। বিশ্ব-পৰিক্ৰমা ।১২। ৰাষ্ট্ৰীয় শিক্ষা নীতি ।১৫। অসমৰ খনিজ সম্পদ ।২৬। বৈঠকখানাত চান'বিল ।৩০। শিখণ্ডী বৃহন্নলা ।৩১। প্ৰমিলাৰ ৰাজ্য ।৩৫। গল্প ।৩৭। কবিতা ।৪২। উপন্যাস ।৪৩। দৈনন্দিন ।৪৮। কলা-সংস্কৃতি ।৫০। ক্ৰীড়াংগন ।৫৪। শেষ পৃষ্ঠা ।৫৮।



মুখ্য সম্পাদক ঃ ডঃ ভবেন্দ্ৰনাথ শইকীয়া

নিবন্ধকাৰ ঃ কুলদীপ নায়াৰ * বদন বৰুৱা * ডঃ নিৰোদ কুমাৰ বৰুৱা * পুলক লাহিড়ী * ডঃ দিলীপ কুমাৰ দত্ত * পূৰ্ণ বৰা * ডঃ কৃষ্ণগোপাল ভট্টাচাৰ্য * ডঃ সুনীল পৱন বৰুৱা * ডঃ কুলেন্দু পাঠক * অনিল বৰুৱা * পৰাগ কুমাৰ দাস * দিলীপ কুমাৰ মহন্ত * গণেশ দাস * ধীৰেন বেজবৰুৱা * সমুদ্ৰ গুপ্ত কাশ্যপ

সহকাৰী সম্পাদক ঃ ইমৰান হুছেইন
অংগসজ্জা দেবানন্দ উলুপ, সীমান্তজ্যোতি বৰুৱা আলোকচিত্ৰ ঃ দীপক বেজবৰুৱা

মুদ্ৰাংকন ট্ৰিবিউন প্ৰেছ আৰু শৰাইঘাট অফছেট প্ৰেছ
প্ৰদীপ বৰুৱাৰ দ্বাৰা মুদ্ৰিত, প্ৰকাশিত আৰু সম্পাদিত





OKDISCD

## পত্ৰালাপ

# অসম সাহিত্য সভা ঃ প্ৰস্তাৱ

'প্ৰান্তিক'ৰ পত্ৰালাপ শিতানৰ প্ৰতিক্ৰিয়ালৈ লক্ষ্য ৰাখিয়েই মই সমূহ পাঠক আৰু সচেতন ৰাইজৰ আগলৈ কেইটামান প্ৰস্তাৱ আগবঢ়াইছোঁ।

(১) অসম সাহিত্য সভাৰ সভাপতি আৰু কাৰ্যনিৰ্বাহক সমিতিৰ কাৰ্যকাল দুবছৰ কৰিব লাগে।

(২) অসম সাহিত্য সভাৰ বাৰ্ষিক অধিবেশন দুবছৰৰ অন্তত অনুষ্ঠিত কৰিব লাগে।

(৩) বছৰত দুবাৰকৈ (ছমাহৰ মূৰে মূৰে) অসমৰ যিকোনো ঠাইত অসম সাহিত্য সভাৰ উদ্যোগত একোখনকৈ গ্ৰন্থমেলা অনুষ্ঠিত কৰিব লাগে। গ্ৰন্থমেলাত একোটা বিষয়ে আলোচনাচক্ৰ অনুষ্ঠিত কৰিব লাগে আৰু তাত সকলো নবীন-প্ৰবীণ আলোচকক অংশ গ্ৰহণ কৰিবলৈ সুবিধা দিব লাগে।

(৪) গ্ৰন্থমেলাত এনে কিছুমান পুথি সৰ্বসাধাৰণ ৰাইজৰ মাজত বিনামূলীয়াকৈ বা কম মূল্যত বিতৰণৰ ব্যৱস্থা কৰিব লাগে— যিবিলাক পুথিৰ সহায়ত মানুহৰ ৰাজনৈতিক, সামাজিক আৰু অৰ্থনৈতিক সচেতনতা বৃদ্ধি পায় আৰু সাহিত্য-চেতনা সবল হয়।

(৫) গ্ৰন্থমেলাত প্ৰকাশক, লেখক সকলোৱেই ৰাইজৰ লগত পৰিচিত হৈ সাহিত্যৰ প্ৰতি ৰাইজৰ আগ্ৰহ বৃদ্ধি কৰিবলৈ চেষ্টা কৰিব লাগে।

উক্ত প্ৰস্তাৱ কেইটি অসম সাহিত্য সভাৰ কৰ্মকৰ্তালৈ প্ৰেৰণ কৰিলেও সুফল পোৱা নাযাব বুলি ভাবিয়েই পাঠক সমাজলৈ প্ৰান্তিকৰ জৰিয়তে আগবঢ়ালো। —পল্লৱ কুমাৰ নেওগ, কালুগাঁও, শিৱসাগৰ

## নিষিদ্ধ ঔষধ

প্ৰত্যেক ৰোগৰ চিকিৎসাৰ বাবে (সেয়া মূৰৰ বিষেই হওক বা মূৰৰ ভিতৰত হোৱা টিউমাৰেই হওক) চিকিৎসকৰ পৰামৰ্শৰ প্ৰয়োজন। কিন্তু ভাৰতবৰ্ষ এনে এখন আজৰ দেশ য'ত চিকিৎসক নোহোৱাকৈ কিছুমান ৰোগীয়ে নিজেই নিজৰ চিকিৎসা কৰে। এই ক্ষেত্ৰত জনসাধাৰণৰ অল্পবিদ্যাই ভয়ংকৰী ৰূপ ধাৰণ কৰিছে,—বিশেষকৈ কিছুমান ৰোগৰ ঔষধৰ নাম সকলোৱে চিনাকি হৈ পৰা বাবে। কাহ, পানীলগা, মূৰৰ বিষ, নিদ্ৰাহীনতাৰ বাবে কি ঔষধ খাব লাগে আজি জকাইচুকৰ ধনবৰ-মনবৰইতেও জানে। নজনাবোৰক শিকাবলৈ ঔষধ বিক্ৰেতাসকলতো আছেই! পিছে এনেকৈ যধেমধে ঔষধ খোৱাটো ভাৰতবৰ্ষৰ দৰে অনুন্নত দেশ এখনৰ জনসাধাৰণৰ বাবে আজি আৰু নিৰাপদজনক হৈ থকা নাই। কিয়নো উন্নত দেশবোৰত মানৱশৰীৰৰ বাবে ক্ষতিকৰ ঔষধ কিছুমান নিষিদ্ধ কৰা সত্ত্বেও সেইবোৰ ঔষধেই তৃতীয় বিশ্বৰ দেশবোৰত অবাধে প্ৰচলিত হৈ আছে। এনে ক্ষতিকৰ ঔষধৰ বিৰূপ প্ৰতিক্ৰিয়াৰ ঘটনা মাজে সময়ে বাতৰিকাকতত প্ৰকাশিত হলেও তেনে ঔষধ আমাৰ দেশত, বিশেষকৈ অসমত বিক্ৰি হৈয়েই আছে। এই ক্ষেত্ৰত চৰকাৰ, চিকিৎসক, ঔষধ বিক্ৰেতা তথা সৰ্বসাধাৰণৰ সচেতনতাৰ অভাৱ বাৰুকৈয়ে পৰিলক্ষিত হৈছে। ক্ষতিকৰ ঔষধবোৰ নিষিদ্ধ কৰিব লাগে বুলি আজিলৈকে কোনো জনমত গঠন হোৱা নাই। আমি এই পত্ৰযোগে সকলো শ্ৰেণীৰ লোকক কেইটামান বৰকৈ ব্যৱহৃত নিষিদ্ধ ঔষধৰ নাম অৱগত কৰাব খুজিছোঁ আৰু লগতে এই দিশত সকলো লোকৰেপৰা সচেতনতা আৰু সজাগ দৃষ্টি আশা কৰিছোঁ।

(১) এমিড'পাইৰিন (Amidopyrine): বিষনাশক এই ঔষধটোৰ ব্যৱহাৰৰ ফলত তেজৰ ৰক্তকণিকা তৈয়াৰ হোৱাটো বন্ধ হয়, ফলত বেছি ব্যৱহাৰৰ ফলত ৰোগী মৃত্যুমুখত পৰিব পাৰে। ত্ৰিছৰ দশকতে আমেৰিকাত নিষিদ্ধ হোৱা এই ঔষধটো আমাৰ দেশত অবাধে বিক্ৰি হৈ আছে। এমিড'পাইৰিন থকা আৰু সচৰাচৰ ব্যৱহৃত হৈ থকা ঔষধ কিছুমান হ'ল: Aristopyrin, Cibalgin, Esgipyrin ইত্যাদি।

২। **যাঁ শুকুউৱা স্নায়ু শিথিলকাৰী আৰু ভিটামিনৰ মিশ্ৰ ঔষধ ঃ** চিকিৎসাশাস্ত্ৰমতে যুক্তিহীন তথা অৰ্থহীন বাবে এনে মিশ্ৰ-ঔষধৰ ব্যৱহাৰ নিষিদ্ধ কৰা হৈছে। যিক্ষেত্ৰত বিষনাশক ঔষধেই কাৰ্যকৰী, তাৰ লগত ভিটামিন তথা স্নায়ুতন্ত্ৰ শিথিলকৰা ঔষধৰ উপকাৰিতা প্ৰমাণিত হোৱা নাই। এনে ঔষধৰ ভিতৰত Spasmoproxivon, Walagesic, Diligan Butaproxivon, Micropyrin C, Pamagine, Sedyn Forte আদি উল্লেখযোগ্য।

৩। **জ্বৰ-বিষনাশক আৰু Atropine থকা ঔষধ ঃ** ইয়াৰে প্ৰথমবিধে দেহৰ উত্তাপ কমায় আৰু দ্বিতীয়বিধে দেহৰ উত্তাপ বঢ়ায়। ফলত এনে বিপৰীতধৰ্মী ঔষধৰ মিশ্ৰণ অবৈজ্ঞানিক। তেনে কিছুমান ঔষধ (কিছুমানত আকৌ ক্ষতিকাৰক Analgin মিহলোৱা আছে) হ'ল Baralgan, Spasmolysin, Antispasmin, Synalgesic ইত্যাদি।

৪। নিদিষ্ট মাত্ৰাত ষ্ট্ৰিকনিন (strychnine) আৰু কেফেইন (Caffaine) থকা টনিকসমূহ: প্ৰথমবিধ বহু বছৰ পূৰ্বে ভোক বঢ়াবৰ বাবে ব্যৱহাৰ কৰা হৈছিল। অতিমাত্ৰা ব্যৱহাৰৰ ফলত প্ৰচণ্ড স্নায়বিক উত্তেজনা আৰু খজুতিয়ে দেখা দিয়ে আৰু কিছুসময়ৰ ভিতৰতে ৰোগীৰ মৃত্যু ঘটে। উন্নত দেশবোৰত নিষিদ্ধ এইবিধ ঔষধ কুকুৰ মাৰিবলৈকো ব্যৱহাৰ কৰাৰ অনুমতি নাই; অথচ আমাৰ দেশত নানা টনিকৰ লগত তাকেই আমি খাই আছোঁ। কেফেইনো একে ধৰণৰ ঔষধ আৰু দুয়োটা একেলগে এবিধ টনিকতে থাকিলে 'পাভযোৰা' হৈ পৰে। এই দুবিধ একেলগে বা যিকোনো এবিধ থকা টনিকসমূহ হ'ল: Santevini, Tenophos, Toniazol, Ranbaxy's tonic, Vitahext, ইত্যাদি।

৫। ইয়াৰ উপৰিও Trinergic, Histapred আদি ঔষধ নিষিদ্ধ কৰা হৈছে। Mexaform, Entaroquinol আদি ঔষধৰ উৎপাদন আৰু বিক্ৰি ভাৰত চৰকাৰে ১৯৮২ চনৰ ৩০ এপ্ৰিলত বন্ধ কৰে যদিও ১৯৮৩ চনত এই ঘোষণা প্ৰত্যাহাৰ কৰে। এই ক্ষেত্ৰত আৱশ্যক হলে ৰাজ্য চৰকাৰে আইন কৰি এনে ঔষধৰ (যিবোৰ ড্ৰাগ কণ্ট্ৰ'লাৰ অৱ ইণ্ডিয়াই নিষিদ্ধ কৰিছে) বিক্ৰি বন্ধ কৰিব পাৰে।

—ড° ধৰণীধৰ দাস,
গুৱাহাটী মেডিকেল কলেজ

## ভুৱা ডাক্তৰ

এজন বন্ধুৱে কথা প্ৰসংগত কৈছিল, —আজিৰ দিনত আটাইতকৈ সহজতে প্ৰতিষ্ঠিত হ'বপৰা বৃত্তি হ'ল ডাক্তৰী। কথাটোৰ যথেষ্ট গুৰুত্ব আছে। পাঁচ বছৰ শিক্ষা লৈ এজন বৃত্তিধাৰী ডাক্তৰ হোৱাটো সহজ কথা নহয়। ই যথেষ্ট কষ্টসাধ্য আৰু ইয়াৰ বাবে মেধাশক্তিৰো প্ৰয়োজন। কিন্তু আজি কেইবছৰমানৰপৰা অসমত বহু ভুৱা ডাক্তৰ উৎপন্ন হৈছে। গ্ৰামাঞ্চলত একশ্ৰেণীৰ মানুহে নিজকে ডাক্তৰ কৰি তুলিছে। সাধাৰণতে ৰোগীক প্ৰকৃত ডাক্তৰে ঔষধ দিওঁতে ঔষধৰ গুণাগুণ, ঔষধে ৰোগীক যাতে বেয়া ধৰণে ক্ৰিয়া কৰিব নোৱাৰে, সেইবোৰৰ প্ৰতি লক্ষ্য ৰাখি ঔষধ প্ৰয়োগ কৰে। কিন্তু এই ভুৱা ডাক্তৰসকলে ঔষধে কৰা কামৰ মোটামুটি কথাখিনিৰ বুজ লৈ ঔষধ প্ৰয়োগ কৰে। সেই শ্ৰেণীৰ মানুহৰ হাতত গ্ৰামাঞ্চলৰ জনস্বাস্থ্য আজি বিপন্ন।

কাৰ্বি আংলং জিলাত এই শ্ৰেণীৰ ডাক্তৰ যথেষ্ট বৃদ্ধি পাইছে। তেওঁ ডাক্তৰ নাইবা পোৱালি ডাক্তৰ ইত্যাদি নামেৰে বিভূষিত হৈ আছিছে। ঔষধৰ বিষক্ৰিয়াৰ প্ৰতি লক্ষ্য নাৰাখি যধে মধে ঔষধ প্ৰয়োগ কৰা বাবে সাধাৰণ মানুহৰ ৰোগ-প্ৰতিৰোধ ক্ষমতা নাইকিয়া হৈ আহিছে। এণ্টিবায়টিক জাতীয় ঔষধৰ অনৰ্থক প্ৰয়োগে মানুহৰ জীৱন বিপদসংকুল কৰি তুলিছে।

ইয়াৰ বাহিৰেও কেন্দ্ৰীয় চৰকাৰৰ নতুন স্বাস্থ্যসেৱা আঁচনিৰ যোগে গাঁৱে-গাঁৱে স্বাস্থ্যৰক্ষক কৰ্মী দিয়া হৈছে। তেওঁলোকক সাধাৰণ মানুহক পাৰিপাৰ্শ্বিক অৱস্থা ভেদে ৰোগৰ বিষয়ে জ্ঞান দি, ৰাইজৰ ৰোগৰ প্ৰতিবিধান সম্পৰ্কে বুজুৱাৰ দায়িত্ব দিয়াৰ উপৰিও অত্যাৱশ্যকীয় কিছু ঔষধ বিতৰণৰ দায়িত্ব দিয়া হৈছে; কিন্তু কাৰ্যতঃ তেওঁলোকে নিজকে ডাক্তৰ বোলাই বেজী আদিও দি আছিছে।

মোৰ শিক্ষক দাদা এজনে ব্যক্তিগত অভিজ্ঞতাৰপৰা কৈছিল, তেওঁৰ এজন ক্লাছ এইট পাছ কৰিব নোৱৰা ছাত্ৰ দেউতাকৰ ফাৰ্মাছিত বহি বহি এতিয়া এজন বিৰাট ডাক্তৰ। উল্লেখযোগ্য যে ল'ৰাজনৰ দেউতাকৰ ফাৰ্মাছি আছে যদিও দেউতাক ফাৰ্মাছিষ্ট নহয়।

এইবিষয়ে নতুন চৰকাৰে অনুসন্ধান কৰিবনে? অসমৰ শতকৰা প্ৰায় ৮০ ভাগ ফাৰ্মাছিতে অৰ্হতাসম্পন্ন ফাৰ্মাছিষ্ট নাই,—এই কথা লক্ষ্য কৰিবনে? নে ভেষজ পৰিদৰ্শকক (Drugs Inspector) কাগজ কলমৰ টোকা পঢ়িয়েই নিৰৱে ৰ'ব?

—ইন্দ্ৰেশ্বৰ বৰা,
ডেনগাঁও, কাৰ্বি আংলং

## পঢ়াশালি ঃ যোৰহাট বাল্যভৱন

শেষ পৃষ্ঠাৰ "পঢ়াশালি" শীৰ্ষক আলোচনাটো (১।৪।৮৬) অতি সময়োপযোগী হৈছে। তাত সোধা হৈছে, "সুচিন্তিত পাঠ্যক্ৰম থকা অসমীয়া মাধ্যমৰ স্কুল কিছুমান আৰম্ভ কৰিব পৰা যায় নে নাযায়?" উত্তৰত কওঁ যায়; কেৱল যায়েই নহয়, ১৯৫০ চনতে সেই সময়ৰ স্কুল পৰিদৰ্শক শ্ৰীসুৰেশ চন্দ্ৰ ৰাজখোৱাৰপৰা ভাৱসা পাই, মণ্টেছৰি পদ্ধতিত পোন প্ৰথম অসমীয়া মাধ্যমত "বাল্য ভৱন" প্ৰতিষ্ঠা কৰোঁ। সেই সময়ত বোধকৰোঁ ভাৰতৰ কতো হিন্দী বা অন্য কোনো ভাৰতীয় ভাষাৰ মাধ্যমত এনে ধৰণৰ প্ৰাক প্ৰাথমিক পঢ়াশালি নাছিল। এতিয়াও নাই, অথবা বিৰল। সেই ৫০ চনৰেপৰা এই অনুষ্ঠানৰ লগত ওতপ্ৰোতভাৱে জড়িত হৈ থাকি (ইতিমধ্যে বাল্যভৱন ক্ৰমাৎ প্ৰাইমেৰি আৰু উচ্চ মাধ্যমিক স্তৰলৈ উত্তীৰ্ণ হ'ল) নদি ক'ব পাৰোঁ যে শৃংখলা, চৰিত্ৰ গঠন, পাঠ্যক্ৰম আয়ত্ত কৰাত কৃতকাৰ্যতা আদি সকলো পিনৰপৰা বাল্য ভৱনে বহুতো ইংৰাজী মাধ্যমৰ স্কুলক চেৰ পেলাইছে। ইয়াৰ প্ৰমাণ মই তথ্যেৰে দিব পাৰোঁ ঃ



(১) উচ্চ মাধ্যমিক শিক্ষান্ত পৰীক্ষাৰ ফল ঃ ১৯৭০ৰপৰা ১৯৮৫ লৈ উত্তীৰ্ণৰ হাৰ নিম্নতম ৮৪'৪%, উচ্চতম ১০০%। গড়ে বছৰি ২৫% প্ৰথম বিভাগত, ১৫ বছৰত ১৩২টা (২৬%) লেটাৰ আৰু ১১টা (২:২%) ষ্টাৰ।

(২) খেল-ধেমালিৰ প্ৰতিযোগিতা, তৰ্ক প্ৰতিযোগিতা, ছবি অঁকা, সংগীত চৰ্চা আদিত কৃতকাৰ্যতা।

(৩) শৃংখলা, চৰিত্ৰ গঠনৰ ক্ষেত্ৰত পাছৰ কৰ্ম জীৱনত ইয়াৰ ছাত্ৰ-ছাত্ৰীসকলৰ বলিষ্ঠ ভাৱমূৰ্তি। বাল্যভৱনৰ প্ৰতি ৰাইজৰ আগ্ৰহ। প্ৰতি বছৰে মাত্ৰ ৪০টা ছিটৰ কাৰণে প্ৰায় ৪০০ খনৰ অধিক আবেদন।

কিন্তু মোৰ অভিজ্ঞতাৰপৰা যি বুজিলো, কেৱল আধুনিক পাঠ্যক্ৰম আদিৰ ব্যৱস্থা থাকিলেই অসমীয়া বা ইংৰাজী মাধ্যমৰ স্কুলে আশানুৰূপ ফল দিব নোৱাৰে। ইয়াৰ গুৰিতে আৱশ্যক ঃ

(ক) সুপৰিচালনা কৰাত পৰিচালক মণ্ডলীৰ ঐকান্তিকতা আৰু স্বাধীনতা।

(খ) উপযুক্ত আদৰ্শ-প্ৰণোদিত প্ৰধান শিক্ষক আৰু আন শিক্ষক মণ্ডলী।

(গ) সুপৰম্পৰাৰ প্ৰতিষ্ঠা আৰু সংৰক্ষণ। (যেনে ফুটবলত মোহন বাগান, শিল্প উদ্যোগত টাটা কোম্পানি আৰু চকু চিকিৎসাত সীতাপুৰ হস্পিটেল ইত্যাদি)।

কিন্তু দুখৰ বিষয়, বাল্যভৱনৰ দৰে অসমীয়া মাধ্যমৰ অনুষ্ঠান যোৰহাট তথা অসমত গঢ়ি উঠা নাই।

দ্বিতীয়তে চৰকাৰৰ অধীনলৈ গ'লে নানা কাৰণত স্কুলৰ মানৰ স্খলন হ'ব। আৰু আনহাতে চৰকাৰে নললে ফিজৰ হেঁচাত সমৃদ্ধ শ্ৰেণীৰ কাৰণেহে এই ধৰণৰ স্কুল হ'ব। তেনেহলে উপায়? কেন্দ্ৰীয় চৰকাৰৰ নতুন শিক্ষা নীতিয়ে এই সমস্যা দূৰ কৰিব নেৱাৰে।

সঁচা কথা যে ইংৰাজী প্ৰয়োগ নকৰাকৈও চীন, জাপান আদি দেশ পৃথিৱীৰ প্ৰথম শাৰীৰ জাতি বুলি পৰিগণিত হৈছে। নানা বাঞ্চনীয়-অবাঞ্চনীয় কাৰণত হিন্দী সৰ্ব ভাৰতীয় ভাষাৰূপে দৰাচলতে গৃহীত নহল আৰু নহবও। গতিকে ইতিপূৰ্বে অনেক দূৰ আগবাঢ়ি থকা, পৃথিৱীৰ এক চতুৰ্থাংশ মানুহে ব্যৱহাৰ কৰা অতি উন্নত আৰু চহকী ইংৰাজী ভাষা জাতীয় মাধ্যম ৰূপে ব্যৱহাৰ কৰাটো আবেগিক দৃষ্টিৰে নাচাই বাস্তৱ কাৰণত উচিত বুলি ভাবোঁ। যদি সেয়ে হয়, সমগ্ৰ দেশতে গাঁৱে-ভূঁয়ে, নগৰে-চহৰে মাতৃ ভাষাৰ মাধ্যমত প্ৰতিটো স্কুলতে বৰ্তমানে চলিথকা উচ্চমানৰ দুন, মেয়' আৰু বহুতো ইংৰাজী মাধ্যমৰ স্কুলৰ ভাল আহিবোৰ গ্ৰহণ কৰি, লগতে আঞ্চলিক আৰু ইংৰাজী ভাষা শুদ্ধ উচ্চাৰণেৰে সলসলীয়াকৈ ক'বপৰা, লিখা, পঢ়া আৰু বুজাৰ সম্যক জ্ঞান প্ৰদানৰ ব্যৱস্থা কৰিলে ইংৰাজী মাধ্যমৰ মোহ যাব আৰু ভাৰতত অবাঞ্চনীয় শ্ৰেণী বিভাগৰ অন্ত পৰিব। যি সকলৰ মাতৃভাষা আঞ্চলিক ভাষা নহয় তেওঁলোকৰ ক্ষেত্ৰত প্ৰাইমেৰিলৈকে মাতৃভাষাই মাধ্যম হ'ব লাগিব। প্ৰাইমেৰি পৰ্যায়ৰ পাছত বুজাবুজিলৈ আহি মাধ্যম আৰু দ্বিতীয়, তৃতীয় ভাষা সম্পৰ্কে এটা স্থিৰ আৰু দৃঢ় নীতি অৱলম্বন কৰিব লাগিব।

—সুধিৰচন্দ্ৰ বৰুৱা, সভাপতি,
পৰিচালনা সমিতি বাল্যভৱন,
যোৰহাট

### দুই

১।৪।৮৬ তাৰিখৰ শেষ পৃষ্ঠা পঢ়ি মই বাৰবছৰ কটোৱা বিদ্যালয় বাল্যভৱনলৈ মনত পৰি গ'ল। এই স্কুলখন অসমীয়া মাধ্যমৰ, আনহাতে "ডিচিপ্লিন" আৰু শিক্ষা দিয়াৰ ছিষ্টেমো অসমৰ শ্ৰেষ্ঠতম স্কুলবোৰৰ ভিতৰতে শীৰ্ষস্থানীয়। মই পঢ়ি অহা স্কুলখন বুলিয়েই নহয়, মই দেখা পোৱা আৰু কেইদিনমানৰ কাৰণে হলেও শিক্ষকতা কৰা অসমৰ বিভিন্ন ঠাইৰ স্কুলৰ ভিত্তিতে মই এই মন্তব্য কৰিছোঁ। অথচ বাল্যভৱন স্কুলখন প্ৰাইভেট স্কুল নহয়। এই স্কুলে ছাত্ৰ-ছাত্ৰী তথা অভিভাৱকৰপৰা টকা-পইচাও উপাৰ্জন কৰে বুলি আমি এতিয়ালৈকে গম পোৱা নাই। এইখন স্কুলত পঢ়া শিশুহঁতৰ অভিভাৱকে তেওঁলোকৰ ল'ৰা-ছোৱালীৰ শিক্ষাৰ ভাৰ সম্পূৰ্ণৰূপে স্কুলখনৰ শিক্ষকৰ ওপৰত এৰি দি নিৰ্ভয়ে থাকিব পাৰে। বহুদিশৰপৰা এই স্কুলখন অসমৰ অন্যান্য স্কুলতকৈ অনন্য বুলি কব পাৰি। নিম্ন মণ্টেছৰিৰ সীমিত সংখ্যক আসনৰ বিপৰীতে প্ৰচণ্ড ভিৰ হোৱাৰ পৰাই এই কথা বেছিকৈ প্ৰতীয়মান হয়। এয়া সম্ভৱ হৈছে বোধহয় নিষ্ঠা, দক্ষতা, সততা, আত্মত্যাগ ইত্যাদি দুৰ্লভ গুণেৰে বিভূষিত সন্মানিত শিক্ষকসকলৰ বাবেই। এই সন্মানিত শিক্ষকসকলৰ ভিতৰত প্ৰতিষ্ঠাপক অধ্যক্ষ্য মাননীয়া শ্ৰীযুতা অৰলা গোহাঁই আৰু মাননীয় শ্ৰীযুত গোপী বৰুৱাৰ নাম বিশেষভাৱে উল্লেখযোগ্য।

—মানৱজ্যোতি বৰদলৈ,
প্ৰাকৃতিক দ্ৰব্য ৰসায়ন বিভাগ,
আঞ্চলিক গৱেষণাগাৰ, যোৰহাট

## "মেলেৰিয়া আচল কথা কি?"

উক্ত শিৰোনামাৰ এটি বাতৰিয়ে (১৪।৬।৮৬) মোৰ দৃষ্টি আকৰ্ষণ কৰিছে আৰু এই বিভাগৰ এজন কৰ্মী হিচাপে মেলেৰিয়া বিভাগটোৰ বিষয়ে দুআষাৰ লিখি চৰকাৰ আৰু ৰাইজক জনোৱাৰ মানস কৰিলো। সময়মতে নজনালে এই বিভাগৰ সকলো কৰ্মী আৰু ৰাইজৰ মাজত ভুল বুজাবুজিৰ সৃষ্টি হ'ব পাৰে।

বৰ্তমান মেলেৰিয়া বিভাগ বুলি কোনো সুকীয়া বিভাগ নাই; ই স্বাস্থ্য বিভাগৰ অন্তৰ্ভুক্ত এটা ঠালহে। জিলা পৰ্যায়ত মুখ্য চিকিৎসা আৰু স্বাস্থ্য বিষয়ায়েই ইয়াৰ গুৰি ধৰোঁতা। মেলেৰিয়া নিবাৰণত ব্ৰতী সকলো কৰ্মীয়েই জিলাৰ স্বাস্থ্য বিষয়াৰ নিৰ্দেশ ক্ৰমে বিভাগীয় কৰ্তব্য পালন কৰিব লাগে যদিও সকলো কাম অকল মেলেৰিয়া নিবাৰণৰ লগতে জড়িত নহয়। বৰ্তমান মেলেৰিয়া বিভাগৰ কৰ্মীসকলে ৰাষ্ট্ৰীয় মেলেৰিয়া নিৰ্মূল আঁচনিৰ নিয়ম-কানুনৰ বাহিৰত কাম কৰিব লাগে। সেয়ে তেওঁলোকে নিজ-নিজ কৰ্তব্য "প্লেন আৰু প্ৰগেম" মতে সম্পাদন কৰিব নোৱাৰে। যেতিয়াই "পৰিয়াল কল্যাণ"ৰ কামৰ খতিয়ান বিচৰা হয়, তেতিয়াই মেলেৰিয়া কৰ্মীসকলৰ সক্ৰিয় যোগদান বিচৰা হয় আৰু এই কৰ্মীসকলেই "মটিভেটৰ" হিচাপে ঘৰে-ঘৰে মুনিহ-তিৰোতাক বুজাই মেলি "পৰিয়াল কল্যাণ"ত যোগ দি সেই বিভাগৰ বিভিন্ন পদ্ধতিসমূহ গ্ৰহণ কৰিবলৈ কব লগা হ'য়। হয়তো মটিভেটৰ কাৰণে দুটকা আৰ্জন হয়, কিন্তু ইয়াৰ কাৰণে মেলেৰিয়া কৰ্মীসকলে তেওঁলোকৰ নিৰ্ধাৰিত কৰ্তব্য পালনত বাধা পৰে। সেইদৰেই বানপানীৰ সময়ত এই মেলেৰিয়া কৰ্মীসকলেই আন আন সংক্ৰামক ৰোগৰ প্ৰতিষেধক বিতৰণ কৰিব লগা হয়। প্ৰত্যেক মেলেৰিয়া কৰ্মীৰেই আগতীয়া নিৰ্ধাৰিত ভ্ৰমণসূচী আছে; কিন্তু তেওঁলোকে স্থানীয় বিষয়াৰ গাফিলতিৰ কাৰণে নিজ-নিজ কৰ্তব্য সম্পাদন কৰিব নোৱাৰে। মেলেৰিয়া নিবাৰণী অভিযানত সহায় কৰিবলৈ স্বাস্থ্য বিভাগৰ আন কৰ্মী আগবাঢ়ি নাহে, কিন্তু মেলেৰিয়া কৰ্মী সকলক হোৱাই-নোহোৱাই যিকোনো কামত ব্যৱহাৰ কৰি তেওঁলোকক নিজৰ কাম পাছ পেলাই লবলৈ বাধ্য কৰোৱা হয়।

মেলেৰিয়া ৰোগত মানুহ মৰিব নোৱাৰে যদিহে সময়মতে চিকিৎসাৰ দিহা কৰা হয়। কিন্তু মেলেৰিয়া কৰ্মীসকলক লাগে কাম কৰিবলৈ নিৰ্ধাৰিত সময় আৰু স্থানীয় বিষয়াৰ দিহা-পৰামৰ্শ।

ইয়াৰ আগতেও ১৯৭৪ চনত তামোলপুৰ মঙ্গলপুৰ অঞ্চলত মেলেৰিয়া ৰোগে ব্যাপকহাৰে দেখা দিছিল। ইয়াৰ গুৰিতে আছিল নলবাৰী মেলেৰিয়া নিৰ্মূল আঁচনিৰ কাৰ্যালয় সম্পূৰ্ণৰূপে বন্ধ কৰা আৰু ভৱিষ্যতৰ কাম নিৰ্ধাৰণ নকৰাকৈ সেই অঞ্চলৰ ৮০ ভাগ স্বাস্থ্য বিভাগক হস্তান্তৰ কৰা। ফলস্বৰূপে এবছৰতকৈও অধিক কাল উক্ত অঞ্চলটো অৱহেলা কৰি পেলাই থৈ পুনৰ মেলেৰিয়া ৰোগ বিয়পোৱাত সহায় কৰা হ'ল।

বৰ্তমান এই বিভাগটোৰ বিষয়াৰ পৰা কৰ্মীলৈকে সকলো স্বাস্থ্য বিভাগৰ অধীনত। আগৰদৰে ই স্বতন্ত্ৰীয়া বিভাগ নহয়। মেলেৰিয়া বিভাগৰ বিষয়াৰপৰা সকলোৱে স্বাস্থ্য বিষয়াৰ নিৰ্দেশ মানি চলিব লাগে; কিন্তু স্বাস্থ্য বিষয়াসকলৰ এই বিভাগটোৰ প্ৰতি, লগতে কৰ্মীসকলৰ প্ৰতিও হেয়মনোভাব সঘনে পৰিলক্ষিত হয়।

মেলেৰিয়া বিষয়াসকলৰ আগৰ পদমৰ্যাদা নাই; ফলত এই ৰোগৰ নিবাৰণীৰ অভিযানত ব্যাঘাত জন্মিছে।

আপোনাৰ কাকতত প্ৰকাশ হোৱাৰ দৰে মাননীয় মন্ত্ৰী ডাঙৰীয়াৰ মন্তব্য "মেলেৰিয়া বিভাগটোৰ অকামিলা স্বৰূপটো" মানি লোৱাত অসুবিধা পাইছোঁ।

আশাকৰোঁ বৰ্তমান জনপ্ৰিয় চৰকাৰে সকলো দিশ অনুসন্ধান কৰিব আৰু ৰাইজৰ মংগলাৰ্থে তৎকালীন ব্যৱস্থা ল'ব।

—এজন মেলেৰিয়া বিভাগৰ কৰ্মী

## এজন সন্মানিত দুৰ্নীতিকাৰী

যোৱা ১০ ফেব্ৰুৱাৰী তাৰিখে মই আৰু মোৰ দুজন বন্ধুৱে এক বিশেষ আৱশ্যকৰ হেতু এখন অসামৰিক চিকিৎসালয়ৰ মুখ্য চিকিৎসা বিষয়াৰ ওপৰত শাৰীৰিক যোগ্যতাৰ প্ৰমাণপত্ৰ একোখন বিচাৰি আবেদন কৰিলো। আবেদনৰ বিষয়টোৰ ওপৰত চকু ফুৰায়ে উক্ত বিষয়াজনে প্ৰতিখনৰ বাবে বিছ টকাকৈ মাচুল খুজিলে। আমি অবাক! ভদ্ৰভাৱে তেখেতক সুধিলো যে মাচুল কিহৰ বাবে? তেতিয়া তেখেতৰ যি ব্যৱহাৰ পালো সেয়া আমাৰ বাবে সঁচাকৈ লজ্জাজনক। মাচুল যে দিব লাগে তাৰ কিবা নিয়মাৱলী আছে নেকি বুলি জানিব খোজাত তেখেতে সেয়া তেখেতৰ ব্যক্তিগত কথা বুলি কলে। আনহাতে প্ৰমাণপত্ৰখনত মোহৰ মৰা কৰ্মচাৰীজনৰ কাৰ্য দেখিও আমি আচৰিত। তেখেতৰ মুখতো মাচুলৰ প্ৰশ্ন। চিকিৎসা বিষয়াৰ স্বাক্ষৰৰ ওচৰত মৰা মোহৰটো এবাৰ ওলোটাকৈ মাৰি আকৌ শুধৰাবলৈ যাওঁতে তেখেতে প্ৰমাণপত্ৰৰ অৱস্থা নাহোৱা কৰিলে। দুখীয়া পৰিয়ালৰ নিবনুৱা যুৱক এজনে যদি কোনো বিষয়ত প্ৰপত্ৰ জমা দিবলৈ এখন প্ৰমাণপত্ৰতে বিছ টকাকৈ মাচুল দিবলগীয়া হয়, তেনেহলে সেই যুৱকজনে বাকীখিনি খৰচৰ বাবে কি উপায় অৱলম্বন কৰিব? সমাজৰ সন্মানিত শ্ৰেণীয়েই যদি এনে দুৰ্নীতি কৰে, তেনেহলে তেওঁলোকৰ শিক্ষাৰ মূল্য কিমান?



OKDISCD

আশা কৰো এনে দুৰ্নীতিকাৰী-সকলৰ প্ৰতি সকলো ৰাইজ তথা যুৱক-যুৱতী সদা-সচেতন হৈ থাকিব। যদি প্ৰমাণপত্ৰৰ বাবে মাচুল দিবই লাগে, তেনেহলে সেইটো চৰকাৰীভাৱে ঘোষণা কৰি দিয়া হওক। তেতিয়া আমি চিকিৎসকজনৰ সেই কাৰ্যক দুৰ্নীতি বুলি নধৰোঁ।

—দিলীপ কুমাৰ ডেকা,
জনাৰাম চৌকা, মঙ্গলদৈ

## ফুটপাথত সংস্কৃতি

যোৱা সৰস্বতী পূজাৰ আগদিনা-খন আমি দুজনমান ছাত্ৰই ডিব্ৰুগড় নগৰৰ প্ৰায় আটাইবোৰ দোকানতে এখন 'সৰস্বতী-বন্দনা' বিচাৰি হাবাথুৰি খালোঁ। তাৰে কেইবাখনো কিতাপৰ দোকান প্ৰায় অসম বিখ্যাত। অৱশেষত এখন দোকানত এটা খবৰ পালোঁ। সেই খবৰ মতে গৈ 'ফুট-পাথ'ত থকা সস্তীয়া দোকান এখনত কিতাপখন পালোঁ। পুথিখনৰ ওচৰত আছিল কিছুমান সস্তীয়া অশ্লীল পুথি। 'সৰস্বতী বন্দনাৰ' বাহিৰেও ডাকচৰিত, বড়গীত, লোকগীত, ফুল-কোঁৱৰ মণি-কোঁৱৰৰ গীত, মণিৰামৰ গীত, আই-নাম-বিয়নাম, গোসানী নাম আদি বিভিন্ন আপুৰুগীয়া পুথি দেখিলোঁ। এই পুথিসমূহক 'ফুটপাথৰ' পৰা তুলি আনি উপযুক্ত (ভাঙৰ!) কিতাপৰ দোকানত স্থান দিলে আমাৰ সাংস্কৃতিক পৰিচয়ৰ এটা দিশ উজ্জ্বল হ'ব।

—চিৰজিত বৰুৱা,
এ. এম. আই. ই ক'চিং চেণ্টাৰ
ডিব্ৰুগড় পলিটেকনিক

## গাৰ্হস্থ্য বিজ্ঞানৰ স্নাতকসকল

অসম কৃষি বিশ্ববিদ্যালয়ৰ অন্তৰ্গত গাৰ্হস্থ্য বিজ্ঞান মহাবিদ্যালয়খন স্থাপিত হোৱা আজি প্ৰায় বাৰ বছৰ হ'ল; কিন্তু উক্ত মহাবিদ্যালয়খনৰপৰা স্নাতক ডিগ্ৰীলৈ ওলাই যোৱা ছাত্ৰীসকলৰ কৰ্মসংস্থানৰ বাবে কোনো স্থায়ী বিভাগ নথকাত এক জটিল সমস্যাই দেখা দিছে। গাৰ্হস্থ্য বিজ্ঞান স্নাতক ডিগ্ৰিধাৰী ছাত্ৰীসকলৰ নিবনুৱা সমস্যাৰ প্ৰতি লক্ষ্য ৰাখি শিক্ষানুষ্ঠান-টোৰ প্ৰতি মানুহৰ অনাস্থা দিনক দিনে বাঢ়ি আহিছে। তদুপৰি উত্তৰ পূৰ্বাঞ্চলৰ একমাত্ৰ গাৰ্হস্থ্য বিজ্ঞান মহাবিদ্যালয়খনিত উচ্চশিক্ষাৰ কোনো ব্যৱস্থা নাই। বহুতো ছাত্ৰীৰ পঢ়িবলৈ ইচ্ছা থকা সত্ত্বেও আৰ্থিক অৱস্থা অনুকূল নোহোৱাত তেওঁলোকে অসমৰ বাহিৰলৈ গৈ উচ্চ শিক্ষা অৰ্জন কৰিব নোৱাৰে। সেই ছাত্ৰীসকলৰ ভৱিষ্যতৰ দায়িত্ব অসম চৰকাৰ তথা বিভাগীয় কৰ্তৃপক্ষৰো আছে নিশ্চয়। কিন্তু এইবিষয়ে বিভাগীয় কৰ্তৃপক্ষ তথা অসম চৰকাৰৰ লগতো বহুত আলোচনা কৰা হ'ল যদিও ইয়াৰ প্ৰতিকাৰৰ বাবে একো সুব্যৱস্থা লোৱা দেখা নগ'ল। বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষ তথা অসম চৰকাৰৰ এই মনোভাৱে শিক্ষানুষ্ঠানটি থকাৰ কোনো আৱশ্যক নাই বুলি আমাক ভাবিবলৈ বাধ্য কৰাইছে।

উক্ত ডিগ্ৰিধাৰী ছাত্ৰীসকলৰ কৰ্মসংস্থান তথা উচ্চশিক্ষাৰ সুবিধাৰ্থে অনতিপলমে এটি সুব্যৱস্থা ল'বলৈ বিভাগীয় কৰ্তৃপক্ষ তথা চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিলোঁ।

—মীনাক্ষী বেগম, টীয়ক
—শিখাৰাণী বড়া, যোৰহাট
প্ৰাক্তন ছাত্ৰী, গাৰ্হস্থ্য বিজ্ঞান
মহাবিদ্যালয়, অ. কৃ. বি.

## "বৰদোৱা আদি সত্ৰ"

শ্ৰীমতী চাৰুপ্ৰভা কাকতীয়ে লিখা "বৰদোৱা আদি সত্ৰ" শীৰ্ষক চিঠি-খন (১৬।৩।৮৬) পঢ়ি ভাল লাগিল।

কিন্তু কেৱল "পাট বাউসী সত্ৰ-খনেই" যে এনেকুৱা দুৰৱস্থাৰ সন্মুখীন হৈছে তাক মানিবলৈ বৰ টান পাইছোঁ। শ্ৰীমতী কাকতীয়ে অইন সত্ৰবিলাকৰ অৱস্থা নিজ চকুৰে দেখিলে এটা সিদ্ধান্তলৈ অহাটো সহজ হ'ল হয়।

বৰপেটাৰ সত্ৰৰ গাতে গা লগাই থকা মহাপুৰুষ মাধৱদেৱে স্থাপন কৰা সুন্দৰীদিয়া সত্ৰ, বাৰাদি, গণককুছিৰ অৱস্থাও পাট বাউসীতকৈ কোনো গুণে উন্নত নহয়। গোৱালপাৰা জিলাৰ প্ৰখ্যাত সত্ৰ "সত্ৰশাল" (ৰামৰায় কুটিৰ) "জিনকটা" আদি সত্ৰবিলাক দেখিলে মনটো মৰি যায়।

থান-সত্ৰ চলি থাকে দান-দৰঙণি আদিৰ জৰিয়তে। কিন্তু পৰিতাপৰ বিষয় থান-সত্ৰ দৰ্শন কৰিবলৈ যোৱা-সকলক কোন-কোন থান পৰিদৰ্শন কৰিব বুলি সুধিলে তাৰ উত্তৰ পোৱা হয় "বৰপেটা"। আচৰিত কথা যে আজিও থান-সত্ৰ চাবলৈ যোৱা লোক সকলৰ মুখত শুনো— পাটবাউসীনো ক'ত? সুন্দৰীদিয়া সত্ৰ, গণককুছি, বাৰাদি সত্ৰনো ক'ত?

শ্ৰীশ্ৰীমহাপুৰুষ শংকৰদেৱে য'ত ১৪ বছৰ ৬ মাহ থাকি তেৰাৰ স্মৃতি চিহ্ন ৰাখি গৈছে, শ্ৰীশ্ৰীমহাপুৰুষ মাধৱদেৱে য'ত ১৪ বছৰ ৬ মাহ থাকি সত্ৰ স্থাপন কৰিলে, সেই বাৰাদি সত্ৰ, গণককুছি সত্ৰৰ কথা নজনাটো দুখৰ কথা নহয় জানো?

আমি সৰ্বশেষত ইয়াকে কব খোজোঁ যে বৰপেটা সত্ৰৰ বাহিৰে বাকী সত্ৰবিলাক মৰোঁ জীওঁ অৱস্থাতহে চলি আছে। আমি অসম চৰকাৰক বিনীতভাৱে জনাওঁ যে, অসমৰ সাত্ৰাম পুৰুষীয়া সত্ৰবিলাকক যদি চৰকাৰে ৰক্ষণাবেক্ষণ নিদিয়ে, তেনেহলে এই বিলাক হয়তো কালৰ বুকুত বিলুপ্ত হ'ব। ৰাইজে যে কিবা এটা কৰিব সেইটো আশা কৰিব নোৱাৰি।

—ভাৰত দাস
নগাঁও

## সীতাকুণ্ড

এসময়ত চুতিয়াংগ নামে এজন আহোম ৰজাই নামৰূপত ৰাজত্ব কৰিছিল। এওঁক মেলখোৱা ৰজা বোলা হৈছিল। সাধাৰণতে চও ৰজাৰ নিচেই আপোন পো-ভাই হয় কাৰণে সকলোৱে তেওঁ ৰজা বুলি গৌৰৱ কৰে, কিন্তু প্ৰকৃতপক্ষে এওঁ প্ৰাদেশিক শাসনকৰ্তাহে। এই নামৰূপতে আহোম ৰজা লক্ষ্মীসিংহৰ আদেশত সাধু মহন্ত-সকলক নিধন কৰা হৈছিল। বুঢ়িছৰাজে দোষীক কলীয়া পানীত মেলাৰ দৰে আহোম ৰাজেও দোষীক নামৰূপৰ জয়াল হাবিত মেলি নিৰ্বাসন দণ্ড বিহিছিল। নাম মানে পানী আৰু ৰুক বা ছুক মানে ছয়। (আহোম-সকলে ৰুক আৰু শ্যামসকলে ছুক বোলে) অৰ্থাৎ ছখন নৈ থকা অঞ্চল বা ছখন নৈ লগলাগি এখন নৈ হোৱা অঞ্চল। ১৬৮৯ শকত নাজিৰাৰ ৰামদেউ ঠাকুৰে নামৰূপত নামঘৰ সাজি নাম-কীৰ্তন আৰম্ভ কৰে আৰু আহোম ৰাজে নিৰ্বাসন দিয়া লোকসকলক সেই বিলাক বাধ্য কৰি তেওঁলোকৰ অন্তৰত ভগৱন্তৰ মহিমা আৰু প্ৰভাৱ বিস্তাৰ কৰে। স্বৰ্গদেউ লক্ষ্মী সিংহই ৰামদেৱৰ এই কাৰ্যত অসন্তুষ্ট হৈ তেওঁক কাটিবৰ বাবে চাওদাঙক আদেশ দিয়ে। চাওদাঙে বলিকটা দাৰে কাটিব খুজি, নোৱাৰি যি ঠাইত নিৰাশ হৈছিল সেই ঠাইতে ৰজাই এখনি থান নিৰ্মাণ কৰাই দিয়ে। সেয়ে বলিমৰা থান। বলিমুৰা ৰেলষ্টেছনৰপৰা দুই ফাৰ্লং উত্তৰে এই থান অৱস্থিত। জয়পুৰতো ৰামদেও ঠাকুৰক বলীয়া হাতীৰে মৰাব নোৱাৰি তাতো ৰজাই ১৬৯০ শকত এখনি সত্ৰ পাতি দিয়ে। সেয়ে ঔগুৰি সত্ৰ বুলি জনাজাত হয়। ইয়াৰ ওচৰতে পাতাল বৰবৰুৱাৰ নগৰ জয়পুৰ। মানৰ আক্ৰমণত সত্ৰ আৰু নগৰ উভয়ে ধ্বংস হয়। ঔগুৰি সত্ৰ নাজিৰাৰ নিৰ্মলীয়া গাঁৱলৈ উঠি যায়। ৰামদেৱ ঠাকুৰৰ পত্নী 'সীতা' আই এই জয়পুৰতে বৈকুণ্ঠী হয়। দিহিঙৰ বুকুৰ এটি বলুকাত আইৰ শৰীৰ দাহ কৰা হয়। এই দাহ কৰা ঠাইৰ ওচৰত দিহিঙৰ বুকুত ডুবিৰ দৰে এটি কুণ্ড হয়। তাক সীতাকুণ্ড বুলি কোৱা হয়। বলুকাৰ ওপৰত এটি মন্দিৰ সাজি দিয়া হয়। তাত এজন ফকিৰে পূজা সেৱা চলাই থাকে। আজিও মাঘ বিহুৰ সময়ত অনেক ঠাইৰ অনেক ফকিৰ সাধু আৰু নানা লোকৰ তাত সমাগম হয়। তেওঁলোকে ধূপ-ধুনা, ফল-ফুলেৰে পূজাত যোগ দি ঠাই ডোখৰ মুখৰিত কৰি তোলে। মাঘী সংক্ৰান্তিত ইয়াত স্নান কৰিলে নিঃসন্তানৰ সন্তান হয় বুলি বহুলোকে বিশ্বাস কৰে বাবেই বহু লোকৰ সমাগম হয়। এই সময়তে বন-ভোজৰো উজান উঠে। ই জয়পুৰৰ পৰা আঢ়ৈ মাইল পূৱে অৱস্থিত। নগাঘাটৰপৰা দিহিঙেদি উজাই যাব লাগে। সীতাকুণ্ডৰ সমন্ধে অনেকে অনেক মত পোষণ কৰে যদিও অসম বুৰঞ্জীয়ে উক্ত মতহে দাঙি ধৰে।

—লক্ষেশ্বৰ চুতীয়া, জয়পুৰ

## বুঢ়া গোসাঁইৰ থান

বিশ্বনাথৰ অশোকস্তম্ভৰ বিষয়ে লিখোঁতে শ্ৰীতৰুণচন্দ্ৰ শইকীয়াই বিশ্বনাথ মন্দিৰৰ চৌহদত অনাদৃত অৱস্থাত থকা মূৰ্তিটোৰ বিষয়েও লিখিছে (১৫।১১।৮৫)। বিশ্বনাথ অঞ্চলৰ আন এটা মন্দিৰৰ বিষয়ে পুৰাতত্ত্ব বিভাগৰ দৃষ্টি আকৰ্ষণ কৰিব খুজিছোঁ। প্ৰতাপগড় আৰু ঘোপ সাধাৰু বাগিছাৰ মাজত মন্দিৰটো অৱস্থিত। প্ৰাচীন নগৰ প্ৰতাপপুৰত হেলিমেলি বৰ গোহাঁয়ে এই শিলৰ মন্দিৰটো নিৰ্মাণ কৰে। ইয়াত বিষ্ণু মূৰ্তি স্থাপন কৰা হৈছিল। মানুহে মন্দিৰটোত বুঢ়া গোসাঁই বাঘ থকা বুলি কয়। সেইবাবে বুঢ়া গোসাঁই থান বুলি কোৱা হয় হয়। বাগিছা দুখনৰ কৰ্মচাৰী আৰু চতিয়াৰ ব্যক্তি কেইজনমানে ঠাইখিনি পৰিষ্কাৰ কৰি ৰাস্তা বন্ধাই যাত্ৰীৰ সুবিধা কৰি দিছে। বৰ্তমান মন্দিৰটোৰ ওচৰত শিলৰ খুটা, ভগা ইটা, শিলৰ কলচী, বিষ্ণু মূৰ্তি-বোৰ পৰি আছে। পুখুৰীটোৰ পূব পাৰত অৱস্থিত ওখ টিলাটোত আন এটা মন্দিৰ লুপ্ত হৈ আছে নেকি? বিশেষকৈ মন্দিৰৰ ভগ্ন অংশবোৰ আজিও সংৰক্ষিত হোৱা নাই।

—ধীৰাজ কুমাৰ শইকীয়া, চতিয়া

## আশীৰ্বাদৰ নমুনা

এখন গাঁৱত এটি মন্দিৰ আছে। সেই মন্দিৰলৈ নিতৌ কম-বেছি পৰিমাণে যাত্ৰীৰ আহ-যাহ চলে। যিজন পূজাৰীয়ে মন্দিৰৰ কাম চলায়, তেখেতেই যাত্ৰীসকলক আশীৰ্বাদ দিয়ে। সেই মন্দিৰত পৰীক্ষাৰ আগমুহূৰ্তত ছাত্ৰ-ছাত্ৰীৰ ভিৰ হয় আৰু যেয়ে যি পাৰে অৰিহণা দি ভগৱানৰ আশীৰ্বাদ গ্ৰহণ কৰে। পূজাৰীয়ে তেওঁলোকক আশীৰ্বাদ দিয়ে এই বুলি: "হে ভগৱান, ল'ৰা-ছোৱালীকিটাই যেন চুৰ কৰিলে, টুকুৰা মাৰিলে, মাষ্টৰে নেদেখে, তেওঁলোক যেন ধৰা নপৰে।"

—মণ্টু ভূঞা,
ভোমোৰাগুৰি, নগাঁও





## ৰাজীৱ গান্ধীক প্ৰধানমন্ত্ৰী কৰিলে দুটা দুৰ্ঘটনাই !

... ৰাজনীতিৰ কোনো ধৰণৰ অভিজ্ঞতা নথকা এজন পাইলট ৰাজীৱ গান্ধীক দুটা দুৰ্ঘটনাই এইখন দেশৰ প্ৰধানমন্ত্ৰী কৰিলে। প্ৰথম (সঞ্জয় গান্ধীৰ মৃত্যু ঘটোৱা) দুৰ্ঘটনাটোৱে ৰাজীৱ গান্ধীক সংসদৰ এজন সদস্য কৰিলে আৰু ইন্দিৰা গান্ধীৰ মৃত্যু ঘটোৱা দ্বিতীয়টো দুৰ্ঘটনাই তেওঁক প্ৰধানমন্ত্ৰী কৰিলে।...

... তেওঁ অৱসৰ পোৱা আমোলা-সকলক ক্ষমতা থকা পদত ল'ব লাগে কিয়? যদি অৱসৰ পোৱা আমোলা-সকলহে অধিক দক্ষ লোক, তেতিয়া-হ'লে ৰাজীৱ গান্ধীতকৈ পি. ছি. আলেকজেণ্ডাৰহে অধিক ভাল প্ৰধান-মন্ত্ৰী হ'লহেঁতেন।...

... ৰাজীৱ গান্ধীয়ে ভাৰতীয় পৰম্পৰা আৰু সংস্কৃতিক কি দৰে উপেক্ষা কৰিছে সেইটো দেখুৱাবলৈ মই আপোনালোকৰ আগত দুটা উদাহৰণ দাঙি ধৰোঁ। এজন কেন্দ্ৰীয় মন্ত্ৰী চন্দ্ৰশেখৰ সিং যেতিয়া ঢুকাল তেতিয়া চৰকাৰী শোক ঘোষণা কৰা হয়। সচৰাচৰ এনেকুৱা অৱস্থাত প্ৰধান-মন্ত্ৰীয়ে তেওঁৰ চৰকাৰী কাৰ্যসূচী বাতিল কৰি দিয়ে।

সিঙৰ মৃত্যুত শোক প্ৰকাশ কৰি এটা বিবৃতি দি ৰাজীৱ গান্ধী চুক্তি এখন স্বাক্ষৰ কৰা সম্পৰ্কীয় অনুষ্ঠান কৰিবলৈ মিজোৰামলৈ গ'ল। সেইটো কাৰ্যতঃ উৎসৱেই আছিল। ৰাজীৱ গান্ধীয়ে তেওঁৰ কোনো এটা ভাষণতে তেওঁৰ সহকৰ্মীজনৰ মৃত্যুৰ কথা উল্লেখ নকৰিলে। তেওঁ খাদী কাপোৰবোৰ খুলি আমদানি কৰা জিনছ আৰু টি-ছাৰ্ট পিন্ধি লয়।...

... এইটো অক্ষমনীয় কথা। ৰাজীৱ গান্ধী আৰু ইন্দিৰা গান্ধীক প্ৰশংসা কৰি থাকোঁতেই কংগ্ৰেছৰ প্ৰাক্তন সাধাৰণ সম্পাদক ছি. এম. ষ্টিফেনৰ মৃত্যু হয়। কিন্তু তেওঁৰ শেষ কৃত্যৰ অনুষ্ঠানলৈ যাবলৈ ৰাজীৱ গান্ধীৰ সময় নোলাল। এইটো ভাৰতীয় পৰম্পৰা নে?...

... ৰাজীৱ গান্ধীয়ে আনকি এই দৰেও ভাবে যে ১৯৮৪ চনত জন-সাধাৰণে দিয়া ৰায়টো ইন্দিৰা গান্ধীৰ প্ৰতি সহানুভূতিৰ কাৰণে দিয়া ৰায় নাছিল। তেওঁ ৱৰ্কিং কমিটিত সেই দৰে কয়। মোৰ প্ৰতি বৈৰী ভাব আৰম্ভ হয় সেই ধৰণৰ চিন্তাধাৰাত মই যেতিয়া আপত্তি কৰিলো তেতি-য়াৰপৰাই।...

... তেওঁৰ পৰিয়ালৰ গোপন কথা-বোৰ যি তিনিজনে জানে তাৰে এজন মই। আন দুজনৰ এজন আৰ. কে. ধৱন আৰু বাকী গৰাকী মেনকা গান্ধী। ১৯৭৭ চনৰ পাছত যেতিয়া ইন্দিৰা গান্ধী ক্ষমতাৰ পৰা চ্যুত হয় আৰু দুৰ্দিনত পৰে, তেতিয়া ৰাজীৱ গান্ধী আৰু তেওঁৰ পৰিয়ালটো মাকৰ সমস্যাবোৰৰ সমভাগী হোৱা নাছিল। তেওঁলোকে পাঁচ তাৰকা-যুক্ত হোটেলে হোটেলে চাইনিজ খাদ্য খাই ফুৰিছিল।...

... যিসকলে তেওঁৰ মাকক সমা-লোচনা কৰিছিল সেইসকল তেওঁৰ ঘনিষ্ঠ হৈ পৰিল আৰু যিসকল তেওঁৰ মাকৰ লগে লগে আছিল সেইসকলক দুৰ্নীতি গ্ৰস্ত আৰু ক্ষমতাৰ দালাল বুলি অভিহিত কৰা হৈছে। তাৰ অৰ্থ হ'ল ইন্দিৰা গান্ধী এনে এটা পাৰ্টিৰ সভাপতি আছিল যিটো আছিল দুৰ্নীতিগ্ৰস্ত ...

... আমদানি কৰা চচমা আৰু ঘড়ি পিন্ধাৰ ক্ষেত্ৰত ৰাজীৱ গান্ধীয়ে মোক নকল কৰে। মই যেতিয়া প্ৰথমবাৰ তেওঁক লগ পাওঁ, তেতিয়া তেওঁ বিশেষভাৱে মোৰ চচমাযোৰ আৰু ঘড়িটো নিৰীক্ষণ কৰে। পাছদিনা তেওঁ একে ধৰণৰ চচমা আৰু ঘড়ি কিনি লয়।...

... মই মিজোৰামত আমদানি কৰা জিনছ আৰু বাংগালোৰত সোতমোচ খোৱা খাদী কুৰ্তা নিপিন্ধো।...

[ই-কংগ্ৰেছৰপৰা বহিষ্কৃত হোৱা কৰ্ণাটকৰ প্ৰাক্তন মুখ্যমন্ত্ৰী গুণ্ডু ৰাও: 'দি টাইমছ অৱ ইণ্ডিয়া'ত]।

### গান্ধীজীৰ বাবে অপেক্ষা

আৰু এজন গান্ধীৰ অভ্যুত্থানৰ বাবে মই বাট চাই আছোঁ। পঞ্জাবত ৫০ হাজাৰ পুলিছৰ বাহিনী এটাই সাম্প্ৰদায়িক সংঘৰ্ষ বন্ধ কৰিব নোৱাৰিলে। কিন্তু নোৱাখালিত এজন গান্ধীয়েই বন্ধ কৰি দিলে।

[মধু দণ্ডৱটে: লোক সভাত]।

### দক্ষিণ আফ্ৰিকা জেব্ৰাৰ আঁকবাক: ৰেগন

দক্ষিণ আফ্ৰিকা এটা জেব্ৰাৰ লেখীয়া। বগা অংশবোৰত আঘাত লাগিলে ক'লা অংশবোৰো মৰি যাব। [আমেৰিকাৰ ৰাষ্ট্ৰপতি ৰেগন]।

*

আনকি বোথায়ো ভাষণটোৰ (ৰেগনৰ) খচৰা ইয়াতকৈ ভালকৈ তৈয়াৰ কৰিব নোৱাৰিলেহেঁতেন।

[দক্ষিণ আফ্ৰিকাৰ নেজ্ৰ বিছপ টুটু]।

### পাণ্ডৱ বনাম কৌৰৱ

... আমি দেখিবলৈ পাওঁ যে ধৃতৰাষ্ট্ৰ আৰু পাণ্ডু কোনোজনেই কুৰু বংশৰ মানুহ নহয়। এই কালৰ হিচাপত তেওঁলোক আছিল অবৈধ সন্তান। কিন্তু যিহেতু ৰাজ্যৰ প্ৰকৃত মালিক ভীষ্মই স্বেচ্ছাই ৰাজত্ব ত্যাগ কৰিলে আৰু ধৃতৰাষ্ট্ৰ আৰু পাণ্ডুক ৰজা বুলি স্বীকাৰ কৰিলে, গতিকে তেওঁলোকেই হ'ল ৰাজ্যৰ মালিক। কিন্তু পাণ্ডৱসকলৰ কোনো পাণ্ডুৰ সন্তান নহয়। এই কালৰ হিচাপত তেওঁলোকো অবৈধ সন্তান আৰু কুৰু বংশৰ কোনো নহয়। গতিকে পাণ্ডৱ-সকলৰ ৰাজ্য পোৱাৰ দাবীটোৱেই আছিল অসংগত। ... যদিও গোটেই মহাভাৰতখন জুৰি পাণ্ডৱসকলৰ এই দাবীটোৱেই সঠিক প্ৰমাণ কৰাৰ চেষ্টা হৈছে, আৰু তাৰ ফলত কৌৰৱসকলৰ চৰিত্ৰৰ ওপৰত নানাভাৱে কালিমা লেপন কৰিব লগা হৈছে। ...পাণ্ডৱ-সকল সৰ্বগুণেৰে গুণান্বিত আৰু কৌৰৱসকল নানা দোষত আচ্ছন্ন। কিন্তু কেৱল এই যুক্তিতে পাণ্ডৱসকলে আনৰ সম্পত্তিৰ মালিক হ'বলৈ বিচাৰিব, আৰু তাকে নাপালে যুদ্ধ কৰি তাক কাঢ়ি ল'ব— এই যুক্তি ঠিক নহয়।...

[এখন চিঠিৰ অংশ: 'দেশ'ৰপৰা]।



OKDISCD

# ভাষাৰ সমস্যাটো

অসমৰ মাধ্যমিক শিক্ষা পৰিষদে এখন জাননীযোগে অনা-অসমীয়া স্কুলত আঞ্চলিক আৰু সংযোগী ভাষা হিচাপে অসমীয়া বিষয় বাধ্যতামূলক কৰি পূৰ্বৰ ব্যৱস্থা পুনৰ বাহাল কৰিব খোজাৰ পাছত জাননীখনক কেন্দ্ৰ কৰি বিভিন্ন দৃষ্টিভংগী উত্থাপিত হৈছে আৰু কিছুমান ঠাইত কিছুমান জনসমষ্টিয়ে আন্দোলনৰ আড়ম্বৰ কৰাত উত্তেজনাৰো সৃষ্টি হৈছে। গণ পৰিষদ চৰকাৰে কাৰ্য-ভাৰ লোৱাৰ দিনদিয়েকৰ পাছতে জাননীখন জাৰি হয় আৰু এতিয়া গণ পৰিষদ চৰকাৰেই পৰিস্থিতিৰ সন্মুখীন হ'ব লগা হৈছে।

নতুন চৰকাৰে ৰাজ্যখনত এটা স্থায়ী ভাষা নীতি প্ৰবৰ্তনৰ উদ্দেশ্য লৈ গণতান্ত্ৰিক মত বিনিময়ৰ যোগে সকলোৰে গ্ৰহণযোগ্য পথ উদ্ভাৱনৰ দিশত আগভাগ লয়। শেহতীয়াভাৱে অসমত চাৰি-ভাষাৰ সূত্ৰ প্ৰবৰ্তনৰ পক্ষে বহল-ভিত্তিৰ মত এটা ওলাইছে। মাতৃ ভাষাৰ লগতে অসমৰ আঞ্চলিক আৰু সংযোগী ভাষা হিচাপে অসমীয়া, ৰাষ্ট্ৰীয় ভাষা হিচাপে হিন্দী আৰু আন্তঃৰাষ্ট্ৰীয় ভাষা হিচাপে ইংৰাজী অসমৰ ছাত্ৰ ছাত্ৰীয়ে শিকা উচিত বুলি পৰামৰ্শ দিয়া হৈছে। ভাষা শিকাৰ বোজা সমান কৰাৰ লগতে এটা উপযুক্ত স্তৰত ইয়াক সীমিত কৰাৰো পৰামৰ্শ দিয়া হৈছে।

কিন্তু ইতিমধ্যে ৰাজ্যৰ কোনো কোনো অঞ্চলত কিছুমান জন-সমষ্টিৰ কিছুমান অংশই অসমীয়া ভাষাটো বাধ্যতামূলক বিষয় হিচাপে 'কোনো-পধ্যেই মানি নোলোৱা'ৰ মনোভাৱ প্ৰকাশ কৰাটো পৰিলক্ষিত হৈছে। কিছুমানে ভাষা-নীতিৰ সম্পৰ্কত আলোচনা আৰু মত বিনিময় প্ৰক্ৰিয়া চলি থকা অৱস্থাতে পৰিস্থিতি উত্তেজনাপূৰ্ণ কৰি তোলাৰ প্ৰৱণতা দেখুৱাইছে।

অসমত অসমীয়া ভাষাৰ ন্যায্য স্থানৰ বাবে চলি অহা দীঘলীয়া সংগ্ৰামৰ ইতিহাসলৈ আঙুলিয়াই দি কোনো কোনো মহলে ক'ব খোজে যে, ৰাজ্যখনত সকলোৰে বাবে অসমীয়া ভাষা এটা স্তৰত অনিবাৰ্য, এনে এক প্ৰয়োজনৰ সৃষ্টি কৰিব পাৰিলে আৰু অসমীয়া ভাষাটো শিকাৰ সকলো সুবিধা দিব পাৰিলে তাক বাধ্যতামূলক বুলি ঘোষণা নকৰিলেও চলে; এই দিশত চৰকাৰী-বেচৰকাৰী উভয় দিশৰ পৰাই চিন্তা কৰিব লগা আছে বুলি এইটো মহলে কয়।

গণ পৰিষদ চৰকাৰে অৱস্থা ষাঠি চনৰ সময়ৰ বা তাৰ আগৰ অৱস্থালৈ ঘূৰি যাবলৈ নিদি অকল মত বিনিময়ৰ প্ৰক্ৰিয়াটোতে লাগি, 'তেওঁলোকে আগবাঢ়ি আহি বিচৰা'লৈ বৈ নাথাকি, 'তেওঁলোকে বিচাৰিব লগা হোৱা' অনিবাৰ্য প্ৰয়োজনটোও প্ৰশাসনিক দিশৰপৰা সৃষ্টি কৰাত মনোনিবেশ কৰিব লাগে বুলি এইটো মহলে কয়।

## ভাৰত বিশ্বৰ একাদশ দৰিদ্ৰতম দেশ

জনমূৰি মুঠ ৰাষ্ট্ৰীয় উৎপাদন (GNP) ২৬০ ডলাৰেৰে ভাৰত বিশ্বৰ একাদশতম দৰিদ্ৰ দেশৰূপে পৰিগণিত হৈছে। বিভিন্ন দেশৰ তুলনামূলক অধ্যয়নৰ ভিত্তিত বিশ্ব বেংকে প্ৰস্তুত কৰা বিশ্ব উন্নয়ন প্ৰতিবেদনৰ (১৯৮৬) মতে ভাৰতৰ স্থান পাকিস্তান (জনমূৰি আয় ৩৮০ ডলাৰ) আৰু শ্ৰীলংকাতকৈও (৩৬০ ডলাৰ) তলত।

ভাৰতৰ বাৰ্ষিক জনমূৰি আয় বৃদ্ধিৰ পৰিমাণ বিশ্বৰ ভিতৰতে নিম্নতম (শতকৰা ১·৬ ভাগ)। এইক্ষেত্ৰত চীন, পাকিস্তান আৰু শ্ৰীলংকাৰ পৰিমাণ হ'ল ক্ৰমে ৪·৫%, ২·৫% আৰু ২·৯%।

বিশ্ব বেংকৰ এই প্ৰতিবেদনখনৰ মতে ভাৰতৰ মুদ্ৰাস্ফীতিৰ পৰিমাণো ১৯৬৫-৭৩ চনৰ কালছোৱাৰ গড়ে শতকৰা ৬·৩ ভাগৰপৰা ১৯৭৩-৮৪ চনৰ কালছোৱাত শতকৰা ৭·৮ ভাগলৈ বৃদ্ধি পায়।

* চীনে তিব্বতৰ নিৰ্বাসিত নেতা দালাই লামা আৰু তেওঁৰ সহকাৰী পানছেন লামাৰ পৰিয়ালৰ বিষয়ে এখন জীৱনীগ্ৰন্থ প্ৰণয়নৰ সিদ্ধান্ত লৈছে। এই গ্ৰন্থখনি ১৯৮৭ চনৰ ভিতৰতে প্ৰকাশ কৰাৰ কথা।

১৯৫৯ চনত চীনে তিব্বত দখল কৰাৰ পাছত দালাই লামা ভাৰতলৈ পলাই আহে। আনহাতে পানছেন লামা চীনতে থাকি যায়। বৰ্তমান তেওঁ চীন ৰাষ্ট্ৰীয় জন কংগ্ৰেছৰ অন্যতম উপসভাপতি আৰু চীন বৌদ্ধ সন্থাৰ সভাপতি।

* আলিপুৰ কেন্দ্ৰীয় কাৰাগাৰত বন্দী হৈ থকা ৰুগ্ন নক্সালপন্থী নেতা আজিজুল হ'কৰ অৱস্থা দিনক দিনে বেয়াৰ ফালে যোৱা সত্ত্বেও পশ্চিম বংগ চৰকাৰে এতিয়ালৈকে তেওঁক পেৰলত মুকলি কৰি দিবলৈ মান্তি হোৱা নাই। ইতিমধ্যে বিভিন্ন সংগঠনে শ্ৰীহকৰ মুক্তিৰ বাবে পশ্চিম বংগ চৰকাৰৰ ওচৰত দাবী জনাই আছে।

* কেইবামাহো বৰষুণ নোহোৱাত ৰাজ্যজুৰি হোৱা খৰাং পৰিস্থিতিৰ সামান্য অৱসান ঘটিছে। অৰুণাচল প্ৰদেশত হোৱা বৰষুণৰ ফলত লক্ষীমপুৰ আৰু শোণিতপুৰ জিলাৰ নৈসমূহৰ বাঢ়নি পানীয়ে ইতিমধ্যে বানপানীৰ সৃষ্টি কৰিছে। উজনি অসমৰ শিমলুগুৰি অঞ্চলতো বানপানী হোৱা বুলি বাতৰি ওলাইছে। ইফালে গোলাঘাট মহকুমাৰ অধিক অঞ্চলৰ খেতি এতিয়াও খৰাংপীড়িত হৈয়েই আছে। নামনি অসমতো খৰাং পৰিস্থিতিৰ বেছি অৱসান ঘটা নাই।

* ৰাজ্যখনত নতুনকৈ ৪৬ খন ৩০খন বিছনাযুক্ত হস্পিটেল আৰু ১৫২ টা স্বাস্থ্যকেন্দ্ৰ স্থাপন কৰা হ'ব বুলি স্বাস্থ্যমন্ত্ৰীয়ে ঘোষণা কৰিছে।

* মিজো চুক্তি সম্পাদনৰ পাছত মিজোৰাম ভ্ৰমণ কৰা প্ৰধান মন্ত্ৰী ৰাজীৱ গান্ধীয়ে লালডেংগাৰ 'বৃহত্তৰ মিজোৰাম' দাবী নাকচ কৰিছে। আইজলত এখন প্ৰেছমেলত শ্ৰীগান্ধীয়ে কয় যে বৃহত্তৰ মিজোৰামৰ বিষয়ত উত্তৰ-পূবৰ আনকেইজন মুখ্যমন্ত্ৰীৰ সৈতে তেওঁ একমত।

* গুজৰাটী লেখক পান্নালাল পেটেলক ১৯৮৫ চনৰ বাবে ভাৰতীয় জ্ঞানপীঠ পুৰস্কাৰ প্ৰদান কৰা হৈছে। "মন্বিনি ভৱাই" নামৰ উপন্যাসখনৰ বাবে এই পুৰস্কাৰ লাভ কৰা শ্ৰীপেটেলে মুঠ ৩০ খন উপন্যাস, ২৭ খন গল্প-সংকলন, পাঁচখন নাটক আৰু শিশুৰ বাবে উপযোগী একাধিক পুথি লিখিছে। উল্লেখযোগ্য যে ৭৪ বছৰীয়া সাহিত্যিক গৰাকীয়ে পঞ্চম শ্ৰেণীলৈকেহে পঢ়িছিল।


* ১৯৮৬ চনৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত ১,৯২,২৫৩ জন পৰীক্ষাৰ্থীৰ মাত্ৰ ৪৩,১৯৮ জনহে উত্তীৰ্ণ হৈছে। উত্তীৰ্ণৰ হাৰ শতকৰা ২২.৪৭ জন। ডিব্ৰুগড়ৰ মাৰোৱাৰী হিন্দী হাইস্কুলৰ সঞ্জয় কুমাৰ জৈন নামৰ ছাত্ৰজনে মুঠ ৬৮৭ নম্বৰ পাই প্ৰথম স্থান অধিকাৰ কৰিছে। তেওঁ সাতটা বিষয়ত লেটাৰ পাইছে। উল্লেখযোগ্য যে যোৱাবছৰ এই পৰীক্ষাত প্ৰথম স্থান পোৱা ছাত্ৰজনে মুঠ ৭৮৪ নম্বৰ পাইছিল।

* ২৪ জুলাইৰপৰা এডিনবৰাত আৰম্ভ হোৱা কমনৱেলথ গেমছ ভাৰতকে ধৰি তৃতীয় বিশ্বৰ বেছিভাগ দেশেই বৰ্জন কৰিছে। শ্বেতকায় আমোলৰ দ্বাৰা শাসিত দক্ষিণ আফ্ৰিকাক বৰ্ণবৈষম্যৰ ওৰ পেলাবলৈ বাধ্য কৰিবৰ বাবে সেইদেশৰ বিৰুদ্ধে অৰ্থনৈতিক হেঁচা দিব লাগে বুলি তৃতীয় বিশ্বই জনোৱা দাবীক ইংলণ্ডে সমৰ্থন নকৰাৰ বাবেই এই বৃহৎ বৰ্জনৰ সূত্ৰপাত হয়। আফ্ৰিকাৰ 'ফ্ৰন্ট-লাইন' দেশসমূহৰ বৰ্ণবৈষম্য-বিৰোধী মতৰ প্ৰতি সমৰ্থন জনাই ভাৰতে শেষমুহূৰ্তত বৰ্জনৰ সিদ্ধান্ত লয়।

উল্লেখযোগ্য, এই প্ৰথম ভাৰতে গুৰুত্বপূৰ্ণ ক্ৰীড়া-মহোৎসৱ বৰ্জন কৰিলে। নিউজিলেণ্ডৰ যোগদানৰ প্ৰতিবাদত আফ্ৰিকীয় দেশসমূহে ১৯৭৬ চনৰ মনট্ৰিয়েল অলিম্পিক বৰ্জন কৰোঁতেও ভাৰত বৰ্জনৰ পৰা আতঁৰত আছিল। সেইবছৰ নিউজিলেণ্ডে বৰ্ণবৈষম্যবাদী দক্ষিণ আফ্ৰিকালৈ এটা ৰাগবি দল পঠিয়াওঁতে বৰ্জন—আহ্বানৰ সূত্ৰপাত হৈছিল। আনহাতে একেবছৰতে প্ৰথমবাৰৰ বাবে ডেভিছ কাপৰ ফাইনেলত প্ৰবেশ কৰিও বিপক্ষ দল দক্ষিণ আফ্ৰিকা হোৱা হেতুকে ভাৰতে সেই খেল বৰ্জন কৰিছিল।

## চীনা অনুপ্ৰবেশ

জুলাইৰ আগভাগত অৰুণাচল প্ৰদেশৰ টাৱাং জিলাৰ চুমডৰংচু উপত্যকাত অনুপ্ৰবেশ কৰি চীন(সামৰিক লোকে ভাৰতীয় এলেকাত এটা হেলিপেড নিৰ্মাণ কৰাৰ প্ৰসংগত হোৱা চীন-ভাৰত আলোচনা ব্যৰ্থ




হৈছে। বেইজিঙত অনুষ্ঠিত এই আলোচনাত ভাৰতৰ প্ৰতিবাদৰ উত্তৰত চীনা প্ৰতিনিধিসকলে কয় যে অনুপ্ৰবেশ ঘটা বুলি উল্লেখ হোৱা এলেকাটো প্ৰকৃততে বিতৰ্কিত মেক্‌মাহন লাইনৰ উত্তৰ পাৰেহে পৰে।

বাতৰিৰ মতে সীমান্ত বিতৰ্কটো লৈ অনুষ্ঠিত সপ্তমখন ভাৰত-চীন বৈঠক সফল নহ'ল যদিও দুয়োদেশে বিষয়টো বন্ধুত্বপূৰ্ণ আৰু সহযোগিতাৰ দৃষ্টিৰে চাইছে। উল্লেখযোগ্য যে চীনে ভাৰতৰ পূৰ্ব ক্ষেত্ৰত (অৰুণাচল প্ৰদেশ) ৯০,০০৭ বৰ্গ কিল'মিটাৰ আৰু পশ্চিম ক্ষেত্ৰত (জম্মু-কাশ্মীৰ) ৩৮,০০০ বৰ্গ কিল'মিটাৰ এলেকা বেদখল কৰি আছে।

* মাৰ্কিন ছিনেটত হোৱা বিতৰ্ক টি-ভিযোগে প্ৰচাৰ কৰিবলৈ অনুমতি দিয়া হৈছে। আনহাতে বৃটেইনৰ হাউছ অৱ কমন্স এতিয়ালৈকে দুবাৰ প্ৰস্তাৱ পায়ো সন্মত হোৱা নাই। ৰাষ্ট্ৰীয় বিধায়িনী সভাত টি· ভি কেমেৰা সোমাবলৈ দিয়া মাৰ্কিন যুক্তৰাষ্ট্ৰ ২৭তমখন দেশ হ'ল।

## পেষ্টাৰনকক সন্মান ঃ ঘূৰাই ল'লে

'ডঃ ঝিভাগো' নামৰ উপন্যাসখন পশ্চিমীয়া দেশত প্ৰকাশ হোৱাৰ পাছত গ্ৰন্থকাৰ বৰিছ পেষ্টাৰনকক ছোভিয়েট ৰুছিয়াৰ ৰাইটাৰ্ছ ইউনিয়নৰ পৰা বহিষ্কাৰ কৰা হৈছিল— সেইটো ৩০ বছৰৰ আগৰ কথা। সম্প্ৰতি পেষ্টাৰনকৰ নামত এটা যাদুঘৰ পাতি আৰু তেওঁৰ গ্ৰন্থসমূহ প্ৰকাশ কৰিবলৈ এখন আয়োগ পাতি দি তেওঁক সন্মান জনাব খোজা হৈছে। উল্লেখযোগ্য যে মিখাইল গৰবাচভ ক্ষমতালৈ অহাৰ পাছৰ পৰা সাহিত্য ক্ষেত্ৰত চলা চেন্সৰ-ব্যৱস্থাৰ বিৰুদ্ধে প্ৰবল সমালোচনা আৰম্ভ হৈছে আৰু এই অভিযানৰ নেতৃত্ব দিয়া কবি ইয়েভটুছেংকোৱেই পেষ্টাৰনকক ছোভিয়েট সাহিত্যৰ যথাযোগ্য স্থানত বহুৱাৰ ক্ষেত্ৰতো আগভাগ লয়। আগেয়ে যিসকল বিতৰ্কমূলক সাহিত্যিকক ৰাইটাৰ্ছ ইউনিয়নৰ কংগ্ৰেছত উপস্থিত থাকিবলৈকে দিয়া নহৈছিল সেইসকলক আনকি ইউনিয়নৰ বিষয়ববীয়া নিৰ্বাচন কৰা হৈছে এইবাৰ। ছোভিয়েট ৰুছিয়াৰ সাংস্কৃতিক ক্ষেত্ৰত উদাৰনীতিবাদ আৰম্ভ হৈছে বুলি পৰ্যবেক্ষকমহলে মত প্ৰকাশ কৰিছে।



OKDISCD



# কুলদীপ নায়াৰৰ
## বিশেষ প্ৰবন্ধ

ৰাজনৈতিকভাৱে আমি এটা খেলিমেলি অৱস্থাত সোমাই আছো। অৱস্থাটো দেখিলে বুজিব পৰা— আটায়ে দেখিছে, বুজিছে। কিন্তু অৰ্থ-নৈতিকভাৱে? মোৰ অৰ্থনীতিৰ জ্ঞান সীমিত, গতিকে যিসকলে জানে, জানিব লাগে সেইসকলক সোধাৰ কথা ভাবিলো। মই বিত্ত মন্ত্ৰী আৰু পৰিকল্পনা আয়োগৰ উপসভাপতিৰ লগত আলোচনা কৰিলো।

আশ্চৰ্যৰ কথা যে তেওঁলোকৰ এজনেও তেওঁলোকৰ পূৰ্ববৰ্তীসকলৰ লেখীয়া নকৰিলে—'উৰা মৰাৰ আগ-মুহূৰ্তত' উপনীত হোৱা বুলি অস্পষ্ট কথাবাৰ্তা কিছুমান কৈ মোক ভুৰাই দিয়াৰ চেষ্টা এজনেও নকৰিলে। তেওঁ-লোক যে উদ্বিগ্ন— গভীৰভাৱে উদ্বিগ্ন সেই কথাটোও লুকঢাক কৰিব নুখুজিলে। অৱশ্যে তেওঁলোকে আশাও এৰি দিয়া নাই। দুয়ো অনুভৱ কৰে যে 'গুৰুতৰ ধৰণৰ সংকট যে আহিব লাগিছে' সেই বিষয়ে ৰাষ্ট্ৰক জনাই দিবৰ সময় উপস্থিত হৈছে—যদিও 'ব্যয়ৰ ক্ষেত্ৰত শৃংখলা' মানি চলিলে 'এতিয়াও পৰিস্থিতি নিয়ন্ত্ৰণত ৰাখিব পৰাত' আছে বুলি তেওঁলোকে বিশ্বাস কৰে।

বৰ্তমান পৰিস্থিতিৰ কাৰণে এই পৰ্যন্ত বিচৰা সহজ বিকল্পৰ বাছনি'ক তেওঁলোকে দায়ী কৰে। বিত্তমন্ত্ৰী বিশ্বনাথ প্ৰতাপ সিঙে কয়, মই ঋণ গ্ৰহণৰ পথো ল'ব পাৰিলো-হেঁতেন আৰু সস্তীয়া জনপ্ৰিয়তা অৰ্জন কৰিবলৈ নতুন বোজা নিদিয়াকৈ থাকিব পাৰিলোহেঁতেন। কিন্তু সেইটো কৰা হ'লে আজি আমাৰ অৱস্থা আৰু বেয়া হ'লহেঁতেন। বৰ্তমান অকল ঋণৰ সুতখিনিয়েই আমাৰ প্ৰতিৰক্ষা ব্যয়ৰ সমান (৮,৫০০ কোটি টকা)।'

আনহাতে পৰিকল্পনা আয়োগৰ উপসভাপতি মনমোহন সিঙে ক'লে যে বিশ্বনাথ প্ৰতাপ সিঙৰ আনকি প্ৰথম বাজেটখনো 'এটা সহজ বিকল্পৰ বাছনি' আছিল; বাজেটখনে এটা

> **আমি সোমাই থকা আনটো খেলিমেলি অৱস্থা**

সমৃদ্ধিশালী অৰ্থনীতিৰ ভুল ধাৰণা দিছিল আৰু অযথা আশাবাদৰ সঞ্চাৰ কৰিছিল। পাৰ হৈ যোৱা বছৰটোৱে অৰ্থাৎ সপ্তম পৰিকল্পনাৰ প্ৰথম বছৰটোৱে সম্পদ সহজলভ্য কৰিবলৈ ব্যৱস্থা গ্ৰহণ কৰাটো দেখি-বলৈ পাব লাগিছিল বুলি তেওঁ কয়। 'অৱশ্যে চৰকাৰে এতিয়াও কথাটো বুজিছে আৰু ব্যৱস্থা ল'বলৈ চেষ্টা কৰিছে।'

তেওঁলোক দুয়ো একমত প্ৰকাশ কৰে যে প্ৰতিৰক্ষা বাজেট কৰ্তন কৰি অতি প্ৰয়োজনীয় পুঁজিৰ ব্যৱস্থা কৰিব পাৰি, কিন্তু দুয়ো কয় যে 'দেশখনৰ নিৰাপত্তাৰ বিষয়টো লৈ কোনেও ধেমালি কৰিব নোৱাৰে।' বিশ্বনাথ প্ৰতাপ সিঙে কয় যে ভাৰ-তীয় বাজেটখন 'প্ৰকৃতপক্ষে ৱাছিংটনত যুগুত কৰা।' তেওঁ কয় যে বহুবাৰ তেওঁ আমেৰিকানসকলক কৈ আহিছে —তেওঁলোকে যিমান বেছি অস্ত্ৰশস্ত্ৰ পাকিস্তানক দিব সিমান বেছি ধন ভাৰতে অস্ত্ৰশস্ত্ৰত ব্যয় কৰিব লগা হয় 'প্ৰত্যাহ্বানটোৰ সন্মুখীন হ'বলৈ।'

প্ৰকৃতপক্ষে মনমোহন সিঙে মন্ত্ৰীসভা আৰু পৰিকল্পনা আয়োগৰ বৈঠকবোৰত প্ৰতিৰক্ষা বাজেট কৰ্তন কৰাৰ প্ৰশ্নটো তুলি আহিছে, কিন্তু ভাৰতৰ নিৰাপত্তাৰ প্ৰশ্নত কোনো ধৰণৰ ভাগ্যপৰীক্ষাৰ চল ল'ব নোৱাৰে বুলি প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধীয়ে সেই পৰামৰ্শ অগ্ৰাহ্য কৰি আহিছে। মনমোহন সিঙে ইয়াৰ আগেয়ে বিষয়টো ইন্দিৰা গান্ধীৰ আগতো উত্থাপন কৰিছিল আৰু তেওঁৰো স্থিতি আছিল একেটাই —তেওঁৰ দেউতাকে কেনেকৈ ১৯৬২ চনত চীনা-সকলে দিয়া আঘাতটো চম্ভালিব নোৱাৰিলে তালৈ তেওঁ আঙুলিয়াই দিয়ে।

বিত্তমন্ত্ৰী আৰু পৰিকল্পনা আয়ো-গৰ উপসভাপতি উভয়ে বেতন আয়োগে কেন্দ্ৰীয় ৰাজকোষৰ ওপৰত দিয়া ২০০০ কোটি টকাৰ বোজাটো ভাল পোৱা নাই। ৰাষ্ট্ৰীয় উন্নয়ন পৰিষদে বেতন প্ৰস্তাৱবোৰ পুংখানু-পুংখভাৱে বিবেচনা কৰাটো মনমোহন সিঙে বিচাৰে। চৰকাৰী চাকৰিয়াল-সকল দুৰ্দশাগ্ৰস্ত লোক বুলি তেওঁ নাভাবে। তেওঁ সোধে, 'অসংগঠিত খণ্ডত থকাসকলৰ কি হ'ব— ভূমিহীন আৰু নিবনুৱাসকলৰ?' আৰু কয়, 'সদায়েই ১০ শতাংশই প্ৰতিটো সুফল নিজৰ ভোগত লগাইছে— আন ৯০ শতাংশৰ কথা অকণো চিন্তা নকৰাকৈ।'

বিশ্বনাথ প্ৰতাপ সিঙে তেওঁ উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী থাকোঁতে কেনেকৈ ৰাজ্যিক বেতন আয়োগে কৰা চুপা-ৰিচৰ এক তৃতীয়াংশহে গ্ৰহণ কৰিবলৈ চৰকাৰী চাকৰিয়ালসকলক বুজাই-বঢ়াই মান্তি কৰাইছিল সেই কথা সুৰঁৰি কয়, 'ইয়াত মই সেইটো কৰিব নোৱাৰো'। কিন্তু সেই বুলি তেওঁ মানসিকভাৱে বৰ বিপৰ্যস্ত হৈ পৰা নাই; তেওঁ বেতন আয়োগৰ চুপাৰিচ-সমূহ স্বাভাৱিক বোজাটোৰ অংশ বুলি গণ্য কৰিছে। 'ৰাজহৰ প্ৰায় ১০ শতাংশ প্ৰশাসনত ব্যয় কৰা হয়।'

কেতিয়াৰপৰা কথাকাণ্ডই বেয়াৰ ফালে ঢাল ল'লে? মনমোহন সিঙৰ মতে ১৯৮২ চন মানৰপৰা। তেওঁ কয়, তেতিয়ালৈকে নিয়ন্ত্ৰণ আছিল। এতিয়া দুই বা তিনি চকাৰ যানবোৰলৈ চাওক; বাটপথৰ বাবে ধন নাই, কিন্তু যান-বাহনৰ সংখ্যা বাঢ়িব লাগিছে। তেলৰ বিলখন আৰু বাঢ়িব।'

বিশ্বনাথ প্ৰতাপ সিঙে তেওঁৰ মন্ত্ৰণালয়ে ব্যৱসায় প্ৰতিষ্ঠানবোৰৰ ওপৰত চলোৱা হঠাৎ-তল্লাচীৰ কাৰ্য-ব্যৱস্থাবোৰৰ পক্ষে যুক্তি প্ৰদৰ্শন কৰে। 'আমি সেইবোৰৰ যি কোনোটোৰ ক্ষেত্ৰতে ব্যৱস্থা লোৱাৰ আগেয়ে যথেষ্ট আগতীয়া প্ৰস্তুতি চলাই লওঁ। বহুত হয়তো সাৰি গ'ল, কাৰণ বহু কথা আছে যিবোৰ আদালতত প্ৰমাণ কৰা টান কাম, কিন্তু তেওঁলোকে যে অসাধু কাম কাজ চলাইছিল সেই বিষয়ত কোনো সন্দেহ নাই।' মনমোহন সিঙে কয় যে আচলতে চোৰাং ধন হ'ল চলিত ব্যৱস্থাটোত থকা বিকৃতিবোৰৰ অশুভ পৰিণতি: উদাহৰণ স্বৰূপে দুৰ্নীতি আৰু ৰাজ-নৈতিক ভাৰ-ভেটিৰ লেখীয়া বিকৃতি-বোৰৰ।

আমাৰ অৰ্থনৈতিক অসুবিধাবোৰৰ পৰা উদ্ধাৰ পোৱাৰ উপায় কি? চৰকাৰী খণ্ডৰ প্ৰতিষ্ঠানৰপৰা অধিক লাভ আৰু ৰাজ্যসমূহে তেওঁলোকৰ নিগমসমূহৰ ওপৰত অধিক কঠোৰ নিয়ন্ত্ৰণ সুনিশ্চিত কৰিবলৈ ব্যৱস্থা লোৱাৰ পৰামৰ্শ দিলে দুয়োজনে। চৰকাৰী খণ্ডৰ প্ৰতিষ্ঠানৰ ব্যয় দুই শতাংশ হ্ৰাস কৰিবলৈ মন্ত্ৰীসভাই সিদ্ধান্ত লৈছে। এই উদ্দেশ্যত এখন কমিটি গঠন কৰা হৈছে।

চৰকাৰী সাহায্য (subsidy) ৰ পৰিমাণ কি দ্ৰুত গতিত বাঢ়িব লাগিছে তালৈ বিশ্বনাথ প্ৰতাপ সিঙে আঙুলিয়াই দিয়ে। তেওঁ ক'লে, 'যোৱা ৫ বছৰত পৰিমাণটো ৮০০ কোটি টকালৈ বাঢ়িল'। তেওঁৰ মতে একেটা নিৰিখতে বাঢ়ি থাকিলে অহা কেইবছৰমানৰ ভিতৰত এই সাহায্যৰ পৰিমাণ ৪০,০০০ কোটি টকা হ'বগৈ। তেওঁ ভাবে, এবাৰ চৰকাৰী সাহায্য-দান আৰম্ভ হ'লে তাৰ আৰু অন্ত নপৰে। প্ৰকৃতপক্ষে ই বাঢ়েহে— বাঢ়ি বাঢ়ি গৈ থাকে।

দুয়ো ক'লে যে ৰাজ্যসমূহত বিদ্যুৎ পৰিষদ আৰু পৰিবহন নিগমসমূহে সাংঘাতিক লোকচান ভৰিছে আৰু চৰকাৰী কোষৰপৰা সেইবোৰ লোকচান পূৰাব লগা হৈছে। জলসিঞ্চনৰ কৰ (cess) অকল যে সামান্য পৰি-মাণৰহে সেইটো নহয়—সেই সামান্য পৰিমাণৰ কৰো আদায় কৰা নহয়। বিশ্বনাথ প্ৰতাপ সিঙে ক'লে, 'সম্পদৰ নাটনিয়ে নহয়—সেইবোৰৰ ৰাজ্যই কৰা অপচয়েহে অধিক লোকচানৰ সৃষ্টি কৰিছে। বেংকৰপৰা অ'ভাৰড্ৰাফট লোৱাটো বন্ধ কৰি দি তেওঁলোকক সীমাৰ ভিতৰত থাকিবলৈ মই সহায় কৰাত তেওঁলোক সুখী হৈছে।' তেওঁৰ মতে, আনবোৰ ৰাজ্যতকৈ গুজৰাট আৰু তামিলনাডুৱে এই দিশৰ কাম অধিক ভাল ধৰণে পৰিচালনা কৰিছে। বিহাৰেও বেয়া কৰা নাই। কিন্তু কৰ্ণাটকে তেওঁক হতাশ কৰিছে, সেই-খন ৰাজ্যই ভালেই চলাই আছে বুলি তেওঁ এসময়ত ভাবিছিল।

ধৰক, এই কথাকাণ্ডবোৰ ঠিক কৰা নহ'ল, ৰেহা লগোৱা নহ'ল তেতিয়া কি হ'ব? বিশ্বনাথ প্ৰতাপ সিঙে ক'লে যে ভাৰতৰ অৱস্থা কেতবোৰ লেটিন আমেৰিকাৰ দেশৰ অৱস্থাৰ দৰে হ'ব: অতীতৰ ঋণ শোধ কৰিবলৈ অধিক ঋণ গ্ৰহণ, বিদেশী ৰাষ্ট্ৰই ভাৰতীয় সামগ্ৰী কিনাটো অধিক আকৰ্ষণীয় কৰিবৰ বাবে টকাৰ অৱমূল্যায়ন ইত্যাদি। মূল্যনীতি সংক্ৰান্ত এখন চৰকাৰী নথি তেওঁ উলিয়াব আৰু তাত মন্ত্ৰীসভাই অনু-মোদন দিয়াৰ পাছত তেওঁ সেইখন সংসদত দাখিল কৰিব। আগন্তুক দিন-বোৰত হিংসাত্মক ঘটনাৰ উদগীৰণ ঘটিব পাৰে বুলি মনমোহন সিঙে আশংকা কৰিছে। তেওঁ কয়, 'এনে-কুৱাবোৰ পৰিস্থিতিত এটা দমনকাৰী চৰকাৰ অনিবাৰ্য হৈ পৰে।'

সঁচাকৈয়ে অৰ্থনীতিৰ ক্ষেত্ৰত কঠোৰ সিদ্ধান্ত ল'বৰ সময় নিশ্চিতভাৱে উপস্থিত হৈছে। আৰু শৃংখলাৰো সময় হৈছে। কিন্তু তেতিয়া-হ'লে তাৰ অৰ্থ হ'ব এনে কেতবোৰ ব্যৱস্থা লোৱা যিবোৰ কেতিয়াও জন-প্ৰিয় নহ'ব। যিবোৰে সমালোচনাৰ উদ্ৰেক কৰিব আৰু ভোটৰ সংখ্যা হ্ৰাস কৰিব। লেঠা সেইখিনিতে। ইমান ৰাজনৈতিক অনিশ্চয়তাৰ মাজত প্ৰয়োজনীয় কঠোৰ সিদ্ধান্তবোৰ ল'বলৈ নেতৃত্বৰ সাহস হ'ব নে?

সমাজবাদ হয়তো এটা অতি প্ৰচ-লিত সস্তীয়া কথাৰ দৰে হৈ পৰিল, কিন্তু 'ইণ্ডিয়া' আৰু 'ভাৰত'ৰ মাজৰ ব্যৱধান হ্ৰাস কৰিবলৈ কিছুমান ব্যৱস্থা গ্ৰহণ কৰিবই লাগিব। শতকৰা ১০ ভাগ এটা দ্বীপত বাস কৰি আছে আৰু দ্বীপটো ক্ষুধা, ব্যাধি আৰু অজ্ঞতাৰ এখন সাগৰে ঘেৰি আছে। হয় দ্বীপটো সম্প্ৰসাৰিত কৰি নিব লাগিব, নহয় এদিন সাগৰখনে দ্বীপটো ঢোৱাই দিব। বিশ্বনাথ প্ৰতাপ সিঙে ক'লে যে দেশে 'অৰ্থনৈতিক স্তৰ-বিন্যাস' মানি লৈছে। মনমোহন সিঙে বৈষম্য হ্ৰাস কৰাৰ ব্যৱস্থা বিচাৰে।

সম্ভাৱনা দেখাত ক্ষীণ। আমি দীৰ্ঘ দিন কথাবোৰ হেঁাহকা পিছলা কৰি থাকিবলৈ এৰি দিলো। সিদিনা এজন বৃটিছ অৰ্থনীতিবিদক (তেওঁ নোবেল বঁটা বিজয়ী আৰু প্ৰায়ে ভাৰতলৈ আহি থাকে) আমাৰ দেশৰ অৰ্থনীতিৰ বিষয়ে তেওঁ কি ভাবে সুধিছিলো। তেওঁ ক'লে, 'আপোনা-লোকে আশীৰ দশকটোত নানা ভুল ভ্ৰান্তি কৰি কোনো মতে বিপদ অতিক্ৰম কৰি যাব; নব্বৈৰ দশক-টোত ডাঙৰ সংকট হ'ব আৰু শতি-কাটো শেষ হোৱাৰ সময়লৈ— ফুঃ…!'

OKDISCD

## দক্ষিণ কোৰিয়াৰ ৰাজনীতি

# প্ৰাচুৰ্য নে স্বাধীনতা ?

ড° সুনীল পবন বৰুৱা

দশম এছিয়াড আৰু ২৪ তম অলিম্পিকৰ থলী দক্ষিণ কোৰিয়াত সমান্তৰালভাৱে আন এক প্ৰস্তুতিও চলিছে। সেয়া হৈছে ১৯৮৮ চনত প্ৰেছিডেণ্ট চুন-ড-হনৰ (Chun-Doo-Hwan) নেতৃত্বাধীন সামৰিক গণতন্ত্ৰৰ অৱসানৰ মাজেদি দেশখনৰ বিৰোধী পক্ষৰ ভালেদিনীয়া দাবী প্ৰকৃত গণতন্ত্ৰ স্থাপনৰ প্ৰস্তুতি। প্ৰেছিডেণ্ট চুনৰ প্ৰতিশ্ৰুতিৰ পটভূমিত প্ৰায় ৪০ নিযুত দক্ষিণ কোৰিয়াবাসীৰ সন্মুখত উত্থাপিত হবলগীয়া বিষয়টো হৈছে : প্ৰাচুৰ্য নে স্বাধীনতা ? কিছু পৰিমাণে স্বাধীনতাৰ বিনিময়ত বহু আকাংক্ষিত প্ৰাচুৰ্য আৰু প্ৰয়োজনীয় নিৰাপত্তা ত্যাগ কৰিবলৈ তেওঁলোক সঁচাকৈয়ে প্ৰস্তুত নে ? দেশখনৰ সাম্প্ৰতিক পৰিস্থিতিয়ে এই বিতৰ্কিত প্ৰশ্নৰ সমিধান দিয়াত সহায় কৰিব।

প্ৰাচ্যৰ বুৰঞ্জীত আচুতীয়া দেশ নামে পৰিচিত কোৰিয়াৰ প্ৰায় খৃষ্টপূৰ্ব ৫৭অৰ পৰা লিখিত বুৰঞ্জী আছে। সপ্তম শতিকাত বৌদ্ধ চিলা ৰাজবংশই সংযুক্ত কোৰিয়া ৰাজ্যৰ ভেটি স্থাপন কৰে। কেইবা শতিকাৰো পাছতহে কনফুছিয়াছ মতাৱলম্বী ই (yi) ৰাজপৰিয়াল কোৰিয়াৰ ক্ষমতা দখল কৰিবলৈ সক্ষম হয়। এৰাধৰাকৈ নিচেই গাতে লাগি থকা চীনা সাম্ৰাজ্যৰ দ্বাৰা কৰ্তৃত্ব স্থাপিত হলেও প্ৰায় ১৯ শতিকাৰ সামৰণিলৈকে কোৰিয়াই নিজৰ স্বাধীনতা তথা জাতীয় অস্তিত্ব বজাই ৰাখিবলৈ সক্ষম হৈছিল। কিন্তু প্ৰশান্ত মহাসাগৰৰ বুকুলৈ এপাট জোঙা অস্ত্ৰৰ দৰে সোমাই অহা কোৰিয়াৰ আহুকলীয়া ভৌগোলিক অৱস্থানে দেশখনক সঘনে বৃহৎ সাম্ৰাজ্যবাদী শক্তিসমূহৰ খোৱা-কামোৰা তথা ক্ষমতাৰ ৰাজনীতিৰ ভুৰ্ভগীয়া বলিলৈ ৰূপান্তৰিত কৰিছে। বৃহৎ চীন সাম্ৰাজ্য আৰু পূব দিশলৈ ৰুছ সাম্ৰাজ্যৰ বিস্তাৰৰ পৰিপ্ৰেক্ষিতত দক্ষিণ দিশত অৱস্থিত জাপান কোৰিয়াৰ প্ৰতি অধিক আগ্ৰহী হৈ পৰিল। পৰ্যায়ক্ৰমে চীনা, মংগোল, মাঞ্চুৰিয়া, আৰু অৱশেষত জাপানী আক্ৰমণে কোৰিয়াৰ স্বাধীন অস্তিত্ব নাইকিয়া কৰি দেশখনক জাপানৰ বহতীয়া কৰি তোলে। ১৯১০ চনৰপৰা ১৯৪৫ চনলৈকে কোৰিয়া আছিল জাপানী উপনিবেশ। দ্বিতীয় মহাযুদ্ধৰ সামৰণিত মাৰ্কিন আৰু ৰুছ সৈন্যই যুটীয়াভাৱে কোৰিয়াক জাপানৰ কবলৰপৰা মুক্ত কৰিলে যদিও কোৰিয়াবাসীৰ ভুৰ্ভাগ্যৰ অন্ত নপৰিল। বৃহৎ শক্তিগোষ্ঠীৰ স্বাৰ্থত পট্‌ছডাম কনফাৰেন্সত (জুলাই ১৯৪৫) ৩৮ অক্ষৰেখাত কোৰিয়াক বিভক্ত কৰা হয়। প্ৰাচীন ইতিহাস, পৰম্পৰা, সংস্কৃতি আদি সকলো পৰিহাৰ কৰি সম্পূৰ্ণ পৃথক আদৰ্শ তথা ৰাজনৈতিক মতবাদেৰে দুখন নতুন কোৰিয়াৰ জন্ম দিয়া হ'ল। মাৰ্কিন যুক্তৰাষ্ট্ৰৰ পৃষ্ঠপোষকতাত দক্ষিণ কোৰিয়াত সোঁপন্থী ৰক্ষণশীল নেতা ড° চিংমেন্ ৰিৰ (Dr. Syangman Rhee) নেতৃত্বত প্ৰতিষ্ঠিত হ'ল ৰিপাব্লিক অৱ কোৰিয়া; আৰু জাপানী দখলৰ সময়ছোৱাত কিংবদন্তীৰ সৃষ্টি কৰা মুক্তি যোদ্ধা কিম চুঙৰ (Kim II Sung) বলিষ্ঠ নেতৃত্বত, ছোভিয়েট আৰু চীনৰ যুটীয়া সমৰ্থনত উত্তৰ কোৰিয়াক লৈ জন্ম হ'ল এক নতুন সাম্যবাদী ৰাষ্ট্ৰ— লোকতান্ত্ৰিক কোৰিয়া গণৰাজ্য। দ্বিতীয় মহাযুদ্ধৰ পৰৱৰ্তী শীতল যুদ্ধৰ ৰাজনীতিত উত্তৰ আৰু দক্ষিণ কোৰিয়া আন্তঃৰাষ্ট্ৰীয় উত্তেজনাৰ কেন্দ্ৰৰূপে চিহ্নিত হৈ পৰিল। সেই উত্তেজনাই প্ৰকাশ্য সংকটৰ ৰূপ ললে— যেতিয়া হাজাৰ হাজাৰ উত্তৰ কোৰিয়াৰ সৈন্যই ৰুছ টেংকেৰে সজ্জিত হৈ ৩৮ অক্ষৰেখা পাৰ হৈ দ০ কোৰিয়াত প্ৰৱেশ কৰিলে। নেপথ্যত দুই বৃহৎ শক্তিৰ উপস্থিতিৰে দ্বিতীয় মহাযুদ্ধৰ সামৰণিৰ পাঁচ বছৰৰ ভিতৰতে আন এখন মহাযুদ্ধৰ সম্ভাৱনাৰে আৰম্ভ হ'ল কোৰিয়া যুদ্ধ (১৯৫০-৫৩)। লগে লগে নৱপ্ৰতিষ্ঠিত ৰাষ্ট্ৰসংঘৰ অস্তিত্বৰ প্ৰতিও আহি পৰিল এক সবল প্ৰত্যাহ্বান। অৱশেষত পৰিস্থিতিৰ গভীৰতাৰ উপলব্ধিৰ মাজেদি ৰাষ্ট্ৰসংঘৰ মধ্যস্থতাত যুদ্ধ-বিৰতি চুক্তি সম্পাদিত হ'ল। এই ক্ষেত্ৰত ভাৰতে প্ৰধান ভূমিকা গ্ৰহণ কৰিছিল। যোৱা তিনিটা দশক জুৰি কোৰিয়া উপদ্বীপত এক প্ৰকাৰ শান্তি বিৰাজ কৰিছে। কিন্তু ৩৮ অক্ষৰেখাৰ ইপাৰে-সিপাৰে এক অনিশ্চিত ভৱিষ্যতৰ সন্মুখীন হবলৈ দুয়ো পক্ষই অবিৰাম প্ৰস্তুতি চলাইছে।

চীনৰ মাও, ৰুছিয়াৰ ষ্টেলিন অথবা যুগশ্লাভিয়াৰ টিটোৰ সমপৰ্যায়ৰ নেতা কিম চুঙৰ অপ্ৰতিদ্বন্দ্বী নেতৃত্বত উত্তৰ কোৰিয়াই সাম্যবাদৰ প্ৰতি নিজৰ দায়বদ্ধতাৰ কথা প্ৰকাশ কৰিছে; কিন্তু দক্ষিণ কোৰিয়াত যোৱা তিনিটা দশকত ৰাজনৈতিক দিশত ভালেমান পৰিবৰ্তন ঘটিছে। দক্ষিণ কোৰিয়াৰ ৰাজনীতিত ছাত্ৰ আন্দোলনৰ এক বলিষ্ঠ ভূমিকা আছে। প্ৰবল ছাত্ৰ আন্দোলনৰ হেঁচাত ১৯৬০ চনত চিংমেন ৰিৰ স্বেচ্ছাচাৰী শাসনৰ ওৰ পৰে। এবছৰৰ বাবে সংসদীয় গণতন্ত্ৰৰ পৰীক্ষা-নিৰীক্ষা চলোৱা হয়। পৰৱৰ্তী সময় ছোৱাত জেনেৰেল পাৰ্ক চুং হিৰ (Park Chung Hee) নেতৃত্বত গণতন্ত্ৰৰ ছদ্মবেশত পাতনি মেলা সামৰিক শাসনে উত্তৰ কোৰিয়াৰপৰা দেখা দিয়া সামৰিক ভাবুকিৰ অজুহাতত দেশত ৰাজনৈতিক কাৰ্য-কলাপ সীমিত



কৰি বা-বাতৰিৰ ক্ষেত্ৰত কঠোৰ ছেন্সৰ প্ৰথা আৰোপ কৰিলে। এই ব্যৱস্থাই ইমানেই সফলতা অৰ্জন কৰিছিল যে প্ৰেছিডেণ্ট পাৰ্ক চুং হি আততায়ীৰ হাতত নিহত হোৱাৰ পাছত নতুন প্ৰশাসনে দায়িত্ব গ্ৰহণ নকৰালৈকে ২৪ ঘণ্টাৰ বাবে এই বাতৰি সাৱধানে, গোপনে ৰখা হৈছিল। অৱশ্যে বৰ্তমান ডেমক্ৰেটিক জাষ্টিছ পাৰ্টিৰ (D.J.P) নেতৃত্বত প্ৰেছিডেণ্ট চুনৰ আমোলত অসামৰিক শাসনত সামৰিক নিয়ন্ত্ৰণ অব্যাহত থাকিলেও গণতান্ত্ৰিক পৰিৱেশ ভালেখিনি ঘূৰি আহিছে। ১৯৮৮ চনত সাত বছৰীয়া ম্যাদ শেষ হ'লে স্বেচ্ছাই পদত্যাগ কৰি প্ৰকৃত গণতন্ত্ৰৰ বাট মুকলি কৰি দিবলৈ তেওঁ প্ৰতিশ্ৰুতি দিছে।

সাম্প্ৰতিক দক্ষিণ কোৰিয়াৰ ক্ষেত্ৰত মন কৰিবলগীয়া বিষয়টো হৈছে দেশখনৰ অভাৱনীয় অৰ্থনৈতিক সাফল্য। জাপানৰ দৰে পশ্চিমীয়া চহকী দেশৰ লগত সমানে প্ৰতিযোগিতাত অৱতীৰ্ণ হ'ব পৰা এছিয়াৰ মুষ্টিমেয় দেশৰ ভিতৰত দ০ কোৰিয়া অন্যতম। তিনি দশকৰ আগতে ৪৫ ডলাৰ জনমূৰি আয়ৰ দেশখনৰ বৰ্তমান জনমূৰি আয় ১৮০০ ডলাৰৰো বেছি। দেশৰ ৰপ্তানি বাণিজ্য ৫৫ নিযুত ডলাৰৰপৰা ২৩.৫ কোটি ডলাৰলৈ বৃদ্ধি পাইছে আৰু দ্ৰুত গতিত এই বৃদ্ধি অব্যাহত আছে। বৰ্তমান অৰ্থনীতিৰ বাবে বিপদস্বৰূপ মুদ্ৰাস্ফীতিৰ হাৰ কমি গৈছে। আন্তঃৰাষ্ট্ৰীয় জাহাজ নিৰ্মাণ ব্যৱসায়ৰ প্ৰায় ১২ শতাংশ দ০ কোৰিয়াৰ দখলত। বিশ্বৰ দশম বৃহৎ পৰিবহন বিমান বাহিনীৰ গৰাকী দ০ কোৰিয়াৰ বিমান সেৱাই প্ৰতিদিনে পৃথিৱীৰ বিভিন্ন দেশৰ লগত সম্পৰ্ক ৰাখিব পাৰে। বস্ত্ৰ শিল্প, তাঁত, কম্পিউটাৰ, ইলেকট্ৰনিক সামগ্ৰী আদি উৎপাদনৰ ক্ষেত্ৰত দক্ষিণ কোৰিয়াই লাভ কৰা অবিশ্বাস্য অগ্ৰগতিক দেশখনৰ "অৰ্থনৈতিক যাদু" ৰূপে অভিহিত কৰিবলৈ অনেকে প্ৰয়াস পাইছে। স্বাভাৱিকভাৱে জাপানৰ দৰে দ০ কোৰিয়াৰ অৰ্থনীতি মাৰ্কিন বজাৰৰ লগত ওতপ্ৰোতভাৱে জড়িত। ই বৰ্তমান মাৰ্কিন ব্যৱসায়ী মহলক চিন্তাত পেলোৱাৰ বাতৰি ওলাইছে। যোৱা বছৰলৈকে আমেৰিকাৰ বস্ত্ৰ ব্যৱসায়ৰ প্ৰায় ১৫ শতাংশ দ কোৰিয়াই নিয়ন্ত্ৰণ কৰিছিল। বিশ্বৰ যান-বাহন বজাৰৰ শেহতীয়া পৰিস্থিতিত কোৰিয়াৰ মটৰ গাড়ীয়ে আমেৰিকাৰ গ্ৰাহকক বেছিকৈ আকৰ্ষণ কৰিবলৈ লৈছে। মাৰ্কিন যান-বাহন উৎপাদন কৰা ব্যৱসায়ী গোষ্ঠীক কিছু বিব্ৰত কৰি দ০ কোৰিয়াৰ মটৰ গাড়ীৰ প্ৰথমটো চালান আগতীয়াকৈ বিক্ৰি কৰা হৈছে। বৰ্তমান প্ৰেছিডেণ্ট চুন ডৰ আমোলত যোৱা পাঁচ বছৰে অৰ্থনৈতিক সফলতা শীৰ্ষ বিন্দুত উপনীত হৈছে। এতিয়া ৰাজধানী ছিউল মহানগৰীয়ে সকলো ধৰণৰ বিলাসী উপকৰণেৰে থাউকতে হাজাৰ-হাজাৰ বিদেশী অতিথিক আপ্যায়ন কৰিব পাৰে। এই ছিউলতে কেইদিনমানৰ পাছতে এছিয়াড আৰু দুবছৰৰ ভিতৰতে অলিম্পিক অনুষ্ঠিত হ'ব।

দ০ কোৰিয়াৰ বাবে বৰ্তমান অন্যতম প্ৰধান সমস্যা হৈছে ১৮ নিযুত লোকৰ বসতি প্ৰতিবেশী উত্তৰ কোৰিয়াৰপৰা আহিব পৰা যিকোনো আক্ৰমণৰ বাবে লবলগীয়া সৰ্তকতামূলক ব্যৱস্থা। শত্ৰুপক্ষৰ আক্ৰমণৰ লক্ষ্যৰ ভিতৰত থকা ৰাজধানী ছিউল চহৰ বিপদজনক সীমান্তৰপৰা মাত্ৰ ৪১ কি. মি. দূৰৈত অৱস্থিত। অত্যাধুনিক অস্ত্ৰ শস্ত্ৰৰে সজ্জিত প্ৰায় ৬ লাখ নিয়মিত সৈন্য আৰু ৩.৫ নিযুত সংৰক্ষিত বাহিনী সীমান্তৰ সিপাৰৰ কমিউনিষ্ট প্ৰৰোচনাক প্ৰতিহত কৰিবলৈ সাজু হৈ থাকে। ইয়াৰ বাদেও আছে ৪২ হাজাৰ সুসজ্জিত মাৰ্কিন সেনা। কোৱা বাহুল্য যে চীন আৰু ছোভিয়েট ইউনিয়নৰ স্থল সীমাৰে পৰিবেষ্টিত উত্তৰ কোৰিয়াৰ সামৰিক বাহিনীৰ সংখ্যা প্ৰায় ৯ লাখ। ৰাষ্ট্ৰীয় আয়ৰ এক বুজন অংশ তেওঁলোকে প্ৰতিৰক্ষাৰ খিতানত ব্যয় কৰে। মাৰ্কিন অস্ত্ৰ-শস্ত্ৰৰ ওপৰত বহুলাংশে নিৰ্ভৰ কৰিলেও প্ৰতিৰক্ষাৰ বাবে প্ৰয়োজনীয় সকলো সামগ্ৰী দক্ষিণ কোৰিয়াই নিজে তৈয়াৰ কৰিব পাৰে। দুই কোৰিয়াক বিভক্ত কৰা "সামৰিক কাৰ্যকলাপ নিষিদ্ধ" অঞ্চলটো ইমানেই বিপদজনক যে যি কোনো অসামৰিক লোকে সম্পূৰ্ণ নিজৰ দায়িত্বতহে তালৈ যাব পাৰে। অবিৰাম সৰ্তকতা সত্বেও উত্তৰ কোৰিয়াৰ দলত্যাগী এজনে প্ৰকাশ কৰা সূত্ৰ মতে অস্ত্ৰশূন্য অঞ্চল আৰু ইমজিন নদীৰ গৰ্ভত আবিষ্কাৰ কৰা হ'ল এক বৃহৎ সুৰংগ। এই সুৰংগৰে প্ৰতি ঘণ্টাত প্ৰায় ১০ হাজাৰ সশস্ত্ৰ সৈন্যই দক্ষিণ কোৰিয়াত প্ৰৱেশ কৰিব পাৰে। এই কথা প্ৰণিধানযোগ্য যে উত্তৰ কোৰিয়াই দক্ষিণ কোৰিয়াৰ যি কোনো অভ্যন্তৰীণ অশান্তিৰ সুবিধা লবলৈ বিচাৰে। দুই কোৰিয়াৰ একত্ৰীকৰণৰ বাবে তেওঁলোকে লুকঢাক নোহোৱাকৈ শান্তিপূৰ্ণ অথবা হিংসাত্মক সকলো পথ লবলৈ প্ৰস্তুত। উদাহৰণ স্বৰূপে ব্ৰহ্মদেশৰ ৰেংগুন চহৰত হোৱা এক ভয়াবহ বিস্ফোৰণত দ০ কোৰিয়াৰ কেইবাজনো কেবিনেট মন্ত্ৰীকে ধৰি ২১ জন লোক নিহত হয়। এই আক্ৰমণৰ লক্ষ্য আছিল দ০ কোৰিয়াৰ প্ৰেছিডেণ্ট চুন ড। নিৰ্ধাৰিত অনুষ্ঠানত সময় মতে উপস্থিত নোহোৱাৰ বাবে তেওঁ ৰক্ষা পৰিল। পাছত উত্তৰ কোৰিয়াৰ কমাণ্ডোৰ দ্বাৰা এই কাৰ্য সংঘটিত হোৱাৰ প্ৰমাণ পোৱা গ'ল। এই কাৰ্যই দক্ষিণ কোৰিয়াত একত্ৰীকৰণৰ প্ৰস্তাৱত সমৰ্থন জনোৱাসকলক অসুবিধাত পেলালে।

প্ৰেছিডেণ্ট চুন ডৰ প্ৰতিশ্ৰুতি মতে ১৯৮৮ চনত মুক্ত নিৰ্বাচন অনুষ্ঠিত হ'লে সাংবিধানিক সংস্কাৰৰ পোষকতা কৰা দ০ কোৰিয়াৰ প্ৰধান বিৰোধী দল নিউ কোৰিয়ান ডেমক্ৰেটিক পাৰ্টিৰ ক্ষমতা দখলৰ সম্ভাৱনা উজ্জ্বল। দলৰ নৰমপন্থী জনপ্ৰিয় বিৰোধী নেতা কিম ডে জুং (Kim



OKDISCD

Dae Jung) প্ৰেছিডেণ্টৰ পদত অধিষ্ঠিত হোৱাটো অনেকে বাঞ্চা কৰে। যোৱা তিনিটা দশক জুৰি এই জনপ্ৰিয় বিৰোধী নেতাগৰাকীয়ে এক-প্ৰকাৰ কাৰাৰুদ্ধ জীৱন যাপন কৰি আহিছে। ৰক্ষণশীল প্ৰশাসনৰ বিৰোধিতাৰ বাবে সময়ে-সময়ে কাৰাবাস, গৃহবন্দী অথবা নিৰ্বাসিত জীৱনৰ সম্মুখীন হোৱা এই নেতাগৰাকীয়ে ১৯৭১ চনৰ বিতৰ্কিত প্ৰেছিডেণ্ট নিৰ্বাচনত জেনেৰেল পাৰ্ক চুং হিৰ লগত সামান্য ব্যৱধানতহে পৰাজিত হৈছিল। ১৯৮০ চনত দেশত গণতান্ত্ৰিক অধিকাৰৰ দাবীত সংঘটিত ৰক্তক্ষয়ী কোৱাংজু অশান্তিৰ লগত জড়িত থকাৰ অভিযোগত তেওঁক মৃত্যুদণ্ডেৰে দণ্ডিত কৰা হৈছিল। উল্লেখযোগ্য যে বিৰোধী নেতাগৰাকীৰ নিজা এলেকা কোৱাংজুৰ অশান্তিত প্ৰায় ২০০ বিক্ষোভকাৰী নিহত আৰু হাজাৰৰো অধিক লোক আহত হয়। অলপতে কোৱাংজু হত্যাৰ ষষ্ঠ বাৰ্ষিকী পালন কৰা হৈছে। অৱশ্যে প্ৰাক্তন মাকিন প্ৰেছিডেণ্ট জিমি কাৰ্টাৰৰ মধ্যস্থতাত কিম জুঙৰ মৃত্যুদণ্ড কুৰি বছৰৰ কাৰাদণ্ডলৈ ৰূপান্তৰিত হ'ল। প্ৰায় আঢ়ৈ বছৰ কাৰাবাস খটাৰ পাছত পুনৰ মাকিন অনুৰোধত নিৰ্বাসিত জীৱন যাপন কৰিবলৈ তেওঁক মাকিন যুক্তৰাষ্ট্ৰলৈ যাত্ৰা কৰাৰ অনুমতি প্ৰদান কৰা হয়। এই সময়ছোৱাত তেওঁ ন বছৰ হাৰ্ভাৰ্ড বিশ্ববিদ্যালয়ৰ অধ্যাপক ৰূপে কাৰ্যনিৰ্বাহ কৰে। অৱশেষত মাকিন ৰক্ষণাবেক্ষণৰ মাজত ১৯৮৪ চনৰ নৱেম্বৰ মাহত তেওঁ স্বদেশলৈ ঘূৰি আহে। ছিউলত অৱতৰণ কৰোঁতে কংগ্ৰেছ সদস্যকে ধৰি তেওঁৰ লগত আছিল কুৰিজন প্ৰভাৱশালী আমেৰিকান। সক্ৰিয় ৰাজনীতিৰপৰা বিৰত থাকি একপ্ৰকাৰ গৃহবন্দীৰ জীৱন যাপন কৰিলেও তেওঁ বিৰোধী পক্ষৰ আটাইতকৈ প্ৰভাৱশালী নেতা। চৰকাৰীভাৱে ৰাজনীতিত লিপ্ত হোৱাত নিষেধাজ্ঞা আৰোপ কৰা হৈছে যদিও কিম ডে জুঙৰ উপস্থিতি শাসনাধিষ্ঠ দলৰ বাবে অধিক বিপদজনক হৈ পৰিছে। নেশ্যনেল এছেম্বলিত তেওঁৰ দলৰ প্ৰভাৱ বৃদ্ধি হোৱাৰ উপৰিও দেশত সংবিধান সংশোধনৰ দাবীত দাখিল কৰিবলৈ লোৱা আবেদন-পত্ৰৰ ১০ নিযুত চহী সংগ্ৰহৰ অভিযান আৰম্ভ কৰিবলৈ তেওঁৰ দলক অনুমতি দিব লগা হৈছে। এই অভিযানৰ মুখ্য দাবী হৈছে,— বৰ্তমান ৫০০ নিৰ্বাচক মণ্ডলীৰ দ্বাৰা পৰোক্ষ প্ৰেছিডেণ্ট নিৰ্বাচনৰ নীতি সলনি কৰি পোনপটীয়া নিৰ্বাচনৰ ব্যৱস্থা কৰা। উল্লেখযোগ্য যে এই ব্যৱস্থা বাহাল থাকিলে পৰিস্থিতি শাসনাধিষ্ঠ দলৰ অনুকূলে যাব আৰু বৰ্তমান প্ৰেছিডেণ্ট চুনৰ মনোনীত উত্তৰাধিকাৰী শাসনাধিষ্ঠ দলৰ চেয়াৰমেন জেনেৰেল ৰহ-টে-উৰ (Roh-Tae-Woo) নিৰ্বাচন সহজ হৈ পৰিব। এনে অৱস্থাত দুয়োপক্ষৰ বাবে সফলতাৰ মূল প্ৰশ্নটো প্ৰেছিডেণ্ট নিৰ্বাচনৰ পদ্ধতিয়ে নিৰূপণ কৰিব। বিৰোধী দলৰ প্ৰধান নেতা কিম ডে জুঙৰ বাবে আন এটা অসুবিধা হৈছে,— তেওঁৰ অনুপস্থিতিত তেওঁৰে এসময়ৰ প্ৰিয়ভাজন কিম ইয়ং চাম (Kim-Yong Sam) প্ৰধান প্ৰতিদ্বন্দ্বী ৰূপে থিয় দিছে। আনহাতে দুয়োগৰাকী বিৰোধী নেতাৰ বাবে অসুবিধাৰ দিশটো হ'ল বৰ্তমান দেশৰ প্ৰভাৱশালী বিপ্লৱী ছাত্ৰ আন্দোলনৰ নেতৃত্বই তেওঁলোকৰ নৰমপন্থী সংস্কাৰৰ পোষকতা কৰা ৰাজনীতিক বৰ্তমান পৰিস্থিতিত অচল বুলি নাকচ কৰিব খোজে। সাম্প্ৰতিক দ· কোৰিয়াৰ ৰাজনীতিত দুয়োখন কোৰিয়াৰ ঐক্য বাঞ্চা কৰা মাকিন-বিৰোধী একাংশ ছাত্ৰৰ প্ৰভাৱ নুই কৰিব নোৱাৰি। কোৰিয়া যুদ্ধৰ ৰিক্ত অভিজ্ঞতা নথকা বিশ্ববিদ্যালয়ৰ এই ছাত্ৰসকলে কাৰ্য সিদ্ধিৰ বাবে হিংসাত্মক পথ লবলৈও প্ৰস্তুত। বিৰোধী পক্ষৰ বাবে সমস্যা হৈছে, —তেওঁলোকে দেশখনত ফিলিপাইনধৰ্মী শান্তিপুৰ্ণ গণশক্তিৰ মাধ্যমত ৰাজনৈতিক পৰিবৰ্তন বিচাৰে। মুক্ত ৰাজনীতিৰ দৰে বৰ্তমান দ· কোৰিয়াৰ জনজীৱনত উল্লেখযোগ্য দিশটো হৈছে সীমান্তৰ সিপাৰৰ আক্ৰমণৰ ভাবুকি। এনে অৱস্থাত বৰ্তমান প্ৰশাসনৰ বিৰোধী হলেও এটা দীৰ্ঘদিনীয়া শান্তিৰ বাতাবৰণ সৃষ্টি নোহোৱালৈকে তেওঁলোকে দেশখনত মাৰ্কিন সেনাৰ উপস্থিতিৰ আৱশ্যক বুলি গণ্য কৰে। এছিয়াৰ আন এখন মাৰ্কিনপন্থী দেশ ফিলিপাইনৰ লগত দ. কোৰিয়াৰ ৰাজনীতিৰ কিছু মিল থাকিলেও ফিলিপাইনত প্ৰেছিডেণ্ট মাৰকছৰ অপ্ৰিয় শাসন যি দৰে নাকচ কৰা হ'ল, কোৰিয়াৰ প্ৰেছিডেণ্ট চুন ডৰ ক্ষেত্ৰত সেইটো সম্ভৱ নহ'বও পাৰে; কিয়নো, দেশৰ বৰ্তমান অৰ্থনৈতিক প্ৰাচুৰ্যৰ বাবে শাসনাধিষ্ঠ দলে বহুলাংশে কৃতিত্ব দাবী কৰিব পাৰে। ইয়াৰ বাদেও কমিউনিষ্ট কোৰিয়াৰ লগত ঐক্য আৰু সীমাহীন গণতান্ত্ৰিক অধিকাৰে দেশৰ নবলব্ধ অৰ্থনৈতিক উন্নতিত বাধাৰ সৃষ্টি হ'ব বুলি ভালেমান লোকে বিশ্বাস কৰে। এনে অৱস্থাত বিৰোধী দলক আস্থাত লব নোৱৰাৰ পৰিপ্ৰেক্ষিতত দ· কোৰিয়াৰ চলিত বিপ্লৱী ছাত্ৰ আন্দোলনে আগন্তুক নিৰ্বাচনত শাসনাধিষ্ঠ দলৰ ক্ষতি কৰাতকৈ স্থিতাৱস্থা বাহাল ৰখাতহে সহায় কৰিব পাৰে।


ডক্টৰ মহেশ্বৰ নেওগৰ অপূৰ্ব জীৱন-কথা

জীৱনৰ দীঘ আৰু বাণি

মহেশ্বৰ নেওগ ৰচনাৱলী

প্ৰথম খণ্ড। ১,০১৬ পৃষ্ঠা। ১০০·০০ টকা

ডক্টৰ মহেশ্বৰ নেওগ প্ৰকাশন

ন্যাস-পৰিষদৰ হৈ

বাণী মন্দিৰ ঃ ডিব্ৰুগড়




# ৰাষ্ট্ৰীয় শিক্ষানীতি ১৯৮৬

ডঃ কুলেন্দু পাঠক

ভাৰতৰ সংসদত গৃহীত ৰাষ্ট্ৰীয় শিক্ষানীতি সম্পৰ্কীয় দলিলখন আমাৰ হাতত পৰিবৰ বেছি দিন হোৱা নাই। কেইবা মাহৰো আগতে প্ৰকাশিত আৰু বহুলভাৱে প্ৰচাৰিত 'শিক্ষাৰ প্ৰত্যাহ্বান' নামৰ খচৰাখনকে বহুতে শিক্ষানীতি বুলি ভাবিছিল যদিও প্ৰকৃততে সেইখন ৰাষ্ট্ৰীয় বিতৰ্কৰ পাতনি হিচাপেহে ৰাইজলৈ আগবঢ়োৱা হৈছিল।

১২ জানুৱাৰীৰপৰা দিল্লীত ৰাজ্যসমূহৰ শিক্ষামন্ত্ৰীসকলৰ সভাত অসমৰ শিক্ষামন্ত্ৰী শ্ৰীবৃন্দাবন গোস্বামীয়ে কৈছিল:

"বহল দৃষ্টিভংগীৰে চাবলৈ হ'লে শিক্ষা হ'ল জীৱনৰ বাবে প্ৰস্তুতি। শিক্ষা ব্যৱস্থাই আমাৰ উঠি অহা চামক সাহস আৰু প্ৰত্যয়েৰে জীৱনৰ প্ৰত্যাহাহ্বান সমূহ সন্মুখীন হ'বলৈ প্ৰস্তুত কৰি তুলিব লাগিব। এখন সুন্দৰ সমাজ গঢ়াৰ বাবে তেওঁলোকে নতুন উদ্যম আৰু দৃষ্টিভংগীৰে আগবাঢ়িব লাগিব। শিক্ষাক সেয়েহে সমাজ পৰিবৰ্তন তথা উন্নয়নৰ এক আহিলা হিচোপে গণ্য কৰিব লাগিব। অৰ্থাৎ এক সৰ্বাত্মক সামাজিক পৰিবৰ্তনৰ বাবে শিক্ষাই হ'ব এই বিনিয়োগ।"

কথাখিনি সুন্দৰ। শিক্ষাৰ বিষয়ে এনে ধৰণৰ সুন্দৰ আৰু গুৰুত্বপূৰ্ণ কথা এৰিষ্টোটলৰ সময়ৰেপৰা বিভিন্নজনে বিভিন্নধৰণে কৈ আহিছে। কিন্তু আমি মনত ৰখা উচিত হ'ব যে আমাৰ প্ৰচলিত শিক্ষা ব্যৱস্থা মুখ্যতঃ ব্যক্তিকেন্দ্ৰিক। ব্যক্তিক স্বকীয় বৌদ্ধিক আৰু সাৰ্থিক উন্নতিত সহায় কৰাৰ লগতে শিক্ষাই সামাজিক অভিযোজনতো মানুহক সহায় কৰা উচিত। গতিকে শিক্ষা মন্ত্ৰীয়ে উল্লেখ কৰাৰ দৰে 'সৰ্বাত্মক সামাজিক পৰিবৰ্তন''ৰ বাবে শিক্ষাক ব্যৱহাৰ কৰিব খুজিলে শিক্ষা ব্যৱস্থাৰ আৰু শিক্ষা সম্পৰ্কে থকা সাধাৰণ মানসিকতাৰ আমূল পৰিবৰ্তনৰ প্ৰয়োজন হ'ব। আৰু পোনতেই থিৰ কৰি ল'ব লাগিব— সমাজ ব্যৱস্থাৰ প্ৰকৃতি আৰু সমাজ পৰিবৰ্তনৰ পথ। সমাজ ব্যৱস্থাৰ গতিশীল পৰিবৰ্তনৰ বাবে প্ৰয়োজনীয় পৰিকল্পনা আৰু সময়সীমা বন্ধা কাৰ্যসূচী হাতত ললেহে শিক্ষা ব্যৱস্থাই এই দিশত নিজস্ব ভূমিকা ল'ব পাৰিব; নহলে সকলো কথাই গালোবালো খোলোকটিৰ তালৰ দৰে অসাৰ্থক হৈ উঠিব।

ভৱিষ্যতৰ লগত শিক্ষাৰ সম্পৰ্ক আছে। দেশৰ ভৱিষ্যতৰ সুনাগৰিক গঢ়ি তোলাটো শিক্ষা ব্যৱস্থাৰ এটা প্ৰধান কাম। কিন্তু ভৱিষ্যত সম্পৰ্কে সুনিৰ্দিষ্ট ধাৰণা কৰা আজিকালি বৰ সহজ কাম নহয়। উদাহৰণস্বৰূপে ঘৰতে বহি, পৃথিৱীৰ আনটো ফালে অৱস্থিত মেক্সিকোৰ বিশ্বকাপ ফুটবলৰ ৰোমাঞ্চকৰ খেলসমূহ তাৎক্ষণিকভাৱে দেখা পোৱাৰ কথা মাত্ৰ দহ বছৰ পূৰ্বেও কেইজনে কল্পনা কৰিব পাৰিছিল? সেইদৰে আৰু দহ বছৰ পাছত বিজ্ঞান আৰু প্ৰযুক্তিৰ অগ্ৰগতি আৰু এনে অগ্ৰগতিৰ দ্ৰুত পৰিব্যাপনৰ ফলত আমাৰ ভৱিষ্যত কেনেধৰণৰ হ'ব পাৰে, সেই বিষয়ে অনুমান কৰা টান। গতিকে শিক্ষানীতি এটাৰ ওপৰত ভৱিষ্যত সম্পৰ্কীয় অনিশ্চয়তা আৰু পৰিবৰ্তনৰ প্ৰভাৱ পোনপটীয়াকৈ নহলেও আওপকীয়াকৈ পৰিবলৈ বাধ্য। ৰাষ্ট্ৰীয় শিক্ষানীতিৰ দ্বাদশ অংশত কোৱা হৈছে:

The future shape of education in India is too complex to envision with precision···· The main task is to strengthen the base of the pyramid, which might be 100 crore of people at the turn of the century. Equally it is important to ensure that those at the top of the pyramid are amongst the best in the world····" (The Future : Part XII)

অসমৰ বাবে এটা শিক্ষানীতি গ্ৰহণ কৰাৰ ক্ষেত্ৰতো ২০ বছৰৰ পাছৰ অসমখন কেনে হ'ব সেই বিষয়ে এটা (যিমানদূৰ সম্ভৱ) তথ্যভিত্তিক ধাৰণা কৰি লৈহে আমি আগবঢ়া উচিত হ'ব। দুখৰ বিষয়, এই বিষয়ে বিজ্ঞ আৰু পৰিচালক মহলত বিশেষ আলোচনা হোৱা দেখা নাযায়।

সি যি কি নহওক, আমি শিক্ষানীতিলৈ ঘূৰি আহোঁ। ৰাষ্ট্ৰীয় শিক্ষা নীতি— ১৯৮৬ শীৰ্ষক দলিলখনত বাৰটা অংশ আছে। অংশ কেইটা হ'ল: (১) আৰম্ভণি (১) শিক্ষাৰ সাৰমৰ্ম আৰু ভূমিকা, (৩) জাতীয় শিক্ষা ব্যৱস্থা, (৪) সমতাৰ বাবে

**শিক্ষাৰ নিম্নতম স্তৰৰ-পৰা উচ্চতম স্তৰলৈ চকু দি, গৱেষণা পৰিকল্পনা আৰু কাৰ্যসূচীৰে ৰাজ্যিক শিক্ষানীতিক আগবঢ়াই নিব পৰা প্ৰতিষ্ঠানৰ অভাৱ কিদৰে পূৰাব পাৰি, এই বিষয়ে যথেষ্ট চিন্তা কৰাৰ প্ৰয়োজন।**



OKDISCD

শিক্ষা, (৫) শিক্ষাৰ বিভিন্ন স্তৰৰ পুনৰ সংগঠন (৬) টেকনিকেল আৰু পৰিচালনা শিক্ষা, (৭) শিক্ষা ব্যৱস্থা কাৰ্যকৰী কৰাৰ উপায়, (৮) শিক্ষাৰ বিষয়বস্তু আৰু পদ্ধতিৰ নতুন দিশ নিৰ্ধাৰণ, (৯) শিক্ষকসকল, (১০) শিক্ষা পৰিচালনা, (১১) প্ৰয়োজনীয় সম্পদ আৰু পুনৰীক্ষণ আৰু (১২) (শিক্ষাৰ) ভৱিষ্যত।

এই অংশসমূহৰ বৰ্ণনা দিবলৈ ইংৰাজী টাইপেৰে ২৯ পৃষ্ঠা কাগজ ব্যৱহাৰ কৰা হৈছে। ১৯৮৫ চনত প্ৰকাশিত আৰু প্ৰচাৰিত শিক্ষাৰ প্ৰত্যাহ্বান নামৰ দলিলখনৰ ভিত্তিত হোৱা বিতৰ্ক, আলোচনা আদি অধ্যয়ন কৰি এই নীতি গ্ৰহণ কৰা হৈছে বুলিও কোৱা হৈছে। আৰম্ভণিতে এইদৰে বৰ্ণনা কৰা হৈছে :

"Education has continued to evolve, diversify and extend its reach and coverage since the dawn of human history. Every country develops its system of education to express and promote its unique socio-cultural identity and to meet challenges of time. There are moments of history when a new direction has to be given to an age-old process. That moment is to-day." (part 1)

(এই কথাখিনি যদি ভাৰতৰ ক্ষেত্ৰত সঁচা, অসমৰ ক্ষেত্ৰত আৰু বেছি পৰিমাণে প্ৰযোজ্য।)

১৯৬৮ চনত গৃহীত ৰাষ্ট্ৰীয় নীতি থকাৰ পাছতো কিয় নতুন নীতি গ্ৰহণ কৰিবলীয়া হ'ল, সেই কথাও চমুৱাই উল্লেখ কৰা হৈছে (1·4—1·15)। দ্বিতীয় অংশত কোৱা হৈছে যে 'সকলোৰে বাবে শিক্ষা'— এই ধাৰণাৰ ভিত্তিতহে দেশৰ সৰ্বাংগীন উন্নতি সম্ভৱপৰ। সমাজবাদ, ধৰ্ম-নিৰপেক্ষতা, গণতন্ত্ৰৰ ভিত্তিত বৈজ্ঞানিক মনোবৃত্তি আৰু সু-সংস্কৃতিসম্পন্ন নাগৰিক গঢ় দিয়াৰ উপৰিও শিক্ষাই জন-সম্পদৰ সুবিকাশ আৰু ৰাষ্ট্ৰীয় আত্ম-নিৰ্ভৰশীলতাৰ ক্ষেত্ৰত সহায় কৰে বাবে ভৱিষ্যত আৰু বৰ্তমানৰ ন ৰূপ দিয়াৰ ক্ষেত্ৰত শিক্ষাক এক অপূৰ্ব বিনিয়োগ ব্যৱস্থা বুলি ধৰিব-লৈকো কোৱা হৈছে।

তৃতীয় অংশত ৰাষ্ট্ৰীয় শিক্ষা ব্যৱস্থাৰ ধাৰণা দাঙি ধৰা হৈছে। "অন্ততঃ এটা স্তৰলৈকে জাতি, ধৰ্ম, স্থান, লিংগ-নিৰ্বিশেষে দেশৰ সকলো ছাত্ৰ-ছাত্ৰীকে তুলনামূলকভাৱে সম পৰ্যায়ৰ শিক্ষা লোৱাৰ সুবিধা দিয়াই" এই ব্যৱস্থাৰ প্ৰধানতম লক্ষ্য।

গাথনিৰ দিশৰপৰা দেশত আজি 10+2+3, অৰ্থাৎ দহ বছৰীয়া স্কুল, দুবছৰীয়া উচ্চতৰ মাধ্যমিক আৰু তিনি বছৰীয়া ডিগ্ৰি পৰ্যায়ৰ পাঠ্যক্ৰম প্ৰচলিত হৈছে। স্কুলৰ দহ বছৰক পাঁচ বছৰীয়া প্ৰাইমেৰি, তিনি বছৰীয়া উচ্চ প্ৰাইমেৰি আৰু দুবছৰীয়া হাইস্কুল পৰ্যায়ত ভগাবলৈকো যত্ন চলোৱা হ'ব।

গাথনিৰ দিশত বিতৰ্কৰ বেছি প্ৰয়োজন নাই যদিও ৰাষ্ট্ৰীয় শিক্ষা ব্যৱস্থাৰ লগতে ৰাষ্ট্ৰীয় ক'ৰ (core) কাৰিকুলাম, অৰ্থাৎ বাধ্যতামূলক বুনিয়াদী পাঠ্যক্ৰম সম্পৰ্কে যথেষ্ট বিতৰ্কৰ থল আছে। এই পাঠ্যক্ৰমৰ অংশ হ'ব :

ভাৰতীয় স্বাধীনতা সংগ্ৰামৰ ইতিহাস ;

ভাৰতীয় নাগৰিকৰ সাংবিধানিক দায়িত্বসমূহ ;

ৰাষ্ট্ৰীয় সংহতিৰ বাবে প্ৰয়োজনীয় উপাদানসমূহ।

এই বুনিয়াদী পাঠ্যক্ৰমে ধৰ্ম-নিৰপেক্ষতা, মানৱৰ সমাধিকাৰ, গণতন্ত্ৰ, বিজ্ঞানসম্মত মানসিকতা, শান্তিৰ মাজেদি সহযোগিতা, পৰিবেশ সুৰক্ষা, সামাজিক সমতা আদিৰ দৰে প্ৰয়োজনীয় মূল্যবোধসমূহৰ গঢ় দিয়াত অৰিহণা যোগাব।

সমগ্ৰ দেশৰ বাবে প্ৰয়োজনীয় এটা লিংক লেংগুৱেজৰ (অৰ্থাৎ হিন্দী!) বিকাশৰ লগতে অন্যান্য ভাষাৰ অৱস্থা টনকিয়াল কৰাৰ কথাও কোৱা হৈছে। উচ্চ শিক্ষাৰ ক্ষেত্ৰত আৰু বিশেষকৈ টেকনিকেল শিক্ষাৰ ক্ষেত্ৰত এজন ভাৰতীয়ই দেশৰ যি কোনো অংশলৈ গৈ যোগ্যতা অনুসাৰে শিক্ষা আহৰণৰ ব্যৱস্থাও কৰা হ'ব (এই দফাটোৰ বিষয়ে অসমৰ দৰে শিক্ষাৰ ক্ষেত্ৰত অনগ্ৰসৰ অঞ্চলে ভালদৰে ভাবি চোৱা উচিত হ'ব।)

ক'ৰ কাৰিকুলামৰ ধাৰণাটো তত্ত্বীয় দিশত গ্ৰহণযোগ্য ; কিন্তু প্ৰয়োগৰ ক্ষেত্ৰত যদি সকলো কথা দিল্লীৰপৰা নিয়ন্ত্ৰিত হয় বা অংগ ৰাজ্যসমূহৰ অন্ততঃ কিঁছুমানে সকলো কথাৰ বাবে দিল্লীৰ নিৰ্দেশলৈ বাট চাই থাকে, তেন্তে এনে পাঠ্যক্ৰমে সৰু অঞ্চলবোৰৰ সাংস্কৃতিক বিকাশত অৰিহণা যোগাব নোৱাৰিব যেন লাগে। সেয়েহে ক'ৰ কাৰিকুলামৰ ধাৰণাৰ ভিত্তিত প্ৰতি ৰাজ্যই নিজস্ব দৃষ্টিভংগীৰে পাঠ্যক্ৰম যুগুতোৱা উচিত। অৱশ্যে গণিত, বিজ্ঞান আদিৰ দৰে বিষয়ত ৰাজ্যিক আৰু ৰাষ্ট্ৰীয় কাৰিকুলামৰ মানদণ্ড একে ধৰণৰ কৰিবলৈ যত্ন চলোৱা উচিত হ'ব।

এই তৃতীয় অংশতে ৰাষ্ট্ৰীয় শিক্ষা ব্যৱস্থাৰ কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা লোৱাৰ উদ্দেশ্যে ইউনিভাৰছিটি গ্ৰাণ্ট কমিশ্যন, অল ইণ্ডিয়া মেডিকেল কাউন্সিল, ইণ্ডিয়ান কাউন্সিল অৱ এগ্ৰিকালছাৰেল ৰিছাৰ্চ আদিৰ দৰে অনুষ্ঠানৰ লগতে NCERT, NIEPA আদি অনুষ্ঠানক শক্তিশালী কৰি তোলাৰ ওপৰত জোৰ দিয়া হৈছে। উল্লেখযোগ্য যে অসমত সম পৰ্যায়ৰ গুণগত অৰ্হতা-সম্পন্ন অনুষ্ঠান নাই বুলিলেই হয়। আমাৰ বিশ্ব-বিদ্যায়সমূহ প্ৰধানকৈ বিশ্ববিদ্যালয় শ্ৰেণীৰ সমস্যা আৰু পৰীক্ষা পতাৰ কামতে ব্যস্ত। মাধ্যমিক পৰিষদ দুখনো পৰীক্ষাৰ ভৰেৰে ভাৰাক্ৰান্ত। SCERT (State Council for Educational Research & Training) আদি প্ৰতিষ্ঠানে চৰকাৰী বিভাগৰ দৰেই কাম কৰি আছে। এনে ক্ষেত্ৰত ৰাষ্ট্ৰীয় শিক্ষানীতিৰ লগত সংগতি ৰাখি গঢ় দিব খোজা ৰাজ্যিক শিক্ষানীতি কাৰ্যত পৰিণত কৰাত কোনে ৰিশিষ্ট ভূমিকা ল'ব— এই প্ৰশ্নৰ উত্তৰ সতকাই দিব নোৱাৰি। শিক্ষাৰ নিম্নতম স্তৰৰপৰা উচ্চতম স্তৰলৈ চকুদি, গৱেষণা পৰিকল্পনা আৰু কাৰ্যসূচীৰে ৰাজ্যিক শিক্ষানীতিক আগবঢ়াই নিব পৰা প্ৰতিষ্ঠানৰ অভাৱ কিদৰে পূৰাব পাৰি, এই বিষয়ে যথেষ্ট চিন্তা কৰাৰ প্ৰয়োজন।

শিক্ষা ব্যৱস্থা ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰৰ উমেহতীয়া দায়িত্বত আছে। ৰাজ্য চৰকাৰৰ চিৰাচৰিত দায়িত্বসমূহৰ উপৰিও "the Union Government would accept a larger responsibility to re-inforce the national and integrative character of education to maintain quality and standard, to study and monitor the educational requirements of the country as a whole in regard to manpower for development, to cater to the need of research and advanced study, to look after international aspect of education, culture and human resource development" (A Meaningfal Partnership ; Part III)

গতিকে শিক্ষা ব্যৱস্থাৰ ওপৰত কেন্দ্ৰীয় নিয়ন্ত্ৰণ যথেষ্ট থাকিব। এনে নিয়ন্ত্ৰণৰ দুটা দিশ আছে। যদি শিক্ষাৰ গুণগত উন্নতি আৰু উচ্চ শিক্ষাৰ মান বৃদ্ধিৰ বাবে কেন্দ্ৰীয় চৰকাৰে অৰ্থ আৰু সুপৰিচালনাৰ ব্যৱস্থা কৰে, তেতিয়া হলে কেন্দ্ৰীয় নিয়ন্ত্ৰণ যথেষ্ট প্ৰয়োজনীয়। কিন্তু এনে নিয়ন্ত্ৰণৰ সুবিধা লৈ যদি দেশৰ কোনোবা অঞ্চলৰ আধিপত্য আৰু সুবিধা বৃদ্ধিৰ প্ৰচেষ্টা চলোৱা হয়, তেতিয়া হলে এনে কেন্দ্ৰীয় সুবিধাই (!) দেশৰ ফেডাৰেল গাথনি বিপদাপন্ন কৰি তুলিব পাৰে। অন্ততঃ অসমৰ দৰে পিছপৰা ৰাজ্যই কেন্দ্ৰই আগবঢ়োৱা অৰ্থ সুবিধা আদি কিদৰে গ্ৰহণ কৰিব, সেই বিষয়ে সুস্পষ্ট ধাৰণা গঢ়ি উঠা উচিত।

শিক্ষা আৰু সমতা সম্পৰ্কীয় চতুৰ্থ অংশটোত তিৰোতা মানুহ,

---

**নতুন শিক্ষানীতি সম্পৰ্কত নতুন দিল্লীত ৰাজ্যিক শিক্ষা মন্ত্ৰীসকলৰ সভাত অসম চৰকাৰৰ চিন্তাচৰ্চাৰ আভাস সন্নিবিষ্ট শিক্ষামন্ত্ৰী শ্ৰীবৃন্দাবন গোস্বামীৰ ভাষণৰ অংশবিশেষ :**

প্ৰাথমিক বিদ্যালয়সমূহৰ অৱস্থাই দেশখনৰ অৱস্থা প্ৰতিফলিত কৰে। বৰ্তমানৰ অৱস্থা সকলোৰে বিদিত। বৰ্তমান বহু গাঁৱত প্ৰাথমিক বিদ্যালয়েই নাই, থকাবিলাকৰো বহুতেই মাত্ৰ একোজন শিক্ষক, বহুতো তথাকথিত বিদ্যালয়ৰ আকৌ চাল-বেৰ নাই। এইবোৰৰ উপৰিও শোচনীয় পাৰিপাৰ্শ্বিক অৱস্থা, শিক্ষাগত সা-সজুলিৰ সম্পূৰ্ণ অভাৱ অন্যান্য ভালেমান আহুকাল আছে। অসমৰ ২৬,০০০ (চাব্বিশ হাজাৰ) প্ৰাথমিক বিদ্যালয়ৰ মাত্ৰ শতকৰা ২১·৫ শতাংশতহে কলা ফলক (ব্লেক বোৰ্ড) আছে। যোৱা ৩৮ বছৰৰ সাফল্য এনেকুৱাই।

… …বৃত্তিমুখী বিষয় নিৰ্বাচন কৰোঁতে প্ৰথমতে স্কুলখন থকা অঞ্চলটোৰ আৰু দ্বিতীয়তে ৰাজ্যখনৰ প্ৰাকৃতিক সম্পদ আৰু শিল্প উদ্যোগৰ প্ৰতি লক্ষ্য ৰাখিব লাগিব। বৃত্তিমুখী শিক্ষাত বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ এটা স্পষ্ট ছাঁ থাকিব লাগিব। অৱশ্যে দেশৰ সকলো ঠাইতে বৃত্তিমুখী শিক্ষাৰ বিষয়বস্তু যে একে হ'ব লাগিব সেয়া নহয়। বৃত্তিমুখী শিক্ষাৰ সমাপ্তিৰ পাছত এজন ছাত্ৰক নিয়োগৰ সুবিধা দিয়াৰ বাবে চৰকাৰো দায়বদ্ধ থকা উচিত। এনেকুৱা দায়বদ্ধতাৰ পৰা ঔদ্যোগিক আৰু বেংকিং প্ৰতিস্থানবোৰ আঁতৰি থাকিব নোৱাৰে। কিন্তু গোটেই আঁচনিখনৰ সফলতা নিৰ্ভৰ কৰিব স্কুলবিলাক উপযুক্ত প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষক আৰু প্ৰয়োজনীয় সা-সৰঞ্জামেৰে কিমানখিনি সজ্জিত কৰি তোলা হৈছে, তাৰ ওপৰত।

……উচ্চ শিক্ষাৰ স্বতন্ত্ৰতা জাতীয় নীতি হিচাপে সন্মানীয়। অৱশ্যে এই ক্ষেত্ৰতো দায়বদ্ধতা এৰাই চলিব নোৱাৰি। বিশ্ববিদ্যালয়বোৰে বছৰৰ মূৰত কাম-কাজৰ খতিয়ান দাঙি ধৰিব লাগিব যাতে ৰাইজে এই বিষয়ে জানিব পাৰে।

কিছুমান মহাবিদ্যালয়কো স্বতন্ত্ৰতা দিব পৰা যায় আৰু ইয়াৰ বাবেও মহাবিদ্যালয় খনৰ কাম-কাজৰ খতিয়ান লব লাগিব।

বিশ্ববিদ্যালয়লৈ মহাকৈও যাতে বিশ্ববিদ্যালয়ৰ শিক্ষা পাব পাৰি তাৰ বাবেও বিশ্ববিদ্যালয়বোৰে ব্যৱস্থা গ্ৰহণ কৰা উচিত।

…+২ স্তৰত বৃত্তিমুখী শিক্ষাৰ সম্প্ৰসাৰণৰ বাবে উপযুক্ত প্ৰশিক্ষণপ্ৰাপ্ত আৰু অৰ্হতা সম্পন্ন শিক্ষক গঢ়ি তোলাৰ বাবে আঞ্চলিক ভিত্তিত কিছুমান প্ৰশিক্ষণ কেন্দ্ৰ কেন্দ্ৰীয় চৰকাৰে গঢ়ি তোলা উচিত।

প্ৰত্যেক জিলাতে এখনকৈ আদৰ্শ স্কুল স্থাপনৰ প্ৰস্তাৱটোৰ সম্পৰ্কত মিশ্ৰিত প্ৰতিক্ৰিয়া হৈছে। চোকা ল'ৰা-ছোৱালীবোৰৰ ক্ষেত্ৰত আদৰ্শ আবাসিক স্কুলনিশ্চয় লাভজনক হ'ব। কিন্তু এই ব্যৱস্থাই যে আন এটা সুবিধা প্ৰাপ্ত শ্ৰেণীৰ সৃষ্টি নকৰিব সেই সম্পৰ্কে জনসাধাৰণৰ আশংকা কেনেকৈ দূৰ কৰিব ? যদি আদৰ্শ স্কুলৰ প্ৰস্তাৱ কাৰ্যকৰী কৰিব লাগে তেনেহলে ইয়াৰ পৰিচালনাৰ দায়িত্ব ৰাজ্য চৰকাৰক দিব লাগিব আৰু এই স্কুলবোৰত ত্ৰি-ভাষা সূত্ৰ কাৰ্যকৰী কৰিব লাগিব।

OKDISCD

জনজাতি, অনুসূচিত জাতি অৰ্থাৎ শিক্ষাৰ ক্ষেত্ৰত পিছপৰা সামাজিক গোটবোৰক আগুৱাই অনাৰ কথা কোৱা হৈছে। বয়স্ক লোকৰ শিক্ষাৰ জৰিয়তে সমাজৰ বাবে প্ৰয়োজনীয় কাম-কাজৰ জ্ঞান দ্ৰুতভাৱে বিয়পাই দিয়াৰ বিষয়েও ভবা হৈছে। ১৫ ৰ পৰা ৩৫ বছৰ বয়সৰ সকলো মানুহকে কাৰ্যকৰী সাক্ষৰতা দানৰ বাবে এক অতি বৃহৎ কাৰ্যক্ৰমৰ প্ৰয়োজন হ'ব। কিতাপ, লাইব্ৰেৰি, টিভি, ৰেডিঅ' আদিৰ জৰিয়তে এনে প্ৰগ্ৰেম ত্বৰান্বিত কৰিব লাগিব।

পঞ্চম অংশত শিক্ষাৰ বিভিন্ন স্তৰসমূহ পুৰ্ণবিন্যাসৰ আঁচনি দাঙি ধৰা হৈছে। এই অংশতে এক জাতীয় সংকল্পও গ্ৰহণ কৰা হৈছে ঃ এই প্ৰবন্ধ বা আলোচনীৰ পাঠকৰ নহ'লেও সমগ্ৰ দেশৰ বাবে এটা প্ৰধান সমস্যা হ'ল—১৪ বছৰ বয়সলৈ সকলো ল'ৰা-ছোৱালীক বাধ্যতামূলক পাঠদানৰ বাবে স্কুলত ৰখা। এই সমস্যা সমাধানৰ ওপৰত সৰ্বাধিক গুৰুত্ব প্ৰদান কৰা হ'ব। "It shall be ensured that all children who attain the age of about 11 years by 1990 will have had five years of schooling ... ... likewise by 1995 all children will be provided free and compulsory education upto 14 years of age. (A Resolve Part-V).

সঁচাকৈয়ে আজি দেশৰ প্ৰধান চাৰিটা সমস্যাৰ নাম ক'বলৈ দিলে নিৰক্ষৰতাৰ সমস্যাৰ নাম প্ৰথমতে ল'ব লাগিব। অথচ নিৰক্ষৰতা সমস্যা সমাধানৰ বাবে চৰকাৰ, শিক্ষা-বিভাগ আৰু দেশৰ শিক্ষিত সম্প্ৰদায় যিমান চিন্তাকুল হ'ব লাগিছিল —সিমান হৈছে যেন নালাগে। শিক্ষানীতিত এই দিশত যথেষ্ট গুৰুত্ব দিয়া হৈছে যদিও এই কাম কেনেকৈ, কিমান কম সময়ৰ ভিতৰত সমাধা কৰা হ'ব, সেই বিষয়ে বিশেষ উল্লেখ নাই।

মাধ্যমিক শিক্ষা, বৃত্তিমুখী শিক্ষা আদিৰ বিষয়ে বিশেষ নতুন কথা সন্নিবিষ্ট হোৱা নাই। ১৯৯০ চনৰ ভিতৰত শতকৰা দহ ভাগ, আৰু ১৯৯৫ চনৰ ভিতৰত শতকৰা ২৫ ভাগক বৃত্তিমুখী শিক্ষা দিবলৈ যত্ন কৰা হ'ব। কিন্তু নিয়োগ আৰু স্বাৱলম্বনৰ নীতি সুনিৰ্দিষ্ট নহ'লে বৃত্তি-মুখী শিক্ষাৰ সফলতা অত্যন্ত সীমিত হ'বলৈ বাধ্য।

উচ্চ শিক্ষাৰ গুণগত উন্নতি সাধন দেশৰ সন্মুখত অন্য এটা গুৰুতৰ সমস্যা। আজি কিছুদিনৰে পৰা

## ELEMENTARY EDUCATON

The new thrust in elementary education will emphasise two aspects : (1) universal enrolment and universal retention of children up to 14 years of age, and (ii) a substantial improvement in the quality of education.

## CHILD-CENTRED APPROACH

A warm, welcoming and encouraging approach, in which all concerned share a solicitude for the needs of the child, is the best motivation for the child to attend school and learn. A child-centred and activity-based process of learning should be adopted at the primary stage. First generation learners should be allowed to set their own pace and be given supplementary remedial instruction. As the child grows, the component of cognitive learning will be increased and skills organised through practice. The policy of non-detention at the primary stage will be retaind, making evaluation disaggregated as feasible. Corporal punishment will be firmly excluded from the educational system ond school timings as well as vacations adjusted to the convenience of children.

## SCHOOL FACILITIES :

Provision will be made of essential facilities in primary schools, including at least two reasonably large rooms that are usable in all weather, and the necessary toys, blackboards, maps, charts, and other learning material. At least two teachers, one of whom a woman, should work in every school, the number increasing as early as possible to one teacher per class. A phased drive, symbolically called OPERATION BLACKBOARD will be undertaken with immediate effect to improve primary schools all over the country. Government, local bodies, voluntary agencies and individuals will be fully involved. Construction of school buildings will be the first charge on NREP and RLEGP funds.

—National policy on Education-1986 Govt. of India



ভাৰতৰ বহুত চিন্তাবিদে উচ্চ শিক্ষাৰ উৎকৰ্ষহীনতাৰ প্ৰতি দেশবাসীৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ যত্ন কৰি আহিছে। দেশৰ ডেৰশখন বিশ্ববিদ্যালয় আৰু পাঁচহাজাৰখন কলেজৰ ভিতৰত খুব কম সংখ্যকেহে উচ্চ শিক্ষাৰ উৎকৰ্ষ সাধনৰ ক্ষেত্ৰত গুৰুত্ব দিয়া দেখা যায়। ভাৰতবৰ্ষত গুণেৰে নহয় সংখ্যাৰেহে উচ্চ শিক্ষাৰ প্ৰসাৰ জোখা যায়। এজন ডিগ্ৰিধাৰীৰ বিষয়, ভাষা, আৰু সমসাময়িক জ্ঞানৰ অগ্ৰগতিৰ ওপৰত যি দখল থকা উচিত শতকৰা এজন ডিগ্ৰিধাৰীৰো সেয়া থাকে নে নাথাকে সেই সেই বিষয়ে সন্দেহ আছে। জ্ঞানৰ বিস্ফোৰণৰ লগত সংগতি ৰাখি, পাঠ্য-ক্ৰম সংশোধন কৰাৰ কাৰ্যতো বেছিভাগ বিশ্ববিদ্যালয় পিছ পৰি আছে। এনে-ক্ষেত্ৰত ২১ শতিকাৰ ইনফৰমেশ্যন-ভিত্তিক সংস্কৃতিৰ লগত আমাৰ দেশ বা অঞ্চলে কেনেকৈ নিজকে খাপ খুৱাই ল'ব, সেই বিষয়ে সুনিৰ্দিষ্ট ইংগিত দলিলখনত নাই। অৱশ্যে স্বায়ত্বশাসিত কলেজ, উন্নততৰ স্কুল, বিজ্ঞান আৰু প্ৰযুক্তি-মূলক শিক্ষাৰ বিকাশৰ ওপৰত গুৰুত্ব দিয়া হৈছে। আমাৰ উচ্চ শিক্ষাৰ মানৰ অৱনতি ঘটাৰ কেইটামান কাৰণ হ'ল ঃ

(ক) কলেজবোৰত অত্যধিক সংখ্যক ছাত্ৰৰ নামভৰ্তিকৰণ ;

(খ) পৰিদৰ্শন আৰু পুনৰীক্ষণ ব্যৱস্থাৰ অভাৱ ;

(গ) বিশ্ববিদ্যালয়ৰ ঔপনিবেশ যুগৰ মনোবৃত্তিৰ পৰিবৰ্তনৰ লেহেম গতি। কেইবছৰমানৰ মূৰত পাঠ্যক্ৰম পৰিবৰ্তন আৰু বছৰি পৰীক্ষা পতাৰ বাহিৰে স্নাতক মহলাৰ লগত বিশ্ব-বিদ্যালয় কৰ্তৃপক্ষৰ আন্তঃক্ৰিয়া বৰ কম ; আৰু

(ঘ) পাঠন-পঠন আৰু গৱেষণাৰ মাজেদি বাস্তৱ সমস্যা সমাধানৰ চেষ্টাৰ অভাৱ।

কলেজ আৰু নগৰীয়া বিশ্ব-ৱিদ্যালয়ৰ ওপৰত নামভৰ্তিকৰণৰ হেঁচা পাতলাবৰ বাবে open university, delinking degress from job আৰু rural universityৰ ধাৰণা উথাপন কৰা হৈছে। যিহেতু কামৰ লগত ডিগ্ৰিৰ সম্পৰ্ক ছেদ কৰা সম্পৰ্কে বহুতৰে নানা ধৰণৰ গল্প আছে, গতিকে এই সম্পৰ্কীয় অনুচ্ছেদটো তুলি দিয়া হৈছে ঃ

## DELINKING DEGREES FROM JOBS

A beginning will be made in de-linking degrees from jobs in selected areas.

The proposal cannot be applied to occupetion-specific courses like Engineering, Medicine, Law, Teaching, etc. Similarly, the services of specialists with academic qualifications in the humanities, social sciences, sciences, etc. will continue to be required in various job positions.

De-linking will be applied in services for which a university degree need not be a necessary qualification. Its implementation will lead to a re-fashioning of job-specific courses and afford greater justice to those candidates who, despite being equipped for a given job, are unble to get it because of an unnecessary preference for

## HIGHER EDUCATION

Urgent steps will be taken to protect the system from degradation.

In view of mixed experiences with the system of affiliation, autonomous colleges will be helped to develop in large numbers until the affiliating system is replaced by a freer and more creative association of universities with colleges. Similarly the creation of autonomous departments within univer sities on a selective basis will be encouraged. Autonomy and freedom will be accompanied by accountability.

State level planning and coordination of higher education will be done through Councils of Higher Eduction. The UGC and these Councils will develop coordinative methods to keep a watch on standards.

Provision will be made for minimum facilities and admission will be regulated according to capacity. A major effort will be directed towards the transformation of teaching methods. Audio-visual aids and electronic equipment will be introduced; development of science and technology curricula and material, research, and teacher orientation will receive attention. This will require preparation of teachers at the beginning of the service as well as continuing education thereafter. Teachers performance will be systematically assessed. All posts will be filled on the basis of merit.—NPE-1986



OKDISCD

graduate candidates.

Concomitant with de-linking, an appropriate machinery, such as a National Testing Service, will be established, in appropriate phases, to conduct tests on a voluntary basis to determine the suitability of candidates for specified jobs and to have the way for the emergence of normes of comparable competence across the nation.
—NPE-1986

ষষ্ঠ অংশটোত টেকনিকেল আৰু পৰিচালনামূলক শিক্ষা-সম্পৰ্কে নীতি বিষয়ক আলোচনা আগবঢ়োৱা হৈছে। এই দিশটো এতিয়া আমি এৰি থৈ যাম। অষ্টম অংশটো যথেষ্ট গুৰুত্বপূৰ্ণ। শিক্ষাৰ বিষয়বস্তু আৰু শিক্ষা প্ৰক্ৰিয়াত থকা দুৰ্বলতা স্বীকাৰ কৰি লৈ কোৱা হৈছে যে--- Deculturisation, Dehumanisation and alienation must be avoided at all cost. Education can and must bring about the fine /synthesis between change-oriented technologies and the country's continuity of cultural tradition."

(Part VIII).

এই দিশত আগবাঢ়িব খুজিলে মূল্যবোধৰ প্ৰয়োজন। দুৰ্ভাগ্যক্ৰমে সামাজিক, নৈতিক আৰু বৌদ্ধিক মূল্যবোধ সৃষ্টি কৰাৰ পোনপটীয়া যত্ন আমাৰ শিক্ষা ব্যৱস্থাত নাই। তদুপৰি সামাজিক জীৱন আৰু প্ৰচাৰ-মাধ্যমসমূহ এক গভীৰ মূল্যবোধেৰে পৰিচালিত নহ'লে অকল শিক্ষা ব্যৱস্থাই মূল্যবোধ সৃষ্টি কৰাটো টান কাম। দূৰদৰ্শন, ৰেডিঅ' বাতৰিকাকত-সমূহে যদি পইচা দিলেই যিকোনো বিজ্ঞাপন প্ৰচাৰ কৰে, গ্ৰাহক-শ্ৰোতা-দৰ্শকৰ সস্তীয়া মনোৰঞ্জনৰ বাবে বাতৰি, বিজ্ঞাপন, অনুষ্ঠান আদি প্ৰচাৰ কৰে, তেনেহ'লে এক মূল্যবোধ-ভিত্তিক শিক্ষা ব্যৱস্থা গঢ়ি তোলা টান হ'ব। দলিলখনত এই বিষয়ে সুস্পষ্ট মত প্ৰকাশ কৰা হৈছে যদিও কাৰ্যক্ষেত্ৰত কি হয় সেইটো ৰাইজে লক্ষ্য কৰিব লাগিব। ভাষা, কিতাপ আৰু লাইব্ৰেৰি, মাধ্যম আৰু শিক্ষা-প্ৰযুক্তি, কৰ্মঅভিজ্ঞতা, শিক্ষা আৰু পৰিৱেশ, গণিত-শিক্ষা, আৰু বিজ্ঞান-শিক্ষা, খেলধেমালি আৰু শাৰীৰিক শিক্ষা, যুৱকৰ ভূমিকা, মূল্যায়ন আৰু পৰীক্ষা সংস্কাৰ আদিৰ বিষয়ে নীতি নিৰ্দেশনা আগ বঢ়োৱা হৈছে।

নৱম অংশৰ নায়ক হৈছে শিক্ষক। কোৱা হৈছে : 'no people can rise above the level of its teachers. The Government and the community should endavour to create conditions which will help motivate and inspire teachers on constructive and creative lines. (part IX). আটাইবোৰ অংশৰ তুলনাত এই অংশটোৰ বক্তব্য যথেষ্ট সুনিৰ্দিষ্ট আৰু সুস্পষ্ট। শিক্ষকৰ জীৱনজোৰা প্ৰশিক্ষণৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব দিয়াটোও ভাল কথা। শিক্ষকসকলৰ বাবে এক code of professional ethics সাজু কৰিবৰ বাবে শিক্ষক-সন্থাবোৰলৈ আহ্বান জনোৱা হৈছে। সেইদৰে শিক্ষকৰ কাম কাজৰ তথ্য ভিত্তিক মূল্যায়ন কৰি ভাল কামৰ বাবে পুৰস্কাৰ আৰু বেয়া কামৰ বাবে শাস্তিবিধানৰ ব্যৱস্থা থকাটোও প্ৰয়োজনীয়। এই কথাও স্বীকাৰ কৰা হৈছে যে "the pay and service conditions of teachers have to be commenturate with their social and professional responsibility and with the need to attract talent to the profession."

শিক্ষাৰ সুপৰিচালনাৰ অভাৱ : সমগ্ৰ ভাৰতবৰ্ষৰ বাবে নহলেও অসমৰ দৰে ৰাজ্যৰ বাবে এই অভাৱ বাৰুকৈয়ে অনুভূত হয়। ব্যক্তিগত অসামৰ্থ্যতকৈও এক দক্ষ পৰিচালনা ছিষ্টেমৰ অভাৱৰ ফলত যে আমাৰ শিক্ষা ব্যৱস্থাৰ অৱনতি ঘটিছে সেই বিষয়ে সন্দেহ নাই। দশম অংশত দলিলখনে এই দিশত আলোকপাত কৰিছে যদিও সৰ্বভাৰতীয় শিক্ষা সেৱাৰ দৰে বিতৰ্কমূলক বিষয়ত আৰু স্পষ্ট মত দাঙি ধৰাৰ ঠাই আছিল।

একাদশ অংশত শিক্ষাৰ বাবে প্ৰয়োজনীয় সম্পদ আৰু সমীক্ষাৰ বিষয়ে কেইটামান মত দাঙি ধৰা হৈছে যদিও সম্পদ কিদৰে, ক'ৰ পৰা কিমান পৰিমাণে আহৰণ কৰিব পৰা যাব, সেই বিষয়ে দলিলখন অস্পষ্ট। ৰাষ্ট্ৰই কিমান পৰিমাণৰ ৰাষ্ট্ৰীয় আয় শিক্ষাৰ বাবে বিনিয়োগ কৰিব ? ১৯৬৮ চনতে বান্ধি দিয়া ছয় শতাংশ সীমাৰপৰা আজিও দেশ বহুত আঁতৰত। ইতিমধ্যে তুলনামূলক বৈষম্য আৰু অনগ্ৰসৰতা বাঢ়িছে ; কিছুমান অঞ্চল পিছ পৰি গৈছে। এনেবোৰ ক্ষেত্ৰত অধিক ধন বিনিয়োগৰ প্ৰয়োজন আছে। দলিলখন অনুসৰি অষ্টম পৰিকল্পনাতহে ১৯৬৮ চনত বান্ধি দিয়া ছয় শতাংশ ধন বিনিয়োগৰ পৰ্যায় দেশে পাবগৈ। ধন বিনিয়োগৰ ক্ষেত্ৰত থকা অস্পষ্টতা এই দলিলখনৰ এটা লক্ষণীয় দুৰ্বলতা।

ৰাষ্ট্ৰীয় শিক্ষানীতি—১৯৮৬ দলিলখন কিমান মূল্যবান, এই প্ৰশ্নৰ উত্তৰ এতিয়াই দিব নোৱাৰি। নীতিৰ মূল্যায়ন কৰোঁতে কাৰ্যসূচীৰহে মূল্যায়ন হব লাগে। এই নীতি কিদৰে কাৰ্যকৰী কৰা হ'ব, সেই বিষয়ক বিশদ পৰিকল্পনা অধ্যয়ন নকৰাকৈ নীতি সম্পৰ্কে মত প্ৰকাশ কৰা টান কাম। ভাল প্ৰাথমিক বিদ্যালয়, ভাল শিক্ষক, প্ৰকৃত মূল্যায়ন ব্যৱস্থাৰ প্ৰয়োজনীয়তা কোনেও নুই কৰিব নোৱাৰে। আনহাতে উচ্চ শিক্ষাৰ মানৰ নিম্নমুখী গতি ৰোধ কৰাটো নিতান্ত প্ৰয়োজনীয়। দেশখন পৰিচালনাত শিক্ষা ব্যৱস্থাৰ মাজেদি পাৰ হৈ যোৱাসকলেই অংশ গ্ৰহণ কৰিব ; অথচ সেইসকল পাৰ হৈ অহা শিক্ষাব্যৱস্থাটো সুপৰিচালিত হোৱা নাছিল—এই সঁচা কথা আষাৰে আমাৰ পৰিকল্পনা আৰু কাৰ্যকৰণৰ মাজত থকা হিমালয়-সম বিসংগতিৰ পিনে আঙুলিয়াই নিদিয়েনে ?

আজি আমি গুণগত বিদ্যালয়, মহাবিদ্যালয় আদিৰ প্ৰয়োজনীয়তা বোধ কৰিছোঁ, কিন্তু অসমৰ কিমান ভাল বিদ্যালয়, কলেজ আদি অযত্ন, অদূৰদৰ্শিতা আৰু অপৰিচালনাৰ ফলত মৰহি যাব লাগিছে তাৰ খবৰ কোনেও ৰখা নাই, ৰাখিবৰ ইচ্ছাও কাৰো নাই। আন নালাগে মহানগৰী গুৱাহাটী—য'ত শিক্ষামন্ত্ৰী, কমিশ্যনাৰ, চেক্ৰেটেৰি, ডি. পি. আই, পৰিদৰ্শক, আদিৰ উপৰিও ভাইছ চেন্সেলৰ, ৰেজিষ্ট্ৰাৰ, কণ্ট্ৰ'লাৰ আদি অতি উচ্চ পদাধিকাৰীসকল আছে, ইয়াতে স্কুল-কলেজবোৰ কেনেদৰে চলিছে সেই পিনে চকু কাণ দিবলৈকে মানুহ-দুনুহ নাই যেন লাগে। আজি প্ৰায় ডেৰ যুগ মান পূৰ্বে উচ্চ-শিক্ষাৰ গুণগত উন্নতি সম্পৰ্কে আলোচনাচক্ৰ এখন

আমি আয়োজন কৰিছিলো ;—বহুতো সুপৰামৰ্শ, আদিও যুগুতোৱা হৈছিল ; —শেষৰ ফালে সেই সময়ৰ মুখ্যমন্ত্ৰীও দিল্লীৰপৰা ঘূৰি আহি বাটতে আলোচনা চক্ৰত যোগ দিছিল। বক্তৃতা প্ৰসংগত তেওঁ উদ্যোক্তাসকলক প্ৰশংসা কৰিলে, আৰু নানা কথাৰ লগতে কলে যে চাপৰিচুক কলেজ আৰু কটন কলেজ সমানে আগুৱাই দিয়াৰ যত্নহে সমাজবাদী চৰকাৰে কৰিব। এনে ধৰণৰ বিক্ষিপ্ত চিন্তাৰেই যোৱা ৩৮ বছৰে শিক্ষা ব্যৱস্থা চলাই থকা হৈছে। গতিকে নতুন চিন্তাৰ লগতে নতুন, কাৰ্যকৰী আৰু সময়সাপেক্ষ কাৰ্যক্ৰম হাতত লোৱাৰ প্ৰয়োজনীয়তা কোনেও নুই কৰিব নোৱাৰে। ১৯৮৬ ৰ শিক্ষানীতিয়ে নতুন চিন্তাৰ যোগান ধৰিছে যদিও কাৰ্যকৰী কৰাৰ পদ্ধতি আৰু সময়সীমাৰ ওপৰতহে এই নীতিৰ সাফল্য নিৰ্ভৰ কৰিব।

# ভাৰতৰ নতুন শিক্ষানীতি আৰু তাৰ কাৰ্যসূচী

বিনীতা দত্ত

এখন দেশৰ সামাজিক, ৰাজনৈতিক আৰু অৰ্থ নৈতিক প্ৰগতি আৰু পৰিবৰ্তন সাধন কৰাৰ বলিষ্ঠতম আহিলা হ'ল শিক্ষা। সুচিন্তিত শিক্ষা ব্যৱস্থাৰ জৰিয়তে জনসাধাৰণক এক নিৰ্দিষ্ট লক্ষ্যত উপনীত কৰাব পাৰি। ভাৰতৰ সামাজিক সমতা, অৰ্থনৈতিক প্ৰগতি আৰু গণতান্ত্ৰিক আদৰ্শত উপনীত কৰিবলৈ আৰু আমাৰ দেশৰ সকলো জনসাধাৰণকে সামৰি লোৱা এক জাতীয় ৰাষ্ট্ৰীয় শিক্ষানীতি উদ্ভাৱন কৰিবলৈ স্বাধীনতাৰ পাছৰেপৰা প্ৰয়াস কৰা হৈছে। ১৯৪৮ চনত বিশ্ববিদ্যালয় আয়োগে উচ্চ শিক্ষাৰ ক্ষেত্ৰত ; ১৯৫২-৫৩ চনত মাধ্যমিক শিক্ষা আয়োগে স্কুলীয়া শিক্ষাৰ ক্ষেত্ৰত আৰু ১৯৬৬ চনত ৰাষ্ট্ৰীয় শিক্ষা আয়োগে সমগ্ৰ শিক্ষা ব্যৱস্থাৰ ক্ষেত্ৰত নীতি নিৰ্ধাৰণৰ সুস্পষ্ট পৰামৰ্শ আগবঢ়াইছিল। গতিশীল সমাজ ব্যৱস্থাৰ সৈতে খাপ খাব পৰাকৈ শিক্ষা ব্যৱস্থা সময়ে সময়ে পৰ্যালোচনা কৰি চোৱাৰ প্ৰয়োজন হয়। পৰিবৰ্তিত সমাজ ব্যৱস্থাৰ সতে খাব পৰাকৈ মানৱ সম্পদ উন্নয়নৰ আদৰ্শ আগত ৰাখি ১৯৮৫ চনৰ আগষ্ট মাহত ভাৰতৰ নতুন শিক্ষা নীতিৰ এখন প্ৰতিবেদন প্ৰস্তুত কৰা হৈছিল। "শিক্ষাৰ প্ৰত্যাহ্বান" শীৰ্ষক খচৰাখনি শিক্ষাৰ সৈতে জড়িত সকলোৰে আলোচনাৰ বাবে আগবঢ়োৱা হৈছিল। এই খচৰাখনিৰ কিছু সালসলনি ঘটাই ১৯৮৬ চনৰ ৮ মে' তাৰিখে ভাৰতৰ নতুন শিক্ষা নীতি সংসদত গৃহীত হৈছে।

কেন্দ্ৰীয় শিক্ষা দপ্তৰটো নতুনকৈ মানৱ সম্পদ উন্নয়ন দপ্তৰ বুলি নামকৰণ কৰা কথাই শিক্ষাক মানৱ সম্পদ উন্নয়নৰ আহিলা হিচাপে স্বীকৃতি দিয়াৰ কথাই সূচায়। একবিংশ শতিকাৰ আৰম্ভণিত ভাৰতত যি ৯১ কোটি জনসাধাৰণে বাস কৰিব, সেই বৃহৎ জনশক্তিক শিক্ষাৰ জৰিয়তে প্ৰকৃতাৰ্থত সম্পদলৈ ৰূপান্তৰিত কৰাই নতুন শিক্ষা নীতিৰ মূল উদ্দেশ্য। শিক্ষাৰ নীতি নিৰ্ধাৰণ কৰোঁতে ইয়াৰ সামাজিক দায়বদ্ধতা আৰু ভৱিষ্যতৰ পৰিবৰ্তিত ব্যৱস্থাত খাপ খাব পৰাকৈ ছাত্ৰ-ছাত্ৰীক গঢ় দিয়াৰ কথা আগত ৰখা হৈছে। কোঠাৰি আয়োগৰ পৰামৰ্শৱলী কি কি অসুবিধাৰ পৰিপ্ৰেক্ষিতত কাৰ্যকৰী নহ'ল তাৰ এটা বাস্তৱ মূল্যায়ন কৰি বৰ্তমান শিক্ষা ব্যৱস্থাৰ এটা পুংখানুপুংখ বিচাৰ শিক্ষানীতিৰ খচৰাত কৰা হৈছে। এই পৰ্যালোচনাৰ ওপৰত ভিত্তি কৰি শিক্ষাৰ উদ্দেশ্যসমূহ এনেধৰণে নিৰ্ধাৰণ কৰা হৈছে :

(১) মানুহৰ যুক্তিৰে ঢুকি পোৱা সকলো দিশতে নতুন জ্ঞানৰ সঞ্চাৰ কৰা ; সমাজৰ হিতৰ অৰ্থে জ্ঞানৰ প্ৰয়োগ কৰা আৰু বাস্তৱ জীৱনৰ সমস্যা সমাধানৰ জ্ঞান আৰু কৌশল আয়ত্ত কৰা ;

(২) ব্যক্তিৰ আৰ্থ-সামাজিক উৎকৰ্ষ সাধন ; সামৰ্থ্য আৰু সৃষ্টিশীলতা। সৃজনী প্ৰতিভাৰ স্ফুৰণ ঘটোৱা :

(৩) বিভিন্ন বিষয়ৰ ধাৰণা আৰু সত্য সম্পৰ্কে বোধ জন্মোৱা, অন্তৰৰ ভাব বিনিময়ৰ বাবে ভাষাৰ ব্যৱহাৰ





OKDISCD

শিকা, খেল-ধেমালি আৰু অন্যান্য হবিৰ প্রতি আগ্রহ জন্মোৱা ;

(৪) ব্যক্তিক সমাজত খাপ খাবলৈ শিকোৱা ;

(৫) অর্থনৈতিক প্রগতিৰ ধাৰা আৰু নিযুক্তিৰ বিভিন্ন ক্ষেত্র সম্পর্কে সম্যক জ্ঞান দিয়া ;

(৬) জাতি ধৰ্ম ভাষা আৰু অঞ্চল ভেদে থকা বৈষম্যবোৰ আঁতৰ কৰাত শিক্ষাক শক্তিশালী হাতিয়াৰ হিচাপে প্রয়োগ কৰা ; ৰাষ্ট্ৰীয় সংহতি সুদৃঢ় কৰা।

থূলমূলকৈ উল্লেখ কৰা এই উদ্দেশ্য-সমূহ আগত ৰাখি শিক্ষাত অগ্রাধিকাৰ পাবলগীয়া বিষয়বোৰ বাছি উলিওৱা হৈছে। শিক্ষাক আমি যদি এটা ত্রিভুজৰ আকৃতিৰ লগত তুলনা কৰোঁ, তেন্তে সমাজৰ সকলো স্তৰৰ মানুহক চুই যোৱা প্রাথমিক শিক্ষাক ইয়াৰ মূল ভেটি (base) বুলি ধৰিব লাগিব। প্রাথমিক শিক্ষাৰ জৰিয়তে শিক্ষাৰ মূলভেটিৰ কটকটীয়া বান্ধ দিয়াৰ ওপৰতে পিছৰ স্তৰসমূহৰ প্রসাৰ আৰু উৎকর্ষ সাধন নির্ভৰশীল। আমাৰ সংবিধানৰ ৪৫ নং অনুচ্ছেদ অনুসৰি যি বিনামূলীয়া বাধ্যতামূলক প্রাথমিক শিক্ষাৰ কথা কোৱা হৈছে শিক্ষাৰ নতুন নীতি নির্ধাৰণত ই স্বাভাৱিক-তেই অগ্রাধিকাৰ পাইছে। স্বাধীনতাৰ চাৰি দশক সম্পূর্ণ হ'বলগীয়া হ'ল ; কিন্তু আমাৰ দেশত সাক্ষৰতাৰ হাৰ মাত্র ৩৬% হে। বর্তমান ভাৰতত ৯৫% মানুহৰ এক কিল'মিটাৰ দূৰত্বত এখন প্রাথমিক বিদ্যালয় আৰু ৮০% মানুহৰ তিনি কিল'মিটাৰ দূৰত্বত এখন মাধ্যমিক বিদ্যালয় আছে। কিন্তু বিদ্যালয় স্থাপনৰ অনুপাতে সাক্ষৰতা বৃদ্ধি হোৱা নাই। আকৌ ৯৩·৪% ছাত্রই বিদ্যালয়ত নাম লগাই যদিও মাত্র ২৩% হে অষ্টম শ্ৰেণী পায়ঁগে। বিদ্যালয়ত নাম ভর্তিকৰণো সমগ্র ভাৰতত্তে একে নহয়। উদাহৰণ স্বৰূপে অসমত কেৱল ৬২·৯% ছাত্ৰইহে প্রাথমিক বিদ্যালয়ত নাম লগায়। আঞ্চলিক বৈষম্য, গাঁও আৰু চহৰ অঞ্চলৰ সাক্ষৰতাৰ বৈষম্য, পুৰুষ আৰু মহিলা সাক্ষৰতাৰ বৈষম্য, অনু-সূচীত জাতি আৰু জনজাতিৰ সাক্ষৰ-তাৰ বৈষম্য আঁতৰ কৰি এখন শিক্ষিত সমাজ গঢ়ি তোলা আজি ভাৰতৰ প্রধান কর্তব্য হৈ পৰিছে। নিৰক্ষৰতা দূৰীকৰণ কাৰ্যসূচী ৰূপদানৰ বাবে বিভিন্ন ৰাজ্যই সমান অনুপাতত ব্যয় কৰিব নোৱাৰে। সেয়ে যাবতীয় পুঁজিৰ যোগান ধৰি ৰাষ্ট্ৰীয় শিক্ষা আঁচনি বাস্তৱায়িত কৰাৰ উদ্দেশ্যে শিক্ষাক কেন্দ্র-ৰাজ্য যুগ্ম সূচীৰ বিষয় হিচাপে (concurrent list) অন্ত-র্ভুক্ত কৰিব খোজা হৈছে।

**প্ৰাথমিক বিদ্যালয়ত নাম ভর্তি কৰিলেই এজন ছাত্ৰই প্রাথমিক শিক্ষা সাং কৰিব বুলি অন্ততঃ বর্তমান আমাৰ দেশত ধৰি ল'ব নোৱাৰি।**

প্রাথমিক বিদ্যালয়ত নাম ভর্তি কৰিলেই এজন ছাত্ৰই প্রাথমিক শিক্ষা সাং কৰিব বুলি অন্ততঃ বর্তমান আমাৰ দেশত ধৰি লব নোৱাৰি। পৰীক্ষাত অকৃতকার্য হোৱাৰ বাবেই হওক বা স্কুল এৰি দিয়াৰ বাবেই হওক প্রাথ-মিক পর্যায়ৰ স্থবিৰতা আৰু অপচয়ে এটা ভয়ংকৰ সমস্যাৰ সৃষ্টি কৰে আৰু ইয়াৰ লগত বহুতো আর্থ সামাজিক কাৰণ জড়িত হৈ আছে। পিতৃ-মাতৃৰ দৰিদ্ৰতা, অজ্ঞতা, স্ত্রী-শিক্ষাৰ প্রতি নিস্পৃহতা, ঘৰুৱা কাম কাজত সন্তানক নিয়োগ কৰা, বাল্য শ্রমিক নিয়োগ আদি এনে এবুৰি সামাজিক আৰু অর্থনৈতিক সমস্যা ইয়াৰ লগত জড়িত হৈ আছে। প্রচ-লিত শিক্ষা ব্যৱস্থাৰ প্রতি অনাস্থা, বাস্তৱ জীৱন আৰু শিক্ষাৰ যোগ-সূত্ৰহীনতা, বিদ্যালয়সমূহৰ অনাকর্ষণীয় পৰিবেশ আদিও ইয়াৰ বাবে জগৰীয়া। নতুন শিক্ষানীতিৰ খচৰাত এই কাৰণ-বোৰ ফঁহিয়াই সার্বজনীন প্রাথমিক শিক্ষাৰ বাবে কিছুমান বিকল্প ব্যৱ-স্থাৰ আঁচনিৰ কথা কোৱা হৈছে। সার্বজনীন প্রাথমিক শিক্ষা আঁচনিৰ সফল ৰূপদানৰ বাবে আনুষ্ঠানিক শিক্ষাৰ লগতে অনানুষ্ঠানিক শিক্ষা আঁচনিৰ ব্যৱস্থা কৰিলেহে আমি আমাৰ লক্ষ্যত উপনীত হ'ব পাৰিম।

অনানুষ্ঠানিক শিক্ষাকেন্দ্রসমূহে বা অংশকালীন বিদ্যালয়ে ঘৰুৱা কামৰ বাবে পঢ়িব নোৱৰা ছাত্র-ছাত্রীক সাক্ষৰ কৰিব পাৰিব। নতুন শিক্ষা নীতিত শিশু শিক্ষাৰ বাবে আনুষ্ঠানিক আৰু অনানুষ্ঠানিক উভয় বিধৰ শিক্ষানু-ষ্ঠানতে মাতৃসকলক জড়িত কৰি এই অনুষ্ঠানসমূহ প্রকৃতার্থত সামাজিক অনুষ্ঠানলৈ ৰূপান্তৰ কৰাৰ সম্ভাৱনা দাঙি ধৰিছে। সমাজৰ সৈতে শিক্ষাৰ সংযোগ ৰক্ষা কৰিবলৈ শিক্ষাক সমাজ-মুখী কৰিবই লাগিব। স্বাধীনতাৰ আগে পিছে যি উদ্যমেৰে ৰাইজে শিক্ষানুষ্ঠান নিজে পাতি দিছিল ক্রমা-ন্বয়ে সেই উদ্যম যেন স্তিমিত হৈ আহিছে। বিদ্যালয়সমূহ সামাজিক অনুষ্ঠানলৈ ৰূপান্তৰ কৰিলেহে প্রাথ-মিক শিক্ষা আঁচনি ৰূপায়িত কৰিব পৰা হ'ব আৰু সমাজৰ সৈতে শিক্ষাৰ সম্বন্ধ স্থাপিত হ'ব।

প্রাথমিক শিক্ষাৰ লগতে আমি প্রাক-প্রাথমিক শিক্ষাৰ কথাও চিন্তা কৰিব লাগিব। সুসংহত শিশু কল্যাণ আঁচনিৰ যোগেদি ৩—৬ বছৰ বয়সৰ শিশুসকলৰ বাবে অংগনৱাড়ি বা বালভৱন প্রতিষ্ঠা কৰি প্রাক-প্রাথমিক শিক্ষাৰ প্রসাৰৰ আঁচনি নতুন শিক্ষা-নীতিত অন্তর্ভুক্ত কৰা হৈছে। অস-মৰ তথা ভাৰতৰ গাঁৱে-ভূঁয়ে কণ-কণ শিশুহঁতৰ বাবে প্রাক প্রাথমিক বিদ্যা-লয়ৰ যোগেদি সাঁকৰা কঠিয়াতলি প্ৰস্তুত কৰিব পাৰিলে প্রাথমিক শিক্ষাৰ মান উন্নত হ'ব। নতুন শিক্ষা নীতিৰ খচৰাত এই পৰামর্শসমূহে নিঃসন্দেহে আশাৰ সঞ্চাৰ কৰিছে। অৱশ্যে এই পৰামর্শৱলীৰ ৰূপদানেহে ইয়াৰ কার্য-কাৰিতা প্রতিপন্ন কৰিব।

আমাৰ দেশৰ প্রগতিত পোন-পটীয়াকৈ অৰিহনা যোগাব পৰা ১৫—৩৫ বছৰ বয়সৰ জনসাধাৰণক প্রাপ্ত-বয়স্ক শিক্ষা আঁচনিৰ জৰিয়তে ব্যৱ-হাৰিক সাক্ষৰতা (functional literacy) দিবলৈ বিচৰা হৈছে। জন-সংখ্যা বৃদ্ধি আৰু সাক্ষৰতা প্রসাৰৰ হাৰ যদি সাল-সলনি নহয়, তেন্তে ২০০০ চনত ভাৰতত নিৰক্ষৰ লোকৰ সংখ্যা ৫০ কোটি হ'বগৈ ; অর্থাৎ বিশ্বৰ ১৫—৪৯ বয়সৰ সমগ্র নিৰক্ষৰ লোকৰ ৫৪ শতাংশই কেৱল ভাৰততে বাস কৰিব। এই ভয়াবহ অৱস্থাৰপৰা ৰক্ষা পাবলৈ ৰাইজ, চৰকাৰ, স্বেচ্ছাসেৱী অনুষ্ঠান আদি সকলোৰে যুটীয়া প্রচেষ্টা লাগিব। আমাৰ দেশত প্রাপ্তবয়স্ক শিক্ষা আঁচনিৰ অগ্রগতি বর্তমানলৈকে মুঠেই আশাজনক নহয়। সাক্ষৰতাৰ লগতে অর্থনৈতিক বৃত্তি বা কার্যাৱলীৰ শিক্ষা আঁচনি সাঙুৰি ল'ব পাৰিলেহে ব্যৱ-হাৰিক সাক্ষৰতা অনাটো সম্ভৱ হব।

মাধ্যমিক শিক্ষাৰ ক্ষেত্ৰত কোঠাৰি আয়োগৰ ১০+১+৩ গাথনিকে নতুন শিক্ষানীতিয়ে গ্রহণ কৰিলেও ইয়াক শিক্ষাৰ গাথনি হিচাপে গতানুগতিক-ভাৱে গ্রহণ কৰাতকৈ তাৰ অন্ত-র্নিহিত উদ্যম (spirit) গ্রহণৰ ওপ-ৰতহে প্রাধান্য দিছে। মাধ্যমিক বিদ্যা-লয়ত দুটা বছৰ জাপি দিলেই ১০+২+৩ শিক্ষা গাথনিৰ উদ্দেশ্য সফল নহয়। +১ স্তৰটো বিশ্ববিদ্যা-লয় বা কাৰিকৰী ডিগ্রিৰ বাবে এটা প্রস্তুতিৰ সোপান হ'বনে ই-স্বয়ং সম্পূর্ণ হ'ব সেই বিষয়ে এটা স্থিৰ সিদ্ধান্ত এতিয়াই গ্রহণ কৰিব লাগিব। উচ্চ-শিক্ষাৰ মান যেনেকৈ এই প্রশ্নটোৰ লগত জড়িত হৈ আছে বৃত্তিমূলক মাধ্যমিক শিক্ষাৰ পাঠ্যক্রমৰ প্রশ্নও ইয়াত সাঙোৰ খাই আছে। উচ্চতৰ মাধ্যমিক শিক্ষাক বৃত্তিমূলক চাপ (vocational bias) দিয়াৰ ওপৰত উদ্দেশ্যমুখী শিক্ষাৰ কার্যকাৰিতা বহু পৰিমাণে নির্ভৰশীল।

শিক্ষাক বাস্তৱমুখী কৰিবলৈ জ্ঞান আৰু কৰ্মৰ সমন্বয় সাধন কৰিবই লাগিব। আনুষ্ঠানিক শিক্ষা আৰু কর্ম-জীৱনৰ মাজত ক্রমাগত বৃদ্ধি হোৱা শূন্যতাখিনি আঁতৰ কৰিবলৈকে গান্ধী-জীয়ে বুনিয়াদী শিক্ষা কর্মদর্শনৰ ওপৰত প্রতিষ্ঠিত কৰিছিল। কিন্তু পুথি-গত বিদ্যাৰে শিক্ষিত সমাজৰ গান্ধী-জীৰ কর্মকেন্দ্রিক বুনিয়াদী শিক্ষাই যেনেকৈ পাবলগীয়া সমাদৰ নাপালে তেনেকৈ কোঠাৰি আয়োগৰ কর্ম অভি-জ্ঞতাৰ আঁচনিও বিফল হ'ল। শিক্ষাক বাস্তৱমুখী কৰিবলৈ নতুন শিক্ষানীতিয়ে বৃত্তিমূলক পাঠ্যক্রম প্রবর্তন কৰিব খুজিছে। বৃত্তিমূলক পাঠ্যক্রম পঞ্চম, অষ্টম নাইবা দশম শ্ৰেণীৰ পাছতো দিব পৰা হয় যদিও দশম শ্ৰেণীৰ পাছতহে বৃত্তিমূলক শিক্ষা প্রবর্তন কৰাৰ কথা নতুন শিক্ষানীতিত কোৱা হৈছে। বৃত্তিমুখী পাঠ্যক্রম সফল কৰি-বলৈ স্থানীয় পৰিবেশ আৰু প্রয়ো-জনীয়তাৰ প্রতি লক্ষ্য ৰাখি পর্যাপ্ত পৰিমাণৰ পুঁজি, যাৱতীয় সা-সৰঞ্জাম আৰু উপযুক্ত প্রশিক্ষণপ্রাপ্ত শিক্ষকৰ প্রয়োজন। বৃত্তিমুখী শিক্ষাৰ আনু-ষংগিক দিশবোৰলৈ লক্ষ্য নাৰাখিলে শুনিবলৈ শুৱলা হলেও এই উদ্দেশ্য সফল কৰা কঠিন হ'ব।

ছাত্র-ছাত্রীক গণতান্ত্রিক নাগৰিক হিচাপে গঢ়ি তুলিবলৈ শিক্ষাৰ বিভিন্ন স্তৰত এখন সুনির্দিষ্ট উদ্দেশ্যধর্মী পাঠ্যক্রম লাগিব। নতুন শিক্ষানীতিত প্রচলিত পাঠ্যক্রমৰ গণিত, বিজ্ঞান, সমাজ অধ্যয়ন আৰু ভাষা শিক্ষা দিয়াৰ লগতে ৰাষ্ট্ৰীয় সংহতিৰ সহায়ক উপাদানসমূহৰ জ্ঞান দিবলৈ বিচৰা হৈছে। ছাত্র-ছাত্রীক ৰাষ্ট্ৰৰ গৌৰৱময় অতীত সম্পর্কে কেৱল জ্ঞান দিয়াই নহয়, দেশাত্মবোধৰ মনোভাব আৰু মূল্যবোধ জগাই তোলাও নতুন শিক্ষা-নীতিৰ উদ্দেশ্য। কিন্তু জ্ঞান, বোধ, কৌশল, মনোভাব আৰু মূল্যবোধ গঠনত ছাত্র-ছাত্রীৰ অন্তৰত প্রকৃত শ্ৰেণীকক্ষত শিক্ষকে কেনেধৰণেৰে বিকাশ কৰে তাৰ ওপৰতহে পাঠ্য-ক্রমৰ সফলতা নির্ভৰ কৰিছে। পাঠ্য-ক্রম এখন প্রস্তুত কৰা সহজ, কিন্তু কার্যক্ষেত্রত তাক প্রয়োগ কৰাহে প্রকৃত কাম। ভাষা শিক্ষাৰ ক্ষেত্রত নতুন শিক্ষানীতিত কোনো স্পষ্ট ইংগিত নথকালৈ চাই কোঠাৰি আয়োগৰ ত্রিভাষীসূত্রকে গ্রহণ কৰা হ'ব যেন লাগে।

শিক্ষাৰ গুণগত উৎকর্ষ সাধন কৰিবলৈ নতুন শিক্ষানীতিয়ে উচ্চ-শিক্ষাৰ মান উন্নত কৰাৰ কথা কৈছে। উচ্চ শিক্ষাৰ দুৱাৰ কেৱল উপযুক্ত যুৱক-যুৱতীৰ বাবেহে মুকলি ৰাখিলে স্নাতকোত্তৰ মহলাত যথেমথে ছাত্ৰ ভর্তিকৰণ বন্ধ হ'ব আৰু ই ভাৰতৰ দৰে দুখীয়া দেশ এখনৰ শিক্ষাৰ সীমিত পুঁজিৰ অপচয় ৰোধ কৰিব। উচ্চ শিক্ষাৰ ক্ষেত্ৰত সমর্থবান ছাত্ৰ-ছাত্রীয়ে নিজে খৰচ কৰি পঢ়াৰ প্রচ্ছন্ন ইংগিত এটাও শিক্ষানীতিৰ খচৰাখনত সোমাই আছে। উচ্চ শিক্ষাৰ অপচয় ৰোধ কৰি মান উন্নত কৰিবলৈ উপযুক্ত ছাত্র-ছাত্রীকহে সুবিধা দিয়াৰ পৰামর্শৰ লগতে যথেমথে কলা মহা-বিদ্যালয় খোলাৰ মানসিকতাক নিৰুৎ-সাহ কৰা হৈছে।

উদ্দেশ্যবিহীনভাৱে সকলো ছাত্র ছাত্রীয়ে বিশ্ববিদ্যালয়ত নামভর্তিকৰণৰ বাবে দিয়া প্রচণ্ড হেঁচালৈ লক্ষ্য ৰাখি নতুন শিক্ষানীতিয়ে বিশ্ববিদ্যালয়ৰ উপাধি (ডিগ্রি) আৰু কৰ্ম সংস্থাপনৰ সংযোগ বিচ্ছিন্ন কৰিব খুজিছে। উচ্চ শিক্ষাৰ উপাধিৰ ওপৰত থকা মাত্রা-ধিক প্রাধান্য কমাই ব্যক্তিৰ নিজস্ব কর্মপটুতা বৃদ্ধিৰ ওপৰত জোৰ দিয়া শুভ লক্ষণ। কিন্তু কর্মসংস্থাপনৰ সৈতে উপাধি বিচ্ছিন্ন কৰা সিমান সহজ কথা নহয়। প্রচলিত ব্যৱস্থাৰ

OKDISCD

প্ৰতি জনসাধাৰণে উপায়হীন আস্থা ৰখাৰ কথা বাদ দিলেও নতুন ব্যৱস্থাই নিযুক্তিৰ বাবে প্ৰাৰ্থী নিৰ্বাচনত অন্যান্য বহু খেলিমেলি সৃষ্টি কৰিব পাৰে। প্ৰাৰ্থী নিৰ্বাচনৰ নিৰপেক্ষ মাপকাঠীৰ অবিহনে ব্যক্তিগত খণ্ডত উদ্যোগপতিসকলে নিজস্ব খামখেয়ালীৰে প্ৰাৰ্থীক নিযুক্তি দিব পাৰে। নিযুক্তিৰ সৈতে উপাধিৰ সম্বন্ধ ছেদ কৰিবলৈ যাওঁতে এই অপশক্তিসমূহে যাতে ক্ৰিয়া কৰিব নোৱাৰে তাৰ আগতীয়া ব্যৱস্থা ল'ব লাগিব।

কাৰিকৰী শিক্ষাৰ ক্ষেত্ৰত বৰ্তমানে থকা বৈষম্যসমূহ বিচাৰ কৰি সমাজৰ প্ৰয়োজনৰ সৈতে সংগতি ৰাখি উৎপাদনৰ বিভিন্ন খণ্ডত নিযুক্তি পাব পৰা জনশক্তিক উচ্চ মানদণ্ড বিশিষ্ট কাৰিকৰী শিক্ষা দিয়াৰ প্ৰস্তাৱ নতুন শিক্ষানীতিৰ খচৰাত আগবঢ়োৱা হৈছে। আমাৰ দেশত সৰহভাগ কাৰিকৰী শিক্ষাপ্ৰাপ্ত যুবকেই নিজৰ সামৰ্থ অনুসাৰে কাম কৰিবলৈ নাপায়। জনশক্তিৰ ভৱিষ্যত প্ৰয়োজনৰ পৰিপ্ৰেক্ষিতত শিক্ষা পৰিকল্পনা কৰা নহয় বাবেই কাৰিকৰী শিক্ষাপ্ৰাপ্ত বহুতো ব্যক্তি বিদেশলৈ যায় নাইবা সাময়িক ভাৱে হলেও নিবনুৱা হৈ থাকে। শিক্ষাৰ ক্ষেত্ৰত ই এটি উল্লেখযোগ্য অপচয়। এই অপচয় ৰোধ কৰিবলৈ চৰকাৰী আৰু বেচৰকাৰী উদ্যোগসমূহৰ ভৱিষ্যতৰ নিয়োগৰ সা-সুবিধালৈ চাই কাৰিকৰী শিক্ষাৰ সুদূৰপ্ৰসাৰী পৰিকল্পনা কৰিব লাগিব। পৰিকল্পনাবিহীন কাৰিকৰী শিক্ষাই আই. আই. টিকে আদি কৰি দেশৰ প্ৰথম শ্ৰেণীৰ কাৰিকৰী শিক্ষানুষ্ঠানৰ পৰা ওলাই অহা বছা-বছা যুৱশক্তিক ইউৰোপ, আমেৰিকা বা মধ্যপ্ৰাচ্যলৈ ওলাই যোৱাত (brain drain) ইন্ধন যোগাব। শিক্ষাৰ সুদূৰপ্ৰসাৰী পৰিকল্পনা নহলে অন্যান্য উচ্চ শিক্ষিত ব্যক্তিও কৰ্ম সংস্থানৰ অধিক সা-সুবিধা পালে স্বাভাৱিকতে বিদেশলৈ ঢাপলি মেলিব।

শিক্ষা সংস্কাৰৰ যিকোনো আঁচনিয়েই মূল্যাংকন ব্যৱস্থাৰো সংস্কাৰ সাধন কৰিবলৈ বিচাৰে। কাৰণ মূল্যাংকন ব্যৱস্থাই শিক্ষাদান আৰু গ্ৰহণৰ গতি নিৰ্ণয় কৰাৰ লগতে শিক্ষানীতিৰো মাপক হিচাপে কাম কৰে। প্ৰচলিত মূল্যাংকন ব্যৱস্থাৰ ত্ৰুটিসমূহ আঁতৰাই নিৰন্তৰ মূল্যাংকন ব্যৱস্থা প্ৰবৰ্তন নিঃসন্দেহে নতুন শিক্ষা সংস্কাৰৰ উল্লেখযোগ্য পদক্ষেপ। ইয়াৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীৰ বিদ্যায়তনিক [illegible] অবিদ্যায়তনিক বিষয়সমূহৰ মূল্যায়ন কৰাৰ লগতে কেৱল এটা বছৰেকীয়া পৰীক্ষাৰ ফলাফলৰ ওপৰত গুৰুত্ব নিদি নিৰন্তৰ মূল্যায়ন কৰিব খোজা হৈছে। নিৰন্তৰ মূল্যায়ন ব্যৱস্থা সফল কৰিবলৈ শিক্ষক, ছাত্ৰ, প্ৰশাসন সকলোৰে যুটীয়া প্ৰচেষ্টা লাগিব।

> *আঞ্চলিক বৈষম্য, গাঁও আৰু চহৰ অঞ্চলৰ সাক্ষৰতাৰ বৈষম্য, পুৰুষ আৰু মহিলা সাক্ষৰতাৰ বৈষম্য, অনুসূচিত জাতি আৰু জনজাতিৰ সাক্ষৰতাৰ বৈষম্য আঁতৰ কৰি এখন শিক্ষিত সমাজ গঢ়ি তোলা আজি ভাৰতৰ প্ৰধান কৰ্তব্য হৈ পৰিছে*

শিক্ষা সংস্কাৰৰ ক্ষেত্ৰত প্ৰয়োজনীয় পুঁজিৰ অভাৱ হোৱাৰ লগতে শিক্ষাৰ সৈতে জড়িত প্ৰশাসন, শিক্ষক আৰু ছাত্ৰসকলৰ উপযুক্ত মানসিক প্ৰস্তুতিৰ অভাৱো পৰিলক্ষিত হয়। নিৰন্তৰ মূল্যায়ন ব্যৱস্থা প্ৰবৰ্তনত শিক্ষকসকলে গুৰু দায়িত্ব বহন কৰিব লাগিব। তাৰবাবে শিক্ষক সমাজৰ মানসিক প্ৰস্তুতিৰ লগতে দায়িত্বও বহুত বাঢ়িব। অবিদ্যায়তনিক (non academic) বিষয়সমূহৰ মূল্যায়নৰ বাবে শিক্ষকসকলৰ পাৰদৰ্শিতাৰ প্ৰয়োজন হ'ব। বৰ্তমান আমাৰ দেশত গড় হিচাপে শিক্ষক ছাত্ৰৰ অনুপাত ৩৮:১; কোনো কোনো বিদ্যালয়ত এই অনুপাত ৬৫:১ হয়গৈ। এই অনুপাতত শিক্ষকৰ বাবে ব্যক্তিগত ছাত্ৰৰ মূল্যায়ন কৰা সহজ কথা নহয়। সেয়ে নিৰন্তৰ মূল্যায়ন ব্যৱস্থা সফল কৰিবলৈ শিক্ষকসকলক প্ৰশিক্ষণ দিয়াৰ লগতে শিক্ষকৰ দায়িত্বৰ বোজা যাতে বব নোৱৰা নহয় তাৰবাবে অধিক শিক্ষক নিয়োগ কৰিব লাগিব আৰু শিক্ষক ছাত্ৰৰ অনুপাত সমগ্ৰ দেশত একে পৰ্য্যায়লৈ আনিব লাগিব।

নতুন শিক্ষা নীতিয়ে শিক্ষাৰ বিভিন্ন স্তৰত গুণগত উৎকৰ্ষ সাধন কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে। প্ৰাথমিক শিক্ষাৰ বহল প্ৰসাৰে মান যাতে নিম্নগামী কৰিব নোৱাৰে তাৰবাবে প্ৰতিখন বিদ্যালয়তে নিম্নতম সা-সুবিধা আৰু উপযুক্ত অৰ্হতাসম্পন্ন শিক্ষক নিযুক্তি দিব লাগিব। শিক্ষকসকলকো ন্যস্ত স্বাৰ্থৰ উধ্বত ৰাখি বিদ্যালয়সমূহত মুক্ত পৰিবেশৰ সৃষ্টি কৰিব পাৰিলেহে শিক্ষাৰ গুণগত উৎকৰ্ষ সাধন হ'ব। নতুন শিক্ষা নীতিয়ে সমগ্ৰ বিশ্বব্যাপী দেখা দিয়া প্ৰাযুক্তিক বিপ্লৱৰ ঢৌ বিদ্যালয়সমূহলৈ বিয়পাবলৈ বিচাৰিছে। সময়ৰ সোঁতৰ সৈতে উজাবলৈ শিক্ষাত আধুনিকতম প্ৰদীপনৰ ব্যৱহাৰ অপৰিহাৰ্য হ'লেও ৰাজধানীৰ আশে-পাশে থকা বিদ্যালয়সমূহৰ অৱস্থালৈ চকু ৰাখি অত্যুৎসাহী আঁচনি ললেই নহ'ব। বিদ্যালয়ত কম্পিউটাৰ, টেলিভিশ্যন, ভিডিঅ' দিবলৈ যাওঁতে আমাৰ গাঁৱে-ভূঁয়ে থকা ছাল-বেৰ নোহোৱা এজনীয়া শিক্ষকৰ বিদ্যালয়বোৰলৈ পাহৰিলে নহ'ব। যিখন দেশত কণ-কণ শিশুহঁতে হাতত একোটা ঢাৰি বা ঢকুৱা লৈ, এটোপা বিশুদ্ধ খোৱা পানীৰো ব্যৱস্থা নথকা বিদ্যালয়লৈ ঢাপলি মেলে, সেইখন দেশত বছা-বছা কেইখনমান বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীক শিক্ষাৰ সকলো আধুনিকতম সা-সঁজুলিৰ যোগান ধৰা আমাৰ গণতান্ত্ৰিক আদৰ্শৰ পৰিপন্থী নহয়নে? অসম চৰকাৰে সকিয়াই দিয়া আৰু কেন্দ্ৰীয় চৰকাৰে শেহতীয়াকৈ হাতত লোৱা অপাৰেশ্যন ব্লেক বৰ্ড (operation blackboard) কাৰ্যসূচী অনুসৰি প্ৰতিখন প্ৰাথমিক বিদ্যালয়ত অন্ততঃ দুটা কোঠালি সজা হ'ব, দুজন শিক্ষক (তাৰে এগৰাকী মহিলা) নিয়োগ কৰা হ'ব আৰু শ্ৰেণীয়ে প্ৰতি একোখন ব্লেক ব'ৰ্ড যোগান ধৰা হ'ব। নিঃসন্দেহে এয়া নিম্নতম কাৰ্যসূচী। কিন্তু অত্যুৎসাহী শৈক্ষিক প্ৰাযুক্তিক (educational technology) বিপ্লৱৰ আঁচনি লোৱাৰ আগতে নিম্নতম সা-সুবিধা যোগান ধৰা আঁচনিয়ে অগ্ৰাধিকাৰ পাব লাগিব।

নতুন শিক্ষানীতিৰ জৰিয়তে গাঁও অঞ্চলৰ আৰু আৰ্থিক দুৰ্দশাগ্ৰস্ত প্ৰতিভাসম্পন্ন ছাত্ৰ-ছাত্ৰীসকলক সৰ্বভাৰতীয় পৰ্যায়লৈ লৈ যাবলৈ জিলাই প্ৰতি একোখনকৈ নবোদয় বিদ্যালয় (model school) পাতিব খুজিছে।

এই বিদ্যালয়সমূহ আবাসিক (residential) হ'ব আৰু সপ্তম শ্ৰেণীলৈকে ছাত্ৰ-ছাত্ৰীয়ে মাতৃভাষাৰ মাধ্যমত শিক্ষা লাভ কৰিব। অষ্টম শ্ৰেণীৰপৰা হিন্দী নাইবা ইংৰাজীৰ মাধ্যমত শিক্ষা দিয়া হ'ব,—যাতে ছাত্ৰ-ছাত্ৰীসকলে সৰ্বভাৰতীয় পৰ্যায়ৰ প্ৰতিযোগিতাত অৱতীৰ্ণ হ'ব পৰাকৈ নিজকে প্ৰস্তুত কৰিব পাৰে। নবোদয় বিদ্যালয় স্থাপনৰ উদ্দেশ্য সৎ; আমি আশা কৰিছোঁ এই নবোদয় বিদ্যালয়সমূহত যাতে সমাজৰ প্ৰকৃত প্ৰতিভাবান ছাত্ৰ-ছাত্ৰীয়েহে সুবিধা পায়। উপযুক্ত ছাত্ৰ নিৰ্বাচনৰ ওপৰতহে এই বিদ্যালয়সমূহৰ উদ্দেশ্যৰ সাফল্য নিৰ্ভৰ কৰিছে। গণতান্ত্ৰিক দেশ এখনত জিলাই প্ৰতি একোখনকৈ নবোদয় বিদ্যালয় পতাতকৈ পৰ্যায়ক্ৰমে প্ৰত্যেকখন বিদ্যালয়কে আদৰ্শ স্বৰূপ কৰি তোলাহে আমাৰ লক্ষ্য হোৱা সমীচিন আছিল।

শিক্ষাৰ সংস্কাৰ সাধন কৰিবলৈ নীতি নিৰ্ধাৰণ কৰিলেই নহব। শিক্ষা প্ৰশাসন, শিক্ষক, ছাত্ৰ, অভিভাৱক আদি শিক্ষাৰ সৈতে পোনপটীয়াকৈ জড়িত সকলোৰে বাঞ্ছিত সহযোগিতাৰ ওপৰতহে শিক্ষা আঁচনিৰ সফলতা নিৰ্ভৰশীল হ'লেও শিক্ষাব্যৱস্থাৰ কেন্দ্ৰবিন্দু হ'ল শিক্ষকসকল। ভাৰতৰ ভৱিষ্যত বংশধৰসকলক গঢ় দিওঁতা শিক্ষকসকলৰ সামৰ্থ্য আৰু ঐকান্তিক প্ৰচেষ্টা শিক্ষাব্যৱস্থাৰ বহুতো আঁসোৱাহৰ পৰিপূৰক হ'ব পাৰে। শিক্ষাৰ গুণগত উৎকৰ্ষও শিক্ষকৰ নিজৰ জ্ঞানৰ গভীৰতা আৰু প্ৰচেষ্টাৰ ওপৰত নিৰ্ভৰশীল। শিক্ষকতাক নিযুক্তিৰ সৰ্বশেষ পথ বুলি ল'লে নিঃস্বাৰ্থ সেৱা আৰু সামাজিক দায়বদ্ধতাৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ কাম কৰিলে শিক্ষক শক্তিয়ে বহুতো কাম কৰিব পাৰে। শিক্ষাৰ ক্ষেত্ৰত দেখা দিয়া নতুন ধ্যানধাৰণাৰ বিষয়ে অৱগত কৰাই উপযুক্ত মূল্যবোধ সৃষ্টি কৰিবলৈ শিক্ষক প্ৰশিক্ষণৰ আঁচনি লোৱা হয়। নতুন শিক্ষানীতিৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে ইতিমধ্যে বৃহৎ শিক্ষক-প্ৰশিক্ষণ আঁচনি হাতত লৈছে। অসমতো জুলাই আৰু আগষ্ট মাহৰ ভিতৰত দহোটা মাধ্যমিক আৰু ত্ৰিছটা প্ৰাথমিক শিক্ষক-প্ৰশিক্ষণ কেন্দ্ৰৰ যোগেদি ৰাজ্যৰ ষোল্ল হাজাৰ শিক্ষকক ১০ দিনীয়া নৱীকৰণ প্ৰশিক্ষণ দিয়াৰ প্ৰস্তুতি চলিছে। নতুন আঁচনি কাৰ্যকৰী কৰিবলৈ বিদ্যালয়ত ন্যূনতম সা-সঁজুলিৰ যোগান ধৰিলে আৰু আঁচনি কেনেধৰণে বিদ্যালয়ত ৰূপায়ণ কৰা হৈছে সেয়া চোৱাচিতা কৰিবলৈ পাছৰ কাৰ্যসূচী (follow up action) ললেহে এই প্ৰচেষ্টা ফলৱতী হ'ব।

বৰ্তমান আমাৰ দেশত শিক্ষাৰ শিতানত কৰা সৰ্বমুঠ ব্যয়ৰ ১০% শিক্ষক প্ৰশিক্ষণৰ বাবে ব্যয় কৰা হয়। অসমত বৰ্তমান ৪০% শিক্ষকে এতিয়াও প্ৰশিক্ষণ পোৱা নাই। জাতীয় চেতনা আৰু সামাজিক দায়বদ্ধতাৰে উদ্বুদ্ধ কৰি শিক্ষকসকলৰ শিক্ষণকৌশল বৃদ্ধি কৰিবলৈ শিক্ষক প্ৰশিক্ষণ পাঠ্যক্ৰম নৱীকৰণ কৰিব লাগিব। বিষয়বস্তুৰ জ্ঞান আৰু পাঠদানৰ কৌশল উন্নত কৰাৰ লগতে শিক্ষকসকলৰ উপযুক্ত মনোভাব গঠনৰো চেষ্টা কৰিব লাগিব। অন্যথা সমাজত অনুকূল বাতাবৰণ সৃষ্টি কৰিব নোৱাৰিলে কেৱল শিক্ষকসকল আদৰ্শৰ দ্বাৰা পৰিচালিত হ'ব বুলি আশা কৰিব নোৱাৰি। সমাজ আৰু শিক্ষকৰ অংগাংগী সম্বন্ধৰ বাবে উভয়ে উভয়ৰ পৰিপূৰক। আনহাতে সমাজত নতুন মূল্যবোধ, নতুন আদৰ্শ, ৰাষ্ট্ৰীয় সংহতি স্থাপন কৰাত শিক্ষকসকলেহে নেতৃত্ব বহন কৰিব লাগিব। শিক্ষকসকলে নিষ্ঠাৰে এই দায়িত্ব যুৰপাতি নললে ভাৰতবৰ্ষক একবিংশ শতিকালৈ লৈ যোৱা ৰাজীব গান্ধীৰ সপোন সপোন হৈয়েই থাকিব। শিক্ষকসকলে বৰ্তমানৰ জ্ঞান বিস্ফোৰণৰ যুগত সকলো কথা শিকাই দিবলৈ নগৈ ছাত্ৰৰ মাজত শিকাৰ ধাউতি জগাই তোলা আৰু এখন পঢ়ুৱৈ সমাজ গঠন কৰিব পৰাৰ ওপৰতে ভাৰতৰ ভৱিষ্যত নিৰ্ভৰশীল।


**ক্ৰিকেটৰ সঁাথৰ**
মূল্য—১০ টকা
পুলক লাহিড়ীৰ
(অসমীয়া ভাষাত ক্ৰিকেট-কুইজৰ একমাত্ৰ কিতাপ)
*এলবিএছ পাব্লিকেশ্যন্স*
জি. এন. বৰদলৈ ৰ'ড
গুৱাহাটী-১




OKDISCD

# অসমত খনিজ সম্পদৰ ভিত্তিত সম্ভাব্য উদ্যোগ

হেমন্ত বৰগোঁহাই

আমাৰ অসমত খনিজ পদাৰ্থৰ ভিতৰত পেট্ৰোলিয়াম আৰু কয়লাই আছে বুলি আমি বেছিভাগে জানো; কিন্তু এই দুবিধ সম্পদৰ উপৰিও অসমত আৰু কেইবিধমান খনিজ পদাৰ্থ আছে, যাৰপৰা আমি বহুসংখ্যক উদ্যোগ স্থাপন কৰিব পাৰোঁ। এইবিলাকে অসমক অৰ্থনৈতিক ক্ষেত্ৰত আগবাঢ়ি যাবলৈ যথেষ্ট সহায় কৰিব।

অসমত লোৰ আকৰ পোৱা যায়; তাম্ৰৰ আকৰো (copper ore) কিছু পৰিমাণে আছে। ইচ্ছা কৰিলে ইয়াত কিছু পৰিমাণে সোণো উৎপন্ন কৰিব পৰা যায়। তদুপৰি অসমত যথেষ্ট পৰিমাণৰ চূণশিল আছে। ঠাই বিশেষে চীনামাটিও পোৱা যায়।

লোৰ আকৰ অসমৰ কামৰূপ জিলাৰ হাঁহিম অঞ্চলত বকোৰ ওচৰত সুৱাগ্নিত হেমেটাইট-কোৱাৰ্জাইট পোৱা যায়। আকৌ, গোৱালপাৰা জিলাৰ বিলাসীপাৰা আৰু শালকছাৰ মাজত থকা চান্দৰডিঙা পাহাৰত নিম্নমানৰ হেমেটাইট ($Fe_2O_3$) আছে। ইয়াত প্ৰায় ১২ নিযুত টন লোৰ আকৰ আছে বুলি জনা গৈছে। হাঁহিম অঞ্চলত কিছু পৰিমাণৰ মেগনেটাইট ($Fe_3O_4$) আছে বুলি জনা গৈছে। এই লোৰ আকৰবোৰত শতকৰা ৫৬—৬০ ভাগ লো (Fe) আছে। ভাৰতত যিবোৰ লোৰ আকৰৰপৰা চৰকাৰী খণ্ডত লো-তীখা উৎপাদন কৰা হয়, সেই আকৰবোৰত শতকৰা ৬৫ ভাগৰ বেছি লো পোৱা যায়। গতিকে অসমৰ এই লোৰ আকৰক নিম্নমানৰ বুলি কোৱা হয়। পিছে পৃথিৱীত বহুত দেশ আছে, যিবিলাকে অতি নিম্নমানৰ লোৰ আকৰ লেটেৰাইটৰ (Laterite) পৰাও লো-তীখা প্ৰস্তুত কৰে। ভাৰতৰ মধ্য প্ৰদেশৰ কাটনিৰ (Katni) পৰা লেটেৰাইট জাতীয় লোৰ আকৰ (iron laterite) আহৰণ কৰা হয়। সেই ঠাইত লোৰ খনিটো সৰু হোৱাৰ বাবে ৰাজ্য চৰকাৰ তথা কেন্দ্ৰীয় চৰকাৰৰ অনুমতি ক্ৰমে ব্যক্তিগত খণ্ডত লোৰ আকৰৰ উদঘাটনৰ কাম চলি আছে।

লোৰ শোধন কাৰখানা স্থাপন কৰিবলৈ হ'লে কেঁচা সামগ্ৰী হিচাপে লোৰ আকৰ, চূণশিল, মেংগানিজ, ক্ৰ'মিয়াম, নিকেল আৰু কয়লাৰ প্ৰয়োজন হয়। লোৰ আকৰ, চূণশিল আৰু কয়লা অসমতে পোৱা যায়। তীখা উৎপাদনত প্ৰয়োজন হোৱা ক্ৰ'মিয়াম মণিপুৰত পোৱা যায়। মেংগানিজ আকৰ বিহাৰ আৰু মধ্য প্ৰদেশত পোৱা যায়। বৃহৎ আকাৰৰ লোৰ কাৰখানা স্থাপন কৰিলে, সাধাৰণতে কেঁচা সামগ্ৰীবিলাক কাৰখানাৰ ওচৰে পাজৰে থকাটো প্ৰয়োজনীয়। লোৰ উৎপাদন ক্ষেত্ৰত কয়লাৰ মানো উচ্চ হোৱাৰ প্ৰয়োজন। সাধাৰণতে এনথ্ৰেছাইট (Anthracite) জাতীয় কয়লা ব্যৱহাৰ কৰা হয়। উজনি অসমৰ কয়লাত গন্ধক (sulphur) বেছি পৰিমাণে থকাত ইয়াক লোৰ শোধনৰ কামত ব্যৱহাৰ কৰিব পৰা নাযায়। কিন্তু ক্ষুদ্ৰ আকাৰৰ লোৰ শোধন কাৰখানা স্থাপন কৰিলে মেঘালয়ৰ গাৰো পাহাৰত পোৱা কয়লাই ইয়াৰ আৱশ্যকতা পূৰাব পাৰিব নিশ্চয়।

তদুপৰি অসমৰপৰা পুৰণা লোৰ ভগা-ছিগা টুকুৰাবোৰ অপৰ্যাপ্ত পৰিমাণে বাহিৰলৈ নিয়া হয়। সেইবোৰ পুনৰ গলাই নতুনকৈ লোৰ সামগ্ৰী উৎপাদন কৰা হয়। তেনে এটা উদ্যোগ অসমতে আমাৰ থলুৱা লোকৰ দ্বাৰা স্থাপন কৰা হ'লহেঁতেন, তেন্তে অসমৰ বহু প্ৰয়োজনীয় সামগ্ৰী অসমতে উৎপাদন কৰিবপৰা গ'লহেঁতেন; কিছু লোকৰ কৰ্ম সংস্থানৰ লগতে এটা উদ্যোগৰ সংখ্যাও বেছি হ'লহেঁতেন।

লো তীখা প্ৰস্তুত কৰা কাৰখানাৰ লগতে এটা Ore Beneficiation plant থাকে। ইয়াৰ দ্বাৰা আকৰৰ পৰা লোখিনি পৃথক কৰা হয়; কাৰণ লোৰ আকৰৰ লগত অন্যান্য অদৰকাৰী খনিজ পদাৰ্থ আৰু শিল মিহলি হৈ থাকে। লোৰ আকৰ পৃথকীকৰণৰ পাছতহে গলন চিমনিত ব্যৱহাৰ কৰা হয়। এনে এটা কাৰখানা অসমত স্থাপিত হ'লে মেঘালয়ত পোৱা iron slag বোৰ ইয়াত ব্যৱহাৰ কৰিব পৰা যাব আৰু পুৰণা ভগা লোৰ টুকুৰা বাহিৰলৈ নিয়াটোও বন্ধ হ'ব। তিনিচুকীয়াত এটা পুৰণা লো গলোৱা কাৰখানা আছে। দুখৰ বিষয় যে হাঁহিম অঞ্চলৰ লোৰ আকৰৰ টুকুৰা পাহাৰটোৰ (আকৰ পোৱা) কাষে কাষে ৰাস্তা নিৰ্মাণ কৰাৰ কামত ব্যৱহাৰ কৰা হৈছে।


অসমত পোৱা আন এটা দৰকাৰী খনিজ সম্পদ হৈছে তাম। গোৱালপাৰা জিলাৰ বগৰীবাৰীৰ ওচৰত থকা মহামায়া পাহাৰত তামৰ আকৰ পোৱা গৈছে। এই আকৰটোৰ নাম Chalcopyrite ($CuFeS_2$)। ইয়াৰ আকৰত শতকৰা কিমানভাগ তাম আছে আৰু মুঠ কিমান পৰিমাণৰ (total reserve) আছে জনা নাযায়। গতিকে ভূ-তাত্ত্বিক জৰিপ কাৰ্য গোৱালপাৰা জিলাত মহামায়া পাহাৰৰ লগতে খনিজ পদাৰ্থ থকাৰ সম্ভাৱনা থকা পাহাৰ পঞ্চৰত্ন, নলঙা, দেউলী আৰু বৰৰ্ঝাত চলোৱাৰ প্ৰয়োজন। তামৰ আকৰত অতি কম পৰিমাণৰ তাম ((20—30%) থাকে। গতিকে তাম উৎপাদনতো Ore Beneficiation plant অৰ প্ৰয়োজম। অসমত পোৱা তামৰ আকৰৰ ওপৰত ভিত্তি কৰি এটা Mini Copper Plant স্থাপন কৰিব পৰা যায়।

অসমত পোৱা কয়লাবোৰ টাৰছিয়েৰি যুগৰ। উজনি অসমৰ কয়লা বৰাইল শিলাস্তৰত, আৰু নামনি অসমৰ কয়লা জয়ন্তীয়া শিলাস্তৰত পোৱা যায়। অসমৰ মাৰ্ঘেৰিটা অঞ্চলত (লিডু, নামচিক, নামফুক, মাকুম), জয়পুৰ, নাজিৰা আৰু কাৰ্বি আংলং জিলাৰ জাংগি, দিছৈ, কয়লা পাহাৰ, লংলাই পাহাৰ, নামবৰ নদী অঞ্চলত কয়লা পোৱা যায়। এই কয়লাবোৰ লিগনাইট,, ছাব বিটুমিনাছ আৰু বিটুমিনাছ জাতীয়। উজনি অসমৰ কয়লাত অধিক গন্ধক থকাৰ বাবে সেয়া আকৰ শোধন কাৰ্যত (metallurgical purpose) ব্যৱহাৰ কৰিব নোৱাৰি।

লিগনাইট জাতীয় কয়লাত কাৰ্বনৰ পৰিমাণ কম হোৱাৰ বাবে সেই কয়লা জ্বলালে বৰ ধোঁৱা ওলায়। ইয়াক অসমৰ বাষ্প চালিত ৰেল ইঞ্জিনত, চাহ-বাগিচা আৰু সৰু-সুৰা উদ্যোগবোৰত ব্যৱহাৰ কৰা হয়। কিন্তু ইয়াৰপৰা producer gas আৰু briquette প্ৰস্তুত কৰিব পাৰি।

আকৌ, বিটুমিনাছ জাতীয় কয়লাৰ পৰা যথেষ্ট পৰিমাণৰ তাপ উৎপন্ন কৰিবপৰা যায়। ইয়াৰপৰা ইন্ধন গেছ (fuel gas), ক'ক আৰু কল্টাৰ (coalter) প্ৰস্তুত কৰিব পাৰি। কয়লাৰ লগতে পোৱা গন্ধক by product হিচাপে আহৰণ কৰিবপৰা যায়। কিন্তু ইয়াৰ পৰিমাণ অতি কম হ'ব।

খাৰুৱা তেলৰপৰা পেট্ৰ'ল, কেৰাছিন, ডিজেল, গ্ৰিজ, মবিল আৰু মমৰ উপৰিও এছফাল্ট উৎপাদন কৰিব পাৰি। উল্লেখযোগ্য যে অসমৰ খাৰুৱা তেলত শতকৰা ৬—৮ ভাগ মম থাকে। এই মমজাতীয় পদাৰ্থ ঠাণ্ডা হোৱাৰ ফলত বাৰাউনিলৈ পাইপেৰে নিয়া খাৰুৱা তেল পাইপৰ ভিতৰতে গোট মাৰিলেহেঁতেন। সেইবাবে এটা নিম্নতম উষ্ণতাৰ ওপৰত তাপমাত্ৰা ৰাখি বাৰাউনিলৈ খাৰুৱা তেল নিয়া হৈছে। পেট্ৰ'কেমিকেল কম্প্লেক্সৰপৰা সাধাৰণতে ৰাসায়নিক সাৰ, কীটনাশক দৰৱ, ফাংগিছাইডছ (fungicides) বিস্ফোৰক, চিয়াঁহী, ছিনথেটিক ৰবৰ, ৰং, নাইলন, সুগন্ধি তেল, প্ৰসাধন সামগ্ৰী, আঠা, প্লাষ্টিক আদি বিভিন্ন







OKDISCD

সামগ্ৰী উৎপন্ন কৰিব পৰা যায়। কিন্তু অসমত থকা পেট্ৰ'কেমিকেল প্ৰকল্পকেইটাত মাত্ৰ কেইবিধমান সামগ্ৰীহে উৎপাদন কৰা হৈছে। আজি কিছু বছৰ আগতে আবিষ্কৃত হোৱা "বোম্বে হাই" নামৰ সাগৰৰ মাজৰ তৈল ক্ষেত্ৰৰপৰা গেছ অকণো অপব্যয় হ'বলৈ নিদি সাগৰৰ পাৰলৈ পাইপেৰে আনি বহু সংখ্যক পেট্ৰ'-প্ৰকল্প গঢ়ি তোলা হৈছে। কিন্তু তাৰ তুলনাত অসমৰ তৈলক্ষেত্ৰ বহুত পুৰণা।

অসমৰ ডিমাপুৰৰ ওচৰত কয়লাজান, কাৰবি আংলং জিলাৰ ছিলভাটা অঞ্চল, শিৱসাগৰ জিলাৰ চণ্টক আৰু উত্তৰ কাছাৰ জিলাত উন্নতমানৰ চূণশিল পোৱা যায়। উত্তৰ কাছাৰ জিলাৰ গৰমপানী অঞ্চলত আৰু কাৰবি আংলং জিলাৰ বোকাজানত ছিমেণ্ট উৎপন্ন কৰিব পৰা চূণশিল টাৰছিয়াৰি যুগৰ জয়ন্তীয়া শিলাস্তৰৰ অন্তৰ্গত।

ছিমেণ্ট প্ৰস্তুত কৰিবৰ বাবে কেঁচা সামগ্ৰী হিচাপে চূণশিল, জিপছাম বোকা (clayey minerals) আৰু কয়লাৰ প্ৰয়োজন। কেতিয়াবা কোনো বিশেষ জাতীয় ছিমেণ্ট প্ৰস্তুত কৰোঁতে বালি, বক্সাইট আৰু লোৰ আকৰৰ প্ৰয়োজন হয়। কাৰবি আংলং জিলাত চূণশিল, বোকা আৰু কয়লা যথেষ্ট পৰিমাণে পোৱা যায়। সিচঁৰতি হৈ থকা অৱস্থাত এই জিলাত জিপছাম মণিকো পোৱা যায়। চূণশিল স্তৰ হিচাপে (bedded deposit) পোৱা যায়। ইয়াত তাম বা লোৰ আকৰৰ দৰে ore beneficiation plant অৰ প্ৰয়োজন নাই।

এই চূণশিল গ্লাছ, চামৰা, ধাতু, কাগজ, কাপোৰ আৰু অন্য ৰাসায়নিক শিল্পত ব্যৱহাৰ কৰা হয়।

চূণশিলৰপৰাই কেলছিয়াম কাৰ্বাইড খাৰদ্ৰব্য (basic matter), ব্লিচিং পাউদাৰ, ৰবৰ, ৰং, প্ৰসাধন সামগ্ৰী, দন্তমঞ্জন, জোতাৰ ৰং প্ৰস্তুত কৰোঁতে কেঁচামাল হিচাপে ব্যৱহাৰ কৰা হয়। তদুপৰি পানী বিশুদ্ধিকৰণ, চেনি বিশুদ্ধিকৰণ, পেট্ৰ'লিয়াম বিগন্ধীকৰণ, জৈৰিক পদাৰ্থ বিজাৰন আৰু কেলছিয়াম হাইড্ৰাইড প্ৰস্তুত কৰোঁতে চূণশিল ব্যৱহাৰ কৰা হয়। কপিলী জলবিদ্যুৎ প্ৰকল্পৰ জলাধাৰটো চূণশিলৰ ওপৰতে স্থাপন কৰা হৈছে।

কামৰূপ জিলাৰ ডিগাৰুৰ ওচৰত থকা সোণাপুৰত অপৰ্যাপ্ত পৰিমাণৰ ছিলিমিনাইট পোৱা গৈছিল। বৃহৎ আকাৰৰ এই ছিলিমিনাইটবোৰ খণ্ড (block) হিচাপে কাটি অসমৰ বাহিৰলৈ নিয়া হয়। তাৰ পাছত সেইবোৰ এটা কোম্পানিৰ দ্বাৰা বিদেশলৈ ৰপ্তানি কৰা হ'ল। বৰ্তমান সেই ঠাইত বৰ উন্নতমানৰ ছিলিমিনাইট মণিক পোৱা নাযায়। এই ছিলিমিনাইট মণিকবোৰ অতি উচ্চ তাপতো গলি নাযায়। সেইবাবে, ধাতু গলোৱা অগ্নিশালত লাইনিং (lining) এই পদাৰ্থৰে দিয়া হয়। এই মণিক সাধাৰণতে ধাতু, গ্লাছ, ছিমেণ্ট, চীনামাটিৰ বস্তু তৈয়াৰ কৰা অগ্নিশালত ব্যৱহাৰ কৰা হয়। সোণাপুৰৰপৰা বৰ্তমানেও কিছুপৰিমাণে এই পদাৰ্থ আহৰণ কৰিব পৰা যায়।

অতি পৰিষ্কাৰ বালিৰ ($SiO_2$) পৰা গ্লাছ তৈয়াৰ কৰিব পৰা যায়। এনে বালি কোৱাৰ্জাইট শিলৰপৰা উৎপন্ন হয়। খৰালি ব্ৰহ্মপুত্ৰৰ বালিৰ কোনো কোনো অংশত ডাঙৰ আৰু মজলীয়া টুকুৰাৰ পৰিষ্কাৰ বালি (clear and transparent) পোৱা যায়। গ্লাছ প্ৰস্তুত কৰিবলৈ হ'লে কেঁচা সামগ্ৰী হিচাপে পৰিষ্কাৰ বালিৰ উপৰিও চূণশিল, কয়লা, আৰু ছডিয়াম কাৰ্বনেটৰ প্ৰয়োজন হয়। ব্ৰহ্মপুত্ৰ নদীৰ বাহিৰেও অন্য ঠাইত বিচাৰিলেও পৰিষ্কাৰ বালি পোৱা যাব পাৰে।

অসমৰ লক্ষীমপুৰ জিলাৰ ডোৱা অঞ্চল, মিকিৰ পাহাৰত (কাৰবি আংলং জিলাৰ) আৰু বৰ পথাৰ অঞ্চলত চীনামাটি কিছু পৰিমাণে পোৱা যায়। ইয়াক কেওলিন (kaoline) বোলে। চীনা মাটিৰপৰা নানা বাচন-বৰ্তন তৈয়াৰ কৰিব পাৰি। এনে এটা শিল্প গঢ়ি তুলিবলৈ (ceramic industry) কেঁচা সামগ্ৰী হিচাপে কেওলিন, কোৱাৰ্টজ আৰু বক্সাইটৰ প্ৰয়োজন। কাৰবি আংলং জিলাৰ বোকাজানত এটা এনে শিল্প গঢ়ি উঠিছে।

অসমৰ সোৱণশিৰি নদীত সোণৰ আকৰ পোৱা গৈছিল আৰু তাক আগতে আহৰণ কৰাও হৈছিল। বৰ্তমানেও সোৱণশিৰি নদীয়ে সোণৰ আকৰ বহন কৰি আনিয়েই আছে। এই সোণৰ মূল অৱস্থানটো হৈছে অৰুণাচল প্ৰদেশৰ সোৱণশিৰি জিলাৰ জিৰোৰ পৰা ১৭৫ কি৹ মি৹ উত্তৰে থকা ডাপৰিযোগ নামৰ ঠাইত। হিমালয় পৰ্বতমালাৰ কেন্দ্ৰ অঞ্চল ভূ-গৰ্ভৰ পৰা ওপৰলৈ উঠি অহা আগ্নেয়শিলেৰে (crystalline rocks) গঠিত। ডাপৰিযোগত সোৱণশিৰি নদী এই আগ্নেয়শিলাৰ মাজেৰে বৈ আহিছে। চীন দেশৰ সীমামূৰীয়া ঠাই ডাপৰিযোগ অনবৰতে বৰফে ঢাক খুৱাই ৰাখে। ভাৰতৰ ভূতাত্ত্বিক জৰিপ বিভাগে এই অঞ্চলত অনুসন্ধান কাৰ্য চলোৱাৰ কথা জনা যায়।

সোৱণশিৰি নদীত পোৱা সোণৰ আকৰক নদীৰ স্ৰোত নিক্ষেপ (river placer deposit) বোলে। এনে নিক্ষেপ আহৰণৰ বাবে আকৰ ঘনীভূত আৰু আহৰণ পদ্ধতি (Placer deposit ore concentration and extraction method) আছে।

উজনি অসমৰ কয়লা খনিত সৰ্বোচ শতকৰা ৬ ভাগ গন্ধক পোৱা যায়। এই গন্ধক ৰাসায়নিক সাৰকে আদি কৰি কেইবাবিধো শিল্পৰ বাবে অতি প্ৰয়োজনীয় বস্তু। ইয়াক কিছুমান ঔষধ প্ৰস্তুত কৰোঁতেও ব্যৱহাৰ কৰা হয়। তদুপৰি, এই কয়লাৰ লগতে অগ্নিসহ বোকা (fire clay) পোৱা যায়।

অসমৰ পাহাৰবোৰত গ্ৰেনাইট নাইছ, পেগমেটাইট, বালিশিল, ডায়'ৰাইট, ইপিডায়'ৰাইট আৰু এম্ফিবলাইট শিল পোৱা যায়। এই শিলৰ টুকুৰাবোৰ ভাঙি ঘৰ সজা, ৰাস্তা নিৰ্মাণ কৰা কামত ব্যৱহাৰ কৰা হয়। কোৱাৰ্টজ ডাইকৰ (quautz dyke) বগা পৰিষ্কাৰ টুকুৰা মজিয়া মজাইক কৰোঁতে ব্যৱহাৰ কৰা হয়। এনে ব্যৱসায় চলোৱা ব্যৱসায়ীৰ সৰহভাগ অসমৰ বাহিৰৰ লোক।

ভাৰতৰ প্ৰত্যেকখন ৰাজ্যতে পোৱা খনিজ পদাৰ্থবোৰৰ ওপৰত কেন্দ্ৰীয় চৰকাৰে কিছুমান নিয়ম জাৰি কৰি ৰাখিছে। খাৰুৱা তেল আৰু প্ৰাকৃতিক গেছ Oil Fields Regulation and Development Act, 1948 আৰু Petroleum and Natural Gas Rule, 1957, আইনৰ দ্বাৰা পৰিচালিত। তাত ৰাজ্য চৰকাৰৰ কোনো হাত নাথাকে। তেওঁলোকে মাত্ৰ ৰয়েলটিহে দাবী কৰিব পাৰে। ৰয়েলটি ৰাজ্য চৰকাৰক Oil and Gas Rule, 1959ৰ আইন মতে দিয়া হয়। খাৰুৱা তেলৰ প্ৰতি টনত পোৱা ৰয়েলটিৰ শতকৰা ১০ ভাগহে গেছৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে পায়।

বাকী সকলোবোৰ খনিজ পদাৰ্থক মেজৰ (Major) আৰু মাইনৰ (Minor) নামৰ দুটা ভাগত ভাগ কৰা হৈছে। মেজৰ খনিজ পদাৰ্থবোৰ Mines and Minerals Regulation and Development Act, 1957 নামৰ আইনৰ দ্বাৰা কেন্দ্ৰীয় চৰকাৰে পৰিচালিত কৰে। কোনো এটা খনিজ পদাৰ্থ উদঘাটন কৰিবলৈ হ'লে অনুমতি পত্ৰ আৰু লিজ (lease) পাবলৈ হ'লে Certificate of Approval অৰ প্ৰয়োজন। এই পত্ৰ Minerals concession Rules 1960 ৰ আইন মতে দিয়া হয়।

মাইনৰ খনিজ পদাৰ্থবোৰ Mines and Minerals Regulation and Development, Act 1957 section 3 (e)ৰ আইনৰ দ্বাৰা ৰাজ্য চৰকাৰবোৰে নিজে পৰিচালনা কৰে। প্ৰত্যেকখন ৰাজ্যৰ মাইনৰ খনিজৰ সংখ্যা কম বেছি হ'ব পাৰে। কোনো অলপীয়াকৈ থকা মেজৰ খনিজ পদাৰ্থ কোনো ৰাজ্যৰ বাবে মাইনৰ খনিজ পদাৰ্থ হ'ব পাৰে। এনে খনিজ পদাৰ্থবোৰ হৈছে কোৱাৰ্জাইট, চূণশিল, বোকা শিল আদি।

অসমত ভূতত্ত্ব আৰু খনি বিভাগৰ (Directorate of Geology and Mining) উপৰিও অন্য এটা নতুন বিভাগ—Assam Mineral Development Corporation Limited খোলা হৈছে। ই অসমৰ বাবে এটা সুখবৰ।

ওপৰত উল্লেখ কৰা শিল্পসমূহৰ বাবে বিভিন্ন কাৰিকৰী বিষয়ত শিক্ষিত মানুহৰ প্ৰয়োজন। ইয়াৰ বাবে প্ৰয়োজনীয় কাৰিকৰী অনুষ্ঠান ইঞ্জিনিয়াৰিং মহাবিদ্যালয় কেইখন আৰু ডিপ্লোমা অনুষ্ঠান কেইখনৰ বাহিৰে অসমত একোৱেই নাই। অসমত Mining Engineering, Metallurgical Engineering, আদি শিক্ষাদানৰ অনুষ্ঠান নাই। গতিকে বাহিৰত শিক্ষিত মানুহকে ইয়ালৈ আনিব লাগিব। নহ'লে অসমৰ বাহিৰৰ অনুষ্ঠানত প্ৰয়োজনীয় সংখ্যক থলুৱা লোকৰ প্ৰশিক্ষণৰ ব্যৱস্থা কৰিব লাগিব।


ভাদুড়ী/দত্তবৰুৱাৰ
উপন্যাসসমূহ ঃ—

হিজ হাইনেচ— ১২ টকা
কোমল গান্ধাৰ— ১০ টকা
সন্ধ্যা বন্তিৰ শিখা— ১২ টকা
বিলকিচ বেগম— ১৫ টকা
মৰুপ্ৰান্তৰ— ২০ টকা
হে অৰণ্য হে মহানগৰ—
নৱকান্ত বৰুৱা— ৫ টকা
মৰমে সাজোন কাছে—
দেবেন শৰ্মা— ১০ টকা

এলবিএছ পাব্লিকেশ্যন
জি, এন, বৰদলৈ ৰ'ড
আমবাৰী : গুৱাহাটী-১



প্ৰতিবেদন

আলোচনীখন কেনেকুৱা
আপুনিয়েই বিচাৰ কৰক

☐ আমি জানোঁ, আপুনি তত্ত্ব কথাৰ ফুলজাৰি ভাল নাপায়। দৈনন্দিন জীৱনৰ যাত্ৰাপথত আপুনি যিবোৰ অভিজ্ঞতাৰ মুখা-মুখী হয়, যিবোৰ সমস্যা আপুনি অতিক্ৰম কৰে আমি সেই প্ৰসঙ্গবোৰকেই সাবলীল ভাৱে বৰ্ণোৱাৰ চেষ্টা কৰি যাম অবিৰতভাৱে।

☐ আপুনি মৰ্মে মৰ্মে উপলব্ধি কৰিছেনে যে, নিৰপেক্ষতাৰ অৰ্থ নীৰৱতা নহয় ? জাতীয় জীৱনত উত্তৰ হোৱা সমস্যাবোৰৰ প্ৰতি সংবাদ মাধ্যমবোৰে জনসাধাৰণৰ স্বাৰ্থতে

এক সবল স্থিতি লোৱাটো আপুনি বিচাৰেনে ? আমি প্ৰতিশ্ৰুতি দিছোঁ— আমি আজীৱন জনসাধাৰণৰ পক্ষত স্থিতি ল'ম।

☐ কেৱল সমস্যা-ৰাজনীতি-জাতীয় জীৱনৰ বিষয় বস্তু সকলো সময়তে, আলোচনী এখনৰ প্ৰতি পৃষ্ঠাতে আপোনাৰ ভাল নালাগিবও পাৰে। এৰা ভাল নলগাটোও স্বাভাৱিক। এইবাবেই আপোনাক বিনোদন দিয়াৰ প্ৰতিও আমি সচেতন।




আগষ্ট, '৮৬ সংখ্যা ঃ

☐ অসম চুক্তিৰ প্ৰথম বাৰ্ষিকী ঃ চুক্তিয়ে মুক্তি আনিবনে ? ☐ নাৰীকৰ্মীয়ে কামৰ সন্মান পায়নে ? ☐ মৰাশকলৈ ব্যৱসায় ☐ এখন তিনিলাখ টকীয়া দৃষ্টি ☐ দূৰদৰ্শনৰ মজিয়াত আকাশবাণীৰ ভূত ☐ প্ৰেম ঃ মাথো মানসিক সম্পৰ্ক ? কাওবয়ৰ জীৱন ঃ কিমান ৰোমাঞ্চকৰ ? ☐ দাম্পত্য কলহৰ অন্যতম কাৰণ— পুষ্টিহীনতা ☐ গোৰ্খা লেণ্ড আন্দোলন ☐ প্ৰাচীন ভাৰতৰ মানচিত্ৰ। ☐ লেতেৰু বৰো ঃ বান্দৰ যাৰ বাবে আটাইতকৈ বিশ্বাসী ☐

প্ৰতিবেদন ঃ বাৰ্তালোচনী; ময়ূৰ প্ৰকাশ, গুৱাহাটী-৭ৰ প্ৰকাশন ঃ মূল্য—৩'০০ টকা






OKDISCD

# বৈঠকখানাত চান´বিল

**অচিন্ত্য নয়ন বেজবৰুৱা**

দিল্লীত ১৯৮২ চনত হোৱা এছীয় ক্ৰীড়া প্ৰতিযোগিতাৰ সময়ৰেপৰা জনপ্ৰিয় হ'বলৈ ধৰা টেলিভিশ্যন বৰ্তমান আমাৰ সামাজিক জীৱনৰ অংগ হৈ পৰিছে। লগতে ভি· ছি· আৰ, ভি· ছি পি, ভিডিঅ' তথা ভিডিঅ' ডিছপ্লে ইউনিট আদিৰো বহুল প্ৰচলন দেখা যায়। কিন্তু সৰ্বসাধাৰণৰ বিশেষকৈ দৰ্শকসকলৰ মংগলাৰ্থে টিভি, ভিডিঅ' আদিৰ বিষয়ে কিছু অপ্ৰিয় কথা কোৱাৰ প্ৰয়োজন।

ভাৰতৰ বাদে পৃথিৱীৰ প্ৰায়বোৰ দেশেই ইতিমধ্যে এই মনোৰঞ্জনৰ আহিলাসমূহৰপৰা হ'বপৰা বিপদ সম্পৰ্কে সতৰ্ক হৈছে।

আজি কেইবছৰমান আগতেই বৃটেইনৰ চিকিৎসা সম্পৰ্কীয় পৰামৰ্শদাতা সমিতিয়ে টিভি আদিৰপৰা হ'ব বিপদ সম্পৰ্কে গুৰুত্বপুৰ্ণ তথা আলোড়নকাৰী বহু তথ্য প্ৰকাশ কৰিছে।

টিভিৰ পৰ্দাৰপৰা অহা তীব্ৰ উজ্জ্বলতাৰ পোহৰ মানব চক্ষু তথা মগজুৰ বাবে অতি ক্ষয়কাৰক। পোহৰ-সংবেদী মৃগীৰোগ (photosensetive epilepsy) টিভিজাত এক ৰোগ। অতি উচ্চ শক্তিৰ পোহৰ চকুত অবিৰতভাৱে নিয়মিত পৰি থকাৰ বাবে এই ৰোগ হয়। বিশেষকৈ ঘনাই প্ৰবলতা তথা আকাৰ সলনি হোৱা পোহৰৰ উৎস (টিভিৰ ছবিৰ দৰে) বেছি ক্ষতিকাৰক। এই বিশেষ মৃগীৰোগত আক্ৰান্ত মানুহৰ প্ৰথমতে মূৰৰ কামোৰণি হয় আৰু তাৰ পাছত চকুৰপৰা পানী নিগঁৰে; আৰু মানুহজনে সাধাৰণ মৃগীৰোগীৰ দৰে আচৰণ আৰম্ভ কৰে। বৃটেইনৰ কৰ্মচাৰী চিকিৎসা পৰামৰ্শদাতা সমিতিৰ মতে এজন মানুহে প্ৰতিদিনে একেৰাহে বহু সময়ৰ বাবে টিভি চালে এই ৰোগ হোৱাটো প্ৰায় নিশ্চিত। ১০ বছৰৰপৰা ১৪ বছৰ বয়সৰ দৰ্শকশ্ৰেণী ইয়াৰ দ্বাৰা বেছি আক্ৰান্ত হয়। উল্লেখযোগ্য যে এই মৃগীৰোগৰ লক্ষণবোৰে ১০ বছৰ বয়সৰ পাছতহে দেখা দিয়ে।

বৰ্তমান ভিডিঅ' ডিছপ্লে ইউনিট বা টাৰ্মিনেল (V. D. U. বা V. D. T.) বিমান-বন্দৰ, ৰেলষ্টেশ্যন, ডাঙৰ দোকান আৰু ব্যৱসায় সংস্থাত ব্যৱহাৰ কৰা হয়। এইবোৰ টেলিভিশ্যন যন্ত্ৰৰে অন্যৰূপ। উৰাজাহাজ, ৰেলগাড়ী আদিৰ টিকট বিক্ৰিৰ হিচাপ ৰাখোঁতেও এনে ধৰণৰ যন্ত্ৰ ব্যৱহাৰ কৰা হয়।

কেইবাবছৰো কাম কৰা ভিডিঅ' চালকসকলৰ মুখত শালমন্ তথা বিভিন্ন আকাৰৰ দাগ সাধাৰণতে দেখা যায়। ভিডিঅ'ৰ পৰাই যে এনে অপকাৰ হয় সেই কথা বিশেষজ্ঞসকলে ইতিমধ্যে স্বীকাৰ কৰিছে। এই সম্পৰ্কে নৰৱেৰ বন্থুৱা তদাৰক কমিটিয়ে প্ৰথম বাতৰি প্ৰকাশ কৰে। তেওঁলোকে কয় যে ভিডিঅ'ৰ সমুখত কাম কৰা ব্যক্তিসকলৰ মুখমণ্ডল, কপাল আদিত ডাঙৰ আকাৰৰ শালমন হয় আৰু সেইবোৰ চুলে অসহনীয় জ্বালাৰ সৃষ্টি হয়। তদুপৰি বহু সময়ত মুখ, ডিঙি আৰু কপালত ৰঙা দাগ দেখা যায়।

আশীৰ দশকৰ প্ৰথম ভাগতেই "মাইক্ৰ'ৱেভ নিউজ" (Microwave News) নামৰ প্ৰত্ৰিকাই ভিডিঅ'ৰ অপকাৰিতাৰ ফলত হোৱা দুৰ্ভাগ্যজনক জন্মগত খুঁতৰ (birth defects) বাতৰি প্ৰকাশ কৰে। মাতৃগৰ্ভত থকা অৱস্থাতে এনে খুঁতৰ সৃষ্টি হয়। পত্ৰিকাখনে আমেৰিকা আৰু কানাডাৰ বহু উদাহৰণ দাঙি ধৰে। কানাডাৰ "ট'ৰ'ণ্ট' ষ্টাৰ" (Toronto Star) কাকতৰ কেইগৰাকীমান মহিলাকৰ্মীৰ উদাহৰণ প্ৰথমে উনুকিয়াই কোৱা হৈছে যে প্ৰথম ৭ গৰাকীৰ ৪ গৰাকীৰ (৫৭·১৪%) বিকলাংগ শিশুৰ জন্ম হৈছে। আমেৰিকাৰ জৰ্জিয়া ৰাজ্যৰ এনে ১১ টি শিশুৰ ৭ টি (৬৩·৬৪%) বিকলাংগ। তদুপৰি অন্য এটা ঘটনাত ১২ টাৰ ভিতৰত ৭ টা (৫৮·৩৩%) গৰ্ভধাৰণৰ ঘটনা এনে বিপৰ্যয়ৰ সন্মুখীন হয়। উক্তঘটনাবোৰত জন্ম পোৱা শিশুসকলৰ ৮ টিৰ (১৬·৬৭%) মৃত্যু হয়। কানাডাৰ মন্ট্ৰিল বিমান-বন্দৰৰ 'চেক-ইন-কাউণ্টাৰ'ত কাম কৰা ১৩ গৰাকী মহিলাৰ ৭ গৰাকীয়ে (৫৩·৮৫%) খুঁত থকা শিশু জন্ম দিয়াটো মন কৰিবলগীয়া। উল্লেখযোগ্য যে এনে মাতৃসকলৰ সকলোৱেই ভিডিঅ' ডিছপ্লে ইউনিটৰ সমুখত কাম কৰিছিল। এই কথাও স্মৰণীয় যে ইয়াৰ আগতে যুক্তৰাষ্ট্ৰ আৰু কানাডা চৰকাৰে ভি ডি ইউ, সম্পূৰ্ণ নিৰাপদ বুলি ঘোষণা কৰিছিল।

এনেবোৰ ঘটনাৰ পৰিপ্ৰেক্ষিতত আৰু কৰ্মচাৰী সংস্থাৰ দাবীত কানাডাৰ তিনিটা ঔদ্যোগিক খণ্ডই ভিডিইউ ৰ সমুখত কাম কৰা মহিলাক গৰ্ভাৱস্থাত কামৰপৰা বিৰত থকাৰ অধিকাৰ প্ৰদান কৰিছে।

কম্পিউটাৰৰ ভিডিইউৰ সন্মুখত একেৰাহে কাম কৰাৰ ফলত চকুৰে ধোঁৱা-কোঁৱা দেখা এক অৱস্থাৰ সৃষ্টি হয়। এইটো হ'ল "মেকক'ল'ফ এফেক্ট" (McCollough Effect)। তদুপৰি কম্পিউটাৰ চালকসকলে ৰং-বিভ্ৰান্তিৰ (colour illusion) বাবে ব'গা আখৰ পাতল গুলপীয়া দেখে। বহু সময় কম্পিউটাৰৰ সন্মুখত কাম কৰাৰ প্ৰতিক্ৰিয়া কেইবাঘণ্টা আনকি কেইবা দিনলৈও থাকিব পাৰে। New England Journal of Medicine অত মাৰ্ক জে গ্ৰিনৱাল্ড (Mark J. Greenwald) আৰু দুজন গৱেষকে এই মেকক'ল'ফ এফেক্ট বহু সময়লৈ থাকে বুলি কৈছে। মানব শৰীৰৰ স্নায়ুতন্ত্ৰৰ ওপৰত পৰা চাপৰ ফলত ইয়াৰ সৃষ্টি হয়। বৰ্তমানে এই কথাও প্ৰমাণিত হৈছে যে কম্পিউটাৰ কক্ষত কাম কৰা ব্যক্তিসকলৰ তীব্ৰ মূৰৰ বিষ হোৱাৰ সম্ভাৱনা শতকৰা পঁচিছ ভাগ।

চকুৰ মায়'পিয়া (myopia) বা দুৰলৈ নেদেখা অৱস্থা এটা নিয়মিত টেলিভিশ্যন চোৱাৰ বাবে হ'ব পাৰে। চকুত অস্বাভাৱিক পোৰণি হৈ চকু ৰঙা পৰিব পাৰে আৰু চকুৰ পানী ওলাব পাৰে। দৃষ্টিভ্ৰমৰ বাবে আক্ৰান্ত ব্যক্তিজনে প্ৰকৃত বস্তুটোৰ ঠাইত কেৱল কিছুমান ক'লা ফুট-ফুট আকাৰ বা গঠন দেখা পায়; লগতে থাকে অসহনীয় মূৰৰ বিষ। আনকি চকুৰ কেটেৰেক্টৰো (catarect) সৃষ্টি হ'ব পাৰে।

এই অপকাৰবোৰৰ প্ৰকৃত কাৰণনো কি? টিভি, ভিডিঅ' আদিয়ে কম মাত্ৰাত তেজষ্ক্ৰিয় (radioactive) তথা অতিবেঙুনী (ultra violet) ৰশ্মি নিৰ্গত কৰে। তেজষ্ক্ৰিয় ৰশ্মিৰ ভিতৰত এক্সৰে' হল প্ৰধান। এনে ৰশ্মিৰ প্ৰতিক্ৰিয়া সম্পৰ্কে বৰ্তমান প্ৰায় সকলো মানুহেই সতৰ্ক। আজি কিছুদিনৰ আগতে ঘটা ছোভিয়েট ৰুছিয়াৰ চান'ৰিলৰ আণবিক দুৰ্ঘটনা প্ৰায় সকলোৰে স্মৃতিত সজীৱ। টিভি বা ভিডিঅ'ৰ পৰা অতিমাত্ৰাত তেজষ্ক্ৰিয় পদাৰ্থ নোলায় যদিও দীঘলীয়া তথা নিয়মিতভাৱে এনে ৰশ্মি নিৰ্গত হোৱাৰ ফলত প্ৰতিক্ৰিয়া হ'ব পাৰে। বেৰি কমনাৰৰ (Bary Commoner) দ্বাৰা সম্পাদিত এখন কিতাপত ("Radioactive Contamination"—Virginia Brodine) এই বুলি সতৰ্ক কৰি দিয়া হৈছে যে টিভি, ভিডিঅ'ৰ দৰে আহিলাৰ পৰা নিৰ্গত ৰশ্মিৰ প্ৰাৰম্ভিক অপকাৰ অতি কম; কিন্তু পাছলৈ মূৰ্চ্ছা যোৱা ৰোগ তথা ব্যক্তিৰ জৈৱিক (biological) গঠনৰ পৰিবৰ্তন হব পাৰে। তদুপৰি অস্থায়ী প্ৰজননহীনতা বা দুৰ্বল প্ৰজনন ক্ষমতাই দেখা দিব পাৰে। কৰ্কট ৰোগ, শৰীৰৰ ৰোগ প্ৰতিৰোধ ক্ষমতা কমোৱা, অসমতাপূৰ্ণ দেহ গঠন (impaired growth) আৰু আয়ুস কমি যোৱা কম মাত্ৰাৰ তেজষ্ক্ৰিয় পদাৰ্থৰ বাবেও হয়।

গৰ্ভৱতী মাতৃয়ে টেলিভিশ্যন, ভিডিঅ' আদি চোৱা সন্তানৰ ভৱিষ্যত চিন্তা কৰিয়েই কমোৱা বা ত্যাগ কৰা ভাল। জিন (gene) হ'ল পিতৃ-মাতৃৰপৰা সন্তানলৈ বংশগত গুণাগুণ বহন কৰা এক বিশেষ জৈৱিক গঠন। এইবোৰ জীৱকোষত পোৱা যায় আৰু ইহঁত বহু প্ৰ'টিন গঠনৰ বাবেও লাগতিয়াল। তেজষ্ক্ৰিয় ৰশ্মিৰ প্ৰভাৱত জিনৰ পৰিবৰ্তন (genetic mutation) হোৱাৰ ফলত মানুহৰ সন্তান সম্পূৰ্ণ বেলেগ গুণধাৰী হ'বও পাৰে। এনে পৰিবৰ্তনৰ ফলত বহু অস্বাভাৱিক আৰু ভয়াবহ ৰোগৰো সৃষ্টি হয়। পৰিবৰ্তিত কোষে শৰীৰৰ বহু লাগতিয়াল উপাদান (এনজাইম আদি) উৎপাদন কৰিব নোৱৰাৰ ফলত নবজাত ব্যক্তিৰ মানসিক অপৰিপক্কতাই (retardation and immaturity) দেখা দিয়ে।

বৰ্তমান বহু দেশত টেলিভিশ্যন উৎপাদনকাৰীসকলৰ ওপৰত বিশেষ নিয়ম-নীতি কৰি এই অপকাৰিতাসমূহ ৰোধ কৰাৰ চেষ্টা চলিছে। অপকাৰী ৰশ্মি শোষণৰ বাবে বিশেষ শোষকৰ (filter) ব্যৱস্থা থকা উচিত। অৱশ্যে ভাৰতৰ দৰে দেশত (য'ত বিশ্ব স্বাস্থ্য সংস্থাই নিষেধ কৰা দৰবো ৰোগীক দিয়া হয়) টেলিভিশ্যনৰ অপকাৰিতাৰ গুৰুত্বপূৰ্ণ কথা নহয়; গুৰুত্বপূৰ্ণ হ'ল ৰাজনৈতিক স্বাৰ্থহে।

বৰ্তমান অসমতো টেলিভিশ্যন উৎপাদনৰ পৰিপ্ৰেক্ষিতত উৎপাদন গোট, সচেতন নাগৰিক তথা চিকিৎসক বিজ্ঞানীৰ পৰা আমি নিৰপেক্ষ অধ্যয়ন তথা তৎপৰ ব্যৱস্থা আশা কৰোঁ।

এই কথা অৱশ্যেই স্বীকাৰ্য যে টেলিভিশ্যন নোচোৱাকৈ থকাতো প্ৰায় অসম্ভৱ। সেয়েহে যিমান পাৰি কম অপকাৰ হোৱালৈ লক্ষ্য ৰাখি দৰ্শকসকলে নিম্নোক্ত ব্যৱস্থাসমূহ গ্ৰহণ কৰিব পাৰে:

(১) টেলিভিশ্যন কেতিয়াও একেৰাহে নাচাব। প্ৰতিটো অনুষ্ঠান চোৱাৰ অভ্যাস ত্যাগ কৰক।

(২) আন্ধাৰ কোঠাত অনুষ্ঠান নাচাব। টিভি বা ভিডিঅ' কক্ষত উপযুক্ত সৌৰ ৰশ্মি পৰাৰ ব্যৱস্থা থাকিব লাগে। নিশা কোঠাৰ দুয়োকাষে দুটা পোহৰৰ উৎসৰ (side lights) ব্যৱস্থা কৰাটো অপৰিহাৰ্য।

(৩) টিভি আৰু দৰ্শকৰ মাজৰ নিম্নতম দুৰত্ব হ'ব লাগে ৩-৪ মিটাৰ (১০-১২ ফুট)।

(৪) বহুসময় অনুষ্ঠান চাবলগা হ'লে মাজে মাজে চকু মুদি চকুক বিশ্ৰাম দিয়ক!

(৫) টেলিভিশ্যন সদায় জনাজাত উৎপাদকৰ পৰাহে কিনিব লাগে।

(৬) ক'লা-ব'গা যন্ত্ৰৰ ক্ষেত্ৰত এখন পাতল ৰঙৰ অতিৰিক্ত পৰ্দা লগোৱাটো বাঞ্চনীয়।

(৭) ভল্টেজ নিয়ন্ত্ৰণকাৰী যন্ত্ৰ বাধ্যতামূলক হ'ব লাগে।

(৮) টিভি চোৱা কোঠাত কাৰ্পেট ব্যৱহাৰ কৰিব পাৰিলে ভাল।

(৯) টিভি উৎপাদন গোটত আৰ্দ্ৰতা (humidity) নিয়ন্ত্ৰণকাৰী ব্যৱস্থাৰে আৰ্দ্ৰতা অন্ততঃ শতকৰা ৫০ভাগ কৰি ৰখা প্ৰয়োজন।

সিন্ধুৰাণী চৌধুৰানীৰ
পতী-পত্নীৰ ধৰ্ম

প্ৰকাশক:
শ্ৰীখগেন্দ্ৰনাৰায়ণ দত্তবৰুৱা
এলবিএছ পাব্লিকেশ্যন
জি. এন. বৰদলৈ ৰ'ড,
আমবাৰী, গুৱাহাটী-১





OKDISCD

# বৈঠকখানাত চান'বিল

অচিন্ত্য নয়ন বেজবৰুৱা

দিল্লীত ১৯৮২ চনত হোৱা এছীয় ক্ৰীড়া প্ৰতিযোগিতাৰ সময়ৰেপৰা জনপ্ৰিয় হ'বলৈ ধৰা টেলিভিশ্যন বৰ্তমান আমাৰ সামাজিক জীৱনৰ অংগ হৈ পৰিছে। লগতে ভি. ছি. আৰ, ভি. ছি পি, ভিডিঅ' তথা ভিডিঅ' ডিছপ্লে ইউনিট আদিৰো বহুল প্ৰচলন দেখা যায়। কিন্তু সৰ্বসাধাৰণৰ বিশেষকৈ দৰ্শকসকলৰ মংগলাৰ্থে টিভি, ভিডিঅ' আদিৰ বিষয়ে কিছু অপ্ৰিয় কথা কোৱাৰ প্ৰয়োজন।

ভাৰতৰ বাদে পৃথিৱীৰ প্ৰায়বোৰ দেশেই ইতিমধ্যে এই মনোৰঞ্জনৰ আহিলাসমূহৰপৰা হ'বপৰা বিপদ সম্পৰ্কে সতৰ্ক হৈছে।

আজি কেইবছৰমান আগতেই বৃটেইনৰ চিকিৎসা সম্পৰ্কীয় পৰামৰ্শদাতা সমিতিয়ে টিভি আদিৰপৰা হ'ব বিপদ সম্পৰ্কে গুৰুত্বপুৰ্ণ তথা আলোড়নকাৰী বহু তথ্য প্ৰকাশ কৰিছে।

টিভিৰ পৰ্দাৰপৰা অহা তীব্ৰ উজ্জ্বলতাৰ পোহৰ মানব চক্ষু তথা মগজুৰ বাবে অতি ক্ষয়কাৰক। পোহৰ-সংবেদী মৃগীৰোগ (photosensetive epilepsy) টিভিজাত এক ৰোগ। অতি উচ্চ শক্তিৰ পোহৰ চকুত অবিৰতভাৱে নিয়মিত পৰি থকাৰ বাবে এই ৰোগ হয়। বিশেষকৈ ঘনাই প্ৰবলতা তথা আকাৰ সলনি হোৱা পোহৰৰ উৎস (টিভিৰ ছবিৰ দৰে) বেছি ক্ষতিকাৰক। এই বিশেষ মৃগীৰোগত আক্ৰান্ত মানুহৰ প্ৰথমতে মূৰৰ কামোৰণি হয় আৰু তাৰ পাছত চকুৰপৰা পানী নিগৰে; আৰু মানুহজনে সাধাৰণ মৃগীৰোগীৰ দৰে আচৰণ আৰম্ভ কৰে। বৃটেইনৰ কৰ্মচাৰী চিকিৎসা পৰামৰ্শদাতা সমিতিৰ মতে এজন মানুহে প্ৰতিদিনে একেৰাহে বহু সময়ৰ বাবে টিভি চালে এই ৰোগ হোৱাটো প্ৰায় নিশ্চিত। ১০ বছৰৰপৰা ১৪ বছৰ বয়সৰ দৰ্শক-শ্ৰেণী ইয়াৰ দ্বাৰা বেছি আক্ৰান্ত হয়। উল্লেখযোগ্য যে এই মৃগীৰোগৰ লক্ষণবোৰে ১০ বছৰ বয়সৰ পাছতহে দেখা দিয়ে।

বৰ্তমান ভিডিঅ' ডিছপ্লে ইউনিট বা টাৰ্মিনেল (V. D. U. বা V. D. T.) বিমান-বন্দৰ, ৰেলষ্টেশ্যন, ডাঙৰ দোকান আৰু ব্যৱসায় সংস্থাত ব্যৱহাৰ কৰা হয়। এইবোৰ টেলিভিশ্যন যন্ত্ৰৰে অনুৰূপ। উৰাজাহাজ, ৰেলগাড়ী আদিৰ টিকট বিক্ৰিৰ হিচাপ ৰাখোঁতেও এনে ধৰণৰ যন্ত্ৰ ব্যৱহাৰ কৰা হয়।

কেইবাবছৰো কাম কৰা ভিডিঅ' চালকসকলৰ মুখত শালমন তথা বিভিন্ন আকাৰৰ দাগ সাধাৰণতে দেখা যায়। ভিডিঅ'ৰ পৰাই যে এনে অপকাৰ হয় সেই কথা বিশেষজ্ঞসকলে ইতিমধ্যে স্বীকাৰ কৰিছে। এই সম্পৰ্কে নৰৱেৰ বন্ধুৱা তদাৰক কমিটিয়ে প্ৰথম বাতৰি প্ৰকাশ কৰে। তেওঁলোকে কয় যে ভিডিঅ'ৰ সমুখত কাম কৰা ব্যক্তিসকলৰ মুখমণ্ডল, কপাল আদিত ডাঙৰ আকাৰৰ শালমন হয় আৰু সেইবোৰ চুলে অসহনীয় জ্বালাৰ সৃষ্টি হয়। তদুপৰি বহু সময়ত মুখ, ডিঙি আৰু কপালত ৰঙা দাগ দেখা যায়।

আশীৰ দশকৰ প্ৰথম ভাগতেই "মাইক্ৰ'ৱেভ নিউজ" (Microwave News) নামৰ প্ৰত্ৰিকাই ভিডিঅ'ৰ অপকাৰিতাৰ ফলত হোৱা দুৰ্ভাগ্যজনক জন্মগত খুঁতৰ (birth defects) বাতৰি প্ৰকাশ কৰে। মাতৃগৰ্ভত থকা অৱস্থাতে এনে খুঁতৰ সৃষ্টি হয়। পত্ৰিকাখনে আমেৰিকা আৰু কানাডাৰ বহু উদাহৰণ দাঙি ধৰে। কানাডাৰ "ট'ৰ'ণ্ট' ষ্টাৰ" (Toronto Star) কাকতৰ কেইগৰাকীমান মহিলাকৰ্মীৰ উদাহৰণ প্ৰথমে উনুকিয়াই কোৱা হৈছে যে প্ৰথম ৭ গৰাকীৰ ৪ গৰাকীৰ (৫৭.১৪%) বিকলাংগ শিশুৰ জন্ম হৈছে। আমেৰিকাৰ জৰ্জিয়া ৰাজ্যৰ এনে ১১ টি শিশুৰ ৭ টি (৬৩.৬৪%) বিকলাংগ। তদুপৰি অন্য এটা ঘটনাত ১১ টাৰ ভিতৰত ৭ টা (৫৮.৩৩%) গৰ্ভধাৰণৰ ঘটনা এনে বিপৰ্যয়ৰ সন্মুখীন হয়। উক্তঘটনাবোৰত জন্ম পোৱা শিশুসকলৰ ৮ টিৰ (১৬.৬৭%) মৃত্যু হয়। কানাডাৰ মন্ট্ৰিল বিমান-বন্দৰৰ 'চেক-ইন-কাউণ্টাৰ'ত কাম কৰা ১৩ গৰাকী মহিলাৰ ৭ গৰাকীয়ে (৫৩.৮৫%) খুঁত থকা শিশু জন্ম দিয়াটো মন কৰিবলগীয়া। উল্লেখযোগ্য যে এনে মাতৃসকলৰ সকলোৱেই ভিডিঅ' ডিছপ্লে ইউনিটৰ সমুখত কাম কৰিছিল। এই কথাও স্মৰণীয় যে ইয়াৰ আগতে যুক্তৰাষ্ট্ৰ আৰু কানাডা চৰকাৰে ভি ডি ইউ, সম্পূৰ্ণ নিৰাপদ বুলি ঘোষণা কৰিছিল।

এনেবোৰ ঘটনাৰ পৰিপ্ৰেক্ষিতত আৰু কৰ্মচাৰী সংস্থাৰ দাবীত কানাডাৰ তিনিটা ঔদ্যোগিক খণ্ডই ভিডিইউৰ সমুখত কাম কৰা মহিলাক গৰ্ভাৱস্থাত কামৰপৰা বিৰত থকাৰ অধিকাৰ প্ৰদান কৰিছে।

কম্পিউটাৰৰ ভিডিইউৰ সন্মুখত একেৰাহে কাম কৰাৰ ফলত চকুৰে ধোঁৱা-কোঁৱা দেখা এক অৱস্থাৰ সৃষ্টি হয়। এইটো হ'ল "মেকক'ল'ফ এফেক্ট" (McCollough Effect)। তদুপৰি কম্পিউটাৰ চালকসকলে ৰং-বিভ্ৰান্তিৰ (colour illusion) বাবে ব'গা আখৰ পাতল গুলপীয়া দেখে। বহু সময় কম্পিউটাৰৰ সন্মুখত কাম কৰাৰ প্ৰতিক্ৰিয়া কেইবাঘণ্টা আনকি কেইবা দিনলৈও থাকিব পাৰে। New England Journal of Medicine অত মাৰ্ক জে গ্ৰিনৱাল্ড (Mark J. Greenwald) আৰু দুজন গৱেষকে এই মেকক'ল'ফ এফেক্ট বহু সময়লৈ থাকে বুলি কৈছে। মানব শৰীৰৰ স্নায়ুতন্ত্ৰৰ ওপৰত পৰা চাপৰ ফলত ইয়াৰ সৃষ্টি হয়। বৰ্তমানে এই কথাও প্ৰমাণিত হৈছে যে কম্পিউটাৰ কক্ষত কাম কৰা ব্যক্তিসকলৰ তীব্ৰ মূৰৰ বিষ হোৱাৰ সম্ভাৱনা শতকৰা পঁচিছ ভাগ।

চকুৰ মায়'পিয়া (myopia) বা দূৰলৈ নেদেখা অৱস্থা এটা নিয়মিত টেলিভিশ্যন চোৱাৰ বাবে হ'ব পাৰে। চকুত অস্বাভাৱিক পোৰণি হৈ চকু ৰঙা পৰিব পাৰে আৰু চকুৰ পানী ওলাব পাৰে। দৃষ্টিভ্ৰমৰ বাবে আক্ৰান্ত ব্যক্তিজনে প্ৰকৃত বস্তুটোৰ ঠাইত কেৱল কিছুমান ক'লা ফুট-ফুট আকাৰ বা গঠন দেখা পায়; লগতে থাকে অসহনীয় মূৰৰ বিষ। আনকি চকুৰ কেটেৰেক্টৰো (catarect) সৃষ্টি হ'ব পাৰে।

এই অপকাৰবোৰৰ প্ৰকৃত কাৰণনো কি? টিভি, ভিডিঅ' আদিয়ে কম মাত্ৰাত তেজষ্ক্ৰিয় (radioactive) তথা অতিবেঙুনী (ultra violet) ৰশ্মি নিৰ্গত কৰে। তেজষ্ক্ৰিয় ৰশ্মিৰ ভিতৰত এক্সৰে' হল প্ৰধান। এনে ৰশ্মিৰ প্ৰতিক্ৰিয়া সম্পৰ্কে বৰ্তমান প্ৰায় সকলো মানুহেই সতৰ্ক। আজি কিছুদিনৰ আগতে ঘটা ছোভিয়েট ৰুছিয়াৰ চান'বিলৰ আণবিক দুৰ্ঘটনা প্ৰায় সকলোৰে স্মৃতিত সজীৱ। টিভি বা ভিডিঅ'ৰ পৰা অতিমাত্ৰাত তেজষ্ক্ৰিয় পদাৰ্থ নোলায় যদিও দীঘলীয়া তথা নিয়মিতভাৱে এনে ৰশ্মি নিৰ্গত হোৱাৰ ফলত প্ৰতিক্ৰিয়া হ'ব পাৰে। বেৰি কমনাৰৰ (Bary Commoner) দ্বাৰা সম্পাদিত এখন কিতাপত ("Radioactive Contamination"—Virginia Brodine) এই বুলি সতৰ্ক কৰি দিয়া হৈছে যে টিভি, ভিডিঅ'ৰ দৰে আহিলাৰ পৰা নিৰ্গত ৰশ্মিৰ প্ৰাৰম্ভিক অপকাৰ অতি কম; কিন্তু পাছলৈ মূৰ্চ্ছা যোৱা ৰোগ তথা ব্যক্তিৰ জৈৱিক (biological) গঠনৰ পৰিৱৰ্তন হ'ব পাৰে। তদুপৰি অস্থায়ী প্ৰজননহীনতা বা দুৰ্বল প্ৰজনন ক্ষমতাই দেখা দিব পাৰে। কৰ্কট ৰোগ, শৰীৰৰ ৰোগ প্ৰতিৰোধ ক্ষমতা কমোৱা, অসমতাপূৰ্ণ দেহ গঠন (impaired growth) আৰু আয়ুস কমি যোৱা কম মাত্ৰাৰ তেজষ্ক্ৰিয় পদাৰ্থৰ বাবেও হয়।

গৰ্ভৱতী মাতৃয়ে টেলিভিশ্যন, ভিডিঅ' আদি চোৱা সন্তানৰ ভৱিষ্যত চিন্তা কৰিয়েই কমোৱা বা ত্যাগ কৰা ভাল। জিন (gene) হ'ল পিতৃ-মাতৃৰপৰা সন্তানলৈ বংশগত গুণাগুণ বহন কৰা এক বিশেষ জৈৱিক গঠন। এইবোৰ জীৱকোষত পোৱা যায় আৰু ইহঁত বহু প্ৰ'টিন গঠনৰ বাবেও লাগতিয়াল। তেজষ্ক্ৰিয় ৰশ্মিৰ প্ৰভাৱত জিনৰ পৰিৱৰ্তন (genetic mutation) হোৱাৰ ফলত মানুহৰ সন্তান সম্পূৰ্ণ বেলেগ গুণধাৰী হ'বও পাৰে। এনে পৰিৱৰ্তনৰ ফলত বহু অস্বাভাৱিক আৰু ভয়াবহ ৰোগৰো সৃষ্টি হয়। পৰিৱৰ্তিত কোষে শৰীৰৰ বহু লাগতিয়াল উপাদান (এনজাইম আদি) উৎপাদন কৰিব নোৱৰাৰ ফলত নৱজাত ব্যক্তিৰ মানসিক অপৰিপক্কতাই (retardation and immaturity) দেখা দিয়ে।

বৰ্তমান বহু দেশত টেলিভিশ্যন উৎপাদনকাৰীসকলৰ ওপৰত বিশেষ নিয়ম-নীতি কৰি এই অপকাৰিতাসমূহ ৰোধ কৰাৰ চেষ্টা চলিছে। অপকাৰী ৰশ্মি শোষণৰ বাবে বিশেষ শোষকৰ (filter) ব্যৱস্থা থকা উচিত। অৱশ্যে ভাৰতৰ দৰে দেশত (য'ত বিশ্ব স্বাস্থ্য সংস্থাই নিষেধ কৰা দৰবো ৰোগীক দিয়া হয়) টেলিভিশ্যনৰ অপকাৰিতাৰ গুৰুত্বপূৰ্ণ কথা নহয়; গুৰুত্বপূৰ্ণ হ'ল ৰাজনৈতিক স্বাৰ্থহে।

বৰ্তমান অসমতো টেলিভিশ্যন উৎপাদনৰ পৰিপ্ৰেক্ষিতত উৎপাদন গোট, সচেতন নাগৰিক তথা চিকিৎসক বিজ্ঞানীৰ পৰা আমি নিৰপেক্ষ অধ্যয়ন তথা তৎপৰ ব্যৱস্থা আশা কৰোঁ।

এই কথা অৱশ্যেই স্বীকাৰ্য যে টেলিভিশ্যন নোচোৱাকৈ থকাতো প্ৰায় অসম্ভৱ। সেয়েহে যিমান পাৰি কম অপকাৰ হোৱালৈ লক্ষ্য ৰাখি দৰ্শকসকলে নিম্নোক্ত ব্যৱস্থাসমূহ গ্ৰহণ কৰিব পাৰে:

(১) টেলিভিশ্যন কেতিয়াও একেৰাহে নাচাব। প্ৰতিটো অনুষ্ঠান চোৱাৰ অভ্যাস ত্যাগ কৰক।

(২) আন্ধাৰ কোঠাত অনুষ্ঠান নাচাব। টিভি বা ভিডিঅ' কক্ষত উপযুক্ত সৌৰ ৰশ্মি পৰাৰ ব্যৱস্থা থাকিব লাগে। নিশা কোঠাৰ দুয়োকাষে দুটা পোহৰৰ উৎসৰ (side lights) ব্যৱস্থা কৰাটো অপৰিহাৰ্য।

(৩) টিভি আৰু দৰ্শকৰ মাজৰ নিম্নতম দূৰত্ব হ'ব লাগে ৩-৪ মিটাৰ (১০-১২ ফুট)।

(৪) বহুসময় অনুষ্ঠান চাবলগা হ'লে মাজে মাজে চকু মুদি চকুক বিশ্ৰাম দিয়ক!

(৫) টেলিভিশ্যন সদায় জনাজাত উৎপাদকৰ পৰাহে কিনিব লাগে।

(৬) ক'লা-ব'গা যন্ত্ৰৰ ক্ষেত্ৰত এখন পাতল ৰঙৰ অতিৰিক্ত পৰ্দা লগোৱাটো বাঞ্চনীয়।

(৭) ভল্টেজ নিয়ন্ত্ৰণকাৰী যন্ত্ৰ বাধ্যতামূলক হ'ব লাগে।

(৮) টিভি চোৱা কোঠাত কাৰ্পেট ব্যৱহাৰ কৰিব পাৰিলে ভাল।

(৯) টিভি উৎপাদন গোটত আৰ্দ্ৰতা (humidity) নিয়ন্ত্ৰণকাৰী ব্যৱস্থাৰে আৰ্দ্ৰতা অন্ততঃ শতকৰা ৫০ভাগ কৰি ৰখা প্ৰয়োজন।


সিন্ধুৰাণী চৌধুৰানীৰ
পতী-পত্নীৰ ধৰ্ম

প্ৰকাশক:
শ্ৰীখগেন্দ্ৰনাৰায়ণ দত্তবৰুৱা
এলবিএছ পাব্লিকেশ্যন
জি. এন. বৰদলৈ ৰ'ড,
আমবাৰী, গুৱাহাটী-১

শাস্ত্ৰত বিজ্ঞান ঃ

# শিখণ্ডী বৃহন্নলা

ডঃ কালীনাথ শৰ্মা

মহাভাৰতত শিখণ্ডী বুলি এটা চৰিত্ৰ আছে। ইচ্ছা মৃত্যু ভীষ্মৰ লগত সম্বন্ধিত হোৱা বাবেই শিখণ্ডীও এটা ডাঙৰ চৰিত্ৰ হৈ পৰিছে। শান্তনুৱে ভীষ্মৰ ত্যাগত মুগ্ধ আৰু সত্যৱতীক পাই অতি আনন্দিত হৈ পুতেকক ইচ্ছা মৃত্যু বৰ দিছিল। ঋষি-মুনিৰ যুগত এইদৰে নিজৰ ইচ্ছামতে দেহ ত্যাগ কৰিব পৰা যোগসিদ্ধ পুৰুষৰ বহু উল্লেখ পোৱা যায়। দধীচিয়ে বজ্ৰ তৈয়াৰ কৰিবলৈ নিজ ইচ্ছামতে দেহ ত্যাগ কৰি ইন্দ্ৰক নিজৰ কংকাল দান কৰিছিল। শিবি ৰজাই ধৰ্মৰ পৰীক্ষাত বহি শেন চৰাই এটাক নিজৰ গাৰ মঙহ কাটি কাটি দি মৃত্যুৰ মুখত পৰিছিল।

কিন্তু ভীষ্মৰ কথাটো বেলেগ। তেওঁ প্ৰতিজ্ঞা কৰিছিল যে তেওঁ তিৰোতাৰ গাত অস্ত্ৰ প্ৰয়োগ নকৰে। মহাভাৰতত ব্যাসদেৱে তিৰোতাক ৰণ ক্ষেত্ৰত নমোৱা নাই। সুভদ্ৰাক ৰথচালনা কৰিবলৈ দিছে, কিন্তু হাতত ধনুৰ্বাণ দিয়া নাই। পুৰাণবিলাকত হ'লে আনৰ দেহত শক্তি সঞ্চাৰ কৰাৰ লগতে দেবী নিজে অসুৰঘাতিনীও হৈছে। ৰামায়ণ আৰু মহাভাৰত ইতিহাস-শাস্ত্ৰ। এই দুখন শাস্ত্ৰত আৰ্য নাৰীক ৰণ ৰংগিনীৰূপে পৰিচয় দিয়া নাই; ৰাক্ষস, পিশাচ, অসুৰ আদি কুলৰ ৰমণীয়ে সংহাৰ মূৰ্তি ধৰি ৰণাংগনত প্ৰবেশ কৰা আৰু প্ৰায়ে আৰ্যৰ হাতত প্ৰাণ দিয়াৰ কথা পুৰাণত আছে।

কিন্তু ভীষ্ম নমৰিলে কুৰুক্ষেত্ৰ শান্ত নহয় আৰু শ্ৰীকৃষ্ণৰ মিত্ৰপক্ষ নাবাচে। দেখাত তিৰোতা নহয়, কিন্তু জন্ম বৃত্তান্তত নাৰীত্ব থকা কোনো ব্যক্তিৰ দ্বাৰা উদ্দেশ্য সাধন কৰিবলৈকে শিখণ্ডী চৰিত্ৰৰ সৃষ্টি। কাব্যিক সততা ৰক্ষা কৰিবলৈ ব্যাসদেৱে এই সৃষ্টিৰ কাহিনীও অতি অনুপম কৰিছে।

অম্বা, অম্বিকা, অম্বালিকা বুলি তিনিগৰাকী ৰাজকন্যাক ভীষ্মই ভাই-বোৱাৰী কৰিবলৈ ৰথত তুলি লৈ আহিল। অম্বাই বাটতে তেওঁৰ শাল্ব প্ৰেমৰ কথা ভীষ্মৰ আগত প্ৰকাশ কৰিলে। মনেৰে বৰণ কৰা প্ৰথম প্ৰিয়জনেই নাৰীৰ স্বামী হোৱা বাঞ্চনীয় বুলি ভীষ্মই অম্বাক শাল্ব ৰজাৰ ওচৰলৈ যাবলৈ দিলে। শাল্ব ৰাজে অপহৃতা অম্বাক উদ্ধাৰ কৰিবলৈ ভীষ্মৰ লগত যুঁজি পৰাজিত হৈছিল। লাজ আৰু ধিক্কাৰত তেওঁ অম্বাৰ ফালে মূৰ দাঙিয়েই নাচালে। অম্বাই তেতিয়া পুনঃ ভীষ্মৰ ওচৰলৈ আহি আত্ম সমৰ্পণ কৰিছিল। কিন্তু দৈহিকভাৱে নহ'লেও মানসিকভাৱে দ্বিচাৰিণী হোৱা অম্বাক তেওঁ প্ৰত্যাখ্যান কৰিলে। এই প্ৰত্যাখ্যাতা নাৰীয়ে ভীষ্মৰ মৃত্যু কামনা কৰি শিৱক তপস্যা কৰিছিল। জন্মান্তৰত পুৰুষৰূপে জন্মি ভীষ্মক মাৰিব পাৰিব বুলি মহাদেৱে তেওঁক বৰ দিছিল। নাৰী জন্মৰ অন্তত অম্বা দ্ৰুপদ ৰজাৰ ঘৰত শিখণ্ডীৰূপে উপজিল। তেওঁৰ জন্ম বৃত্তান্তত নাৰীত্ব আছে— এই কথাকে ব্যাসদেৱে কৈছে। ভীষ্মৰ কাৰণে শিখণ্ডী পুৰুষ নহয়, আচলতে নাৰী, আৰু প্ৰতিশোধ লবলৈহে মহাদেৱৰ ইচ্ছাক্ৰমে নাৰীদেহ এৰি পুৰুষাকৃতি ধাৰণ কৰিছে। অসিয়েই হওক, বৰ্শাই হওক বা বাণেই হওক— সি লোহাই।

শিখণ্ডীয়ে অৰ্জুনৰ লগত ৰথত বহি নিৰ্বিবাদে ভীষ্মৰ গালৈ বাণ নিক্ষেপ কৰিবলৈ ধৰিলে। প্ৰতিযোদ্ধাৰূপে শিখণ্ডীক দেখি ভীষ্মই অস্ত্ৰত্যাগ কৰিছিল আৰু সেই ছেগতে অৰ্জুনে শৰেৰে ভীষ্মক থকাসৰকা কৰিলে। কোন পাত শৰ শিখণ্ডীৰ আৰু কোন পাত অৰ্জুনৰ এই কথা ভীষ্মই জানিছিল। শিখণ্ডীৰ শৰে অৰ্জুনৰ শৰৰ দৰে আঘাত কৰিব নোৱাৰে, কাৰণ তেওঁ ৰূপত পুৰুষ হ'লেও গাত তিৰোতাৰ বলহে বিদ্যমান,— অন্ততঃ ভীষ্মৰ কাৰণে।

শিখণ্ডীৰ দৰে আৰু এটা চৰিত্ৰও মহাভাৰতত আছে: বৃহন্নলা। মধ্যম পাণ্ডৱ অৰ্জুন এবছৰৰ কাৰণে বৃহন্নলা হৈছিল। ব্যাসদেৱে পাণ্ডৱৰ অজ্ঞাতবাসৰ কালছোৱা বিফল হ'বলৈ দিব নোৱাৰে। অজ্ঞাত পাণ্ডৱ যদি জনাজাত হৈ যায়, তেন্তে মহাভাৰত আচলতে অশুদ্ধ হ'ব। অৰ্জুনত বাহিৰে বাকী পাণ্ডৱ চাৰিজন মানুহ; কিন্তু অৰ্জুন নাৰায়ণৰ অংশ। তাতে তেওঁ দেৱতাৰ ৰজা ইন্দ্ৰৰ ঔৰষজাত। যুধিষ্ঠিৰ, ভীম, নকুল, সহদেৱৰ দৰে তেওঁক সাধাৰণ ভেশচৰ্নেৰে লুকুৱাই ৰখা অসম্ভৱ;— জুইক ছাইৰে ঢাকিব নোৱাৰি। গতিকে কেৱল ৰূপেই নহয়, অজ্ঞাতবাসৰ সময়খিনিত অৰ্জুনৰ চৰিত্ৰও সলনি হ'ল।

দেৱতাই হওক বা মানুহেই হওক, কিবা বেয়া কাম কৰিলেহে তেওঁলোক শাপগ্ৰস্ত হয়। শাওপাতে প্ৰায় প্ৰায়শ্চিত্তৰ কাম কৰে। কিন্তু অৰ্জুনক উৰ্বশীয়ে দিয়া শাওপাতৰ বেলিকা অৰ্জুনৰ কোনো দোষ নাছিল, দোষ আছিল উৰ্বশীৰ। অৰ্জুনে ইন্দ্ৰক কথাটো কোৱাত ইন্দ্ৰই হাঁহি হাঁহি এই শাপেই অৰ্জুনৰ বাবে বৰ হ'ব বুলি কৈছিল। উৰ্বশীৰ কাম বাসনা চৰিতাৰ্থ কৰিবলৈ অসম্মত হোৱা বাবে অৰ্জুনে নপুংসত্বৰ শাস্তি পালে। ইন্দ্ৰই এই নপুংসত্বৰ কাল এবছৰ কৰি অৰ্জুনৰ বৰ উপকাৰ কৰিলে। বিৰাট ৰজাৰ অন্দৰমহলত বৃহন্নলাক কোনেও অৰ্জুন বুলি ভাবিবকে নোৱাৰিলে। সেই সময়ত শ্ৰীকৃষ্ণ বিৰাট ৰজাৰ ঘৰলৈ আহিলে পাণ্ডৱৰ অজ্ঞাতবাসৰ গোপনীয়তা কেনেবাকৈ নষ্ট হ'ব পাৰে বুলি তেওঁ মৎস্য দেশৰ ফালে যোৱাই নাছিল।

অৰ্জুন বৃহন্নলা হ'ল। মূৰত দীঘল চুলি, মাত কোমল, ডাঢ়ি-গোঁফ নাই; দেহলৈ নাৰীসুলভ কোমলতা আহিল যদিও পুৰুষৰ দৃঢ়তাও যথেষ্ট থাকিল। ইন্দ্ৰৰ সভাত থাকোঁতেই তেওঁ গান্ধৰ্ব্য বিদ্যাত সুপণ্ডিত হৈছিল। এতিয়া বৃহন্নলা ৰূপে নৃত্যগীতৰ কুশলতাই ৰাজ অন্তেষপুৰত অন্তঃপুৰচাৰিণীসকলৰ মাজত তেওঁক বিশেষৰূপে আদৰণীয় কৰিলে। নপুংসক বাবে তেওঁ বাহিৰৰ সংসৰ্গ সহজে পৰিহাৰ কৰিব পাৰিলে। বৃহন্নলা হোৱাত অৰ্জুনৰ কোনো কৃত্ৰিমতা বা অভিনয়ৰ প্ৰয়োজন নাছিল; সকলো প্ৰকাৰে তেওঁ নাৰী আৰু পুৰুষৰ মাজৰ অৱস্থাৰ মানুহ। উত্তৰৰ লগত গৈ কৌৰৱৰ ৰণসজ্জাৰ প্ৰাচুৰ্য দেখি তেওঁৰ পুৰুষত্ব জাগি উঠিল আৰু নপুংসক বৃহন্নলাই সম্পূৰ্ণভাৱে অৰ্জুনৰ পুৰুষত্ব ঘূৰাই পালে।

শিখণ্ডী বা বৃহন্নলাৰ কথা কোৱা এই প্ৰবন্ধৰ উদ্দেশ্য নহয়। এইদুটা চৰিত্ৰ মহাভাৰতত আছে। পুৰাণত আৰু এজন ৰজাৰ কাহিনী এটা আছে। এওঁ এশ পুত্ৰৰ পিতৃ হৈ দেৱতাৰ ৰোষত পৰি পুৰুষত্ব হেৰুৱালে আৰু তিৰোতা হবলগীয়া হল। ৰজা গুচি তেওঁ ৰাজাৰ ৰাণী হল। ৰাণী হিচাপেও তেওঁ এশ পুত্ৰৰ মাতৃ হল। একেজন মানুহৰ পুৰুষ আৰু স্ত্ৰীৰূপত জন্মলাভ কৰা পিতৃক (patriarchal) পুত্ৰ এশ আৰু মাতৃক (matriachal) পুত্ৰ এশৰ উত্তৰাধিকাৰৰ সমস্যা এটাৰ উদ্ভৱ হৈছিল। এই সমস্যা দেখা দিয়াৰ সময়ত শাপৰ অন্ত পৰিল আৰু দেৱতাই ৰাণীক পুনঃ পুৰুষ হব নে এই কথাটো সুধিছিল আৰু ৰাণীয়ে পুৰুষ হবলৈ অস্বীকাৰ কৰিছিল, কাৰণ তিৰোতাৰ সেৱা আৰু ভোগৰ শক্তি আৰু সামৰ্থ্য পুৰুষতকৈ অধিক।

এই তিনিওটা কথাৰ মাজত সোমাই থকা লিংগ পৰিবৰ্তনৰ কথাটো কবলৈকে সাধু তিনিটা উল্লেখ কৰা হল। লিংগ পৰিবৰ্তন এটা ঘটিবপৰা ঘটনা আৰু জীৱজগতত ঘটিয়ে আছে। ই ৰামায়ণ-মহাভাৰতৰ যুগতো ঘটিছিল। তলখাপৰ জীৱ সম্বন্ধে ঘটনাটো বিজ্ঞানীয়ে নিৰ্বিবাদে আৰু প্ৰকাশ্যভাৱে আলোচনা কৰিছে। ই প্ৰাণীসমাজত কোনো সংঘাত বা বৈষম্যৰ সৃষ্টি নকৰে বাবে ইয়াৰ বৈজ্ঞানিক মূল্যায়নত একো অসুবিধা নাই। কিন্তু মানুহৰ বেলিকা কেতবোৰ অসুবিধাই দেখা দিয়ে। ব্যাসদেৱ বা অন্যান্য ঋষি-মুনিয়ে সমাজৰ কথাবিলাক জড়বাদ হিচাপে নহলে অধ্যাত্মবাদৰ আশ্ৰয়লৈ চৰ্চা কৰিছে। সম্পূৰ্ণভাৱে মুক্ত জড়বাদী চৰ্চাই মানুহৰ মনৰ গতি অবাঞ্চনীয় কৰিব পাৰে বাবেই মানুহে শাস্ত্ৰ ৰচনা কৰিছে। এই শাস্ত্ৰবোৰৰ অধিক ভাগতে প্ৰায় সকলো কথাকে ৰূপকৰ সহায়ত বৰ্ণনা কৰা হয়। তাৰেপৰা ৰূপকখিনি চেকি উলিয়াব পাৰিলে আধুনিক বিজ্ঞানে পৰীক্ষা কৰি লাভ কৰা কিবাকিবি নিভাজ সত্য ওলাব পাৰে।

লিংগ পৰিবৰ্তনৰ কথাকে ধৰা যাওক। আজি প্ৰায় কুৰিবছৰ পূৰ্বে ইটালীয় নাবিক এজন তিৰোতালৈ পৰিবৰ্তিত হৈছিল। আগতেও মানুহৰ ক্ষেত্ৰত লিংগ পৰিবৰ্তন হৈছিল। কিন্তু সেই ঘটনাবোৰ বিজ্ঞানীৰ চকুত পৰা নাছিল। এই নাবিকজনৰ কথাটো কিন্তু গোপন হৈ নাথাকিল। পহিলাতে এওঁৰ কেতবোৰ চৰিত্ৰৰ পৰিবৰ্তন হল। গাধুবলৈ তেওঁ নিৰ্জনতা ভাল পোৱা হল, বন্ধু-বান্ধৱৰ মাজত হোৱা কিবাকিবি আলাপ-আলোচনা এৰাই ফুৰা হল, আৰু কিছুমান আচহুৱা অনুভূতিয়ে তেওঁক চঞ্চল কৰিবলৈ ধৰিলে। তাৰ পাছত তেওঁৰ আংগিক পৰিবৰ্তন হল, তেওঁ ডাঢ়ি খুৰাবলৈ বাদ দিলে। তেওঁৰ মূৰৰ ডাঠ চুলি মিহি আৰু দীঘল হোৱাৰ উপক্ৰম হল; জাহাজৰ যাত্ৰীসকলৰ মাজত থকা মহিলাসকলৰ মাজত থাকি তেওঁ ভালপোৱা হল, —ইত্যাদি। জাহাজৰ সহকৰ্মীসকলে প্ৰথমতে মগজুৰ দোষ হোৱা বুলি ভাবি তেওঁক কিছুদিন অকলশৰীয়াকৈ কোঠালি এটাত আৱদ্ধ কৰি ৰাখিলে। তাতে মনোবিজ্ঞানী ডাক্তৰে তেওঁৰ শৰীৰৰ পৰিবৰ্তনবোৰ দেখিবলৈ পালে আৰু তেওঁক বিশেষজ্ঞৰ হাতত এৰি দিলে। বিশেষজ্ঞৰ হাতত তেওঁৰ লিংগপৰিবৰ্তন সম্পূৰ্ণ হল।

মই জনাত এইটোৱেই বিজ্ঞান-জগতত নিৰ্ভৰযোগ্যভাৱে প্ৰচলিত হোৱা মানুহৰ লিংগ পৰিবৰ্তনৰ প্ৰথম কথা। ইয়াৰ পাছত এনে বতৰা বিজ্ঞান আলোচনী আৰু বাতৰি কাকতৰ জৰিয়তে প্ৰকাশ পাইছে। মুঠকথা, লিংগ পৰিবৰ্তন প্ৰাণীজগতত ঘটি থকা এটা নৈসৰ্গিক ঘটনা। অৱশ্যে ই বৰ ঘনাই নঘটে। বিশেষকৈ মানুহ বৰ উচ্চ শ্ৰেণীৰ জীৱ। প্ৰায় ত্ৰুটিবিহীন অংগবিন্যাসৰ এই শ্ৰেষ্ঠ জীৱৰ দেহত সহজে লৈংগিক পৰিবৰ্তন হব নোৱাৰে। মানুহৰ মগজু, হৃৎযন্ত্ৰ আৰু জননযন্ত্ৰ ইমান সক্ষম আৰু সুৰক্ষিত যে ই বাহিৰা ঘাত-প্ৰতিঘাত আচৰিত ৰকমে প্ৰতিৰোধ কৰিব পাৰে। গতিকে এইকেইটা যন্ত্ৰত বিকাৰ, পৰিবৰ্তন বা অক্ষমতা বৰ সহজে নঘটে।

জীৱৰ দেহযন্ত্ৰ গঠনৰ এটা স্তৰত দেখা যায় যে প্ৰত্যেক প্ৰাণীয়েই মৌলিকভাৱে দ্বিলিংগ বা উভলিংগ; —অৰ্থাৎ ই পুৰুষো আৰু স্ত্ৰীও। ভেকুলী এটাত ইয়াৰ প্ৰমাণ দেখ দেখকৈ পোৱা যায়। মতা ভেকুলী এটাৰ পেটত টেষ্টিছ বা শুক্ৰাশয় আৰু শুক্ৰবাহিকা এযোৰ থাকে আৰু কাষতে চুলিৰ নিচিনা মুলেৰিয়ান নলী দুডাল থাকে। মতা ভেকুলীত এই দুডালৰ একো কাম নাই। মাইকী ভেকুলীৰ পেটত এই নলী দুডাল ডাঙৰ হৈ ডিম্ব বাহিকা হৈ পৰে আৰু ইয়াৰ কাষতে অকামিলা শুক্ৰাশয় আৰু শুক্ৰবাহিকাৰ চিন মাথোন দেখিবলৈ পোৱা যায়। হৰমোন প্ৰক্ৰিয়াৰ দ্বাৰা মুলেৰিয়ান নলী কৰ্মঠ কৰি মতা ভেকুলীটো মাইকী ভেকুলী কৰিব পাৰি। মাইকী ভেকুলীকো ডিম্বাশয় নষ্ট কৰি হৰমোন প্ৰক্ৰিয়াৰ দ্বাৰা মতা ভেকুলীলৈ ৰূপান্তৰিত কৰিব পাৰি। মানুহৰ বেলিকাও





OKDISCD

জটিল শল্য আৰু ঔষধ চিকিৎসাৰ দ্বাৰা মতাক তিৰোতা আৰু তিৰোতাক মতা কৰাৰ কথা কদাচিৎ শুনিবলৈ পোৱা যায়।

মানুহৰ দৈহিক লক্ষণেই লিংগ-নিৰূপক লক্ষণ। মনৰ চৰিত্ৰটো বৰ বিচিত্ৰ বস্তু। অনুশীলন আৰু পৰিবেশ এই বিচিত্ৰতা অধিক তুৰ্জেয় কৰে। অভ্যাস আৰু নিবিষ্টতাৰ দ্বাৰা কিছুমান চৰিত্ৰ স্ত্ৰী-পুৰুষ উভয়ে আয়ত্ত কৰিব পাৰে। এনে ক্ষেত্ৰত প্ৰায় সকলোৰে বাবে প্ৰযোজ্য ৰূপে এটা কথা কব পাৰি যে এজন মানুহ পুৰুষ এই কাৰণেই যে তেওঁৰ সামগ্ৰিক সত্তাত পুৰুষত্বৰ প্ৰাধান্য প্ৰায় ৯৫ ভাগ। সেই সত্তাত যে শতকৰা প্ৰায় ৫ ভাগ নাৰীত্ব আছে সেইকথা জুখি-মাখি প্ৰমাণ কৰা টানহলেও সঁচা। সেইদৰে নাৰীৰ ক্ষেত্ৰতো।

পৰীক্ষালব্ধ কেইটামান কথা ইয়াতে উল্লেখ কৰিব পাৰি। ড্ৰোছোফিলা বুলি এবিধ সৰু মাখি আৰু মৌ-মাখিৰ লিংগ নিৰ্ণয় নিয়মটো মানুহৰ লগত প্ৰায় মিলে। এই সন্দৰ্ভত চমুকৈ ইয়াকে কব পাৰি যে এই তিনিওবিধ প্ৰাণীৰে এযোৰা লিংগ ক্ৰোমোছোম থাকে। জীৱকোষবোৰত এইযোৰাক XX বা XY বুলি কোৱা হয়। বিজ্ঞানৰ ভাষাত এইবোৰক ছেক্স ক্ৰোমোছোম আৰু বাকী ক্ৰোমোছোমবোৰক অ'টো-ছোম বোলে। XX থকা ড্ৰোছোফিলা মৌ-মাখি বা মানুহ মাইকী হয়; আৰু XY থকাবোৰ মতা হয়। XX আৰু XY সম্বন্ধে আগেয়ে জনা হোৱা নাছিল। ১৯৫৯ চনত এটা নিষিক্ত ডিম্বাণু পৰীক্ষা কৰি তাত থকা Y ক্ৰোমোছোমৰ সন্ধান পোৱা গ'ল আৰু এই বাবেই সেই ডিম্বাণুৰপৰা উদ্ভৱ হোৱা জীৱটো মতা হল। বহু বিচাৰ কৰি জীৱৰ লিংগ নিৰ্ণায়ক ব্যৱস্থাপনাৰ ক্ৰোমোছোম সম্বন্ধীয় এটা সিদ্ধান্তত উপনীত হব পৰা গ'ল। সেইটো এয়ে যে কেৱল Y ক্ৰোমোছোমে এটা জীৱক মতা কৰিব নোৱাৰে ইয়াৰ লগত X ক্ৰোমোছোমো থাকিব লাগিব।

ড্ৰোছোফিলা মাখিটোৱে জিনতত্ত্বৰ বহু প্ৰশ্নৰ উত্তৰ দিছে। ইয়াৰ Y ক্ৰোমোছোমত লিংগ নিৰ্ণায়ক জিন (বা অন্য জিন) নাথাকে। এই বিধ মাখিৰ ক্ৰোমছোম পৰীক্ষা কৰি দেখা গৈছে যে ইয়াৰ কোনো কোনো জাতৰ মাখিৰ কোষ-কেন্দ্ৰত Y ক্ৰোমোছোম নাথাকেই— ইয়াৰ জিনোটাইপ XO বুলি কোৱা হয় আৰু এই মাখিবোৰ মাইকী। তদুপৰি কেতবোৰৰ জিনোটাইপ অতি বিচিত্ৰ; —যেনে XXY বা XXYY। জননকোষ সৃষ্টি হোৱাৰ সময়ত কিবা কিবি বিসংগতি আপোনা-আপুনি ঘটে। পুং জননকোষ (শুক্ৰাণু) আৰু স্ত্ৰীজননকোষৰ (ডিম্বাণুৰ) মিলনৰ ফলত জীৱৰ জন্ম হয়,— এইটো জনা কথা। বিসংগতিপূৰ্ণ জননকোষৰ মিলনৰ ফল স্বৰূপে কোনো কোনো মাখিৰ জিনোটাইপ XXY বা XXYY ৰ নিচিনা অদ্ভুত ধৰণৰ হয়। কিন্তু মাখিটো মাইকী হয়। ইয়াৰ পৰাই জানিবপৰা গল যে ড্ৰোছোফিলাৰ Y ক্ৰোমোছোমটো সাধাৰণভাৱে লিংগ-নিৰ্ণয়ক নহয়। কিন্তু সেই মৌ-মাখিৰ Y ক্ৰোমোছোম এনে নহয়; ই কাৰ্যকৰীভাৱে লিংগ নিৰ্ণয়ক। এতিয়া প্ৰশ্ন হল মানুহৰ Y ক্ৰোমোছোম ডাল ড্ৰোছোফিলাৰ দৰে নে মৌ-মাখিৰ দৰে? অৰ্থাৎ মানুহৰ Y ক্ৰোমোছোমডাল লিংগ নিৰ্ণয়ক হয় নে নহয়?

এই প্ৰশ্নটোৰ উত্তৰ আকস্মিকভাৱেই পোৱা গ'ল। কোনো কোনো মানুহৰ জীৱকোষত ৪৫ (পঞ্চল্লিছ) ডাল ক্ৰোমোছোম পোৱা গৈছে। স্বাভাৱিকতে এই সংখ্যা ৪৬ বা ২৩ যোৰা। কিন্তু ৪৫ ক্ৰোমোছোম সংখ্যাৰ মানুহৰ জীৱকোষত ২২ যোৰা অ'টোছোমৰ লগত মাত্ৰ এডাল X ক্ৰোমোছোম থাকে; Y ক্ৰোমোছোম নাই। এওঁলোকক XO মানুহ বুলি কোৱা হয় আৰু এওঁলোক তিৰোতা। সেইদৰে কোনো কোনো মানুহৰ ১৩ যোৰা ক্ৰোমোছোমৰ ওপৰঞ্চিৰূপে এডাল X ক্ৰোমোছোম থাকে আৰু এওঁলোকক XXY মানুহ বুলি কোৱা হয় আৰু এওঁলোক পুৰুষ। গতিকে দেখা যায় যে XX মানুহ নিয়মমতেই স্ত্ৰী আৰু XO মানুহ অনিয়মৰ স্ত্ৰী। সেইদৰে XY বিলাক নিয়মিত পুৰুষ আৰু XXY বিলাক অনিয়মিত পুৰুষ। ইয়াৰপৰা এইটোও প্ৰমাণিত হয় যে মানুহৰ বেলিকা Y ক্ৰোমোছোমডাল মৌ-মাখিৰ দৰে লিংগ নিৰ্ণায়ক, —ড্ৰোছোফিলাৰ দৰে নহয়। এনেকুৱা XO বা XXY জিনোটাইপৰ মানুহ কেইটামান বিষয়ত স্বাভাৱিক স্ত্ৰী XX বা পুৰুষ XY তকৈ বেলেগ।

বৃহন্নলাৰ নংপুসকত্ব মাত্ৰ এবছৰৰ কাৰণে আছিল আৰু শাপগ্ৰস্ত হৈ ৰাণী হোৱা ৰজাজনে ইচ্ছা কৰিলে শাপান্তত পুৰুষত্ব পাব পাৰিলেহেঁতেন। এই পৌৰাণিক কাহিনী দুটাৰ মতে এবাৰ পৰিবৰ্তিত হোৱা লিংগ দ্বিতীয় বাৰ পূৰ্বাৱস্থা লাভ কৰাটো সম্ভৱ। এই বিষয়ে এতিয়ালৈকে জিনতত্ত্বই একো সিদ্ধান্ত দিব পৰা নাই,— অন্ততঃ মানুহৰ ক্ষেত্ৰত। মানুহৰ লিংগ চৰিত্ৰ (secondary sexual character) এটা বয়সলৈ অস্পষ্ট আৰু তাৰ পাছতহে স্পষ্ট হবলৈ ধৰে। যেতিয়ালৈকে এইবোৰ অস্পষ্ট হৈ থাকে, তেতিয়াও লৰাটোৰ জিনোটাইপ XY আৰু ছোৱালীজনীৰ XX। কেৱল জীৱকোষ XX বা XY হোৱা বাবে লিংগ চৰিত্ৰই স্পষ্টভাৱে দেখা দিবপৰা হলে শিশু অৱস্থাতে দেহ আৰু মনৰ লক্ষণবোৰ দেখা গ'লহেতেন। কিন্তু সেইটো নোহোৱাৰ কাৰণ হৈছে এয়েযে X বা Y ক্ৰোমোছোমৰ লগত কিছুমান আন আন অভ্যন্তৰীণ ক্ৰিয়া আৰু পৰিবেশে কাম কৰে। এই ক্ৰিয়া আৰু পৰিবেশৰ মূলতে কিছুমান হৰমোনজাতীয় বস্তু আছে আৰু সেইবোৰৰ লগত প্ৰোটোপ্লাজম আৰু অ'টোছোমতো কিবা কিবি বস্তু থাকে বুলি প্ৰায় নিশ্চিত ৰূপে জনা গৈছে। হৰমোনবিলাকেই এই অভ্যন্তৰীণ ক্ৰিয়া

৪১ পৃষ্ঠাত চাওক



# অৰুণাচলৰ ৰূপকথাৰ প্ৰমীলাৰ ৰাজ্যখন

মলয়া খাওণ্ড

অৰুণাচল প্ৰদেশৰ সৰু-বৰ জনগোষ্ঠীবোৰৰ মাজত থকা ভিন ভিন লোক-বিশ্বাসত নাৰীৰ স্থানৰ কথাটো বিশেষভাৱে মন কৰিবলগীয়া। তেওঁলোকৰ মতে এই পৃথিৱীখনত প্ৰথমে নাৰীৰহে বসতি আছিল। তেওঁলোকৰ এই কল্পনাৰ ৰাজ্যখন কেৱল মহিলাৰ, তাত পুৰুষৰ কোনো অস্তিত্ব নাই।

পৃথিৱীৰ বিভিন্ন দেশৰ জাতি-উপজাতিৰ মাজত এখন সম্পূৰ্ণ স্বকীয়া প্ৰমীলাৰ ৰাজ্যৰ (Land of women) বিষয়ে বহুতো উপকথা পোৱা যায়। মধ্যযুগত বিভিন্ন দেশৰ লোকৰ মাজত এই নাৰীজগতৰ কথা বহুলভাৱে প্ৰচাৰ হয়। আৰৱ দেশীয় এক উপাখ্যানত এনে এখন নগৰৰ উল্লেখ আছে—য'ত পুৰুষৰ লেশমানো অধিকাৰ নাই। বাল্টিক সাগৰৰ উপকণ্ঠতো এনে এখন নাৰীপ্ৰধান দেশৰ উল্লেখ আছে। চীন দেশীয় সাধুকথাৰ মাজেদিও নাৰী-প্ৰধান দেশৰ পৰিচয় পাব পাৰি। ভাৰতবৰ্ষৰ অন্যতম প্ৰধান মহাকাব্য 'মহাভাৰত'ৰ 'অশ্বমেধ পৰ্ব'তো এখন প্ৰমীলা ৰাজ্যৰ বিৱৰণ আছে।

অৰুণাচলৰ লোক-বিশ্বাসৰ এই প্ৰমীলা-ৰাজ্যখনৰ ভৌগোলিক স্থিতিৰ বিষয়ে কোনো স্পষ্ট ধাৰণা নাই। কোনো কোনো লোকৰ মতে এই দেশখন আছে—বৰফে ঢকা সুউচ্চ পৰ্বতমালাৰ ওপৰত। আকৌ দুই এজনে ক'বখোজে যে সেই প্ৰমীলাৰ দেশখন তেওঁলোকৰ উত্তৰে থকা তিব্বতৰ কোনো অঞ্চলত অৱস্থিত।

এই কল্পলোকৰ প্ৰমীলাৰ ৰাজ্যখনত পুৰুষৰ কোনো প্ৰাধান্যতো নায়েই, বৰঞ্চ কোনো কোনো ৰূপকথাৰ মতে পুৰুষে নাৰীৰ ভৃত্য বা দাসৰ দৰেহে জীৱন কটাব লাগে। এইবোৰত পুৰুষৰ ওপৰত নাৰীৰ অধিকাৰৰ লগতে নাৰীৰ পুৰুষৰ প্ৰতি থকা স্বাভাৱিক আকৰ্ষণৰ কথাও পোৱা যায়। কেইটিমান লোককথাৰ মতে:

(১) সোৱণশিৰি জিলাৰ উজনি অঞ্চলত 'পৰ্বতীয়ামিৰি' নামৰ এটি উপজাতিয়ে বাস কৰে। এওঁলোকৰ মাজত এটা জনপ্ৰিয় কাহিনী আছে। সেই কাহিনীৰ মতে তেওঁলোকে বাস কৰা পৰ্বতমালাৰ সুদূৰ উত্তৰে পৰ্বত আবেষ্টিত "মিয়ুমান" নামক এখন দেশ আছে। তাত কেৱল তিৰোতাৰহে বসতি। তেওঁলোক অতি চহকী। প্ৰাচীন মণি-মুক্তা আৰু মূল্যবান অস্ত্ৰ আদিৰে তেওঁলোক সমৃদ্ধ। ভুলক্ৰমে সেই দেশলৈ কোনো পুৰুষৰ আগমন হ'লে মিয়ুমানৰ মহিলাসকলৰ মাজত হেতা-ওপৰা লাগে। মিয়ুমানৰ মহিলা-সকলো আকৌ দুভাগে বিভক্ত;— এভাগ হ'ল বয়সীয়ালসকল আৰু আনভাগ হ'ল যুৱতীসকল। এই দুইদলৰ মাজত পুৰুষজনক লৈ হোৱা টনা-আজোৰাত যি দলেই জয়ী হয়, সেই দলৰ সকলো মহিলা এঠাইত সংঘবদ্ধ হয়। কিন্তু লগে লগে কন্দলৰো সূত্ৰপাত হয়। প্ৰতি গৰাকী মহিলাই সেই পুৰুষজনক বিচাৰে। নাৰীসকলৰ এই কঢ়া আজোৰাত অকলশৰীয়া পুৰুষজনৰ অৱস্থা শোচনীয় হৈ পৰে। অৱশ্যে পাছলৈ তেওঁ যথেষ্ট আদৰ অভ্যৰ্থনা লাভ কৰে আৰু বহুতো কাকুতি-মিনতিৰ অন্তত তেওঁক ঘূৰি যাবলৈ অনুমতি দিয়া হয়। বিদায়ৰ পূৰ্বে বুঢ়ীসকলে তেওঁক এখন পুৰণি দা আৰু কেৰুমণিৰে সজ্জিত কৰি পঠায়। যুৱতীসকলেও তেওঁক দিয়ে দা এখন আৰু অনেক বহুমূলীয়া অয়-অলংকাৰ। এই উপহাৰ দিয়াৰ অন্তৰালত নাৰীসকলৰ এক স্বাৰ্থ প্ৰণোদিত উদ্দেশ্য দেখা যায়; —এই মূল্যৱান উপহাৰে যাতে মিয়ুমানলৈ নতুন পুৰুষৰ আগমন ক্ষেত্ৰত প্ৰলোভন জন্মাব পাৰে।

মিয়ুমানৰ এই প্ৰমীলা ৰাজখনত এক অদ্ভুত সামাজিক ৰীতি আছে। কৰবাত ন সন্তান জন্ম হ'লে নৰজাতক ল'ৰা নে ছোৱালী জানিবলৈ সকলো ব্যগ্ৰ হয়। কন্যাসন্তান জন্ম হ'লে তাইক তেওঁলোকে আদৰ কৰে; কিন্তু পুত্ৰ সন্তান জন্ম হ'লে তাক তৎক্ষণাত মৃত্যুৰ মুখত পেলায়।

টিৰাপ জিলাৰ 'মকলুম' জনজাতীয় লোকসকলৰ মাজত প্ৰচলিত এটি উপকথাৰ মতে— পৃথিৱীৰ আৰম্ভণিতে কেৱল মহিলাহে আছিল, পুৰুষৰ নাম গোন্ধেই নাছিল। এদিন এগৰাকী মহিলাই মাছ মাৰি থাকোঁতে এটা মানুহৰ চকু পালে। চকুটো পিঠিৰ হোৰাত ভৰাই থ'লে। ঘৰত হোৰা খুলি দেখে যে চকুটোৰ ঠাইত এক পুৰুষৰ আৱিভাৱ। মহিলা গৰাকীয়ে অবাক হৈ তৎক্ষণাত গাঁৱৰ সকলো তিৰোতাকে খবৰটো জনালত তেওঁৰ ঘৰত তত্তালিকে সকলো মহিলা উপস্থিত হ'লহি। ভয়ত পুৰুষ জন প্ৰাণ লৈ পলাল আৰু যাতে তেওঁলোকে পিছে পিছে খেদা ধৰিব নোৱাৰে তাৰবাবে তেওঁ বাটত কলগছ পেলাই গৈ থাকিল। কলগছত পিছল খাই বেছিভাগ মহিলাই আগবাঢ়িব নোৱাৰিলে। কিন্তু এগৰাকী বলিষ্ঠা মহিলা মানুহজনক ধৰিবলৈ সক্ষম হ'ল। তেতিয়াৰেপৰা সেই পুৰুষজনক তেওঁ স্বামী হিচাপে গ্ৰহণ কৰে আৰু এই উপকথাৰ মতে তেওঁলোকেই সৃষ্টিৰ পাতনি মেলে।

টিৰাপ জিলাৰ নক্টেসকলৰ মাজতো এনে এটি প্ৰবাদ আছে যে পৃথিৱীৰ পাতনিতে কেৱল নাৰীহে আছিল। অকস্মাতে এদিন চাৰিজন পুৰুষৰ আবিৰ্ভাৱ হয়। প্ৰমীলাৰাজ্যৰ প্ৰতি গৰাকী তিৰোতা তেওঁলোকৰ প্ৰতি আকৰ্ষিত হৈ পৰে। মহিলাসকলৰ সংঘৰ্ষত তিনিজন পুৰুষৰ তাতে মৃত্যু হয়। জীয়াই থকাজনেও পলাবলৈ চেষ্টা কৰি বিফল হয় যিহেতু এগৰাকী মহিলাই তেওঁক আকোঁৱালি ল'বলৈ সক্ষম হয়। তেতিয়াৰেপৰা তেওঁলোকেই হ'ল— মানৱৰ আদিম



OKDISCD

ভূ-মাতৃ।

কামেং জিলাৰ খেৰডুকপেনসকলৰ মাজতো এনে এখন প্ৰমীলাৰাজ্যৰ বিষয়ে আখ্যান আছে। হিমালয়ৰ সিপাৰে 'চিৰিনমাচ' নামেৰে এখন ৰাজ্য আছে। তাত কেৱল নাৰীৰহে বসতি। তাৰে ওচৰৰ চিৰিনপাচ নামৰ ৰাজ্যখনৰ কোনো এক দম্পতীৰ যদি ক্ৰমান্বয়ে তিনিজনী ছোৱালী জন্ম হয়, তেনেহলে তেওঁলোকে এজনীক নিজৰ লগত ৰাখি বাকী দুজনীক চিৰিনমাচ ৰাজ্যলৈ পঠাই দিয়ে। যিহেতুকে চিৰিনমাচৰ কোনো অঞ্চললৈকে পুৰুষৰ প্ৰৱেশৰ নিয়ম নাই, গতিকে তেওঁলোকে নিজৰ ছোৱালী থ'বলৈ চিৰিনমাচৰ সীমা এৰি যাব লগীয়াত পৰে।

চিৰিনমাচ ৰাজ্যৰ তিৰোতাসকল বৰ চুটি-চাপৰ, কিন্তু তেওঁলোক দেখাত বৰ শুৱনী আৰু গঢ়িত। তেওঁলোকৰ সমাজখনতো বয়সীয়াল আৰু যুৱতীসকলৰ বাবে দুটা দল আছে। ঘটনাক্ৰমে কোনো পুৰুষৰ তালৈ আগমন হ'লে দুয়োদলৰ মাজত কাজিয়া লাগে। যুৱতীসকলৰ হাতত পৰিলে পুৰুষ জনক নিতান্তই সৌভাগ্যবান বুলি ক'ব লাগিব; কাৰণ তেওঁলোকে পুৰুষজনক মাত্ৰ এসপ্তাহৰ বাবে ৰাখে আৰু বিদায়ৰ সময়তো নানান মূল্যবান মণি-মুক্তাৰ উপহাৰ দি আপ্যায়িত কৰে। কিন্তু দুৰ্ভাগ্যবশতঃ সেই পুৰুষজন বুঢ়ীদলটোৰ হাতত পৰিলে তেওঁৰ জীৱন শেষ বুলি ধৰি ল'ব লাগিব। পুৰুষজনক বুঢ়ীসকলে এটা শিলৰ ঘৰত শিলৰ দুৱাৰ দি বন্দী কৰি থয়। সেই অৱস্থাত তেওঁক সকলো সুখাদ্যৰ যোগান ধৰি শৰীৰৰ পৰিপুষ্টি ৰক্ষা কৰাৰ চেষ্টা কৰে। কিছুদিনৰ পাছত তেওঁলোক এক অমানুষিক কাৰ্যত লিপ্ত হয়। চৌকাত জুই জ্বলাই ওপৰৰ উতলা পানীৰ পাত্ৰত সেই পুৰুষজনক সিজিবলৈ দিয়ে আৰু পাছত বুঢ়ীসকলে আনন্দমনেৰে একেলগে তাৰে আহাৰ কৰে।

টিৰাপ জিলাৰ অন্য এক জনজাতি চিংফৌসকলৰ মাজতো এনে এটি ৰূপ কথা আছে। এই কাহিনীটোৰ ৰাজ্যখন হ'ল কুকুৰৰ ৰাজ্য (The Land of dogs)। ইয়াতো মহিলাই প্ৰধান ভূমিকা গ্ৰহণ কৰে। সেই ৰাজ্যৰ পুৰুষসকলৰ মূৰটো আছিল কুকুৰৰ আকৃতিৰ, কিন্তু শাৰীৰিক গঠন আছিল মানুহৰ নিচিনা। তাৰ তিৰোতাসকল আছিল অতিশয় ৰূপহী। কোনো অভ্যাগত অন্যদেশৰপৰা কুকুৰৰ ৰাজ্যলৈ আহিলে সেই ৰূপহীসকল তেওঁৰ প্ৰতি আকৃষ্ট হয় আৰু পুৰুষজনক পাবলৈ উদ্বাউল হৈ পৰে। কিন্তু কুকুৰৰ আকৃতিৰ মানুহবোৰে তেওঁৰ আগমনৰ ভু পালে কুকুৰৰ দৰে কামুৰি তেওঁক সিপুৰীলৈ পঠায়।

লোহিত জিলাৰ মিছিমিসকলৰ মাজত প্ৰচলিত কাহিনীৰ মতে সুদূৰ উত্তৰেও এখন প্ৰমীলা ৰাজ্য আছে। এই দেশত বহুতো বেছি তিৰোতা থকা বাবে অন্য দেশত নাৰীৰ সংখ্যা তেনেই কম আৰু মতা মানুহৰ সংখ্যা সেই অনুপাতে বহুত বেছি। সেই কাৰণে লামাসকলৰ মাজত বহুস্বামী প্ৰথা প্ৰচলিত। এই প্ৰথাৰ প্ৰচলন নাৰীৰ ইচ্ছানুযায়ী হোৱা নাই, নাৰীৰ সংখ্যা-লঘুতাৰ বাবেহে হৈছে।

টিৰাপ জিলাৰ ৰাংচু সকলৰ সমাজত প্ৰচলিত উপকথাটো এনে ধৰণৰঃ কন্যাক সকলৰ এখন গাঁৱত কেৱল তিৰোতাহে আছিল, তাত পুৰুষৰ স্থান শূন্য। প্ৰচণ্ড বায়ুৰ সংস্পৰ্শত তেওঁলোক সন্তান সম্ভৱা হয়। কন্যা সন্তান জন্ম হ'লে তেওঁলোক আনন্দিত হয়, কিন্তু ল'ৰা জন্ম হ'লে দুখত বিচলিত হয়।

অৰুণাচলৰ লোক-বিশ্বাসত থকা এনেধৰণৰ উপাদেয় অনেক আখ্যান-উপাখ্যানে লোক-সাহিত্যৰ ভঁৰাল চহকী কৰিছে।

[প্ৰবন্ধটো ভেৰিয়াৰ এলৱিনৰ কিতাপৰ সহায় লৈ লিখা হৈছে। —লেখিকা]


আপোনাৰ বাবেঃ

ৰমেশ কলিতাৰ এক বিতৰ্কমূলক গ্ৰন্থঃ

ভাৰতৰ স্বাধীনতা আন্দোলনত
অসমীয়া ছাত্ৰৰ ভূমিকা = ২৫·০০ টকা

শশী শৰ্মাৰ প্ৰবন্ধ সংকলনঃ

সাহিত্যত বিৱৰ্তন ২০·০০ টকা

সমীৰ তাঁতীৰ কবিতা গ্ৰন্থঃ

যুদ্ধ ভূমিৰ কবিতা = ১০·০০ টকা

প্ৰকাশকঃ সমন্বয় গ্ৰন্থালয়
পি, এন, চি ৰ'ড
নলবাৰী—৭৮১৩৩৫






# স্পেইনৰ গল্প
# আশা



গধুৰ বুটজোতা আৰু তলা খোলাৰ শব্দত ছে'লৰ ভিতৰৰ পৰিৱেশটো থানবান হৈ গ'ল আৰু এটা দুৰ্বল দেহ যন্ত্ৰণাত কেঁকাই-কেঁকাই মাটিত মুখ-থেকেচা খাই পৰিল। 'ৱি' গেলেৰিৰ ২৬ নম্বৰ ছেল।

স্পেইনৰ বন্দীশাল। কাৰোবাৰ বাবে যমপুৰীৰ দক্ষিণ দুৱাৰ, কিন্তু বেছিভাগ মানুহৰ বাবেই ইয়াত জীৱন হ'ল তিল-তিল যন্ত্ৰণাৰে ভৰা অন্তহীন মৃত্যুযাত্ৰা। বেৰবোৰে ত্যাগ কৰিলে ঘৃণাৰ নিশ্বাস। ভিতৰত যিসকলে এই যন্ত্ৰণাৰ স্বাক্ষৰ বহন কৰিছে আৰু বাহিৰত যিসকল এই অত্যাচাৰৰ সাক্ষী, তেওঁলোক সকলোৰেই ক্ৰুদ্ধ ঘৃণাৰে ভৰা এই দীৰ্ঘ নিশ্বাস।

ওখ দেৱালেৰে ভৰা সেই ঘিটমিটিয়া ঘৰটো দেখিলেই যিমান সময়লৈকে মুখত তেজৰ সোৱাদ নালাগে সিমান সময়লৈকে দাঁতে দাঁত কৰচিবলৈ ধৰে। ঘৃণাৰ যদি ধ্বংস কৰিব পৰাৰ ক্ষমতা থাকিলহেঁতেন তেতিয়াহলে হয়তো বহুদিন আগেয়েই এই গ্ৰেণাইট শিলবোৰ ধূলিত পৰিণত হৈ গ'লহেঁতেন।

উনৈশ শ' ছয়চল্লিছ চনৰ ডিছেম্বৰ মাহৰ এই দোকমোকালিতে যিজনী নাৰীক কাৰাগাৰৰ কচাইবোৰে বন্দিনী কৰি লৈ আনিলে, তাইৰ নাম এণ্টোনিয়া। অইন সাধাৰণ দহজনী নাৰীৰ দৰেই তাইৰ নামটোও সাধাৰণ। কিন্তু অপৰাধটো নিশ্চয় সাংঘাতিকভাৱে গুৰুতৰ। দুয়োটা মণিবন্ধত হাতকেৰেয়া, কাপোৰকানি শতছিন্ন, কোবৰ আঘাতত সৰ্বাংগ ৰক্তাক্ত। ঢকিয়াই-গতিয়াই নি জেলৰ প্ৰহৰীহঁতে তাইক এই ঘৃণিত দুৰ্গৰ ভিতৰলৈ সুমুৱাই দিলে, য'ৰ পৰা অন্ততঃ কোনোবা এজনো যে এতিয়ালৈকে জীৱন্তে উভতি যাব পাৰিছে—সি সন্দেহৰ বিষয়। সকলোৰে ভবাৰ দৰে এই নাৰীগৰাকীয়েও নিশ্চয় ভাবিছিল যে—মৃতু অবিহনে এই নৰককুণ্ডৰ পৰা নিস্তাৰ নাই।

তেওঁ সপোনতো ভবা নাছিল যে তেওঁক বন্দিনী কৰি ৰখা হ'ব। তেওঁ জীৱনত আ[illegible]লৈকে কাৰে অণুমাত্ৰও ক্ষতি কৰা নাই। বৰঞ্চ তেওঁ আছিল অত্যন্ত লাজকুৰীয়া প্ৰকৃতিৰহে। সৰু ল'ৰাটোক তেওঁ বুকুৰ মাজত সুমুৱাই লৈ শুই আছিল। হঠাৎ, আচম্বিতে পুলিছে ঘৰৰ ভিতৰ সোমাই তেওঁক বিছনাৰ পৰা [illegible] আজুৰি তুলি আনিলে। জনোৱা হ'ল—'ৰাজনৈতিক অপৰাধ'ত তেওঁক বন্দী কৰা হৈছে। কিন্তু তেওঁতো ৰাজনীতিৰ একোৱেই নুবুজে! এইবোৰ লৈ তেওঁ কোনোদিনেই কেতিয়াও মূৰ ঘমোৱা নাই।

অৱশ্যে, এইটো কথা ঠিক যে ফেছিবাদৰ বিৰুদ্ধে যুঁজি তেওঁৰ গিৰিয়েক যোৱা বছৰলৈকে জেলত আছিল; কিন্তু, তেওঁ নিজে হ'লে ফেছিবাদ কাক কয় তাকেই নাজানে স্বামী আৰু দুবছৰীয়া ল'ৰাটো লৈয়েই তেওঁৰ জীৱন। চয়তানহঁতৰ এজনে অভিযোগ কৰিলে, "বজাৰত তুমি মহিলাসকলক লৈ এখন প্ৰতিবাদ সভা পতাৰ যত্ন কৰিছিলা।"

"কি কলা(!" মহিলাগৰাকীয়ে আচৰিত হৈ ক'লে, "মই তোমালোকৰ কথা একো বুজি পোৱা নাই…"

তেওঁৰ গালত এটা পুৰ্ণহতীয়া চৰ সোধাই পুলিছৰ মানুহটোৱে গৰ্জি উঠিল, "মনে মনে থাক কুকুৰণী"।

মহিলাগৰাকীয়ে বজাৰত কি হৈছিল—তেতিয়াও মনত পেলাব নোৱাৰিলে। হয়তোবা ভোকৰ জ্বালা, নিত্য প্ৰয়োজনীয় বস্তুৰ জুই-ছাই দাম অথবা সংসাৰৰ নানান দুখ-কষ্টৰ অভিযোগ তেওঁ কেতিয়াবা কৰিছে, নকৰা নহয়। স্বামী আৰু এই ফুল-কুমলীয়া ল'ৰাটোক পেটভৰাই এসাজ খুৱাব নোৱৰাৰ দুখটোৱেই তেওঁৰ অন্তৰত আটাইতকৈ বেছি আঘাত দিয়ে।

মজিয়াৰ ওপৰত উবুৰিখাই এতিয়া তেওঁ উপলব্ধি কৰিলে, —আৰু বহুতো যন্ত্ৰণা তেওঁ সহ্য কৰিব লাগিব। তেওঁৰতো এতিয়া সকলো শেষ হৈয়েই গৈছে। ছে'লৰ ভিতৰৰ ৰুদ্ধ পৰিৱেশত

তেওঁৰ যেন উশাহ বন্ধ হৈ যাব ধৰিলে। তেওঁৰ ধাৰণা হ'ল এই মুহূৰ্ত্তে তেওঁ মৰি থাকিব। এণ্টোনিয়া শিঁয়ৰি উঠিল। —আৰু এমাহৰ ভিতৰতেই তাইৰ দ্বিতীয় সন্তানটোৰ জন্ম হ'ব। ওহোঁ, নহয়। তেওঁৰ সন্তানৰ এই কাৰাগাৰত জন্ম হ'ব নোৱাৰে, কোনোপধ্যেই নোৱাৰে। ইমান ভয়ংকৰ বৰ্বৰ অপৰাধ কোনো পুৰুষেই কৰিব নোৱাৰে।

কিন্তু অৱশেষত অপৰাধটো সংঘটিত হ'ল। ছে'লত সোমোৱাৰ পাছত এই প্ৰথমবাৰৰ বাবে তেওঁক বাহিৰলৈ উলিয়াই অনা হ'ল। কাৰাগাৰৰ চিকিৎসালয়, ছে'লৰ দৰেই আন্ধাৰ আৰু লেতেৰা। তাতেই তেওঁৰ পৰিচয় হ'ল অইন বহুতো সমদুঃখ-ভাগিনী অত্যাচাৰিতাৰ স'তে। নৱজাতক কন্যা। লো-ৰ জালেৰে ঘেৰা ঠাইত সেই জন্মদান কিমান যে যন্ত্ৰণাদায়ক! ছোৱালীজনীৰ জন্মৰ পাছতেই অন্য সকলো বন্দী মহিলাই তাইৰ নাম 'এছ-পাৰাঁন্‌জা' ৰখাটোকেই থিৰ কৰিলে, স্পেনীয় ভাষাত যাৰ অৰ্থ হ'ল 'আশা'। তাইৰ মাকে প্ৰথমতে ভাবিলে —তেওঁলোকে বোধহয় ঠাট্টা কৰিছে। যিসকলৰ বাবে ই হ'ল জীৱন্ত সমাধি, সেই-সকলৰনো বাৰু আশা ক'ত? একমাত্ৰ পথ হ'ল মৃত্যু, তেতিয়াহে যদি এই অসহ্য অত্যাচাৰৰ পৰা মুক্তি পাব পাৰি।

ঠিক তেওঁৰ কাষৰ বিছনাখনত আছিল এগৰাকী যক্ষ্মা ৰোগগ্ৰস্তা বৃদ্ধা। উনৈছশ সাতত্ৰিছ চনৰ পৰাই সেই হতভাগিনী তিলতিলকৈ মৃত্যুৰ মুখলৈ আগুৱাই গৈ আছে। যিয়ে দেখে তেৱেঁই ক'ব যে তেওঁৰ মৃত্যু মুহূৰ্ত একেবাৰে ওচৰতে। কিন্তু তেওঁ মৰিব নোখোজে; —এতিয়াও যে তেওঁৰ জীৱনত আছে কিমান আশা!

বৃদ্ধাই তেওঁৰ মলিয়ন ফটাছিটা কাপোৰৰ স্তূপটোত ভৰ দি উঠি এণ্টোনিয়াক ক'লে, "ভনী, তুমি ভুল কৰিছা; আমি জীৱনক ভাল পাব লাগিব নিবিড়ভাৱে। বাহিৰৰ মুক্ত জনসাধাৰণতকৈ আমি,— যিসকল বন্দীশালত বন্দী হৈ আছোঁ,—আমি নিজকে বহু বেছিকৈ ভালপাব লাগিব; আমি আমাৰ সমস্ত শক্তিৰে জীৱনক খামুচি ধৰি থাকিম। যি মৃত্যু প্ৰতি মুহূৰ্ত্তে আমাৰ পিনে আগুৱাই আহিছে, তাক আমি পৰাজিত কৰিম। আৰু তাকে কৰিবলৈ হ'লে—আমাক লাগিব আশা, লাগিব বিশ্বাস। দেখিলাতো? অত্যাচাৰীৰ সৌ শিলৰ সুউচ্চ প্ৰাচীৰ আৰু গধুৰ লো-ৰ বেৰজালেও জীৱনৰ এই নতুন জন্মক বাধা দি ৰাখিব নোৱাৰিলে। তথাপি সিহঁতে জীৱনক ঘৃণা কৰে। সিহঁতে ঘৃণা কৰে তোমাক। নিজৰ মৃত্যু কামনাৰে সিহঁতৰ সেই পাশৱিক অত্যাচাৰৰ পথ সহজ কৰাৰ বাহিৰে তুমিনো আৰু কিটো কৰিব পাৰিবা? আশালৈয়েইতো আমি জীয়াই থাকিম! আৰু সেয়েহে মই ভাবোঁ, এই নৱজাতকক 'আশা' বুলি মতাটোৱেই উচিত"

কণমানি আশাৰ জন্মৰ বতৰা তৎমুহূৰ্ত্তেই শ-শ বন্দীৰ মাজত বনজুইৰ দৰে বিয়পি পৰিল। সকলোৰেই বাবে আশা হৈ উঠিল এক দুৰ্লভ বস্তু। কোনেও গমেই নাপালে কেনেকৈ ইয়াৰ ভিতৰতে আশাৰ বাবে এখন সৰু তুলি আহি পালেহি। ছে'লৰ ভিতৰত মুৰত বন্ধা ফিটা কোনেও দেখিয়েই পোৱা নাই, অথচ এতিয়া সেই সকলোবোৰ বস্তু যেন কোনোবা গুপ্ত স্থানৰ পৰা ওলাই আহিবলৈ ধৰিলে; তাৰে লগতে আহিবলৈ ধৰিলে আশাৰ বাবে কণ কণ চোলা-কাপোৰ, বিভিন্ন ধৰণৰ সা-সৰঞ্জাম।

নৱজাতকৰ আৱিৰ্ভাৱে মাকৰ দিনবোৰৰ পূৰ্বৰ দিনবোৰতকৈ সামান্য-তমো পৰিবৰ্তন নাসাধিলে। তাৰ পাছত আৰু তিনিকুৰি দিন তেওঁ ছে'লত থাকিব লগীয়া হৈছিল। কোনেও নাজানিছিল ক'ৰ পৰানো আহিছিল বটল ভৰা গাখীৰ। কাৰাগাৰৰ কতৃপক্ষৰ ফালৰপৰা নিশ্চয় গাখীৰ বিলোৱাৰ কোনো ব্যৱস্থা নাছিল। কিন্তু বন্দী-সকলৰ এনে কিছুমান নিজস্ব উপায় আছিল যাৰ ফলস্বৰূপে কেঁচুৱাৰ খোৱা বস্তুৰ এদিনলৈকে সামান্যতম অভাৱো হোৱা নাছিল।

কাৰাগাৰৰ মাজত জন্ম পায়ো অইন সাধাৰণ ল'ৰা-ছোৱালীতকৈ বহু-আগেয়েই কণমানি আশাৰ অসংখ্য খেলৰ সামগ্ৰী গোট খালে। প্ৰতিটো ছে'লতেই তাইৰ বাবে খেলৰ সামগ্ৰী তৈয়াৰ হবলৈ ধৰিলে। ফটাকানি, সূতা, কাঠৰ টুকুৰা আদিৰে সজা সেইবোৰ খেলৰ সামগ্ৰী। যি অকৃত্ৰিম স্নেহ আৰু যত্নৰ তৰপে সেইবোৰ আগুৰি আছিল, সিয়েই কৰি তুলিছিল সেই বস্তুবোৰক মহাৰ্ঘ। এধানিমান তুলিৰ বিচনাখনৰ কেউকাষে থকা খেলনাবোৰেই যেন কাৰাগাৰৰ লেতেৰা ঘৃণ্য কঠিন বেৰৰ ভয়াবহতাৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰিছিল।

উকলি যায় বছৰৰ পাছত বছৰ। এণ্টোনিয়াৰ বন্দী ম্যাদ পাঁচ বছৰ। আশাৰ বৰ্তমান বয়স তিনি বছৰ ছমাহ। ছে'ল আৰু কাৰাগাৰৰ চোতালৰ বাহি-ৰলৈ তাই কোনোদিনেই ওলাই যোৱা নাই। মুক্তিৰ কোনো অৰ্থই তাই নুবুজিছিল। তাইৰ বাবে মুক্তিৰ অৰ্থ হ'ল কাৰাগাৰৰ মজিয়া বা চোতালত খেলাধুলা কৰা আৰু কাৰাগাৰৰেই এটা কোঠাৰপৰা অইন এটা কোঠালৈ লৰা-ঢপৰা কৰি ফুৰা।

প্ৰতিগৰাকী বন্দিনী নাৰীয়েই যেন তাইৰ মাতৃ; কিন্তু তথাপি তাইৰ স্মৃতিৰপৰা সেইবোৰ নিষ্ঠুৰ, কৰুণ দৃশ্য-ৰাজি তেওঁলোকে মচি পেলাব নোৱা-ৰিলে। প্ৰথম দিনাৰ ঘটনাটোৱেই বীভৎস। এগৰাকী বন্দিনী নিজৰ ছে'ললৈ উভতি অহাত দেখা গ'ল— সমগ্ৰ মুখমণ্ডলত বিয়পি আছে আঘাত আৰু তেতিয়াও বৈ থকা তিৰবিৰিয়া তেজৰ চেকুৰা। সকলোৱে উধাতু খাই লৰি গৈ তেওঁক শুশ্ৰূষা কৰিবলৈ ধৰিলে।

অইন এদিনাখন অন্য সকলো নাৰী বন্দিনীৰ সৈতে তাইকো কাৰা-গাৰৰ চোতাললৈ টানি নিয়া হ'ল। কাৰাগাৰৰ মানুহবোৰে, যিবোৰক তাই 'বেয়া মানুহবোৰ' বুলিয়েই জানে, সিহঁতে তেওঁলোকৰ সকলোকে ঢকিয়াই-গতিয়াই দীঘল বাৰান্দাখনেৰে নি চোতালখনৰ এচুকত গোট খুৱালে। তাৰ পাছত এদল প্ৰহৰীয়ে হাতে হাতে টাঙোন লৈ তেওঁলোক সকলোকে ঘেৰি ধৰিলে।

এনেতে সিহঁতে আৰু এজনী গাভৰুক আনি এটা খুটাত জপটিয়াই বান্ধি তেওঁৰ ওপৰত অবিৰামভাৱে চৰ-কিল ভুকু বৰ্ষণ আৰম্ভ কৰিলে। মৃতপ্ৰায় গাভৰুগৰাকীৰ সৰ্বাংগ যেতিয়া তেজত তিতি উঠিল 'তেতিয়াহে সিহঁত কিছু ক্ষান্ত হ'ল। আৰু অৱশেষত কণমানি আশাই ইমান বেছিকৈ ভয় খালে যে তাই মূৰ্চ্ছা গ'ল। কিন্তু মাটিত ঢলি পৰাৰ আগেয়ে ক্ৰমশঃ লুপ্ত চেতনাৰ মাজতো তাই গম পালে যে মানুহবোৰে এইবাৰ তাইৰ মাকক আৰু তেওঁৰ বন্ধুসকলক মাৰিবলৈ আৰম্ভ কৰিছে।

ছে'লৰ ভিতৰত জ্ঞান উভতি অহাৰ পাছত যেতিয়া প্ৰথম চকু মেলিলে, তাইক তেতিয়া কোৱা হ'ল যে তাই শুই পৰিছিল; কিন্তু তাই স্পষ্টভাৱে দেখা পালে যে তাইৰ মাক আৰু অইন কেইগৰাকীমান বন্দিনীৰ ক্ষত-বিক্ষত মুখৰপৰা তেতিয়াও তেজ নিগৰি আছে। আৰু কেইগৰাকীমান বন্দিনীয়ে আঘাতৰ তীব্ৰ যন্ত্ৰণাত মাটিত বাগৰি চটফটাই কেঁকাবলৈ ধৰিছে।

আশা এতিয়া আৰু অলপ ডাঙৰ হৈছে। কিন্তু কোনোপধ্যেই তাই বুজি নাপায় কি কাৰণত মাজে মাজে গভীৰ ৰাতি সকলো বন্দীয়েই সমস্বৰে কি যে এটা অদ্ভুত গান গায়! পাছ-দিনাখনৰ পুৱা কাৰাগাৰ ৰক্ষী আহি তাইৰ এগৰাকী বন্ধুক ধৰি লৈ যায়। দীঘল বাৰান্দাখনেৰে যোৱাৰ সময়ত তেওঁ গান আৰম্ভ কৰে, লগে লগে আকৌ সকলোৱে লগ লাগি তেওঁৰ লগত সমস্বৰে গাবলৈ ধৰে আৰু ছে'লৰ দুৱাৰত গুৰিয়াবলৈ ধৰে।

ক্ষন্তেক পাছতেই বজ্ৰপাত পৰাৰ দৰে প্ৰচণ্ড শব্দ শুনা যায়। শব্দ শুনি আশাই ভয় খাই উঠে। পাছ মুহূৰ্ত্তে বন্ধু দূৰৈত এটা চিঞৰ হঠাৎ স্তব্ধ হৈ যায়। "দীৰ্ঘজীৱী হওক" কথাষাৰেৰেই হ'ল আৰম্ভণি; —সেয়েহে এই শব্দটো তাইৰ স্মৃতিত চিৰদিনৰ বাবে গাঁঠি থোৱা আছে।

আশাই কোনোপধ্যেই বুজি নাপায় যে, প্ৰত্যেকবাৰতে এই একেটা ঘটনাৰ পুনৰাবৃত্তিৰ পাছত, যিগৰাকী বন্দিনীয়ে গান গাই ওলাই যায়, তেওঁ কিয় আৰু উভতি নাহে? সকলোৱেই তাইক কয়— সেই বন্ধুগৰাকী হেনো কাৰা-গাৰৰপৰা গুচি গৈছে। এতিয়া আশা আগেয়ে নেদেখা বা লগ নোপোৱা অইন কিছুমানৰ স'তে থাকিব লাগিব। কিন্তু তাই অবাক হৈ ভাবে, আমাৰ বন্ধুসকল যদি কাৰাগাৰতকৈ অইন কোনোবা ভাল ঠাইলৈকে গৈছে তেনে-হলে সকলোৱে লগ লাগি তেওঁ যোৱাৰ পাছত ইমানকৈ কিয় কান্দে বাৰু?

এদিনাখন আশাই দেখিলে যে সকলোৱে গোট খাই কোনোবা এটা বন্ধৰ দিন সম্পৰ্কে আলোচনা কৰিছে। সকলো মহিলাই কৈছে— চৌধ এপ্ৰিললৈ হেনো বেছি দিন নাই। ইয়াৰ অৰ্থ তাই একোকেই নুবুজিলে, তথাপি আনন্দতে তাই পখিলাৰ দৰে চঞ্চল হৈ উঠিল।

অৱশেষত উৎসৱৰ দিনটো আহি পালেহি। আশাই মনৰ আনন্দতে টোপনিতে উৎসৱৰ সপোন দেখিছিল; আচম্বিতে এটা সুতীক্ষ্ণ আৰ্তনাদত তাইৰ টোপনি ভাগি গ'ল। ভয়-বিহ্বল দুচকু মেলি তাই দেখা পালে কেউদিশ তেতিয়াও অন্ধকাৰ। আশাই গমেই নাপালে— ইতিমধ্যে কেতিয়া যে তাইক চোতালত তুলি আনি থোৱা হৈছে। চাৰিওপিনে চাই তাই ক'তো মাকক দেখা নাপালে, কিন্তু অবাক বিস্ময়েৰে দেখিলে যে কালি দেখাপোৱা কাপোৰৰ টুকুৰাবোৰ একেলগে সী ৰঙা-হালধীয়া বেঙুনীয়া ৰঙৰ এখন পতাকা কৰা হৈছে। তাই নুবুজিলে কেলেইনো সকলোৱে লগ লাগি একেলগে লিখা এখন কাগজ আৰু সেই ধুনীয়া বস্তু-টোৰ পিনে চাই ইমানকৈ উল্লাসিত হৈছে? আশাৰ বৰ ভাল লাগিল। এতিয়াহে তাই গম পালে— উৎসৱ কাক বোলে।

কিন্তু হঠাৎ আশাই দেখা পালে যে, মানুহবোৰে বন্দিনীবোৰক কোবা-বলৈ ধৰিছে। তাইৰ মাকক আৰু অইন আঠজনীক কোবাই কোবাই উলিয়াই লৈ গ'ল। মাথো শুনা পোৱা গ'ল তেওঁলোকৰ চিঞৰ। এইবাৰ তাই শুনা পালে সেই কথাষাৰ— যিষাৰ কথা মাজতে কিছুদিন হঠাৎ বন্ধ হৈ গৈছিল। "গণতন্ত্ৰ দীৰ্ঘজীৱী হওক"— তাইৰ মাকেও অইন বহুতৰে সৈতে চিঞৰি উঠিল। কিন্তু এই গণ-তন্ত্ৰ বোলা বস্তুটোনো বাৰু কি— যাৰ নাম ললেই সিহঁতৰ হাঁতত মাৰ খাব লগীয়া হয়?

প্ৰথম অৱস্থাত আশাই চিঞৰি উঠিব খুজিলে; ভাবিলে কৈ দিব, "মায়েতো সেই ৰঙীন বস্তুটো খিৰিকি-খনত বন্ধা নাই!" কিন্তু মাকে যে হাক দি গৈছে— "এটা শব্দও নকবা।" আশাই নুবুজে কেলেইনো বাৰু মাকে সচাঁ কথাষাৰ কবলৈকো হাক দিয়ে। কিন্তু তাই হঠাৎ স্তব্ধ হৈ গ'ল। চকু পৰিল মাকৰ পিনে; —কি যে এক অদ্ভুত আনন্দৰ পোহৰ মাকৰ গোটেই মুখখনত বিয়পি পৰিছে! পুৱাৰ বতা-হত ফৰফৰকৈ উৰিব লাগিছে সেই সুন্দৰ ৰঙীন টুকুৰাটো। আৰু সজল নয়নেৰে মাকে একেথৰে চাই আছে সেইপিনে।

আশাৰ বাবে দেওবাৰৰ দিনটো সবাতোকৈ ভাল দিন। সেই কেঁচুৱা কালৰেপৰা তাই দেখি আহিছে— সেই দিনটোতেই বন্দীসকলৰ সক-লোকে চাবলৈ মানুহ আহে। কিন্তু তাইক চাবলৈ কোনো নাহে। মাকৰ মুখত মাথোন শুনিছেহে— দূৰৰ দেশত তাইৰ দেউতাক আছে, ককায়েক



OKDISCO

আছে ; কিন্তু তেওঁলোকৰ হেনো যথেষ্ট ধন নাই ; সেই কাৰণে তেওঁলোক আহিব নোৱাৰে। আশাই অৱশ্যে চাবলৈ অহাসকলৰ কাকো দেখা নাই। কিন্তু তাইৰ কল্পনাৰ পটত অঁকা আছে— কিছুমান ওখ ওখ মানুহ— তেওঁলোকৰ ডাঙৰ ডাঙৰ জেপবোৰ বস্তু বাহানিৰ ভৰত ওলমি পৰিছে ; অৱশ্যে এনেধৰণৰ ধাৰণা হোৱাৰ কাৰণো আছে। প্ৰতি দেওবাৰে তাইৰ বন্ধুসকলক যিসকল মানুহে দেখা কৰিবলৈ আহে, তেওঁলোকে তাইক বহুতো মিঠাই, খোৱাৰ অন্যান্য সামগ্ৰী আৰু কিমান যে ধুনীয়া-ধুনীয়া বস্তু আনি দিয়ে। ইমান বস্তু-বাহানি তাই উপহাৰ পায় যে সেইবোৰেৰে ইটো দেওবাৰৰপৰা সিটো দেওবাৰলৈকে তাইৰ অনায়াসে চলি যায়।

এদিনাখন, তাইকো চাবলৈ অহাৰ লেখিয়াই এটা ঘটনা ঘটিল। সেইদিনাখন দোকমোকালিতে যিজন মানুহে চিঠি বিলায় সেই মানুহজনে তাইক এটা কাগজৰ টোপোলা আনি দিলে। খোলা আৰু ফলা কাগজৰ টোপোলাটোৰ ভিতৰত কিছুমান ধুনীয়া-ধুনীয়া বস্তু দেখা গৈছে। মাকে যেতিয়া টোপোলাটো হাত পাতি লৈছিল, তেতিয়া ভাবিছিল যে টোপোলাটো তাইৰ বাবে নহয় ; মানুহবোৰে নিশ্চয় ভুল কৰিছে। কিন্তু মাকে সেইটো তাইৰ বুলিয়েই ক'লে। ফ্ৰান্সৰপৰা পঠিয়াইছে হেনো।

"ফ্ৰান্স ? এইটোনো আকৌ কি ?" শিশু সুলভ বিস্ময়ত চকু দুটা ডাঙৰকৈ মেলি আশাই সুধিলে।

"ফ্ৰান্স হ'ল এখন দেশ। সেইখন দেশ ইয়াৰপৰা বহু দূৰৈত আছে।" —মাকে ক'লে "কোনখিনিত আছে সঠিককৈ অৱশ্যে ময়ো নাজানো ; কিন্তু মই প্ৰায়েই কোৱা শুনিছোঁ যে ফ্ৰান্সৰ শ্ৰমিক আৰু জনসাধাৰণে হেনো আমাক আৰু আমাৰ বন্ধুসকলক বৰ ভাল পায়। স্পেইনৰ বহুতো মানুহ তাত থাকে, আমাৰেই দৰে স্পেইনৰ মানুহে…"

"কিন্তু, তেওঁলোকে যে আমাক চিনি নাপায় !" আশাই প্ৰতিবাদ কৰিলে।

"চিনি নাপালেনো বাৰু কেলেই বস্তু পঠিয়াব ?"

অৱশেষত দেখা গ'ল-- টোপোলাটো সঁচাকৈয়ে তাইৰেই। তাই ভিতৰৰ বস্তুবোৰ এপদ এপদকৈ উলিয়াবলৈ আৰম্ভ কৰিলে। কি আচৰিত ! দুটা চোলা, চকোলেট, মিঠাই আৰু এটা ডাঙৰ পুতলা…

উপহাৰবোৰ তাই কেৱল ইফালে-সিফালে লুটিয়াই-বগৰাই চাবলৈ ধৰিলে। মাকে কিন্তু তেতিয়া চোলাৰ জাপৰ পৰা সৰি পৰা এটুকুৰা কাগজ পঢ়িবলৈ ধৰিলে। অলপ পাছত মাকে তাইক মাতিলে। মাকৰ চকুত চকুপানীয়ে টলমল কৰিছে। তেওঁ কলে, "জানা আশা, স্পেইনৰ বহুতো মহিলাই তোমালৈ এই উপহাৰবোৰ পঠিয়াইছে। তেওঁলোক ঠিক মোৰেই নিচিনা, আৰু যিসকলক ইয়াত দেখিছা তেওঁলোকৰেই নিচিনা। তেওঁলোকেও আমাৰ কথা ভাবে। তেওঁলোকে লিখিছে যে তোমাক যদিও তেওঁলোকে চিনি নাপায়, তথাপি তেওঁলোকে তোমাক বৰ ভাল পায় ; আৰু সেইবাবেই ভালপোৱাৰ চিনস্বৰূপে এইবোৰ উপহাৰ তোমালৈ বুলি পঠিয়াইছে। আশা, আজিৰপৰা তুমি আৰু নতুনকৈ বহুতো মা পালা। কথাষাৰ তুমি ঠিক ভালদৰে বুবুজিবা ; কিন্তু তোমাৰেই দৰে স্পেইনৰ প্ৰতিজন কণ-কণ ল'ৰা-ছোৱালীৰ হাজাৰ-হাজাৰ মা আছে।"

কথাষাৰ অৱশ্যে আশাই বৰ ভালকৈ বুজি নাপালে। তথাপি এষাৰ কথাই বাৰে-বাৰে আশাৰ মনত খুন্দিয়াবলৈ ধৰিলে-- সেই নতুন মাকসকললৈ তায়ো কিবা পঠিওৱা উচিত। কিন্তু তাইৰ যে একোৱেই নাই ! অৱশেষত এষাৰ কথা তাইৰ মনত খেলালে। মাকক মাতি আনি আশাই ক'লে, "তেওঁলোকে মোক ইমান ভাল পায়, ময়ো তেওঁলোকৰ বাবে কিবা এটা কৰিম। মই এইবাৰ লিখিবলৈ শিকিম। তাৰ পাছত তেওঁলোকলৈ চিঠি লিখিম।"

আশাই ভাবিছিল চিঠিখন দীঘলীয়া হওক, কিন্তু দীঘলীয়া চিঠি লিখিবলৈ তাইৰ ইমান ধৈৰ্যই বা ক'ত ? মাথো কেইটামান আখৰ লিখিবলৈ শিকিয়েই এটুকুৰা কাগজত মাকৰ সহায়ত তাইৰ নতুন মাকসকললৈ চিঠি লিখিলে :

"ময়ো তোমালোকক ভাল পাওঁ। ইয়াত মই তোমালোকৰ কথা বহুত শুনিছোঁ। মই তোমালোকৰ কণমানি মাজনী বুলি শুনি বৰ ভাল লাগিছে। তোমালোক সকলোৱে মোৰ ব-হু-ত চেনেহ আৰু চুমা ল'বাহঁক !"

দুমাহ পাছত এদিনাখন সন্ধিয়াপৰত আশা আৰু তাইৰ মাকক খবৰ দিয়া হ'ল যে দুজন মানুহে তেওঁলোকক দেখা কৰিবলৈ বিচাৰিছে।

"দুজন মানুহ !" বিস্ময়ত মাকে প্ৰায় আৰ্তনাদ কৰি উঠিল। "অসম্ভৱ ! মোৰ স্বামীয়েতো ইয়ালৈ অহাৰ কথা এৰ্কোকে জনোৱা নাই ? তাৰ বাহিৰে ইয়াৰ অইন কাকোতো মই চিনিয়েই নাপাওঁ !"

আশাই কিন্তু সঁচাকৈয়ে ভয় খালে। ভীষণ ভয় খালে। তাই যিমান পুৰুষ দেখিছে সিহঁতৰ সকলোবোৰেই 'বেয়া' ; সিহঁতে কেৱল মাকক আৰু অন্য বন্ধু সকলক ধৰি মাৰে, যন্ত্ৰণা দিয়ে। আশাই বহুবাৰ নিজেই মাৰ খাইছে আৰু মুখেৰে তাইকো সিহঁতে বহুতো নকবলগীয়া কথা কৈছে। আশাই পাছত শুনিছিল—সেইবোৰ হেনো বৰ বেয়া কথা। মাকক আৰু তাইক যি দুজন মানুহে দেখা কৰিবলৈ আহিছে, সিহঁতেও নিশ্চয় তেওঁলোকক ধৰি মাৰিব। ভয়তে কঁপি কঁপি মাকৰ হাতখনত টানকৈ মুঠি মাৰি ধৰি আশা এটা ডাঙৰ ঘৰলৈ আহিল। ঘৰটোৰ মাজভাগত থকা লো·ৰ বেৰজালেৰে ঘৰটো দুভাগ কৰা। লো·ৰ জালৰ বেৰখনৰ সিফালে বহুতো মানুহ। দুজন মানুহ তাইৰ চকুত পৰিল। আশ্চৰ্য ! তেওঁলোক একেবাৰে অন্যধৰণৰ। তাইৰ পিনে তেওঁলোকে কেনে মৰম লগা চাৱনিৰে চাইছে আৰু হাঁহিছে।

পৰস্পৰক সম্বোধন কৰাৰ পাছত মানুহ দুজনে সৰু মাতেৰে ক'লে,— তেওঁলোক এটা কাৰখানাৰ শ্ৰমিকসকলৰ পক্ষৰপৰা আহিছে। 'কাৰখানা'নো কাক কয় আশাই আজিলৈকে নাজানে ; কিন্তু তথাপি সেই সম্পৰ্কে কোনো প্ৰশ্ন নকৰি তাই মনে মনে থাকিল। সেই দুজনৰ ভিতৰৰে কম বয়সীয়া ল'ৰাজনে আশাক এবাৰ বেৰখনৰ ইটোফালে আনি দিবৰ বাবে প্ৰহৰীক ক'লে। এই লৈ বহু সময় ধৰি বহুতো তৰ্ক-বিতৰ্ক, কথা কটাকটিৰ পাছত আশাক সিটোফালে যাবলৈ দিয়া হ'ল। আশাই কিন্তু ইয়াত বিশেষ একো আনন্দ নাপালে। কিন্তু মানুহজনে তাইক কোলাত লৈ চুমা খালে। আশাই দেখিলে মানুহজনৰ চকু দুটা চলচলীয়া হৈ পৰিছে। মানুহজনে তাইক কোলাত লৈ ইমান জোৰকৈ সাৱটি ধৰিছিল যে তাই বৰ কষ্ট পাইছিল, কিন্তু তাই অকণো ভয় কৰা নাছিল। তাই ভালকৈ বুজি পাইছিল যে এওঁলোক ভাল মানুহ। সেয়েহে মানুহজনে যেতিয়া তাইৰ ফ্ৰকৰ জেপত টিপতে এটুকুৰা কাগজ সুমুৱাই দিলে, তেতিয়া তাই গম পাঁয়ো মনে মনে ৰ'ল।

তেওঁলোকে অনা খোৱা বস্তুৰ বাবে মাকে তেওঁলোকক ধন্যবাদ জনালে, আৰু বেছিকৈ অইন একো আনিব নোৱৰাৰ বাবে তেওঁলোকেও ক্ষমা খুজিলে। তাৰ পাছত মাকৰ স'তে তাই পুনৰ ছে'ললৈ উভটি গ'ল।

এতিয়াহে আশাই মাকক সেই কাগজৰ টুকুৰাটোৰ কথা ক'লে। সকলোবোৰ বন্দীনী কাগজখনৰ ওপৰত উবুৰি খাই পৰিল। পূৰ্বৰ দৰেই উত্তেজিতভাৱে আলোচনা আৰম্ভ হ'ল। ধাৰণা হ'ল সকলো যেন অত্যন্ত আনন্দিত হৈছে ; কিন্তু আশাই ভাবি নাপালে কেলেইনো বাৰু কাগজখন পাই তেওঁলোক ইমান আনন্দিত হৈছে ? মাথো কেইটামান শব্দহে উপৰুৱাকৈ তাই ধৰিব পাৰিছিল। ৰাষ্ট্ৰ, শান্তি-সেনা, নিপীড়িতৰ মুক্তি— এইবোৰৰ অৰ্থ তাই একোৱেই বুবুজিলে। অৱশ্যে এটা কথা তাই ভালকৈয়ে বুজিলে যে আজি তাইৰ বাবেই তাইৰ বন্ধুসকলে ইমান আনন্দ পাইছে। বহুতো সাধুত যিবোৰ বীৰৰ কথা শুনিছিল, আশাই নিজকে সেইসকলৰ এজন বুলি ভাবিবলৈ ধৰিলে।

পাছদিনাখন দেখা পালে সকলো বন্দীয়ে লুকুৱাই-লুকুৱাই এখন কাগজত কিবা লিখিছে। সকলোৱে তাইক ক'লে যে কালি মানুহজনে যিখন চিঠি তাইৰ হাতত দি পঠিয়াইছিল, এয়া হ'ল সেই চিঠিখনৰেই উত্তৰ। আশাই ক'লে, "ময়ো তেওঁলৈ লিখিম। কিন্তু কি লিখিব লাগিব মই যে নাজানো !"

তেতিয়া মাকে আশাৰ কণমানি হাতখনত ধৰি লাহে লাহে লিখাবলৈ ধৰিলে… "আমিও ইয়াত মৰিব নোখোজোঁ। ইমান অত্যাচাৰ, ইমান দুখ সহ্য কৰিও আমি জীৱনক ভাল পাওঁ। আমি জীয়াই থাকিব খোজোঁ, কিয়নো— ভৱিষ্যতৰ ওপৰত আমাৰ আছে বহুতো আশা, বহুত বিশ্বাস ! কিয়নো আমাৰ দৰে চিন্তা কৰা প্ৰতিজন মানুহৰ কোনো মনে মনে থাকিব নোৱাৰে, নাথাকে। ময়ো বন্দীসকলৰ মাজৰেই এজনী সৰু ছোৱালী ;— মোক সকলোৱে আশা বুলি মাতে ;— ময়ো শান্তি বিচাৰোঁ। শান্তি বিচাৰোঁ মই মোৰ দেউতাক, মোৰ ককাইদেউক দেখা পাবৰ বাবে, এনে ভয়ংকৰ ঠাইৰপৰা বাহিৰলৈ ওলাই যাবৰ বাবে। যি খেলপথাৰ মই এতিয়াও দেখা নাই— তাত অইন বহুতো কণ-কণ ল'ৰা-ছোৱালীৰ মাজত ময়ো এজনী সৰু ছোৱালী হৈ খেলা-ধুলা কৰিবৰ বাবেই শান্তি বিচাৰোঁ।"

"তুমি জানো সঁচাকৈয়ে এইবোৰ বিচাৰা ?" মাকে তাইক সুধিলে।

"নিশ্চয় !" আশাই দৃঢ়ভাৱে ক'লে, "আৰু যদিহে এই শান্তি পাওঁ, ফ্ৰান্সৰ যিবোৰ ছোৱালীয়ে মোলৈ উপহাৰ পঠিয়াইছে' ময়ো যদি সেইসকলৰ দৰেই হওঁ,— তেনেহ'লে ময়ো শান্তি ভাল পাওঁ, যদিওবা শান্তি কাক বোলে মই নাজানো।"

* [অত্যাচাৰী শাসকৰ অত্যাচাৰৰ আঁৰত থাকি মুক্তিৰ সংগ্ৰামত নিজকে নিয়োজিত কৰিবলৈ পৃথিৱীৰ বহু লেখকেই আনকি ছদ্ম নামো ব্যৱহাৰ নকৰাৰ বহু উদাহৰণ আছে। এই গল্পৰ লেখকেও সম্ভৱতঃ অত্যাচাৰৰপৰা সাৰি থাকিবৰ বাবেই নিজৰ নাম ব্যৱহাৰ কৰা নাই।— অনুবাদক]

২৪ পৃষ্ঠাৰ পিছৰ পৰা

আৰু পৰিবেশ সৃষ্টি কৰাত আগভাগ লয় বুলি জনা গৈছে। দেহ' গঠনৰ কাম আগ বাঢ়ি যোৱাৰ সময়ত XX ক্ৰোমোছোম থকা ব্যক্তিৰ গাত স্ত্ৰী হৰমোনবিলাক স্ত্ৰী· চৰিত্ৰ বিকাশৰ সহায়ক হয়, আৰু XY ক্ৰোমোছোম থকা ব্যক্তিৰ গাত পুৰুষ হৰমোনবিলাকে পুৰুষ চৰিত্ৰবোৰ স্পষ্ট কৰি তোলে। হৰমোন ক্ৰিয়াৰ দ্বাৰা কিন্তু লিংগ সম্পৰ্কীয় চৰিত্ৰ আংশিকভাৱেহে নিয়ন্ত্ৰণ কৰিব পাৰি, সম্পূৰ্ণভাৱে নোৱাৰি। মানুহৰ ক্ষেত্ৰত এই পৰীক্ষা কৰাটো বিপজ্জনক। কাৰণ লিংগ নিৰ্ণয়ৰ লগত সংশ্ৰৱ থকা হৰমোনবিলাক লিংগ চৰিত্ৰৰ বাহিৰে আন আন চৰিত্ৰৰ লগতো সম্বন্ধযুক্ত। গতিকে এবাৰ লিংগ পৰিবৰ্তন হোৱাৰ পাছত পুনঃ তাক সলনি কৰা প্ৰশ্নটো পৰীক্ষামূলকভাৱে সমাধান কৰাত অসুবিধা আছে। স্বাভাৱিকভাৱে পৰিবৰ্তিত লিংগই পুনঃ পূৰ্বাৱস্থা লাভ কৰাৰ উদাহৰণ এতিয়ালৈকে প্ৰকাশ হোৱা নাই। বিজ্ঞানীসকলে ভাবে যে লিংগ নিৰ্ণয়ত হৰমোনৰ প্ৰভাৱ আৰু ক্ৰোমোছোমৰ প্ৰভাৱ পৰস্পৰে বিপৰীত ধৰ্মী নহয়।

OKDISCD

## ভোগদৈ

দিলীপ ফুকন

(নিষ্পেষিত মাছমৰীয়া সকলৰ প্ৰতি শ্ৰদ্ধাৰে)

শুনাচোন, শুনা ;
মাছুৱৈ বিৰুচনে নিবেদিছে বাণী
ৰাতিৰ সমাজিকত দেখিলেবা কি ?

দোৰোণ ফুলত জাহ যায় কেচুৱা পখিলা
আৰু কিনো আওপকীয়া···
লুইতৰ বালিত দাঁত মেলি ৰয়
কুম্ভীৰ···
নিথৰ···

তেজৰ ডোঙাৰে ৰাঙলী হয় অভাগিনী নৈ।

ভৰা লুইত, ভৰা বিল আমাৰ আয়ে কি বোপাই
তিয়নিৰ আগত মুৰিয়াই

জীৱন
টুলুঙা নাও
উটি যায়···
উটি যায়···
উটি যায়···

ঘাট এৰি ঘৰমুৱা হওঁতে
পিছ লয় তেল-পিচল ক'লা দ'তে
ঘৰ পাওঁ খালৈ উদং
ঘৰ পাওঁ আখল উদং
ঘৰ পাওঁ ঠেহুলা ল'ৰাটো সাৰটি
বহি আছে তাই !
ভৈয়াই ! তাৰোযে টেকেলিয়া-লেং
সাৰ পাওঁ—
গাঁৱৰ মূৰত কোনে যেন চিঞৰে :
আহ ঐ···

চকু মুদোঁ—
আগভেটি ধৰে সিপাৰৰ বালিলৈ' যোৱাই
চকু মুদোঁ
সাৰ পাওঁ

চকু মুদোঁ
সাৰ পাওঁ
বিলৰ পানী উঠে নাচি
ভৰা লুইত বলিয়া হয়
চোঁ চোঁ কৈ চোঁচা লয়
এহেজাৰ চৈ

প্ৰতি টোপাল চকুপানী লৰ মাৰে
ডাক দিয়া একোটা কুকুৰা হৈ
প্ৰতিটোপাল
চকুপানী
কোলধাৰী মাছুৱৈ···

* 'সিপাৰৰ বালিলৈ যোৱা' : মৃতকৰ অৰ্থত



## এসাঁজ ভাত ঃ বৰশীৰ

ৰুদ্ৰ সিংহ মটক

বৰশীৰ পুঙাটোত হুচকু থৈ
পাৰৰ পলসত গুজি দিলোঁ
শুকান ভৰি দুটা

হুচকুৰ নীলাভ ঢৌত
হাঁহি উঠিল
সোণালী ৰূপালী মাছ

কঁপি থকা পুঙাটোৰ
ছেৰে ছেৰে নাচি উঠিল
পহিলা মাঘৰ একাঁহী ভাত

গাঁৱত হেনো জুই লাগিছে,
সৰু ল'ৰাটোৱে ক'লেহি আহি···

আবেলিৰ বেলিটো খহি পৰিল
এটা প্ৰকাণ্ড শিল হৈ
সোৱণশিৰিৰ বুকুত


বৰশীৰ মাছবোৰ ওপঙি ৰ'ল
শ্বাসৰুদ্ধ মোৰ এডিঙি তেজত।





# অনুসন্ধান

তিনি




[৮]

ভালেই চলি আছিল। জীৱনত আদৰ্শ আছিল, উদ্দেশ্য আছিল, সপোন দেখাৰ মানসিকতাও আছিল। অজ্ঞাতে কেতিয়া যে কেণা লাগিল শৈলেন বৰুৱাই নিজেই ক'ব নোৱাৰে।

ধুনীয়া সপ্ৰতিভ ল'ৰা,— সকলোৰে লগত মিলিব পাৰে,—শৈলেনক সকলোৱে ভাল পাইছিল। পঢ়াশুনাতো ভাল। প্ৰথম বিভাগত মেট্ৰিক পৰীক্ষা পাছ কৰিছে, বি· এ পৰীক্ষাত দ্বিতীয় শ্ৰেণীৰ অনাৰ্ছ পাইছে। কলিকাতাত এম· এ পঢ়িবলৈ আহি বিশ্ববিদ্যালয়ৰ অনুমোদিত কোনো ছাত্ৰাবাসত ঠাই নাপালে। গোৱালপাৰাৰ অজিত ৰায়ৰ জৰিয়তে শৈলেন বৰুৱাই অস্থায়ীভাৱে হেৰিছন ৰোডৰ (বৰ্তমান মহাত্মা গান্ধী ৰোড) মেছ এটাত আশ্ৰয় ল'লে। মেছত পঢ়াশুনাৰ বাতাৱৰণ নাই। মেছত থকা মানুহবোৰ চৰকাৰী অফিছ বা অন্যান্য প্ৰতিষ্ঠানত কাম কৰা মানুহ। অজিতদাই ছি· পি· ডব্লু· ডি· অফিছত কাম কৰে। শৈলেনে অজিতদাৰ লগত অজিতদাৰ কোঠাত থাকিবলৈ ল'লে। মেছৰ বেচি ভাগেই ডেকা ল'ৰা। দুই-চাৰিজন বিবাহিত বয়সীয়াল মানুহো আছে। মহানগৰৰ উপকণ্ঠত এওঁলোকৰ ঘৰ। শনিবাৰে অফিছৰপৰা বাহিৰে বাহিৰে ঘৰলৈ যায়, আৰু সোমবাৰে ঘৰৰপৰা বাহিৰে-বাহিৰে অফিছলৈ আহে।

মেছত পঢ়াশুনাৰ বাতাৱৰণ নাই। কিতাপ-পত্ৰৰ লগত কাৰো কোনো সম্বন্ধ নাই। গধূলি কিছুমানে ক্লাছ খেলে। তেওঁৰো যে এইবোৰ বিষয়ে একো সংস্কাৰ নাই এইটো দেখুৱাবৰ কাৰণে বৰুৱাই এদিনা তিনিপাত তাচ দাঙি ল'লে। তাৰ পাছত তেওঁৰো নিচা বহি গ'ল।

বন্ধ থাকিলে আগদিনা গধূলিৰপৰা অবিচ্ছিন্নভাৱে খেল চলি থাকে। মানুহ সলনি হয় কিন্তু খেল বন্ধ নহয়।

কিতাপ-পত্ৰ ৰলগত শৈলেন বৰুৱাৰ কোনো সম্বন্ধ নাই। তেওঁ ক্লাছ কৰিবলৈও নোযোৱা হ'ল। ভাল নালাগে। লগৰ লগত তেওঁ অইন ফ্লাছৰ আড্ডালৈ যাবলৈ ধৰিলে। কিছুমান আড্ডাৰ লেনদেনৰ পৰিমাণ দেখি তেওঁ বিস্ময়ত অভিভূত হৈ গ'ল। বাতাৱৰণ দেখিলেই শৰীৰ ৰোমাঞ্চিত হৈ পৰে।

আধুনিক জীৱনধাৰাৰপৰা তেওঁ বিচ্ছিন্ন নহয়। গতিকে এদিন শৈলেন বৰুৱাই বিনা দ্বিধায় মদৰো গিলাছো দাঙি ল'লে। সুৰেশ মিত্ৰই যেনেকুৱা তীক্ষ্ণ দৃষ্টিৰে তেওঁৰ ফালে চাই আছিল যে বৰুৱাই প্ৰত্যাখ্যান কৰিবলৈ টান পালে। পিছে— মস্কিল হৈছে,—তেওঁ নিজেই উপলব্ধি কৰিব পাৰিছিল যে এইবোৰ কাম ঠিক হোৱা নাই। নাই, এনেকৈ চলিলে নহ'ব। পঢ়াশুনা কৰিবলৈ আহিছে, পঢ়াশুনা কৰিব লাগিব। প্ৰথম কথা এই মেছটো এৰিব লাগিব। কাইলৈৰপৰা নিয়মমতে ক্লাছ কৰিব লাগিব। কিন্তু গোটেই দিনটো টোপনি মাৰি গধূলি তেওঁ সকলো কথা পাহৰি যায়; আড্ডাত বহিবৰ কাৰণে অস্থিৰ হৈ উঠে।

ছাত্ৰ এজনে যিমানখিনি পইচাৰে চলিব পাৰে, মদ খাবলৈ হ'লে আৰু জুৱা খেলিবলৈ হ'লে সেইখিনি পইচাৰে চলা অসম্ভৱ। বিভিন্ন চেলু দেখুৱাই ঘৰৰপৰা পইচা আনিও শৈলেনে চম্ভালিব নোৱৰা হ'ল। অসুখ হৈছে— ডাক্তৰে বহুতো কিবাকিবি দৰব খাবলৈ দিছে, কিতাপ একোখনৰ যিহে দাম—অথচ নিকিনিলেও নহয়,



OKDISCD

পকেটমাৰে এইমাহৰ গোটেইখিনি টকাই মাৰি দিলে—কলিকতাখন যে ইমান ভয়ংকৰ ঠাই তেওঁ ভবাই নাছিল। এই ধৰণে টকা আনিও তেওঁ চম্ভালিব নোৱৰা হ'ল। ইয়াৰ পাছত তেওঁ অসমীয়া ছাত্ৰ আৰু কলিকতাত বাস কৰা অসমীয়া মানুহৰ পৰা টকা ধাৰ কৰিবলৈ আৰম্ভ কৰিলে। বিদেশত অসমীয়া ল'ৰা এজন অসুবিধাত পৰিছে, পাৰিলে সাময়িকভাৱে সহায় কৰিবলৈ কোনেও আপত্তি নকৰে। শৈলেনে লওঁতে ফিৰাই দিব বুলিয়েই লয়। সুৰেশ মিত্ৰৰ আড্ডাত এক হাত জিকিলেই গোটেইখিনি ধাৰ মাৰিবপৰা যাব।

অজিত ৰায় ভৃগু চৌধুৰীৰ বন্ধু। চৌধুৰীয়ে ৰেষ্ট ইণ্ডিজৰ লগত ভাৰতৰ ক্ৰিকেট খেল চাবলৈ কলিকাতালৈ গৈ অজিত ৰায়ৰ লগত আছিল। ৰাতিপুৱাই শৈলেনক বিচাৰি মেছত এজনী ছোৱালী উপস্থিত। মেছলৈ সাধাৰণতে ছোৱালী নাহে। গতিকে বেচ চাঞ্চল্য, জুমাজুমি লাগি গ'ল। কোন আহিছে, কাৰ তালৈ আহিছে, কিয় আহিছে, সকলোৰে অদম্য কৌতুহল।

শৈলেনে ৰেষ্ট ইণ্ডিজৰ খেলুৱৈসকলৰ খেলৰ বিশেষত্ব কি ভৃগু চৌধুৰীক তাকেই বুজাই আছিল। দুৱাৰত কোনোবাই টুকৰিয়াই দিয়াত তেৱেঁই দুৱাৰখন খুলি দিলে। সমুখত ছোৱালী দেখি তেওঁ চক খাই উঠিল।

"ৰেখা !"

ৰেখাই স্থিৰ দৃষ্টিৰে শৈলেনৰ ফালে চাই ৰ'ল। উপস্থিত অইন মানুহৰ আগত কি ধৰণে কথাখিনি ক'ব যেন তাকেই ভাবি ল'লে।

"ঘৰৰপৰা অহা তোমাৰ কিমান দিন হ'ল ?" শৈলেন নিমাত।

"দেউতাই তোমাৰ হাতত মোলৈ টকা পঠিয়াইছে, মোক এতিয়ালৈকে দিয়া নাই কিয়? টকা পাওঁতে ইমান পলম কিয়, তাকেই চিন্তা কৰি আছিলো। কালি দেউতাৰ চিঠি পাইহে গম পালো। মোৰ কিমান অসুবিধা হৈছে জানা ?"

"মানে ইয়ে, ই হ'ল নহয়। আহিয়েই ভীষণ পেটৰ অসুখ হ'ল।"

"পোন্ধৰ দিন ধৰি পেটৰ অসুখ চলি আছে ?"

"নহয়, মানে, এই যাম যাম বুলি যাবইপৰা নাই।"

"যাব নালাগে। তোমাৰ সময় নাই যেতিয়া মই নিজেই আহিছোঁ, দিয়া।"

ৰেখাই শৈলেনৰ ফালে সোঁহাতখন আগবঢ়াই দিলে। শৈলেন ভীষণ বিব্ৰত হৈ পৰিল।

"বাৰু ঠিক আছে। ভাটিবেলা মই তোমাক দি আহিম গৈ।"

"ভাটিবেলা যাব লাগিছে কিয়? এতিয়াই নিদিয়া কিয় ?"

"ইয়ে নহয়, মানে এটা বৰ জুলুম হ'ল নহয়।"

"কি জুলুম ?"

ভৃগু চৌধুৰী আৰু অজিত ৰায় দুয়ো নিৰৱে কথোপকথন শুনি আছিল। চৌধুৰীয়ে কোঠাৰ পৰা ওলাই যাব খুজিলে। ৰায়ে তেওঁৰ হাতত ধৰি ৰখাই থ'লে।

ৰেখাই স্থিৰ দৃষ্টিৰে শৈলেনৰ ফালে চাই আছে। শৈলেনে ৰেখাৰ পিনে মূৰ তুলি চাব পৰা নাই। ৰেখাই শৈলেনক এই ধৰণে জেৰা কৰি যথেষ্ট অস্বস্তি বোধ কৰি আছে, পিছে তাই হেস্ত-নেস্ত কৰিম বুলি দৃঢ়প্ৰতিজ্ঞ।

"ৰূপালীয়ে একেলগে স্কলাৰশ্বিপৰ টকা পোৱা বুলি জানি তুমি তাইৰ পৰা দুশ টকা যে লৈছা, ফিৰত দিছা ?"

"দিম নহয়।"

"কেতিয়া দিবা? সাত দিনৰ ভিতৰতে দিম বুলি কোৱা নাছিলা ?"

খং উঠিলেও শৈলেনে ডাঙৰ মাতেৰে কথা ক'ব পৰা নাই। কাজিয়া লাগিছে বুলি গম পালে দুৱাৰমুখত মানুহৰ জুম বান্ধি যাব।

অত্যন্ত কাতৰ কণ্ঠেৰে শৈলেনে ৰেখাক প্ৰাৰ্থনা জনালে, "তুমি এতিয়া যোৱাচোন। মই ভাটিবেলা হোষ্টেলত গৈ তোমাক টকাখিনি দি আহিম।"

"ভাটিবেলা কিয় লাগিছে? এতিয়াই নিদিয়া কিয়?" ৰেখা দত্তই ইকনমিক্সত এম. এ. পঢ়ি আছে, শৈলেন বৰুৱাৰ চুবুৰীৰ ছোৱালী। গহীন স্বভাৱৰ, নিজেই নিজৰ ব্যৱস্থা কৰিবপৰা ধৰণৰ ছোৱালী। যোৱাৰ আগতে তাই কৈ গ'ল; "টকা নাপাওঁ বুলি মই জানো। তোমাৰ স্বভাৱ-চৰিত্ৰ কেনেকুৱা হৈছে দেউতাইতো নাজানে। সোনকালে পাম বুলি তোমাৰ হাততে দি পঠিয়াইছে। যাওঁ দিয়া। খঙতে বহুতো কিবাকিবি ক'লো, বেয়া নাপাবা। এনেকুৱাকৈ অধঃপাতে নাযাবা। ভাল হোৱাৰ চেষ্টা কৰা।"

অভিভাৱিকাৰ দৰে উপদেশ দি ৰেখা গুচি গ'ল। ভৃগু চৌধুৰীৰ অস্বস্তিৰ সীমা নাই। ইমান সপ্ৰতিভ ল'ৰা শৈলেন বৰুৱা, কোঁচ খাই যেন মানুহজন সৰু হৈ গৈছে। এনেয়ে দুখোন ল'ৰাজন বৰ কৰিতকৰ্মা ল'ৰা। চৌধুৰীয়ে খেল চোৱাৰ কাৰণে টিকট পাব বুলি আশা কৰা নাছিল। শৈলেনে সুৰেশ মিত্ৰৰ জৰিয়তে উচিত দামত দুজন টিকট যোগাৰ কৰি দিছে। কালি তেওঁ কথাই-কথাই চৌধুৰীক সুধিছিল যে দৰকাৰ হ'লে দুই-এদিনৰ কাৰণে চৌধুৰীয়ে তেওঁক দুশ টকা দিব পাৰিব নেকি? দুশ টকা দিয়াত চৌধুৰীৰ আপত্তি নাই। তেওঁ যিখিনি সহায় কৰিছে তাৰ মূল্য দুশ টকাতকৈ বেছি।

শৈলেন লাহেলাহে কোঠাৰপৰা ওলাই গ'ল। অজিত ৰায়ে আক্ষেপ কৰি ক'লে, —সংগদোষত ল'ৰাজন নষ্ট হৈ গ'ল। তাৰ সৰু মোমায়েক যোগেন মহন্ত মোৰ ক্লাছ ফ্ৰেণ্ড। হোষ্টেলত ছিট পোৱা নাই, মোৰ ইয়াতেই সাময়িকভাৱে থকাৰ ব্যৱস্থা কৰি দিবলৈ ক'লে। ৱাই. এম. ছি. এ. ত ছিট এটা যোগাৰ কৰি দিছিলো, নগ'ল। ইয়াতেই হ'ব। যাব কেনেকৈ? জুৱাত ধৰিছে। মদতো ধৰিছে বুলি মোৰ সন্দেহ। ৰাতি যিহে ছেণ্ট আৰু ইলাচিৰ গোন্ধ! অকলে কলিকতালৈ আহিব নোৱাৰে, মোমায়েকে লগত লৈ আহিছিল। সেই ল'ৰা এতিয়া লায়েক হৈছে, মানুহক হাইক'ৰ্ট দেখুৱাব পৰা হৈছে। কলিকাতাত এইবোৰ কৰি থাকিবলৈ হ'লে টকা লাগে। বাবু তো বাবু, শৈলেন বাবু। শৈলেন বাবু। মানুহে তুলি দিয়ে, তাৰো গাত তত নাই। তোমাৰ পৰাও টকা খুজিছে নেকি ?"

"নাই খোজা।"

"চাবা। আগতেই সাৱধান কৰি থ'লো।"

[ ৯ ]

ছুটিৰ পাছত দোপালপিটা বৰষুণ। বৰষুণৰ ফালে উদ্বেগৰ দৃষ্টিৰে চাই চাই কিছুমান মানুহ প'ৰ্টিকত ৰৈ আছে। সত্যজিত আৰু মিনতিও তাত ৰৈ আছে। ৰৈ ৰৈ অধৈৰ্য হৈ হঠাতে বিশেষ ভংগীত এজনে প'ৰ্টিকৰপৰা ওলাই লৰ মাৰিলে। তাকে দেখি-এজন-দুজনকৈ সকলোৱে যোৱা আৰম্ভ কৰিলে। সোনকালে বৰষুণ এৰাৰ কোনো লক্ষণ নাই।

সত্যজিতে মিনতিক ক'লে, "কি কৰিবি? এই বৰষুণত যাবি কেনেকৈ ?"

"ইফালে খুৱাই চিন্তা কৰি থাকিব, সত্যই ছোৱালীজনীক ক'লৈ পলুৱাই লৈ গ'ল ?"

"চাওঁ, চাওঁ সোণামুৱা, মুখখন চাওঁ।" মিনতিয়ে সত্যজিতৰ থুতৰিত ধৰি মুখখন তাইৰ ফালে ঘূৰাই ল'লে। প'ৰ্টিকত দুই-এজন মানুহ তেতিয়াও ৰৈ আছে, ভ্ৰূক্ষেপ নাই।

অলপ পাছত সত্যজিত সঁচাকৈ উদ্বিগ্ন হৈ উঠিল।

"যাওঁ ব'ল। ইয়াৰ পাছত গোস্বামী ছাৰ্ভিছৰ সমুখৰ বাটছোৱা সাঁতুৰি পাৰ হ'ব লাগিব।"

আগৰ ধ্যানধাৰণা আৰু চিন্তা-পদ্ধতি লৈ মানুহে সত্যজিত আৰু মিনতিৰ সম্বন্ধটো বুজি নাপাব। এই সম্বন্ধৰ ভেটি আন্তৰিক বন্ধুত্ব। সিহঁত যে বিপৰীত লিংগৰ প্ৰাণী সেই কথাও সিহঁতৰ মনত নাথাকে। সেই কাৰণে কেতিয়াবা সিহঁতৰ আচৰণ মানুহৰ চকুত দৃষ্টিকটু লাগে। সত্যজিতে ক'ব নোৱৰাকৈ কেতিয়াবা কথাৰ লাচতে মিনতিৰ পিঠিত থপৰিয়াই দিয়ে। গজেন বা নিয়ামতৰ পিঠিতো সি এনেকৈয়ে থপৰিয়াই দিলেহেঁতেন।

সত্যজিত ডেকা চুবুৰীৰ ল'ৰা, মিনতিৰ লগত একেলগে বি. এ. পাছ কৰিছে, একেটা বেংকত কাম কৰে। আগৰ দিনত একেলগে কলেজত পঢ়িলেও ল'ৰা-ছোৱালীৰ মাজত মাত-বোল নাছিল। সহপাঠী ল'ৰাবোৰেও পৰস্পৰক আপুনি বুলিহে সম্বোধন কৰিছিল। আজিকালিৰ বেচি ভাগ ল'ৰা-ছোৱালীয়ে পৰস্পৰক তই বুলি সম্বোধন কৰে। কিবা ব্যৱধান আছে বুলি নাভাবেই।

সত্যজিতৰ খুব ফুৰ্তি। সি গুণ-গুণাই গান গাই আছে। মিনতিয়ে সুধিলে, "আজি তোৰ হৈছে কি ?"

"নাই হোৱা একো।"

হঠাতে সি ডাঙৰকৈ গাই উঠিল: "মনেৰ আগুন জ্বলেয়া গেইলেন, নিবিয়া গেইলেন না। আ, হা, হা কি লেংগুৱেজ। একেবাৰে অন্তৰৰ কথা।"

"ইয়াৰ্কি মাৰিছ ?"

সত্যজিত থতমত খাই গ'ল। নিজকে নিজে ক'লে, "দিছ ইজ ইয়'ৰ দোষ সত্যজিত। কাক কেতিয়া কি কৈ দিয় ঠিক নাই।"

সিদিনা নিয়ামতক লগ পাই সুধিছিল, "ক'ত উঠিছিল ?"

"ফুফাৰ ঘৰত।"

"কোনখিনিত ?"

নিয়ামতে যিখন ঠাইৰ কথা ক'লে সেই ঠাইডোখৰ সত্যজিতে দেখা মতে দৰ্জি আৰু ধুনকৰৰ আড্ডা। সকলোৰে বিশেষ ধৰণৰ সাজ-পোছাক আৰু চালচলন।

"তাত ভদ্ৰলোক মানুহ ক'ত? চব তো মুছলমান।

নিয়মতে গম্ভীৰ হৈ ক'লে, "মুছলমান মানুহ ভদ্ৰলোক নহয় নেকি ?"

"মনেৰ আগুন জ্বলেয়া গেইলেন, নিবিয়া গেইলেন না।" মিনতিৰ আগত এই ফাঁকি গান গোৱা ঠিক হোৱা নাই। সত্যজিতে কৈফিয়তৰ সুৰত ক'লে, "নহয় অ', কালি বিহুতলীলৈ গৈছিলো। গোৱালপৰীয়া লোকগীতটো শুনি বৰ ভাল লাগিছে। কি ভাষা আৰু কি সুৰ।"

"হব দে, তই গানৰ কি বুজি পাব ?"

"মই বুজি নাপাম? মই তো জন্ম-সূত্ৰে এজন শিল্পী। কি ছন্দোময় গতি। ঢৌৰ দৰে উঠিছে আৰু নামিছে। কি সাৱলীল ছন্দ! তাৰ উপৰি মোৰ নামটোৱেই এটা মস্ত এছেট। এফিডেভিট কৰি উপাধিটো ৰায় কৰি লম বুলি ভাবি আছোঁ।"

সত্যজিতৰ সোঁ-ভৰিখন সামান্য চুটি। খোজ কাঢ়ি গৈ থাকিলে মূৰটো অইনতকৈ সামান্য বেছিকৈ উঠা নমা কৰি থাকে।

অফিছৰ সময়ত ছিটিবাছত অসম্ভৱ ভিৰ। বাছত উঠিবলৈ যোৱা মানে মল্লযুদ্ধ কৰা। কেইবাখনো বাছ গ'ল। উঠাতো দূৰৰ কথা, মিনতিয়ে দুৱাৰমুখৰ ওচৰলৈকে যাব নোৱাৰিলে। এবাৰ চেষ্টা কৰিবলৈ যোৱাত পিছফালৰ মানুহৰ খুন্দাত হামখুৰি খাই পৰিবলৈ ধৰিছিল। বাছখন ৰখাৰ লগে লগে ৰৈ থকা মানুহবোৰে বাছৰ দুৱাৰ মুখখনত দৃষ্টি নিবদ্ধ কৰি হুৰমূৰকৈ আগবাঢ়ি যায়। মাজত কি আছে তেওঁলোকৰ চকুত নপৰে।

স্কুটাৰখন মিনতিৰ গাত প্ৰায় লাগিছিলেই। তাইৰ মেজাজ গৰম হৈ আছিল, চকু পকাই কটমটকৈ চাই দেখিলে সত্যজিত।

"আহ, উঠ। আজি চিটি বাচত উঠিব নোৱাৰ। পলিটিকেল কনফাৰেঞ্চ আছে নহয়।"



OKDISCD

মিনতিয়ে ইতঃস্তত কৰিলে।

"পৰি যাওঁ যদি ?"

"নপৰ। ভালকৈ ককালত গৰা মাৰি ধৰিবি।"

এইটোৱেই নিয়ম হৈ গৈছে। সত্যজিত আৰু মিনতি দুয়ো সত্যজিতৰ স্কুটাৰত অহা-যোৱা কৰে। প্ৰথম প্ৰথম চুবুৰীত দৃশ্যটোৱে কৌতুকৰ সৃষ্টি কৰিছিল। স্কুটাৰৰ শব্দ শুনিলে বয়সস্থ মহিলাবোৰেও পৰ্দাৰ ফাঁকেৰে জুমি জুমি চাইছিল। এতিয়া আৰু কোনেও মনকাণ নকৰে ; সকলো অভ্যস্ত হৈ পৰিছে। তথাপি চুবুৰীৰ মাজেৰে গৈ থাকোঁতে— মাজে সময়ে এতিয়াও মিনতিয়ে অস্বস্তি বোধকৰে। ভৃগু চৌধুৰীক স্থিৰ দৃষ্টিৰে সমুখৰ ফালে চাই থকা দেখিলে তাইৰ খং উঠি যায়।

"চাচোন চা, কেনেকৈ চাই আছে চা।"

[১০]

জনস্ৰোত। জনস্ৰোত শব্দটো ঠিক নহয়। জনতৰংগ। অকল তৰংগই নহয়, উত্তাল তৰংগ। কাৰফিউ ভংগ কৰি সকলো বাটলৈ ওলাই আহিছে, —বুঢ়া, বুঢ়ী, ল'ৰা-ছোৱালী। উত্তাল জনতৰংগ।

"আহ ঐ আহ, ওলাই আহ।"

এই আহ্বানে কাণত নহয়, আত্মাৰ কোনোবা গভীৰ স্তৰত প্ৰতিধ্বনিৰ সৃষ্টি কৰিলে। মন্ত্ৰমুগ্ধৰ দৰে সকলো বাটলৈ ওলাই আহিল। হেমেলিয়নৰ বংশীবাদকৰ কাহিনী কবিৰ উদ্ভট কল্পনা নহয়।

"আহ ঐ আহ, ওলাই আহ।"

ভৃগু চৌধুৰীৰ বায়েকৰ বয়স হৈছে। নানা ৰকমৰ বেমাৰত ভুগি আছে ; উচ্চ ৰক্তচাপ, পেটৰ গণ্ডগোল, —বেমাৰৰ হিচাপ নাই। তেওঁ গেছ-ষ্ট'ভ জ্বলাই পানী গৰম কৰিবলৈ লৈছিল। খিৰিকিৰে দেখিলে যে পিলপিলকৈ চুবুৰীৰ মানুহবোৰ ওলাই গৈছে। তেওঁ ষ্ট'ভটো নুমুৱাই দি বাটলৈ ওলাই আহিল। ক'লৈ যাব, কিয় যাব, কি কৰিব একো এটা কথাই ভাবিবৰ অৱকাশ নহ'ল।

"আহ ঐ আহ, ওলাই আহ।"

জনতৰংগ নাৰেঙিৰ ফালে আগবাঢ়ি যাবলৈ ধৰিলে। অসংখ্য মানুহৰ পদধ্বনি আৰু বিভিন্ন মানুহৰ মুখনিঃসৃত ধ্বনিবোৰ মিহলি হৈ এটা অস্বাভাৱিক গুমগুমনিৰ সৃষ্টি হ'ল।

বামুণীমৈদামত এটা চাঞ্চল্যৰ সৃষ্টি হ'ল। সমুখত দূৰত ফট-ফট শব্দ হৈছে। কোনোবাই চিঞৰি উঠিল, "পলাওক, পলাওক, গুলী চলিছে।" মানুহবোৰ ভয়ত জাঙুল খাই লৰ মৰাৰ উপক্ৰম হ'ল।

"ঠেলাহেঁচা নকৰিব। ভয় নাই, কন্দুৱা গেছ।"

এটা বিপৰ্যয় কথমপি পাৰ হৈ গ'ল। ভৃগু চৌধুৰীৰ বায়েক বিমলা দেৱীয়ে চকুহুটা জ্বলি যোৱা যেন পালে। চুবুৰীৰ বাকীবোৰ মহিলাৰপৰা তেওঁ বিচ্ছিন্ন হৈ পৰিল। কিছুমান ডেকা ল'ৰাই তৎক্ষণাৎ ক'ৰবাৰপৰা বাল্টিয়ে-বাল্টিয়ে পানী আনিলে। চকুত পানী ছটিয়াই দিয়াতো বিমলা দেৱীৰ চকুৰ যন্ত্ৰণা নকমিল। এজন ল'ৰাই লৰি আহি তেওঁৰ হাতত পিয়াজ এডোখৰ দিলে।

"বাইদেউ, এইয়া লওক।"

"কি কৰিম ?"

"চকুত লগাই দিয়ক।"

বিমলা দেৱীয়ে পৰিচিত কোনো এজনকো দেখা নাপালে। উভতি যোৱাৰ কথা তেওঁৰ মনতেই নপৰিল। পিছে তেওঁ অকলশৰীয়া বোধ নকৰিলে। তেওঁৰ চাৰিওকাষে তেতিয়াও অসংখ্য মানুহ। তেওঁলোকৰ খোজৰ লগত খোজ মিলাই তেওঁ নাৰেঙিৰ ফালে আগবাঢ়ি গ'ল। নাৰেঙিত চুবুৰীৰ আনবোৰ মহিলাক দেখি তেওঁ হাঁহিবলৈ ধৰিলে।

কিছুমানে ক'লে যে হিন্দুবোৰক খেদিব লাগে, কিছুমানে ক'লে যে মুছলমানবোৰকহে খেদিব লাগে আৰু কিছুমানে ক'লে যে হিন্দু-মুছলমান সকলো বিদেশী নাগৰিককেই খেদিব লাগে। অসম আন্দোলনৰ আদি পৰ্বত সকলোৰে মনত বিভিন্ন মিশ্ৰ অনুভূতিৰ উদ্দাম আলোড়ন। আশা, উদ্দীপনা, অনিশ্চয়তা, ভয়, ক্ৰোধ, ঘৃণা আৰু সন্দেহ। প্ৰতিটো অনুভূতিৰ তীব্ৰতা যেন বহু গুণে বাঢ়ি গৈছে।

চহৰত বলবৎ থকা এশ চৌৱাল্লিছ ধাৰা ভংগ কৰি মানুহবোৰ নবীন বৰদলৈ হলৰ সমুখৰ বাটটোত গোট খাইছে। সশস্ত্ৰ বাহিনীৰ ট্ৰাক এখন উদ্দাম গতিত মানুহবোৰৰ ফালে আহিবলৈ ধৰিলে। সকলো মানুহে কথা-বতৰা বন্ধ কৰি নিষ্পলক দৃষ্টিৰে ট্ৰাকখনৰ ফালে চাই ৰ'ল। দূৰত্ব ক্ৰমাৎ কমি আহিছে। মানুহে ধৰিব পৰা নাই কি কৰিব। হঠাতে মনোবল হেৰুৱাই এজনে চিঞৰি উঠি লৰ মাৰি দিলে। এইটো যেন এটা সংকেত। এই সংকেতটোৰ নিৰ্দেশ সকলোৰে ভৰিবোৰৰ মাজত সঞ্চাৰিত হ'ল। এই দোদুল্যমান মুহূৰ্তত অধ্যাপক বৰুৱাই উধ্বশ্বাসে লৰি অহা ট্ৰাকখনৰ সমুখত সাষ্টাংগে প্ৰণিপাত কৰাৰ ভংগীত বাটত শুই পৰিল। পঞ্চাছ গজ, ত্ৰিজ গজ। ৰুদ্ধশ্বাসে সকলোৱে আগন্তুক বীভৎস দৃশ্যটোৰ ফালে চাই ৰ'ল। ভয়ংকৰ কৰ্কশ শব্দ কৰি বৰুৱাৰপৰা কেইফুটমান দূৰত ট্ৰাকখন ৰৈ গ'ল। চকাৰ ঘৰ্ষণত পিচৰ ৰাস্তাত এক ইঞ্চিমান দ গাঁত বহি গ'ল।

সশস্ত্ৰ পুলিছবোৰেও ট্ৰাকৰ পৰা মন্ত্ৰমুগ্ধৰ দৰে নিশ্চল হৈ পৰি থকা বৰুৱাৰ ফালে চাই আছিল। সিহঁতৰ উন্মত্ততাও নাইকিয়া হ'ল। অনিচ্ছুকভাৱে সিহঁতে মানুবোৰক বাটৰপৰা আঁতৰি যাবলৈ নিৰ্দেশ দিলে। যান্ত্ৰিক কৰ্তব্য।

ভৃগু চৌধুৰীয়ে "জাতীয় শিক্ষানীতি, ১৯৮৬—এটা প্ৰতিবেদন,"—ভাৰত চৰকাৰে প্ৰকাশ কৰা পুস্তিকাখন পঢ়ি আছিল। তেওঁৰ ভুৰু কোঁচ খাই গ'ল। ২·১৩ সূত্ৰটোত আছে :



"ল'ৰাবোৰক প্ৰত্যেককে নিজ নিজ আহিত আৰু নিজ নিজ ধাৰণাৰে ভাৰতবৰ্ষক পুনৰাবিষ্কাৰ কৰিবলৈ প্ৰেৰণা দিব লাগিব। (ইয়ং পাৰ্ছনছ উইল বি এনকাৰেজড টু আনডাৰটেক দি ৰিডিছকভাৰি অব ইণ্ডিয়া,—ইন হিজ অউন ইমেজ এণ্ড পাৰছেপশ্যন।)" বাক্যটোৰ অৰ্থ কি ?

মনোজিত ডেকা বামপন্থী ভাবধাৰাত বিশ্বাসী। জু-ৰোডত তেওঁৰ এখন কিতাপৰ দোকান আছিল। সৰু দোকান, পত্ৰ-পত্ৰিকাই বেছি। গধূলি দোকানত থকা ল'ৰাজনক মাৰি-ধৰি এজাক উন্মত্ত ল'ৰাই মনোজিতৰ দোকানখন জ্বলাই দিলে। ভাগ্য ভাল মনোজিত দোকানত নাছিল। জ্বলি থকা দোকানৰ সমুখত ল'ৰাবোৰে কিৰিলিয়াবলৈ ধৰিলে। কোনো এজন মানুহৰ প্ৰতিবাদ কৰাৰ সাহস নহ'ল।

চহৰত নিষ্প্ৰদীপ ঘোষণা কৰা হৈছে। গোটেই চহৰ সূচীভেদ্য অন্ধকাৰত নিমজ্জিত হৈ আছে। বিস্তীৰ্ণ এক মৰিশালি। যানবাহনৰ চলাচল বন্ধ। বাটত মানুহ-দুনুহ নাই। ঘৰৰ ভিতৰত সোমাই থাকি অসহ্য লগাত চৌধুৰীয়ে চকী এখন পাতি বাৰান্দাত বহি আছিল। পৰিত্ৰাহি চিঞৰ মাৰি মানুহ এজন লৰি আহিছে। মানুহজন চৌধুৰীৰ ঘৰৰ সমুখৰ দেৱালখন জাপমাৰি পাৰ হৈ চৌহদৰ ভিতৰত পৰিল চৌধুৰীয়ে লৰালৰিকৈ আগবাঢ়ি গৈ মানুহজনক টানি তুলিলে।

"কোন ?"

"মই, ৰাজেন।"

অৰ্থাৎ ৰাজেন বড়ো। জনজাতীয় ল'ৰা, ওচৰৰ মেছত থাকে। কেইজনমান জনজাতীয় লৰাই মেছত থাকি বৰ কষ্ট কৰি কলেজত পঢ়ি আছে। বিশেষকৈ ৰাজেন অতি শান্ত স্বভাৱৰ নিৰীহ ল'ৰা। বন্ধৰ দিনত মাজে সময়ে চৌধুৰীৰ ঘৰলৈ হাজিৰা কাম বিচাৰি আহে। অত্যন্ত লাজকুৰীয়া আৰু মুখত সদায় হাঁহি।

"ৰাজেন ? এনেকৈ চিঞৰিছা কিয় ? কি হ'ল ?"

"ছি· আৰ· পিয়ে কোবাই মূৰ ফালি দিছে।

"কিয় ? কি কৰিছিলা ?"

ঘৰত পোহৰ নাই, কিতাপ পঢ়িবও নোৱাৰে। ঘৰত সোমাই থাকি বিৰক্ত হৈ সি আৰু বুদ্ধিৰামে প্ৰধান ৰাজ আলিটোলৈ ওলাই গৈছিল। হঠাতে ছি· আৰ· পিৰ মানুহ কেইজনমানে খেদি আহি উধাই-মুধাই কোবাবলৈ আৰম্ভ কৰিলে। চৌধুৰীয়ে হাতত ধৰি তাক ঘৰৰ ভিতৰলৈ লৈ আনিলে। ইমানপৰে ৰাজেনে কবই পৰা নাছিল যে সি পিন্ধিথকা গামোচাখন বাটতেই খুলি পৰি গৈছে। সম্পূৰ্ণ দিগম্বৰ। কোঠাত সোমোৱাৰ লগে লগে নিজৰ অৱস্থা সম্বন্ধে সচেতন হৈ আকৌ তৎক্ষণাৎ ঘূৰি আকৌ সি ভিৰাই লৰ মাৰিলে।

"এই ৰবা, ৰবা ডেটল লগাই দিওঁ।"

ঠিকেই। —ইন হিজ অউন ইমেজ এণ্ড পাৰছেপশ্যন। উদণ্ড লৰাই ভিন্ন মতবাদ পোষণ কৰা মানুহক বলেৰে শাসন কৰিবলৈ বিচাৰিছে আৰু শাসকগোষ্ঠীয়ে সন্ত্ৰাসৰ সৃষ্টি কৰি আন্দোলন দমন কৰিবলৈ বিচাৰিছে।

সংগ্ৰাম মানে যুদ্ধ। চৌধুৰীয়ে ভাবি চালে যে কোনো যুদ্ধই ধৰ্মযুদ্ধ নহয়। অথবা প্ৰতিখন যুদ্ধই এখন ধৰ্মযুদ্ধ।

[আগলৈ]

সিন্ধুৰাণী চৌধুৰানীৰ
পত্নী-পত্নীৰ ধৰ্ম
প্ৰকাশক :
শ্ৰীখগেন্দ্ৰনাৰায়ণ দত্তবৰুৱা
এলবিএছ পাব্লিকেশ্যন
জি. এন. বৰদলৈ ৰ'ড,
আমবাৰী, গুৱাহাটী-১

অন্তৰীপ

মেনকাই কাৰো ওপৰত প্ৰতিশোধ লোৱাৰ কথা ভবা নাছিল। মহীকান্তক সম্পূৰ্ণৰূপে কিৰণৰ ভাগলৈ এৰি দি তাই নিজে শুচি হৈ থাকিবলৈ বিচাৰিছিল ; চাৰিটা সন্তানৰ ভৱিষ্যতকে নিজৰ ভৱিষ্যত বুলি ভাবিবলৈ সংকল্পবদ্ধ হৈছিল। কিন্তু মহীকান্তৰ অনাচাৰৰ প্ৰতিশোধ ল'ব খুজিছিল। তাৰ ভাণ্ডৰ পুতেক এঘাৰ-বাৰ বছৰীয়া ইন্দ্ৰই। তাৰ কাৰণে সি এখন দুৱাৰ খুলি দিছিল, আৰু সেইখন দুৱাৰেদি ওলাই গৈ মেনকা এক অতি জটিল জীৱনত সোমাই পৰিছিল।

তাৰ পাছত ইন্দ্ৰৰ মনতে অবিৰত ভাৱে প্ৰশ্ন জাগিছিল—ভুল কোনে কৰিলে ? মেনকাই ? নে মহীকান্তই ? সেই প্ৰশ্নৰ উত্তৰ বিচাৰি ইন্দ্ৰ নিজে আগবাঢ়িল এই বিশাল জনসমুদ্ৰৰ মাজলৈ, গভীৰলৈ। কি বিচিত্ৰ এই জনসমুদ্ৰ।

উপন্যাস সাহিত্যৰ এক মহান সম্পদ।

ভবেন্দ্ৰ নাথ শইকীয়াৰ
অন্তৰীপ
ছপা হৈ ওলাল
৪৭৮ পৃষ্ঠা। পকা বন্ধা।
দাম পয়ত্ৰিছ টকা।
এলবিএছ পাব্লিকেশ্যন
আমবাৰী : গুৱাহাটী-৭৮১০০১

# বান্ধৈলৈ চিঠি

**শ্ৰীমতী**

মৰমৰ বান্ধৈ গণৰাম,

তোমালৈ চিঠি এখন বহুত দিনৰে পৰা দিওঁ দিওঁ কৰি থাকোঁতেই গৈছে। আশাকৰোঁ ঈশ্বৰে সকলোকে মংগলে ৰাখিছে। নতুন বছৰৰ বাবে অন্তৰ উজাৰি শুভকামনা জনাইছোঁ। সকলো ফালৰপৰা বছৰটো সুন্দৰ হওক, মংগলময় হওক, দোপতদোপে তুমি যেন ঘৰখনক উন্নতিৰ জখলাত উঠাব পাৰা বান্ধৈ। ঈশ্বৰ আৰু ঘৰখনৰ সকলোৰে আশীৰ্বাদ তোমাৰ পাথেয় হওক।

তোমাৰ ঘৰৰ অৱস্থা এতিয়া কেনে? যোৱা ডিচেম্বৰত তোমাৰ ষ্টেপ-ফাদাৰ ঢুকুৰাৰ খবৰটো বাতৰি-কাকতত পাইছিলো। ঈশ্বৰে যি কৰে ভালেই কৰে বুইছা বান্ধৈ? বৰ অত্যাচাৰ কৰিলে তোমালোকক ষ্টেপ-ফাদাৰে। তেওঁ ঢুকুৰাত বেজাৰ কৰিব লগা একো নাছিল বাবেই সেই সময়ত কোনো সমবেদনাৰ চিঠিও লিখা নাছিলো।

ককাই-ভাই আটাইকেইটা মিলি-জুলি আছাহঁক চাগৈ। সদায় মিলি থাকিবা। একগোট হৈ থাকিবা। মহা-দেউতাৰে বৰ চেষ্টা কৰিছিল তোমা-লোকৰ মাজত দন-হাই লগাই সকলোকে থান-বান কৰাৰ। পিছে চাব্বাচ বান্ধৈ; —তাহানিৰ সাধুকথাত পঢ়া ইকৰাৰ মুঠিটোৰ দৰে একগোট হৈ থকাৰ বাবে কাৰো গাৰ নোম এডালকে তেওঁ লৰাব নোৱাৰিলে। আশাকৰোঁ আজিলৈও তোমালোকে এনেদৰে থাকিবা। যৌথ-পৰিয়ালৰ সেই বিৰাট ডাঙৰ ঘৰখন চলোৱাৰ গুৰুভাৰ যেতিয়া তোমালোকৰ কান্ধতেই পৰিছে, গতিকে একগোট হৈ থকাটো অতি প্ৰয়োজনীয়। যৌথপৰিয়ালৰ ঘৰখনত নানাজনৰ নানামত হোৱাটো অতি স্বাভাৱিক। সকলোৰে ন্যায়সংগত মতক কিন্তু অৱহেলা নকৰিবা, উপ-যুক্ত মূল্য দিবা।

বান্ধৈ, তুমি মোৰ অতি আপোনজন। সেয়েহে তোমালোকৰ ঘৰখনৰ দুই-চাৰিটা ভাল-নলগা খবৰ যেতিয়া মাজে-মধ্যে অহুকাণে-পহুকাণে শুনো, তেতিয়া বৰ বেজাৰ পাওঁ। মই জানো বান্ধৈ এইবোৰ কথা তোমালৈ লিখিলেও তুমি বেয়া নোপোৱা। সেইকণ বিশ্বাস মোৰ আছে। যদি কথাবোৰ সঁচা হয়, তেনেহলে তুমি সকলোকে শুধৰাবা। মিছা হ'লে মই নিজেই অতি আনন্দ পাম।

তোমাললোকে ককাই-ভাই আটাই কেইটা আজিকালি বৰ ব্যস্ত থাকা,—চৰকাৰী কাম, ৰাইজৰ কাম লৈ। এই-বোৰ শুনিলে বৰ ভাল পাওঁ। তোমাৰ ভাই লীলাধৰে বোলে ৰংনগৰৰ ছোৱালী এজনী বিয়া কৰাব খুজিছে—হয়নেকি? বৰ ভাল কথা বান্ধৈ, বৰ ভাল কথা। মূৰৰ চুলি ছিঙি আশীৰ্বাদ কৰিম—সিহঁত হাল যাতে সুখী হয়। মাথো বিয়ালৈ মাতিবা। পিছে ৰংনগৰৰ প্ৰেয়সীৰ ওচৰলৈ বোলে লীলাধৰে চৰকাৰী কাম দেখুৱাইহে আহে, হয়নেকি? এবাৰ হেনো দেওবাৰ এটাত ন বজাতে আহিম বুলি কৈ আবেলি চাৰিবজাতহে ওলাইছিল—হয়নেকি? অফিছৰ গোটেই মখাকে ৰখাই থোৱাইছিল বোলে? এনেয়ে দেওবাৰে মানুহে অফিছলৈ আহিবলৈ বেয়া পায়; —তাতে ন বজাত আহিম বুলি কৈ যদি চাৰি বজাত ওলায়হি, তেনেহলে মানুহে আৰু বেয়া পায়। সময়ৰ মোল নুবুজা মানুহক মানুহে সন্মান নকৰে। তাক ক'বা।

আৰু বান্ধৈ, তোমাৰ হেনো দুই-এজন ভায়েৰাই ষ্টেপ-ফাদাৰৰ পক্ষৰ কাৰোবাক সুবিধা কৰিব পাৰিলেই লপাটো-থপাটো, কিলটো-ঘোঁচাটো দিয়ে,—হয়নেকি। সকলোকে বুজাই কবা বান্ধৈ, হিংসাৰে কোনো কাম সিদ্ধি নহয়। ঘৰখনক এডাল এনাজৰীৰে বান্ধিবলৈ হলে সকলোকে আপোন কৰিব লাগিব। মৰম-চেনেহেৰে ওচৰ চপাব পাৰিব লাগিব। হিংসা, খং, প্ৰতিশোধ,—এইবোৰেৰে নহয়। ষ্টেপ ফাদাৰে যিখিনি ভুল কৰিছিল, তাক তোমালোকে শুধৰাবলৈ চেষ্টা কৰিবা। তোমালোকক তেওঁ যথেষ্ট অত্যাচাৰ কৰিছিল; সঁচা কথা; কিন্তু তাৰ প্ৰতি-দান বুজাবুজিৰে দিবা, মৰমেৰে দিবা; —দেখিবা সকলো আপোনা-আপুনি ঠিক হৈ গৈছে।

শুনিছোঁ বান্ধৈ, ভেদোৱামে বোলে অসৎ পথেৰেও 'টুপাইছ' কৰাত লাগিছে! কুমলীয়া ল'ৰা নহয়,—কেনেবাকৈ চাগৈ ষ্টেপ ফাদাৰৰ প্ৰভাৱ পৰিল। পিছে বান্ধৈ, এইবোৰ বেয়া কথা। এইবোৰ অভ্যাস কলিতে উঘালি পেলোৱা ভাল। নহলে কাল-ক্ৰমত গোজেই গজালি হৈ গোটেই ঘৰখনতে শিপাব। নৈতিকতা কিমান মূল্যবান বস্তু তাক বুজাবা। তাৰ স্খলন হবলৈ নিদিবা। তোমালোকৰ ৰাজহাড়ডাল যদি নৈতিকতাৰ হয়, আৰু তোমালোক ইকৰাৰ মুঠিটোৰ দৰে একগোট হৈ বান্ধ খাই থাকিব পাৰা, তেনেহলে বান্ধৈ পৃথিৱীৰ সাত-শতুৰুৱেও তোমালোকৰ ঘৰখনৰ কুটা এগছ ইফাল-সিফাল কৰিবলৈ সাহ কৰিব নোৱাৰে।

অ' ক'বলৈ পাহৰিছোৱেই বান্ধৈ, —তোমাৰ বৰ ককাইদেউ এজনে বোলে এদিন চহৰৰ চৰকাৰী বৰমূৰীয়া এজনলৈ ফোন দাঙি কলে— নগৰ সমিতিৰ সভাপতি জন বোলে অসমীয়া মানুহ দিব লাগে। ভাল কথা। আপত্তি কৰিব লগা একো নাই। আজিকালিতো সকলো ক্ষেত্ৰতে 'অসমীয়া হোৱাটো এটা ডিস্কোৱা-লিফিকেশ্যন বুলিয়েই গণ্য কৰা হয়। পিছে চৰকাৰী বৰমূৰীয়াজনে যেতিয়া কলে যে এজনক হেনো দিয়া হৈ গ'ল তেখেত অৱশ্যে অসমীয়া নাছিল, —কিন্তু বহু কাল ধৰি তেখেতে অসমতে বসবাস কৰিছিল: ভোটৰ সময়ত অসমীয়াৰ পক্ষ লৈছিল, ভোট দিবৰ সময়ত কিন্তু অসমীয়াক লেং মাৰিবলৈ পাহৰা নাছিল), তেতিয়া হেনো বান্ধৈ তোমাৰ বৰ ককাই-দেৱেৰাই দপদপাই উঠিল,— "কাৰ হুকুমত দিয়া হ'ল এইজনক?" চৰ-কাৰী বিষয়াজনে সিমূৰৰপৰা কলে— তাত হেনো কাৰো হুকুমৰ প্ৰয়োজন নাই, নিজেই যাকে ইচ্ছা কৰে তাকে দিব পাৰে। পিছে তোমাৰ বৰককা-য়েৰে তেতিয়া কি কলে জানা? তেখেতক তই সম্বোধন কৰি কলে, "আগত দেখোন আমাৰ ষ্টেপ ফাদাৰক সুধিহে সকলো কাম কৰিছিলি! এতিয়া আমাক নোসোধা হলি কিয়?"

বান্ধৈ এইবোৰ কথা মিছা হলেই ভাল পাওঁ। পিছে বহুতে ফুচফুচ ফাচ ফাচকৈ এইবোৰ কৈছে। সৰু ভায়েৰাহঁতৰ বাৰু বয়স কম, কিন্তু বৰককায়েৰেতো এনেখন কৰিব নাপাইছিল!

পিছে বান্ধৈ, লীলাধৰৰ বিয়াখন কেতিয়া পাতোঁ বুলি ভাবিছা? তোমাৰতো কেইবাজনো ভায়েৰা বিয়াৰ উপযুক্ত হৈছে। কন্যাদায়ৰ পৰা মুক্তি পাব খোজা কেইবাজনো বাপেকীয়ে মোক আহি দিনে-ৰাতিয়ে আমনি কৰি থাকে। তোমালোকৰ ফালে পঠাম নেকি জনাবা। আৰু বান্ধৈ এইডাল এনাজৰীৰে নিজকে তুমি কেতিয়া বান্ধো বুলি ভাবিছা? বহাগেই বতৰ কিন্তু।

আকৌ এবাৰ বহাগৰ প্ৰথম দিনত তোমালোকলৈ মোৰ শুভকামনা জনালো। নতুন বছৰে তোমালোকক শক্তি দিয়ক সাহ দিয়ক, ন্যায়ৰ পথত চলিবলৈ প্ৰেৰণা দিয়ক। ইতি।

তোমাৰ মৰমৰ বান্ধৈ।


১ বহাগ, ১৯০৮ শক

## সম্পাদকৰ কোঠালিত

বন্ধু : আজি এটা ডাঙৰ তত্ত্বকথা কওঁ শুনা। এইটো মোৰ নিজৰ আবিষ্কাৰ। ১২৬ জন এম. এল. এৰ কাৰণে নিৰ্বাচন পাতিলে ১২৬ জন এম. এল. এ. নিৰ্বাচিত হৈ যায়। কিন্তু সেই একেখন ৰাজ্যতে আই. এ. এছৰ কাৰণে পৰীক্ষা পাতিলে আঠ-দহজন আই. এ. এছ. পাছ কৰা লোক ওলায় নে? নোলায়। যিখন ৰাজ্যত ইলেকশ্যন খেলি জয়লাভ কৰা মানুহৰ সংখ্যা আৰু বছৰে আই. এ. এছ. পৰীক্ষা পাছ কৰা মানুহৰ সংখ্যাৰ অনুপাত কমেও ১২ : ১ নহয়, সেই-খন ৰাজ্যৰ উন্নতি নাই। কৈ থলো। কথাটো বুজিবলৈ টান হ'ল নে কি?


বৰ্তমান অসমৰ সংগীত জগতত প্ৰচলিত গতানুগতিক গীত আৰু ব্যৱসায়িক মনোভাবেৰে সংযোজন কৰা সুৰৰ পৰিৱৰ্তে এক নতুনত্বৰে ভৰা, বাস্তৱ আৰু কল্পনাৰ পৰশ থকা বাৰটি বাচকবনীয়া গীতৰ কেছেট

ডি. এম. কে. প্ৰডাকচনৰ প্ৰথম নিবেদন—









এই নতুন কেছেটটিত কণ্ঠদান কৰিছে * দিলীপ চৌধুৰী * কামাল ৰচিদ আহমেদ * শিশুশিল্পী কুমাৰী শ্ৰীমিতা গগৈ

সংগীত : দিলীপ চৌধুৰী
বাণীবন্ধন : ভাইব্ৰেচন ষ্টুডিঅ', কলিকতা

MASSCOM

# আধুনিকতাৰ বাৰ্তাবাহী জনদিয়েক অসমীয়া চিত্ৰকৰ

নীলমণি ফুকন

১


এই শতিকাৰ তৃতীয় দশকতে আধুনিক অসমীয়া চিত্ৰকলাৰ সূত্ৰপাত হয়। আধুনিক শব্দটো ইয়াত আমি এটা শিথিল অৰ্থতহে ব্যৱহাৰ কৰিছোঁ। আনহাতে, আধুনিকতাৰ এটা স্থিৰ, নিশ্চিত অভিধা দিয়াটোও টান।

গগনেন্দ্ৰনাথ, ৰবীন্দ্ৰনাথ আৰু অমৃতা শ্বেৰ-গীলৰ চিত্ৰতে আধুনিকতাৰ সূচনা হৈছিল যদিও পঞ্চাছৰ আগলৈকে ভাৰতীয় চিত্ৰকলাই সামগ্ৰিকভাৱে যথাৰ্থ আধুনিক চৰিত্ৰ এটা লোৱা নাছিল। চিত্ৰগত অভিব্যক্তি, চিত্ৰগত স্থাপত্য, গঠনৰ বিশ্লেষণ, অন্তৰতৰ আবেগৰ প্ৰকাশ আদি আধুনিক শিল্পকলাৰ সাৰ্বজনীন বৈশিষ্ট্যসমূহহে পঞ্চাছৰ দশকতে ভাৰতীয় চিত্ৰকলাত সৃজনশীল ৰূপ আৰু অৰ্থত প্ৰকাশ লাভ কৰিছিল।

২

আমাৰ আলোচ্য তৃতীয়, চতুৰ্থ আৰু পঞ্চম দশকৰ আগভাগত আত্মপ্ৰকাশ কৰা অসমীয়া চিত্ৰকৰসকলৰ সম্বন্ধে তথ্যপাতি সহজলভ্য নহয়। আমিও তেনেকৈ বিচাৰি খোচাৰি চাব পৰা নাই। অধিকাংশ চিত্ৰকৰৰেই মূল চিত্ৰ পোৱা নাযায়। কিছু সংখ্যক চিত্ৰৰ ৰঙীন প্ৰতিলিপি পুৰণি 'আৱাহন'ত ওলাইছিল। ৰাজ্যিক সংগ্ৰহালয় আৰু বিশেষকৈ তেজপুৰৰ চিত্ৰকলা পৰিষদে কেইবাজনো চিত্ৰকৰৰ ভালেকেইখন চিত্ৰ সংগ্ৰহ কৰি সংৰক্ষণ কৰিছে। অসমৰ বিভিন্ন ঠাইৰ ব্যক্তিবিশেষৰ ঘৰতো দুই-চাৰিখন চিত্ৰ বিচাৰিলে ওলাব পাৰে বুলি ভাবিছোঁ। যোৱা কেইবছৰমানত ঘূৰি-পকি যিকেইখন মূলচিত্ৰ চাবকৈ পাইছিলোঁ, সেই আটাইখিনিৰে ৰঙীন বা বগা-ক'লা আলোকচিত্ৰও এতিয়া আমাৰ হাতত নাই। এইবোৰ কাৰণতেই আমাৰ এই আলোচনা সম্পূৰ্ণ বুলি ক'ব নোৱাৰি।

আমি যিসকল চিত্ৰকৰৰ মূল চিত্ৰ বা প্ৰতিলিপি দেখিছোঁ, তেওঁলোক হ'ল, ৰত্নেশ্বৰ বৰুৱা, মুক্তানাথ বৰদলৈ, সুৰেণ বৰদলৈ, চিত্ৰসেন বৰুৱা, তাৰিণী (?) প্ৰতাপ বৰুৱা, জগৎ সিং কছাৰী, প্ৰজ্ঞা দাস, পিয়াৰী মোহন চৌধুৰী, জীৱেশ্বৰ বৰুৱা, হেমচন্দ্ৰ বৰুৱা, চিত্ৰৰঞ্জন বৰুৱা, প্ৰকাশ বৰুৱা, বিষ্ণুপ্ৰসাদ ৰাভা, যুগল দাস, শশীধৰ শইকীয়া, তৰুণ দুৱৰা, গজেন বৰুৱা, ৰবীন ভট্টাচাৰ্য, আশুদেৱ আৰু হেমন্ত মিশ্ৰ।



সন্যাসীঃ প্ৰতাপ বৰুৱা (চিত্ৰকলা পৰিষদৰ সংগ্ৰহ)

তৰুণ দুৱৰা, আশুদেৱ আৰু হেমন্ত মিশ্ৰই চল্লিছৰ দশকতে আত্ম প্ৰকাশ কৰিছিল যদিও তেওঁলোকক আমি এই আলোচনাৰ মাজলৈ অনা নাই। প্ৰসংগক্ৰমেহে তেওঁলোকৰ কথা উল্লেখ কৰিছোঁ। ষাঠিলৈকে দুৱৰা আৰু মৃত্যুৰ আগলৈকে (১৯৮৩) আশুদেৱ সক্ৰিয় হৈ আছিল। আৰু হেমন্ত মিশ্ৰই এতিয়াও আঁকি আছে।

৩

এই চিত্ৰকৰসকলৰ মুক্তানাথ বৰদলৈ, সুৰেণ বৰদলৈ, জগৎ সিং কছাৰী আৰু প্ৰতাপ বৰুৱাই স্থানীয় ঐতিহ্য-সূত্ৰে একো পোৱা নাছিল। প্ৰায় তিনিশ বছৰীয়া অসমীয়া অনুচিত্ৰৰ ঐশ্চৰ্যশালী ঐতিহ্যটো সম্প্ৰতি লণ্ডনৰ বৃটিছ লাইব্ৰেৰিত সংৰক্ষিত হৈ থকা, দুৰ্গাৰাম বেথাই আঁকা ব্ৰহ্মবৈবৰ্ত পুৰাণৰ পাছত (ৰচনা কালঃ ১৮৩৬) প্ৰায় নিঃশেষিত হৈছিল। কিন্তু কাঠৰ ফলিত আৰু সিংহাসনৰ লেখনী পাটত ছবি অঁকা ৰীতি তেতিয়াও অব্যাহত আছিল আৰু এতিয়াও অসমৰ ঠাইবিশেষত প্ৰচলিত আছে।

অসমীয়া অনুচিত্ৰবোৰ সত্ৰ, ৰজাঘৰ আৰু আভিজাত্যজনৰ ব্যক্তিগত সম্পত্তি আছিল। কাচিৎহে তিথি-পৰ্বই সাধাৰণ মানুহে দূৰৈৰপৰা চাবলৈ পাইছিল। সত্ৰীয়া হ'লে ধৰ্ম আৰু ভক্তি, ৰজাঘৰীয়া আৰু ব্যক্তিবিশেষৰ হ'লে ক্ষমতা, আভিজাত্য আৰু বিলাসৰ বস্তু আছিল এই অনুচিত্ৰবোৰ।

দ্বিতীয়, তৃতীয় দশকত বাহিৰৰ লগত অসমীয়া সমাজৰ সংযোগ, আদান-প্ৰদান আছিল সামান্য। আধুনিক ভাৰতীয় সভ্যতা-সংস্কৃতিৰ অন্যতম প্ৰাণকেন্দ্ৰ কলিকতাৰ লগত এমুঠিমান অসমীয়া মানুহেহে সততে যোগাযোগ ৰাখিব পাৰিছিল। তেওঁলোকৰ মাজতো সংস্কৃতি অনুৰাগী, সাংস্কৃতিক চেতনা থকা মানুহো সৰহ নাছিল।

তেতিয়া অসমীয়া সাহিত্যত 'ৰোমাণ্টিছিজমৰ সন্ধ্যাৰক্ত ৰাগ', সাংস্কৃতিক জীৱনত জড়তা আৰু অৱসাদ। অৱশ্যে গান্ধীৰ অসম ভ্ৰমণ, অসম প্ৰাদেশিক কংগ্ৰেছ প্ৰতিষ্ঠা, ভাৰতীয় জাতীয় কংগ্ৰেছৰ পাণ্ডু অধিবেশন আদি ঘটনাই অসমীয়া সমাজত এক অভূতপূৰ্ব সামাজিক, ৰাজনৈতিক উদ্দীপনা আৰু জাগৰণৰ সূচনা কৰিছিল।

সেই সময়ৰ অসমীয়া সমাজত সৰ্বেশ্বৰ কটকী আৰু জ্যোতিপ্ৰসাদৰ বাহিৰে শিল্পকলা অনুৰাগী কবি-সাহিত্যিক-পণ্ডিত লোক তেনেকৈ নাছিল। পুৰণি অসমীয়া চিত্ৰকলাৰ সম্বন্ধে কটকীয়েই প্ৰথমে অনুসন্ধান আৰম্ভ কৰিছিল। তেওঁ ১৯৩১ চনৰ 'আৱাহন'ৰ এটা সংখ্যাত চিত্ৰিত 'অনাদিপাতন'ৰ দুখন ৰঙীন চিত্ৰৰে সৈতে সৰু প্ৰবন্ধ এটা প্ৰকাশ কৰিছিল।



স্থিৰ চিত্ৰ ("ষ্টিল লাইফ"): প্ৰতাপ বৰুৱা (চিত্ৰকলা পৰিষদৰ সংগ্ৰহ)

১৯১৯ চনত আৱাহন ওলায়। আৱাহনে হয়তো বাংলা 'প্ৰবাসী' আৰু ইংৰাজী Modern Reviewৰ আদৰ্শতেই আন সমসাময়িক ভাৰতীয় চিত্ৰকৰসকলৰ চিত্ৰৰ লগতে অসমীয়া চিত্ৰকৰসকলৰ ৰঙীন চিত্ৰ প্ৰকাশ কৰিবলৈ ধৰে। আধুনিক অসমীয়া চিত্ৰকলাৰ বিকাশ, প্ৰসাৰ আৰু অসমীয়া মানুহৰ চিত্ৰ, ৰূপৰুচি নিৰ্মাণত 'আৱাহনে' লোৱা গুৰুত্বপূৰ্ণ ভূমিকা আজিও কোনো অসমীয়া আলোচনীয়ে ল'ব পৰা নাই।

আলোচ্য চিত্ৰকৰসকলৰ সৰহভাগেই আছিল স্বশিক্ষিত। কলিকাতা আৰ্ট স্কুলত ভৰ্তি হোৱা সকলোৱেই পাঠ্যক্ৰম সমাপ্ত কৰি বা প্ৰমাণপত্ৰ লৈ ওলাই আহিব পৰা নাছিল। প্ৰধানকৈ অৰ্থাভাৱৰ কাৰণেই তৃতীয় চতুৰ্থ দশকত কলিকাতা আৰ্ট স্কুলত শিল্পশিক্ষা লোৱা প্ৰথমৰ চাৰিজন অসমীয়া আছিল,—ডিব্ৰুগড়ৰ মুক্তানাথ বৰদলৈ, যোৰহাটৰ সুৰেণ বৰদলৈ, তেজপুৰৰ জগৎ সিং কছাৰী আৰু প্ৰতাপ বৰুৱা প্ৰতাপ বৰুৱা লাহোৰলৈকো গৈছিল বুলি শুনিছোঁ।

সম্ভৱতঃ তেতিয়া কলিকাতা আৰ্ট-স্কুলৰ অধ্যক্ষ আছিল প্ৰখ্যাত ভাৰত শিল্পকলাবিদ পাৰ্ছি ব্ৰাউন চাহাব। পাছত যোৱাসকলে অতুল বসু আৰু মুকুল দে'ক পাইছিল। অৱনীন্দ্ৰনাথ, নন্দলাল আৰু অতুল বসুৰ লগত সুৰেণ বৰদলৈৰ ব্যক্তিগত পৰিচয় আছিল।

দুই বৰদলৈ, জগৎ সিং কছাৰী আৰু প্ৰতাপ বৰুৱা কলিকাতা আৰ্ট স্কুললৈ যোৱাৰ সময়ত বেংগল স্কুল আছিল প্ৰভাৱ আৰু খ্যাতিৰ তুংগত। মন কৰিবলগীয়া কথা, এওঁলোকৰ চিত্ৰ-চিন্তাত, চিত্ৰত অৱনীন্দ্ৰ শৈলেন্দ্ৰ-ক্ষিতীন্দ্ৰ-অসিত-নন্দলালৰ কল্পনা-ভাবনা-ৰুচিৰ স্পৰ্শ নাছিল বুলিলেই হয়। কেৱল তাহানি 'আৱাহনত ওলোৱা প্ৰতাপ বৰুৱাৰ 'হাটৰ খাজত' (১৯৩৩) আৰু ৰাভাৰ 'বিবাহোপলক্ষে বড়োসকলৰ সমদল'ত (১৯৩৭) বেংগল স্কুলৰ কিছু প্ৰভাৱ লক্ষ্য কৰা যায়। সেই সময়ৰ অসামান্য প্ৰতিকৃতি চিত্ৰকৰ অতুল বসুৰ কিছু প্ৰত্যক্ষ বা পৰোক্ষ প্ৰেৰণাই সুৰেণ বৰদলৈ আৰু পাছত তেওঁৰ প্ৰিয় ছাত্ৰ তৰুণ দুৱৰাক অনুপ্ৰাণিত কৰিছিল যেন লাগে।


৪

তৃতীয় চতুৰ্থ দশকৰ চিত্ৰকৰসকলৰ অধিক সংখ্যক চিত্ৰই ছাত্ৰৰ অনুশীলন বা শ্ৰেণীৰ কামৰ স্তৰতে ৰৈ গ'ল। শিল্পী-সুলভ ৰুচি, সৃজনশীল প্ৰতিভা, সেইসময়ত ছবি অঁকা বহুতৰে নাছিল।





OKDISCD



ড্ৰয়িং : জগৎ সিং কছাৰী (চিত্ৰকলা পৰিষদৰ সংগ্ৰহ)

ছবি অঁকাৰ কাৰণে প্ৰয়োজনীয় নিষ্ঠাও নাছিল সকলোৰে। চাক্ষুষ চেতনা, অভিজ্ঞতা অভিজ্ঞান আৰু জিজ্ঞাসা থকা চিত্ৰকৰ দুজনমানহে আছিল। মুক্তানাথ বৰদলৈ, সুৰেণ বৰদলৈ, জগত সিং কছাৰী, প্ৰতাপ বৰুৱাই কেতিয়াবা কেতিয়াবা, আৰু একেবাৰে শেহৰ পিনে তৰুণ দুৰৰা, আশু দেৱ, বিশেষকৈ হেমন্ত মিশ্ৰই নতুনকৈ চাবলৈ, অনুভৱ-উপলব্ধি, চিন্তা-ভাবনা কৰিবলৈ চেষ্টা কৰিছিল।

সৰহসংখ্যক চিত্ৰকৰৰ চিত্ৰত বিষয় একোটাহে আছিল। বিষয় এটাক ভাব ৰূপ বা ৰসৰূপ বা শিল্পৰূপ এটালৈ ৰূপান্তৰিত কৰাৰ কাৰণে অপৰিহাৰ্য সৃজনশীল সামৰ্থ্য, প্ৰকৰণ কুশলতা তেওঁলোকৰ নাছিল। কোনো কোনোৱে কেলেণ্ডাৰ ধৰ্মী বিষয় একোটাকে গ্ৰহণ কৰিছিল।

ভালেকেইজন চিত্ৰকৰে অসমৰ গ্ৰাম্য সামাজিক জীৱন আৰু প্ৰকৃতিকেই চিত্ৰৰ প্ৰধান উপজীব্য হিচাপে লৈছিল। ধৰ্মমূলক, বুৰঞ্জীমূলক, আৰু সাহিত্যৰ বিষয় একোটালৈও মুক্তানাথ (অন্তিম অৱস্থাত সতী জয়মতী), চিত্তৰঞ্জন বৰুৱা (প্ৰলোভন), চিত্ৰসেন বৰুৱাই (গোপাৰ ওচৰত শাক্যসিংহৰ মনোভাব, বুদ্ধ আৰু সুজাতা) ছবি আঁকিছিল।

বিষয় নিৰ্বাচনত কোনো কোনোক এক ধৰণৰ জাতীয়তাবোধ, সামাজিক চেতনা আৰু কাব্যিকতাই অনুপ্ৰেৰণা যোগাইছিল। কাব্যিক বিষয় এটা লৈ ছবি আঁকিছিল যদিও শেহৰফালে ওলোৱা তৰুণ দুৰৰাৰ বাদে কাৰো নাছিল কল্পনাৰ দীপ্তি, অনুভূতিৰ বৈভৱ, কবিত্ব আৰু কাব্যিক অন্ত-দৃষ্টি। প্ৰকৃত আধুনিক ৰুচি আৰু মন এটা তেওঁলোকৰ মাত্ৰ দুজনমানেহে সজ্ঞানে, সচেতনভাৱে গঢ়ি তুলিবলৈ যত্ন কৰিছিল যেন লাগে। তেওঁলোকৰ সৰহভাগৰে মনোভংগী, মানসিকতা আছিল ৰোমাণ্টিক।

কেইবাজনেও একেটা বিষয়কে লৈ ছবি আঁকিছিল। মুক্তানাথ, জগৎ সিং কছাৰীৰ 'জাকৈয়া ছোৱালী'ৰপৰা সপ্তম দশকত আশুদেৱে অঁকা Contenders অলৈকে জাকৈয়া ছোৱালী বহুজনৰেই এটা প্ৰিয় বিষয় আছিল। প্ৰতাপ বৰুৱাই আৰম্ভ কৰা শিপিনী বিষয়টোৱে তৰুণ দুৰৰাই পঞ্চাছৰ দশকত অঁকা 'শিপিনী'ত সাৰ্থক শৈল্পিক অভিব্যক্তি লাভ কৰিছিল।

আলোচ্য চিত্ৰকৰসকলৰ চিত্ৰৰ সংখ্যাও বৰ কম। তেওঁলোকৰ স্বপ্ন আৰু আকাংক্ষাও আছিল সীমিত। সকলোৰে হয়তো প্ৰয়োজনীয় চিন্তা-চৰ্চা, অনুশীলন নাছিল; আৰু যিসকলৰ আছিল সেইসকলকো সেই সময়ৰ সামাজিক-সাংস্কৃতিক পৰিবেশে নিৰৱ-নিষ্ক্ৰিয় হ'বলৈ বাধ্য কৰিছিল। মুক্তানাথ ফটোগ্ৰাফাৰ হৈছিল। তৰুণ চিত্ৰকৰ কাৰোবাক লগ পালেই সুৰেণ বৰদলৈয়ে ছবি অঁকা এৰি আন কিবা কৰিবলৈ উপদেশ দিছিল। আজিও অসমীয়া সমাজত চিত্ৰচৰ্চা কৰি থকাটো এটা মাৰাত্মক জটিল কাম।

শিল্পকলা সৃষ্টিত প্ৰকৰণ-কৌশলৰ এটা গুৰুত্বপূৰ্ণ ভূমিকা আছে। কিন্তু সৃজনশীল প্ৰতিভা নাথাকিলে কেৱল প্ৰকৰণ-দক্ষতাৰে শিল্পী হ'ব নোৱাৰি। প্ৰকৰণ-কৌশলৰ ক্ষেত্ৰতো আমাৰ এই চিত্ৰকৰসকলৰ সৰহভাগেই দক্ষ নাছিল। সৰহভাগৰেই ড্ৰয়িং দুৰ্বল। বৰ্ণবিন্যাস





ড্ৰয়িং : জগৎ সিং কছাৰী (চিত্ৰকলা পৰিষদৰ সংগ্ৰহ)

OKDISCD

ৰেখা ৰচনা, আৰু ছন্দ সৃষ্টিতো নাছিল তেওঁলোক সিদ্ধ।

৫

মুক্তানাথ বৰদলৈয়েই আধুনিকতাৰ বাৰ্তাবাহী প্ৰথম অসমীয়া চিত্ৰকৰ। লোকায়ত বিষয়বস্তু গ্ৰহণ, তেল ৰং প্ৰয়োগ, পৰিপ্ৰেক্ষি ৰচনা, ছাঁ পোহৰৰ ব্যৱহাৰ কৰা, বিলাতী অংকন পদ্ধতিত প্ৰশিক্ষিত বোধহয় প্ৰথম অসমীয়া।

তেল ৰঙেৰে অঁকা বৰদলৈৰ তিনিখন চিত্ৰ ৰাজ্যিক সংগ্ৰহালয়ত আছে, —'অন্তিম অৱস্থাত সতী জয়মতী', 'জাকৈয়া ছোৱালী' আৰু 'কানি খোলা'। প্ৰথম দুখন ছবি কিছু বছৰৰ আগতে পুনৰ সংস্কাৰ কৰাৰ পাছত চিত্ৰ দুখনৰ মূলৰ ভালে-খিনি সৌন্দৰ্য নোহোৱা হ'ল। 'কানি খোলা' আৰু চিত্ৰকলা পৰিষদত থকা নিসৰ্গ চিত্ৰখনিয়েই বৰদলৈৰ শ্ৰেষ্ঠ শিল্পকৰ্ম। ঈষদন্ধকাৰ 'কানি খোলা' প্ৰকৃততে এখন বিষাদ আৰু হতাশাৰ ছবি; এটা ভয়াবহ সামাজিক পৰি-স্থিতিৰ দলিল। প্ৰসংগক্ৰমে উল্লেখ-যোগ্য, বৃটিছ চৰকাৰে প্ৰকাশ কৰা এখন প্ৰতিবেদনৰ মতে ১৯২০-২১ চনত অসমীয়া মানুহে খোৱা কানিৰ পৰিমাণ আছিল ১৬১৫ মোন।

বৰদলৈৰ ড্ৰয়িং, ফৰ্ম, বৰ্ণচয়ন, বৰ্ণপ্ৰয়োগ, সজ্জাবিন্যাস, ছাঁ-পোহৰৰ ব্যৱহাৰ আজিও প্ৰশংসনীয় হৈ আছে। চিত্ৰকলা পৰিষদে সংৰক্ষণ কৰা তেওঁৰ নিসৰ্গ চিত্ৰখনি সময়ৰ পৰিপ্ৰেক্ষিত এটি ধুনীয়া কাম। আৰম্ভণিৰ অসমীয়া নিসৰ্গ চিত্ৰ হিচাপেও এই ছবিখনৰ এটা ঐতি-হাসিক গুৰুত্ব আছে।

শিল্প চৰ্চা আৰু অনুশীলনৰ কাৰণে অনুকূল এটা সৃজনশীল পৰিবেশ, আৰ্থিক সচ্ছলতা থকা শিল্প-সংস্কৃতি অনুৰাগী এখন সমাজ পোৱা হ'লে সুৰেণ বৰদলৈয়ে নিজক এজন অসামান্য ভাৰতীয় প্ৰতিকৃতি চিত্ৰকৰ হিচাপে প্ৰতিষ্ঠা কৰি থৈ যাব পাৰিলে-হেঁতেন। শুনিছোঁ, এই প্ৰতিভাবান চিত্ৰকৰজনে জীৱনৰ শেহচোৱা বৰ দুখৰ মাজেৰে কটাব লগা হৈছিল।

যোৰহাটৰ চন্দ্ৰকান্ত সন্দিকৈৰ ভৱনত থকা ৰাধাকান্ত সন্দিকৈৰ তৈল প্ৰতিকৃতিখনেই (১৯৭৫) বৰদলৈৰ শ্ৰেষ্ঠ কীৰ্তি। প্ৰতিকৃতিখনত ফুটি উঠা সন্দিকৈৰ মানসিকতা, বৈশিষ্ট্যপূৰ্ণ ব্যক্তিত্ব; আৰু দেহাবয়ৱৰ স্বকীয়তা, যি কোনো অন্তৰ্দৃষ্টিসম্পন্ন শক্তিমান জীৱনী লেখকৰ কাৰণেও প্ৰত্যাহ্বান-স্বৰূপ হ'ব পাৰে। চিত্ৰমূল্য আৰু সৃজনশীলগুণৰ ফালৰপৰা ৰাধাকান্ত সন্দিকৈৰ সমপৰ্যায়ৰ অসমীয়া প্ৰতি-কৃতি চিত্ৰ আজিও বেছি নোলাব। প্ৰখ্যাত ভাৰতীয় ভাস্কৰ্যশিল্পী দেবী-প্ৰসাদ ৰায়চৌধুৰী সুৰেণ বৰদলৈৰ সহপাঠী আছিল।

জগৎ সিং কছাৰীৰ কেইবাখনো ক্ৰেয়ন ড্ৰয়িং আৰু ৰাছ চিত্ৰকলা পৰিষদৰ সংগ্ৰহত আছে। কছাৰী আৰু প্ৰতাপ বৰুৱা সমসাময়িক আছিল। দুয়ো কলিকাতা আৰ্ট স্কুলৰ-পৰা ডিপ্লোমা লৈছিল। দুয়ো অকা-লতে ঢুকায়। জগৎ সিং কছাৰীৰ স্কেচ বুক এখন আছে বুলি শুনি এবাৰ তেজপুৰলৈ গৈছিলোঁ। চাবলৈ নাপালোঁ। তাত হেনো ৰবীন্দ্ৰনাথৰ চহী আৰু প্ৰসংশাসূচক এফাঁকি কথাও আছে।

৫৭ পৃষ্ঠাত চাওক

# উইম্বলডন—১৯৮৬

বেকাৰে দ্বিতীয়বাৰৰ কাৰণে উইম্বলডন জিকি গ্ৰাছ ক'টত তেওঁৰ শ্ৰেষ্ঠত্ব আকৌ এবাৰ দেখুৱালে। ইভান লেণ্ডল এতিয়াও পৃথিৱীৰ সৰ্বশ্ৰেষ্ঠ খেলুৱৈ হ'লেও সেউজীয়া ঘাঁহৰ পথাৰত হোৱা খেলত বেকাৰহে শ্ৰেষ্ঠতম। ইভান লেণ্ডল ১৯৮৫/৮৬ চনৰ উইম্বলডন প্ৰতিযোগিতাৰ আগলৈকে ৮৪খন মেচত কেৱল ৪ বাৰহে পৰাজিত হৈছিল। তেওঁৰ খেলৰ শ্ৰেষ্ঠতাৰ বিষয়ে কোনো প্ৰশ্নই নুঠে; কিন্তু গ্ৰাছ ক'টত প্ৰাধান্য বিস্তাৰ কৰিবলৈ দুটা দিশত তেওঁৰ খেলত দুৰ্বলতা দেখা যায়: কম উচ্চতাত সজোৰে গ্ৰাউণ্ড ষ্ট্ৰ'কছ মাৰিব পৰাৰ ক্ষেত্ৰত, নে'টত তীক্ষ্ণ আৰু ততাতৈয়া ভলি কৰিব পৰাৰ ক্ষেত্ৰত। এই দুটা দুৰ্বলতাৰ কাৰণেই লেণ্ডলে ৫৯খন টুৰ্ণামেণ্ট জিকিলেও অষ্ট্ৰেলিয়ান অ'পন বা উইম্বলডন প্ৰতিযোগিতা আজিলৈকে জিকিব পৰা নাই। যিসকল প্ৰতিদ্বন্দ্বীক 'ক্লে' ক'ৰ্ট, হাৰ্ড ক'ৰ্ট বা অন্য ইনড'ৰ ক'ৰ্টত তেওঁ অনায়াসে পৰাজিত কৰিছে, সেই প্ৰতিদ্বন্দ্বীসকলৰ লগত গ্ৰাছ ক'ৰ্টত তেওঁ অতি কষ্টেৰে খেলিহে জয়ী হয়। যেনে এইবাৰ উইম্বলডনত তেওঁ টিম মেয়ট আৰু শ্লোবাডান জিভইনভিচৰ লগত খেলা খেল দুখন কষ্টসাধ্য আছিল। পাঁচ-পাঁচ ছেটৰ মেচ দুখন জিকাৰ পাছত ফাইনেল খেলত বেকাৰৰ বিৰুদ্ধে খেলিবলৈ তেওঁৰ মনোবল আৰু দৈহিক শক্তি নিশ্চয় শিখৰত নাছিল। আনহাতে বেকাৰ প্ৰায় হেলাৰঙেই উইম্বলডনৰ ফাইনেল পাইছিলগৈ; কেৱল অষ্ট্ৰেলিয়াৰ মোকনামি আৰু ফ্ৰান্সৰ লেকণ্টহে তেওঁৰপৰা এটাকৈ ছে'ট জিকিবলৈ সক্ষম হৈছিল। বেকাৰৰ খেলত দুৰ্বাৰ গতি আছে। প্ৰচণ্ড ছাৰ্ভিছৰ পাছতে নে'টত তেওঁৰ ভলি যেনেকৈ দৰ্শনীয় ঠিক তেনেকৈয়ে তীক্ষ্ণ; অভাৰহেড স্মেছ অৰ টো কথাই নাই। দুয়োটা ছাৰ্ভিছ তেওঁ প্ৰায় সমান জোৰতে কৰে: আৰু দ্বিতীয় ছাৰ্ভিছতো লেণ্ডলৰ নিচিনা খেলুৱৈৰ বিৰুদ্ধেও ace কৰিবৰ ক্ষমতা তেওঁৰ আছে। তেওঁৰ খেল সাবলীল, acrobatic, আৰু তেওঁৰ জিকাৰ ইচ্ছা হ'ল দুৰ্বাৰ। তেওঁ মাটিত পৰি গৈয়ো প্ৰতিদ্বন্দ্বীলৈ আক্ৰমণাত্মক ষ্ট্ৰ'কেই মাৰে। তেনে এটা বল ভলোতাই তেওঁ লেণ্ডলক সম্পূৰ্ণভাৱে পৰাস্ত কৰিছিল। ইমান কম বয়সতে এনে মনোবল আৰু খেলৰ তীব্ৰতাৰ প্ৰদৰ্শন অতি বিৰল। বেকাৰৰ খেল বুদ্ধিদীপ্ত আৰু শক্তিশালী। গোটেই উইম্বলডন খেলত তেওঁৰ শিশুসুলভতাৰ দৃষ্টান্ত এবাৰহে পোৱা গৈছিল। সেই ঘটনা ঘটিছিল তেওঁ যেতিয়া কাপ আনিবলৈ গৈ উত্তেজনা আৰু আৱেগত অভিভূত হৈ কাপৰ ওপৰৰ সাঁফৰখন মাটিত পেলাই দিছিল।

মহিলাসকলৰ খেলৰ গতি কিন্তু অন্যৰূপেৰে ৰূপায়িত হৈছিল। পৃথিৱীৰ সৰ্বকালীন শ্ৰেষ্ঠ মহিলা খেলুৱৈ বুলি দাবী কৰিব পৰা উনত্ৰিছ বছৰীয়া মাৰ্টিনা নাভ্ৰাটিলোভাই হেলাৰঙে ফাইনেলত প্ৰৱেশ কৰি ফাইনেল খেলত ২৫ বছৰীয়া হানা মাণ্ডলিকভাৰ বিৰুদ্ধে আৰম্ভণিতে তেওঁ কিছু দিশহীন খেল খেলে। কিন্তু পাছত নিজকে শুদ্ধ স্থিতিলৈ আনি তেওঁ পোনপটিয়া ছে'টত মাণ্ডলিকভাক পৰাস্ত কৰে। নাভ্ৰাটিলোভাৰ খেল অনন্য, প্ৰায় ত্ৰুটিহীন। তেওঁৰ যেতিয়া প্ৰথম ছাৰ্ভিছবোৰ ঠিক হয়, তেনেসময়ত তেওঁৰ লগত প্ৰতিযোগিতা কৰা বৰ কঠিন; কাৰণ তাৰ লগতে থাকে সজোৰে মৰা গ্ৰাউণ্ড ষ্ট্ৰক, তীক্ষ্ণ ভলি আৰু সুন্দৰ অভাৰহেড স্মেছ। খেলৰ সকলো দিশৰে সুন্দৰ সংমিশ্ৰণ। মাৰ্টিনাৰ all court খেলৰ তুলনা নাই। ফাইনেল খেলত 'চিত্তবিজয়ীনী' হানাৰ খেলো দৰ্শনীয় হৈছিল:— আৰু তেওঁ প্ৰথম ছে'টটো প্ৰায় জিকোঁ-জিকোঁৱেই হৈছিল। ঠিক তেনে সময়তে নাভ্ৰাটিলোভাই ঘূৰাই পাইছিল তেওঁৰ সংহাৰ মূৰ্তি। সেই মূৰ্তিৰ সন্মুখত স্থিৰ হৈ থাকিবলৈ অতি 'কৌশলী আৰু স্বাভাৱিক' খেলুৱৈ মাণ্ডলিকভা (যি অতি সুন্দৰ খেলেৰে মহিলা টেনিছ জগতৰ আন গৰাকী প্ৰসিদ্ধ খেলুৱৈ ক্ৰিছ এভাৰ্ট লয়ডক হৰুৱাই ফাইনেলত উপনীত হৈছিল) অসমৰ্থ হৈছিল। পুৰুষ আৰু মহিলাৰ ফাইনেল দুয়োখন খেল যদিও পোনপটিয়া ছে'টতে অন্ত পৰে, তথাপি কব লাগিব যে লেণ্ডেল আৰু মাণ্ডলিকভাই অতি উচ্চ খাপৰ খেল প্ৰদৰ্শন কৰিছিল।

ডাবলছ খেলবোৰৰ পুৰুষৰ বিভাগত ছুইডেনৰ উইলেণ্ডাৰ আৰু নিষ্ট্ৰমে আমেৰিকাৰ ফ্লেমিং আৰু ডনেলিক পোনপটিয়া ছেটত পৰাস্ত কৰি বিজয়ীৰ সন্মান লাভ কৰে। এইখিনিতে উল্লেখযোগ্য যে যোৱা দুবছৰৰ ডেভিছ কাপ বিজয়ী ছুইডেনৰ খেলুৱৈসকলে উইম্বলডনৰ ছিংগলছ প্ৰতিযোগিতাত আশানুৰূপ খেল প্ৰদৰ্শন কৰিব পৰা নাই। ছুইডেনৰ তাৰকাসকলো ঘাঁহৰ পথাৰত খেলাত দুৰ্বল।

মহিলাৰ ডাবলছ খেলত নাভ্ৰাটিলোভা আৰু শ্ৰাইভাৰে, মাণ্ডলিকভা আৰু টাৰ্ণবুলক পোনপটিয়া ছেটত পৰাজিত কৰি বিজয়ী হয়; কিন্তু মিক্সড ডাবলচ খেলৰ ফাইনেলত নাভ্ৰাটিলোভা আৰু গুণথহাৰ্ট, কেথি জৰ্ডান আৰু ফ্লেকৰ হাতত পৰাজিত হোৱাত নাভ্ৰাটিলোভা ত্ৰিমুকুটৰ সন্মানৰপৰা বঞ্চিত হয়।

জুনিয়ৰ খেলত ভাৰতৰ জিছান আলি ছেমিফাইনেললৈকে আগবঢ়া, আৰু ছোৱালীৰ ফাইনেলখন দুজনী ৰাছিয়াৰ উদীয়মান খেলুৱৈৰ মাজত হোৱাটো উল্লেখযোগ্য কথা।

বিজয় অমৃতৰাজে উইম্বলডন প্ৰতিযোগিতাৰ আগতে হৈ যোৱা ব্ৰিষ্টলৰ প্ৰতিযোগিতাত জয়লাভ কৰিছিল, কিন্তু উইম্বলডনত প্ৰায় সমবয়সী ফিবেকৰ হাতত প্ৰথম ৰাউণ্ডতে পৰাজিত হৈ তেওঁ আকৌ তেওঁ খেলৰ অসংগতি পূৰ্ণ হৈ অহাৰ কথাকে প্ৰতিপন্ন কৰিলে। ৰমেশ কৃষ্ণনে ভাল খেলি কোৱাৰ্টাৰ ফাইনেল পাইছিলগৈ। এই অৱস্থাত উপনীত হোৱাৰ বাটত তেওঁ ছুইডেনৰ পৰাক্ৰমী আৰু ৬ নম্বৰৰ খেলুৱৈ নিষ্ট্ৰমক পৰাজিত কৰিছিল কিন্তু শেষ খেলখনত জিভইনভিচৰ দুৰ্বাৰ আক্ৰমণ আৰু প্ৰচণ্ড শক্তিৰ বিপৰীতে তেওঁ ভাল খেলিও পৰাজিত হৈছিল।

এইবাৰ উইম্বলডনৰ দুটা উল্লেখযোগ্য কথা হ'ল অতিপাত গৰম (আমাৰ দেশতকৈয়ো বেছি) আৰু পুৰুষৰ seeded খেলুৱৈসকলৰ প্ৰতিযোগিতাৰ প্ৰথম কেইৰাউণ্ডতে বিদায় গ্ৰহণ। ইয়াৰপৰা বাচনিবোৰ নিম্নখাপৰ আছিল বুলিও ক'ব নোৱাৰি। আজিৰ টেনিছখেলত ওপৰৰ দুই এজন বাদ দিলে বাকীসকলৰ মান কম-বেছি পৰিমাণে প্ৰায় একে সমানেই। সেইকাৰণেই seeded খেলুৱৈসকল প্ৰথম ৰাউণ্ডবোৰতে পৰাজিত হোৱাত আচৰিত হোৱাৰ স্থল নাই। আৰু এটা মন কৰিবলগীয়া কথা হ'ল,— এইবাৰ ছেমি-ফাইনেল খেলৰ (পুৰুষৰ) চাৰিওজনেই ইউৰোপীয়। অথচ অলপ দিনৰ আগলৈকে অষ্ট্ৰেলিয়া আৰু আমেৰিকাৰ খেলুৱৈসকলেই এই প্ৰতিযোগিতাত প্ৰাধান্য বিস্তাৰ কৰি আছিল। সেই খাটি এতিয়া ইউৰোপলৈ স্থানান্তৰিত হৈছে। মহিলাসকলৰ ক্ষেত্ৰত এই কথা খাটে। নাভ্ৰাটিলোভাই বাসস্থান আমেৰিকাত ল'লেও তেওঁ চেকোশ্লোভেকিয়াৰ মহিলা।

উইম্বলডনকে লৈ গ্ৰেণ্ডশ্লেম'ৰ ৪ খনৰ দুখনৰ সমাপ্তি ঘটিল। এতিয়া বাকী ৰ'ল ফ্লাছিং মেড'জ আৰু অষ্ট্ৰেলিয়ান প্ৰতিযোগিতা। হৈ যোৱা খেল দুখনৰ পুৰুষ আৰু মহিলা দুয়ো বিভাগতে চেম্পিয়ন বেলেগ বেলেগ। বাকীদুখনত কি হয় ক'ব নোৱাৰি; পিছে এটা কথা এতিয়াই ক'ব পাৰি যে এইবছৰৰ টেনিছ খেলত পুৰুষ বা মহিলা কোনোৱেই গ্ৰেণ্ড শ্লেম বিজয়ীৰ সন্মান লাভ কৰিব নোৱাৰে।

শেহত এটা কথাই বাৰে বাৰে মনলৈ আহে। টেনিছ খেলা এতিয়া কেৱল এটা খেলাই হৈ থকা নাই। ই সম্পূৰ্ণৰূপে এটা পেছাও হৈ পৰিছে। টেনিছ খেলত এতিয়া প্ৰাইজ মানি, স্প'নছ'ৰশ্বিপ আদিত ইমান পইচা যে অতি ওখ খাপৰ এজন খেলুৱৈ খুব কম সময়তে কোটিপতি হৈ যাব পাৰে। তেনে দৃষ্টান্ত চকুৰ আগতে কেইবাটাও আছে। সেয়েহে আজিকালি পুৰুষ বা মহিলা দুয়ো বিভাগতে বহুতো নতুন নতুন কীৰ্তিমান চেমনীয়াৰ আবিৰ্ভাব হৈছে। এই চেমনীয়াসকলে অনতিপলমে যে টেনিছ জগতত এক আলোড়নৰ সৃষ্টি কৰিব তেনে সম্ভাৱনা নুই কৰিব নোৱাৰি। বৰিছ বেকাৰতো বাদেই, —মহিলাবিভাগত ১৬ বছৰীয়া ষ্টেফি-গ্ৰাফ আৰু গাব্ৰিয়ালা চাবাটানিৰ খেলৰ মানলৈ লক্ষ্য কৰক। কিন্তু আমাৰ ভাৰতত কি হ'ব? অকল ২৫ বছৰীয়া ৰমেশ কৃষ্ণনকে লৈয়েইতো টেনিছ জগতত স্থিতি ৰাখিব নোৱাৰি! তাতে ৰমেশ কৃষ্ণন এতিয়াও শীৰ্ষলৈ উঠা নাই। এই কাৰণেই মাদ্ৰাজত নতুনকৈ গঢ় দিয়া টেনিছখেলৰ বাছকবনীয়া উদীয়মান তৰুণ খেলুৱৈসকলৰ প্ৰশিক্ষণ কেন্দ্ৰ Amritraj Brittania Foundation অৰ ভৱিষ্যত অৱদানলৈ আগ্ৰহেৰে বাট চাবলগীয়া হৈছে।

— অমূল্যোহাস গোস্বামী

## ইণ্টাৰ কাপ টেবল টেনিছত অসমৰ সাফল্য

ইণ্টাৰ কাপ জুনিয়ৰ ৰাষ্ট্ৰীয় টেবল টেনিছ চেম্পিয়নশ্বিপত অসমৰ ত্ৰিদিব দুৱৰাই ফাইনেলত মহাৰাষ্ট্ৰৰ মহেন্দ্ৰ চিপলুনকাৰক ২১-১৮, ১২-২১, ২১-১৩ আৰু ২১-১২ পইণ্টত পৰাজিত কৰি বিজয়ীৰ সন্মান লাভ কৰিছে। ত্ৰিদিব প্ৰথম গেমত ১০-১৫ পইণ্টত পিছ পৰি আছিল, কিন্তু অনমনীয় দৃঢ়তাৰে খেলি ত্ৰিদিব এই গেমত চিপলুনকাৰৰ বিৰুদ্ধে জয়ী হয়। কিন্তু দ্বিতীয় গেমত প্ৰথমৰপৰাই চিপলুনকাৰে আক্ৰমণাত্মকভাৱে খেলে আৰু ১৪-৭ পইণ্টত অগ্ৰগতি লাভ কৰি তীব্ৰ ফৰহে'ড শ্বটেৰে ত্ৰিদিবৰ বিৰুদ্ধে এই গেমটো লাভ কৰে। কিন্তু পাছৰ গেম দুখনত ত্ৰিদিবে প্ৰতিদ্বন্দ্বীক সম্পূৰ্ণভাৱে অসহায় কৰি দিয়ে তেওঁৰ তীব্ৰ আক্ৰমণাত্মক খেলেৰে। ল'ৰাৰ ডবলছ আৰু ছাব জুনিয়ৰ ছোৱালী বিভাগতো অসম চেম্পিয়ন হয়। ল'ৰাৰ ডবলছত ত্ৰিদিব দুৱৰা আৰু সোণেশ্বৰ ডেকাই অসমৰে আন দুগৰাকী চেমনীয়া খেলুৱৈ নিপজ্যোতি বৰুৱা আৰু নীলোৎপল বৰপূজাৰীক সহজে ২১-১৩ আৰু ২১-১৮ পইণ্টত পৰাজিত কৰে। ছোৱালীৰ ছাব জুনিয়ৰ ফাইনেলত অসমৰ অনুমিতা গগৈ আৰু ৰশ্মি শইকীয়াই কেৰালাৰ এ· ৰাধিকা আৰু ছি· ছাজীক ২১-১৭ আৰু ২২-২০ পইণ্টত পৰাজিত কৰি চেম্পিয়ন হয়। ৰাঁচিত অনুষ্ঠিত পূব ভাৰত টেবল টেনিছ প্ৰতিযোগিতাৰ চাব জুনিয়ৰ ল'ৰা বিভাগতো ত্ৰিদিব দুৱৰাই চেম্পিয়নশ্বিপ অৰ্জন কৰে।

## প্ৰফেশ্যনেলৰ বাবে অলিম্পিক গেমছ মুক্ত কৰাৰ দাবী

এছোছিয়েশ্যন অৱ নেশ্যনেল অলিম্পিক কমিটিৰ পঞ্চম সাধাৰণ অধিবেশনত আন্তঃৰাষ্ট্ৰীয় অলিম্পিক কমিটিৰ প্ৰেছিডেণ্ট উৱান আণ্টোনিও ছামাৰাঞ্চে প্ৰফেশ্যনেল খেলুৱৈ অলিম্পিকত যোগদানৰ পক্ষপাতী বুলি মত ব্যক্ত কৰিছে। তেওঁ কয় "সময়ৰ পৰিবৰ্তনৰ লগত আমিও খোজ মিলাই চলিব লাগিব আৰু অলিম্পিক আন্দোলনক সাৰ্থকভাৱে আগুৱাই লৈ যাব লাগিব।" প্ৰস্তাৱ কৰা হৈছে যে প্ৰতিযোগীসকলে ৰাষ্ট্ৰীয় অলিম্পিক কমিটিৰ দ্বাৰা নিৰ্বাচিত হলে গেমছত ভাগ ল'ব পাৰিব, কিন্তু ইয়াৰ বিনিময়ত তেওঁলোকক কোনো অৰ্থ দিয়া নহব। অৱশ্যে 'মুক্ত অলিম্পিক' সম্পৰ্কে সমাজতান্ত্ৰিক দেশসমূহৰ পৰা বাধা আহিব পাৰে বুলি আশংকা কৰা হৈছে।

OKDISCD

## ইংলেণ্ড ভ্ৰমণত ভেংছৰকাৰ আৰু মনীন্দৰৰ সাফল্য

সদ্যসমাপ্ত ভাৰত-ইংলণ্ড টেষ্টছিৰিজত ভেংছৰকাৰ আৰু গেটিঙে দুইদেশৰ বেটিং গড়ত শীৰ্ষস্থান অধিকাৰ কৰিছে। ব'লিঙত শীৰ্ষস্থান লাভ কৰিছে মনীন্দৰ সিং আৰু ডেৰিক পিংগলে। দুটা ছেঞ্চুৰি (১২৬ নট আউট আৰু ১০২ নট আউট) সহ ভেংছৰকাৰৰ সংগৃহীত ৰান ৩৬০; গড় ৯০। ভাৰতীয় বেটছমেনসকলৰ ভিতৰত দ্বিতীয় স্থানত আছে কিৰণ মোৰে তেওঁৰ মুঠ ৰান ১৫৬; গড় ৫২। এওঁলোকৰ বাহিৰে উল্লেখযোগ্য ভাৰতীয় খেলুৱৈসকলৰ অৱস্থা এনেধৰণৰ: মহীন্দৰ অমৰনাথ ১৭২ ৰান, গড় ৪৩; মহম্মদ আজাহাৰউদ্দীন ১৫৭ ৰান, গড় ৩১.৪০; সুনীল গাভাছকাৰ ১৭৫ ৰান, গড় ২৯.১৬।

ইংলণ্ডৰ অধিনায়ক মাইক গেটিঙে তৃতীয় টেষ্টৰ প্ৰথম ইনিংছত ১৮৩ ৰান (নট আউট) কৰে। উভয় দেশৰ মাজত এইবাৰৰ টেষ্টত এটা ইনিংছত এইটোৱেই সৰ্বাধিক ৰান। মুঠতে তেওঁ ২৯৩ ৰান কৰিছে (গড় ৭৩.২৫)।

ভাৰতৰ তৰুণ বাঁও-হতীয়া স্পিনাৰ মনীন্দৰ সিঙে মুঠতে ১২ টা উইকেট লাভ কৰে। (গড় ১৫.৪১)। চেতন শৰ্মাই লাভ কৰে ১৬ টা উইকেট (গড় ১৮.৭৫)। ৰজাৰ বিনিয়ে লাভ ১২ টা উইকেট (গড় ২০.৯১)। অধিনায়ক কপিলে লাভ কৰে ১০ উইকেট (গড় ৩০.৮০)। ভাৰতৰ পক্ষে মেন অৱ দি ছিৰিজ নিৰ্বাচিত হৈছে দিলীপ ভেংছৰকাৰ। ইংলণ্ডৰ নিৰ্বাচক কমিটিৰ চেয়াৰমেন পিটাৰ মেই এই মনোনয়ন কৰে। ভেংছৰকাৰে লাভ কৰিছে ৭৫০ পাউণ্ড। ইংলণ্ডৰপক্ষে মেন অৱ দি ছিৰিজ ৰূপে মনোনীত হৈছে মাইক গেটিং। তেওঁ লাভ কৰিছে সমপৰিমাণৰ অৰ্থ। ভাৰতীয় দলৰ মেনেজাৰ ৰাজ সিঙে এই নিৰ্বাচন কৰে।

### কপিলে লাভ কৰিলে মাৰ্ছিডেছ বেনজ

ইংলণ্ডৰ বিৰুদ্ধে টেষ্ট-ছিৰিজ লাভ কৰা বাবে ডালাছত বাসকৰা শংকৰ ৰামানি নামে এগৰাকী ভাৰতীয় ব্যৱসায়ীয়ে ভাৰতীয় দলক দহ হাজাৰ ডলাৰৰ এখন চেক উপহাৰ দিছে আৰু বিশেষ উপহাৰ হিচাপে কপিল দেৱক দিছে '৮৬ চনৰ মডেলৰ মাৰ্ছিডেছ বেনজ গাড়ী এখন।

### মহিলাৰ টেষ্টমেচত সন্ধ্যাৰ বিশ্বৰেকৰ্ড

মহিলাৰ টেষ্ট ক্ৰিকেটত ভাৰতৰ সন্ধ্যা আগৰৱালে নতুন ৰেকৰ্ড স্থাপন কৰিছে। তেওঁ ইংলণ্ডৰ বিৰুদ্ধে তৃতীয় টেষ্টমেচত ১৯০ ৰানৰ এটা অসাধাৰণ ইনিংছ খেলে। ইয়াৰ ফলত ৫১ বছৰ আগতে ক্ৰাইষ্টচাৰ্চত নিউজিলেণ্ডৰ বিৰুদ্ধে ইংলণ্ডৰ বেটি স্ন'বলে যি



১৮৯ ৰানৰ ৰেকৰ্ড স্থাপন কৰিছিল, সেইটো ভংগ হ'ল। সন্ধ্যাই চাৰে ন ঘণ্টা ক্ৰিজত থাকি মুঠতে ৫২৩ টা বল খেলি এই অভিলেখ স্থাপন কৰে।

### বিশ্বকাপ ক্ৰিকেটৰ খেল ২১ টা কেন্দ্ৰত হ'ব

১৯৮৭ চনৰ বিশ্বকাপ ক্ৰিকেটৰ বাবে ভাৰতৰ ১৪ টা আৰু পাকিস্তানৰ ৭ টা কেন্দ্ৰ অনুমোদিত হৈছে। ভাৰতৰ কেন্দ্ৰসমূহ হৈছে কলিকাতা, আহমেদাবাদ, বাংগালোৰ, বোম্বাই, চণ্ডীগড়, কটক, দিল্লী, হায়দৰাবাদ, ইন্দোৰ, জয়পুৰ, কানপুৰ, মাদ্ৰাজ, নাগপুৰ আৰু পুনে। পাকিস্তানৰ কেন্দ্ৰ সমূহ হ'ল— ফয়ছলাবাদ, গুজৰানৱালা, হায়দৰাবাদ, কৰাচী, লাহোৰ, পেছোৱাৰ আৰু ৰাৱলপিণ্ডি।

এই প্ৰতিযোগিতাৰ বাবে আন্তঃৰাষ্ট্ৰীয় আম্পায়াৰ পেনেলৰপৰা আম্পায়াৰ মনোনীত কৰা হ'ব। দহজনীয়া পেনেলত থাকিব ভাৰত, পাকিস্তান আৰু ইংলণ্ডৰ পৰা দুজনকৈ, ৱেষ্ট ইণ্ডিজ, নিউজিলেণ্ড, অষ্ট্ৰেলিয়া আৰু শ্ৰীলংকাৰ পৰা এজনকৈ। অহা মাৰ্চ মাহৰ ভিতৰতে সংশ্লিষ্ট আম্পায়াৰসকলৰ নাম আই· ছি· ছিৰ পৰা ব'ৰ্ডলৈ পঠোৱা হ'ব।

### ভাৰতত বেনছন আৰু হেজেছ ছিৰিজৰ অনুকৰণত ত্ৰিদলীয় ক্ৰিকেট

১৯৮৮ চনৰ পৰা বেনছন এণ্ড হেজেছ ছিৰিজৰ নিচিনাকৈ এখন ত্ৰিদলীয় ক্ৰিকেট প্ৰতিযোগিতা পৰিচালনা কৰাৰ ভাৰ গ্ৰহণ কৰিবলৈ ভাৰতীয় ক্ৰিকেট কণ্ট্ৰ'ল ব'ৰ্ড সন্মত হৈছে। এই প্ৰতিযোগিতাত ১০ খন প্ৰাথমিক মেচ আৰু ফাইনেল হ'ব। ভাৰতৰ বাহিৰে পাকিস্তান, শ্ৰীলংকা আৰু বাংলাদেশে ইয়াত ভাগ লব। ইয়াৰ বাহিৰেও ইয়াত অংশ গ্ৰহণৰ বাবে কেইটামান বিদেশী দলক আমন্ত্ৰণ জনোৱা হ'ব বুলি বাতৰিত প্ৰকাশ।

### টাটা কোম্পানিৰ প্ৰশংসনীয় উদ্যম

টাটা কোম্পানিয়ে তেওঁলোকৰ নৱগঠিত ফুটবল একাডেমিৰ সৰ্বোচ্চ পদত বিখ্যাত ফুটবল খেলুৱৈ চুনী গোস্বামীক নিয়োগ কৰিছে। টাটা কোম্পানিৰ নিৰ্দেশত চুনীয়ে বৰ্তমানে ব্ৰাজিলৰ ফুটবল একাডেমিৰ ব্যৱস্থাপনা আদি চাবলৈ গৈছে। কাৰণ ব্ৰাজিলৰ একাডেমিৰ অনুকৰণত ফুটবল একাডেমি টাটায়ো স্থাপন কৰিব। ফুটবল একাডেমিৰ বাহিৰে এটি স্প'ৰ্টছ কমপ্লেক্সো স্থাপন কৰা হব। এই ষ্টেডিয়ামত আধুনিক এছট্ৰ'টাৰ্ফ, ছাইক্লিং ট্ৰেক ইত্যাদি থাকিব।



অহা জানুৱাৰী মাহৰ এক তাৰিখৰপৰা জামছেদপুৰত ফুটবল একাডেমিৰ কাৰ্য আৰম্ভ হব। বিশেষজ্ঞ দলে ভাৰতৰ ৰাজ্যসমূহৰপৰা ১২ বছৰৰপৰা ১৪ বছৰ বয়সৰ ফুটবল খেলুৱৈক নিৰ্বাচিত কৰিব। এই খেলুৱৈসকলৰ থকা-খোৱা, পঢ়াশুনাৰ দায়িত্ব লব একাডেমিয়ে। প্ৰখ্যাত প্ৰশিক্ষকৰ অধীনত এওঁলোকে ফুটবল প্ৰশিক্ষণ লব। ডাঙৰ হলে এই খেলুৱৈসকলক টাটা কোম্পানিয়ে চাকৰী দিব। প্ৰথম পৰ্যায়ত ৩০ জনক মনোনীত কৰা হব; পাছলৈ পৰ্যায়ক্ৰমে শিক্ষাৰ্থীৰ সংখ্যা বৃদ্ধি কৰা হব।

### গুড়উইল গেমছ

মস্কোত অনুষ্ঠিত গুডউইল গেমছৰ এথলেটিকছ বিভাগত ছোভিয়েট ইউনিয়নৰ ছাৰ্গে বুবকাই প'লভল্টত ৬.০১ অতিক্ৰম কৰি বিশ্বৰেকৰ্ড কৰিছে। যুক্তৰাষ্ট্ৰৰ মহিলা এথলেট জেকি ডয়েনাৰে হেক্টাথেলনত বিশ্বৰেকৰ্ড কৰিছে ৭১৪৮ পইণ্টত। ইয়াৰ আগতে ৰেকৰ্ড আছিল পূব-জাৰ্মানিৰ ছাবিন পায়েজৰ (৬৯৪৬ পইণ্ট)।

১০০ মিটাৰ দৌৰত কানাডাৰ বেন জনষ্টনে অলিম্পিক চেম্পিয়ন যুক্তৰাষ্ট্ৰৰ কাৰ্ল লুইছক পৰাজিত কৰিছে। বেনছনে সময় লৈছে ৯.৯৫ ছেকেণ্ড;—যুক্তৰাষ্ট্ৰৰ কলভিন স্মিথৰ বিশ্বৰেকৰ্ডতকৈ ০.০২ ছেকেণ্ড বেছি। বিখ্যাত হাৰ্ডলাৰ এডুইন মোজেছে ৪০০ মিটাৰ হাৰ্ডলছত তেওঁৰ গৌৰৱময় ক্ৰীড়াজীৱনৰ উপৰ্যুপৰি ১১১ তম বিজয়ীৰ সন্মান লাভ কৰিলে ৪৭.৯৬ ছেকেণ্ডত দৌৰি।

### উষাৰ ব্যৰ্থতা

ভাৰতৰ পি· টি· উষাই ৪০০ মিটাৰ হাৰ্ডলছত ৫৭.৯ ছেকেণ্ডত সৰ্বশেষ স্থান লাভ কৰে। অষ্টম স্থানাধিকাৰিণী যুক্তৰাষ্ট্ৰৰ এছ. উইলিয়ামছতকৈ ১ ছেকেণ্ডৰ অধিক ব্যৱধানত তেওঁ পিছ পৰি যায়।

তেওঁৰ প্ৰশিক্ষক নাম্বিয়াৰে কৈছে, "মই ভাবি পোৱা নাই এইটো কেনেকৈ হ'ল! ভাৰতত উষাৰ সময় কেতিয়াও ৫৬ ছেকেণ্ডৰ কম হোৱা নাই।"

### গুৱাহাটীত ভাৰত-শ্ৰীলংকাৰ এদিনীয়া খেল

অহা ডিছেম্বৰ আৰু জানুৱাৰী মাহত শ্ৰীলংকা ক্ৰিকেট দলে ভাৰত ভ্ৰমণ কৰিব। নাগপুৰ, কানপুৰ আৰু কটকত টেষ্টমেচ অনুষ্ঠিত হ'ব। এইবাৰেই প্ৰথমবাৰৰ বাবে কটকে টেষ্টকেন্দ্ৰৰ মৰ্যাদা পালে। পাঁচখন এদিনীয়া আন্তঃৰাষ্ট্ৰীয় খেলৰ ভিতৰত এখন অনুষ্ঠিত হ'ব গুৱাহাটীত। অষ্ট্ৰেলিয়া, পাকিস্তান আৰু শ্ৰীলংকাৰ বিৰুদ্ধে ভাৰতে মুঠতে ১১ খন টেষ্ট আৰু ১৭ খন এদিনীয়া আন্তঃৰাষ্ট্ৰীয় মেচ খেলিব। খেলসমূহ ছেপ্টেম্বৰৰপৰা মাৰ্চৰ ভিতৰত অনুষ্ঠিত হ'ব।

—পুলক লাহিড়ী

৫৩ পৃষ্ঠাৰ পিছৰ পৰা

কছাৰীৰ দুখনমান ড্ৰয়িঙৰপৰাই তেওঁৰ সৃজনশীল প্ৰতিভা আৰু সম্ভাৱনাৰ নিৰ্ভুল সন্তেদ পোৱা যায়। তেওঁৰ ড্ৰয়িং ভাল। তাহানি ক্লাইব বেলে কোৱা inspired drawingৰ স্পষ্ট-অস্পষ্ট চৰিত্ৰ এটাও আছে তেওঁৰ দুখনমান ড্ৰয়িঙত। সাধাৰণতে কোনো পূৰ্বপ্ৰস্তুতি নোহোৱাকৈ ততালিকে কৰা ড্ৰয়িঙৰো যে চিত্ৰগুণ আৰু সৃজনশীল বৈশিষ্ট থাকিব পাৰে, কছাৰীৰ দুই-এখন ড্ৰয়িঙেই তাৰ নিদৰ্শন।

প্ৰতাপ বৰুৱাৰ ভালেকেইখন চিত্ৰ 'আৱাহন'ত ছপা হৈছিল। চিত্ৰকলা পৰিষদত থকা তেওঁৰ বাৰখন চিত্ৰৰ ভিতৰত দুখন অসবৰ্ণ চৰিত্ৰৰ চিত্ৰ আছে। দুয়োখনেই তাৎপৰ্যপূৰ্ণ।

বৰুৱাৰ আপেলবোৰেই প্ৰথম অসমীয়া স্থিৰ চিত্ৰ। বিষয়ৰ অভিনৱত্ব, অংকন প্ৰকৰণ, সজ্জাবিন্যাস, বৰ্ণৰ স্তৰবিন্যাস, শিল্পীৰ নান্দনিক বোধৰ দিশত, ১৯৩০ চনতে অঁকা এই চিত্ৰখনে আজিৰ যি কোনো ১৯৩০ চনত স্থিৰচিত্ৰ অঁকা আন ভাৰতীয় চিত্ৰকৰো বোধহয় বেছি নোলাব। স্থিৰচিত্ৰক 'শিল্পীৰ চিত্ৰ' বুলি কোৱা হয়। ফৰ্ম, বৰ্ণ, স্পৰ্শধৰ্মিতা, সজ্জাবিন্যাস আদিৰ পৰীক্ষা-নিৰীক্ষা কৰাৰ উদ্দেশ্যৰেই শিল্পীয়ে স্থিৰচিত্ৰ আঁকে।

বৰুৱাৰ আনখন মনোৰম চিত্ৰ হ'ল,— স্বচ্ছ পানী ৰঙত অঁকা এজন সন্যাসীৰ প্ৰতিকৃতি। অভিব্যক্তিপূৰ্ণ এখন প্ৰাণৱন্ত মুখ। সন্যাসী বৰুৱাৰ এটি পৰিণত শিল্পকৰ্ম।

এই চিত্ৰ দুখনৰ তুলনাত সামাজিক জীৱনক লৈ অঁকা তেওঁৰ ছবিবোৰ তুলনামূলকভাৱে স্পন্দনহীন। পানী ৰং বৰুৱাৰ প্ৰিয় মাধ্যম আছিল। স্বচ্ছ পানী ৰঙৰ দৰে এটা কঠিন মাধ্যমত থকা তেওঁৰ দক্ষতাৰ উজ্জ্বল দৃষ্টান্ত— সন্যাসী।

বৰুৱা সুদৰ্শন পুৰুষ আছিল। অসমীয়া দৰ্শকক চমক খুৱাব পাৰে। মুকুতাৰ দৰে আছিল তেওঁৰ হাতৰ আখৰ। ১৯৩৩ চনৰ 'আৱাহন'ত প্ৰকাশ হোৱা বৰুৱাৰ 'দাম্পত্য অভিনয়' সম্ভৱতঃ অসমীয়া চিত্ৰকৰে অঁকা প্ৰথম ৰঙীন কৌতুক চিত্ৰ।

বৰুৱাৰ ভনীয়েক প্ৰজ্ঞা দাসেই সম্ভৱতঃ প্ৰথম অসমীয়া মহিলা চিত্ৰকৰ। তেওঁৰ এখন ভাল নিসৰ্গ চিত্ৰ চিত্ৰকলা পৰিষদত আছে।

৬

চিত্ৰগত বা নান্দনিক মূল্য যিয়েই নহওক, আলোচ্য চিত্ৰকৰসকলৰ চিত্ৰৰ এটা সামাজিক ঐতিহাসিক মূল্য আছে। এটা নতুন চিত্ৰ ঐতিহ্যৰ-জনক, ধাৰক আৰু বাহক বিস্মৃতপ্ৰায় এই চিত্ৰকৰসকলৰ কুৰিখনতকৈও অধিক দুৰ্লভ চিত্ৰ সংগ্ৰহ কৰি, আৰ্থিকভাৱে নিশকতীয়া, তেজপুৰৰ চিত্ৰকলা পৰিষদৰ দৰে বেচৰকাৰী অনুষ্ঠানে এটা উল্লেখযোগ্য জাতীয় কৰ্তব্য সম্পাদম কৰিছে।



OKDISCD

# আছাম টাইপ

কিছুদিনৰ আগতে এগৰাকী মহিলাই অসম চৰকাৰক এটা অনুৰোধ কৰিছিল : তেখেতে অষ্ট্ৰেলিয়াৰ ছোৱালী এজনী সত্ৰীয়া নাচ শিকাবৰ বাবে অসমলৈ আনিব খোজে।

মহিলা গৰাকীৰ এই অনুৰোধ ৰক্ষা পৰিব নে নপৰে সেইটো আমাৰ আলোচনাৰ বিষয় নহয়। আমাৰ আলোচনাৰ বিষয় হ'ল— শেষ পৰ্যন্ত যদি অষ্ট্ৰেলিয়াৰ ছোৱালীজনী অসমলৈ আহে, তেনেহলে তেওঁ সত্ৰীয়া নাচ শিকিব ক'ত? তেওঁক সেই নাচ শিকাব কোনে?

এইটো অষ্ট্ৰেলিয়া-ৰুমানিয়াৰ ছোৱালীৰ বেলিকা সোধা প্ৰশ্ন নহয়, এইটো কৰ্ণাটক, দিল্লী, কলিকতাৰ ইচ্ছুক মানুহৰ বাবেও সোধা প্ৰশ্ন; উজানবজাৰ, হোজাই, মাজুলীৰ মানুহৰ বাবেও সোধা প্ৰশ্ন। সত্ৰীয়া নাচ সম্পৰ্কে অলপ জনা-বুজা লোকক— "এই নাচৰ ক্ষেত্ৰত নিৰ্ভৰযোগ্য লোক কোন"— বুলি সুধিলে সাধাৰণতে পোৱা উত্তৰটো হ'ল,— এতিয়া বাচি থকাৰ ভিতৰত অমুকেই একমাত্ৰ মানুহ; তেখেত গ'লেই শেষ। ৰাজ্যখনত সত্ৰীয়া নাচৰ চৰ্চাৰ বিষয়ে সোধা-সুধি কৰিলে পোৱা উত্তৰবোৰ এনে ধৰণৰ : তমুকে টুকটাককৈ ল'ৰা-ছোৱালী কিছুমান গোটাই লৈ কিবাকিবি কৰি আছে, পিছে তেওঁৰ কথাবোৰ শুদ্ধ নহয়। আমাৰ সেই তেখেতে কিছু জানে, পিছে মানুহজন বৰ খোদ। —আৰু সেই স্কুলখন? মিছা। ছাৰ্টিফিকেট দিব লাগে দি আছে; সেই ছাৰ্টিফিকেট দেখুৱাই পাছলৈ কোনোবাই চাকৰি-বাকৰি কিবা পালে পাব পাৰে; কিন্তু নাচৰ একোটো নাই। —আৰু মিউজিক কলেজখন? ছাত্ৰ-ছাত্ৰীসকলে ধৰ্মঘট, পিকেটিং, অনশন নকৰিলে সেইখনৰতো খবৰেই নাপাওঁ!

হ'ব পাৰে— এইবোৰ আড্ডাজাতীয় কথা; কিন্তু অসমত যে সত্ৰীয়া নাচৰ শিক্ষা আৰু চৰ্চাৰ ব্যৱস্থাটোৰ এটা "গত" লগা নাই, সেইটো সঁচা কথা। আনহাতে, এই নাচৰ যে বৈশিষ্ট্য আছে, ই যে ভাৰতৰ শাস্ত্ৰীয় নৃত্যসমূহৰ মাজৰ এবিধ স্বীকৃত নাচ, ই যে অসমৰ সংস্কৃতিৰ ভঁৰালৰ এক মূল্যবান সম্পদ এইবোৰ পুৰণি সঁচা কথা; এইবোৰৰ বিষয়ে এই আলোচনাত এটা বাক্য লিখিবলগীয়া হোৱাটোও অপচয়মূলক কাম। এই নাচ চৰ্চা কৰা এজনৰ মতে কথক, কথাকলি, ভৰত নাট্যম আৰু মণিপুৰী নাচৰ তুলনাত এই নাচৰ কিছুমান উৎকৃষ্টতৰ দিশ আছে। কিন্তু আজি ভাৰতৰ বাকীবোৰ স্বীকৃত শাস্ত্ৰীয় নৃত্যই যি আসন আৰু প্ৰতিষ্ঠা লাভ কৰিছে, তাৰ তুলনাত সত্ৰীয়া নাচে মুঠেই গা কৰিব পৰা নাই। বহু পলমকৈ পোহৰলৈ অহা ওড়িছি নৃত্যই আজি যি ধৰণে ব্যাপ্তি আৰু প্ৰসিদ্ধি লাভ কৰিছে, সি কিছুলোকৰ গভীৰ শ্ৰদ্ধা, জ্ঞান আৰু পৰিশ্ৰমে এটা বস্তুক কেনেকৈ তুলি ধৰিব পাৰে, তাৰ উৎকৃষ্ট উদাহৰণ। আমাৰ নিচেই কাষৰে সৰু ৰাজ্য মণিপুৰৰ মণিপুৰী নাচ কিয় আৰু কেনেকৈ সমগ্ৰ বিশ্বত পৰিচিত হৈছে, সেই কথাও আমি সঘনে স্মৰণ কৰিব লাগে।

নাচৰ ক্ষেত্ৰত কিছুমান অসুবিধা আছে। তাৰে এটা হ'ল : সাধাৰণতে ছোৱালীক নাচ শিকোৱা হয়। পাঁচ-ছবছৰ বয়সতে আৰম্ভ কৰিলে যি বয়সত এজনী ছোৱালীয়ে মোটামুটিভাৱে নাচটোৰ সকলো দিশ আয়ত্ত কৰাটো সম্ভৱ, তাৰ আগেয়েই তেওঁ বিভিন্ন কাৰণত নাচ বাদ দিবলগীয়া হয়। তাৰ পাছত তেওঁ প্ৰায়েই "চুবুৰীৰ শিক্ষয়িত্ৰী" ৰূপত বৰ্তি থাকে। গতিকে নচা মানুহ আৰু শিকোৱা মানুহ— এই দুবিধৰ এবিধো পৈণত হ'বলৈ নাপায়। সমগ্ৰ ভাৰততেই এই কথা প্ৰযোজ্য; কিন্তু সত্ৰীয়া নাচৰ ক্ষেত্ৰত ই এটা সমস্যাৰ ৰূপত দেখা দিছে।

যদি অসমতে এই নাচ শুদ্ধভাৱে, নিয়মীয়াকৈ শিকোৱাৰ ভাল ব্যৱস্থা নাই, তেনেহলে এই নাচটোৰ বৰ্তমান আৰু ভৱিষ্যত ৰক্ষা পৰে কেনেকৈ? আজি যদি কোনোবাই, ধৰি লওক ভাৰতৰ সংগীত নাটক একাডেমিয়ে দিল্লীত সত্ৰীয়া নাচ শিকোৱাৰ প্ৰতিষ্ঠান এটা খুলিবলৈ অসমৰ পৰা শিকোৱা মানুহৰ দল এটা (বজোৰা, গোৱা, নচা, ইংৰাজী বা হিন্দীকৈ ছাত্ৰ-ছাত্ৰীক কথাবোৰ বুজাব পৰা মানুহৰ দল এটা) দীঘলীয়া দিনৰ বাবে দিল্লীত থকাকৈ বিচাৰে, তেনেহলে আমি পঠাব পাৰিম নে?

অকল এইটো বিষয়েই নহয়, অন্যান্য ভালেমান বিষয়ৰ কথা ভাবিলে আমাৰ বিশ্বাস জন্মে,— এই "আছাম টাইপ" বোলা কথাষাৰ কেৱল অসমৰ এবিধ ঘৰৰ ক্ষেত্ৰতে ব্যৱহাৰ কৰা কথা নহয়। বহু ক্ষেত্ৰত এই দুটাক আমাৰ চৰিত্ৰ আৰু মানসিকতা প্ৰতিফলন কৰা শব্দ বুলি ধৰিব পাৰি। একোটা মূল্যবান সম্পদক কেন্দ্ৰ কৰি একোটা বিৰাট প্ৰতিষ্ঠান গঢ়ি তোলাৰ মানসিকতা আৰু সামৰ্থ্য আমাৰ প্ৰায় নায়েই। কিন্তু এতিয়া আমি বিচাৰ কৰি চাব লাগে,— অকল সত্ৰীয়া নাচেই নহয়, সমগ্ৰ শংকৰী সাংস্কৃতিক বস্তুখিনিৰ ৰক্ষা, চৰ্চা আৰু ব্যাপ্তিৰ বাবে এটা বিৰাট প্ৰতিষ্ঠান গঢ়ি তোলাটো উচিত কাম হ'ব নে নহয়? এয়া অপব্যয় বুলি পৰিগণিত হ'ব নে কি?

আমাৰ বোধেৰে বৰ্তমানে বৰ্তি থকা সম্পদ আৰু যোগ্য ব্যক্তিসকলকে সুসংগঠিত কৰি, এনে এটা প্ৰতিষ্ঠানৰ ভেটি অনতিপলমে গঢ়ি তুলিব লাগে; নহলে এনে এক সাংস্কৃতিক অপব্যয় আৰম্ভ হ'ব— যাক সময়ত বহু কোটি টকাৰেও ৰোধিব পৰা নাযাব।

২৬/৭/৮৬



OKDISCD